● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল


## দিগ্‌দৰ্শন

যদি আপুনি কঠোৰ শ্ৰম কৰে আৰু দায়িত্ব পূৰ্ণ কৰিব পাৰে তেন্তে আগুৱাই যাব পাৰিব। লাগিলে আপুনি য'ৰ পৰাই নাহক, যেনেকুৱাই আপুনি নেদেখক।

বাৰাক অ'বামা
*প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি*




www.dainikagradoot.in



৭ এপ্ৰিলত ভাৰতত ৭.৮৩ শতাংশ বৃদ্ধি পালে নিবনুৱা
১৫ উত্তৰ-পূবৰ ক্ৰিকেটাৰৰ লগত দ্ৰাৱিড়ৰ বাৰ্তালাপ
৪ অসমীয়াৰ ধৰ্ম সংকট



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২০২তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ১৯ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ৩ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 3 May 2022 মূল্য ঃ ৯.০০ টকা


■ আৰক্ষী থানাই প্ৰতিমাহে লাভ কৰে ১০ লাখকৈ ■ পলাতক জুৱাৰীক ৰক্ষণাবেক্ষণ দিবলৈ আৰক্ষী বিষয়াই ল'লে ১৫ লাখ টকা ■ তথ্যসহ অভিযোগ দাখিল কৰি মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ

# আৰক্ষীৰ সহযোগতে আইপিএল জুৱা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ মে' ঃ** টি-২০ ক্ৰিকেট লীগ (আই পি এল)ক কেন্দ্ৰ কৰি এটা বৃহৎ চক্ৰই কিদৰে ৰাজ্যত জুৱা অব্যাহত ৰাখিছে সেয়া ইতিমধ্যে 'দৈনিক অগ্ৰদূত'ত সবিস্তাৰে প্ৰকাশ পাইছে। এই আইপিএল জুৱাৰ বিৰুদ্ধে অসম আৰক্ষীয়ে ঠায়ে ঠায়ে অভিযান অব্যাহত ৰাখিছে যদিও ইয়াৰ মূল কাণ্ডাৰীসকলক জালত পেলাবলৈ সক্ষম নোহোৱাৰ আঁৰত গভীৰ ৰহস্যৰ সৃষ্টি হৈছে। আনকি নিতৌ নতুন নতুন এজেন্ট তথা বুকী সৃষ্টি কৰি ৰাজ্যত



এক বৃহৎ চক্ৰই নিৰ্বিঘ্নে আই পি এল জুৱা অব্যাহত ৰাখি কোটি কোটি টকা আদায় কৰি বহুজনক সৰ্বস্বান্ত কৰিছে। তাৰ মাজতে ৰাজ্যৰ অন্যান্য স্থানৰ লগতে যোৰহাট জিলাত আৰক্ষীৰ পৃষ্ঠপোষকতাতে এই আই পি এল জুৱা অব্যাহত আছে বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। আনকি এই সম্পৰ্কত বিস্তৃত তথ্যসহ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। ধনৰ বিনিময়তে এনেদৰে আৰক্ষীয়ে আই পি এল জুৱা চলাই যাবলৈ পৃষ্ঠপোষকতা *আঠ পৃষ্ঠাত চাওক*

## এবিধ মাটি আখৰাৰ প্ৰস্তাৱনা

■ সঞ্জীৱ সভাপণ্ডিত



**দলটো** লাহে লাহে আগুৱাই গৈ থাকিল। কিমানদূৰ যাব লগা আছে প্ৰকৃততে কোনেও ক'ব নোৱাৰে; কিন্তু বহুদূৰ বুলি মনত এটা ধাৰণা লৈ আহিছে। সেয়ে ৰচদ-পাতি এমাহৰ কাৰণে লৈয়ে আহিছে। ঘৰৰ মানুহবিলাককো কৈ আহিছে যে বহুদিন হ'ব, যোগাযোগ কৰিব পৰা নহ'ব, বহুদূৰ যাব লাগিব। *১০ পৃষ্ঠাত চাওক*



*যোগাসনৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, শিৱসাগৰত সোমবাৰে।*

■ একেলগে সাতটা ঐতিহ্যবাহী স্থানত যোগ প্ৰদৰ্শন ■ যোগাসনক দৈনন্দিন জীৱনৰ অংগৰূপে গ্ৰহণ কৰিবলৈ আহ্বান শৰ্মা-সোণোৱালৰ


## মুখ্যমন্ত্ৰী-কেন্দ্ৰীয় মন্ত্ৰীসহ শিৱদৌল বাকৰিত সহস্ৰাধিকৰ যোগ প্ৰদৰ্শন

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২ মে' ঃ** 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বত যোগে বিশ্বজুৰি এখন উপযুক্ত মঞ্চ লাভ কৰিছে, যিয়ে ভাৰতৰ এই পৰম্পৰাগত চহকী ব্ৰেণ্ডৰ সঠিক আৰু সৰ্বগ্ৰহণযোগ্য প্ৰতিচ্ছবি গঢ়ি তোলাত সহায় কৰিছে। এই যাত্ৰাত সমগ্ৰ দেশবাসীৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণেও অকুণ্ঠ সঁহাৰি জনাই যোগৰ জনপ্ৰিয়কৰণত সক্ৰিয় ভূমিকা পালন কৰিছে।' এই মন্তব্য কেন্দ্ৰীয় আয়ুষ তথা বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ। আজি আয়ুষ মন্ত্ৰণালয়ে অসম চৰকাৰৰ সক্ৰিয় সহযোগত আগন্তুক আন্তৰ্জাতিক যোগ দিৱসৰ ৫০ দিনীয়া গণনা কাৰ্যসূচী উপলক্ষে শিৱসাগৰৰ শিৱদৌলৰ বাকৰিত আয়োজিত যোগ উৎসৱত অংশ লয় কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে। আয়ুষ মন্ত্ৰণালয়ৰ মোৰৰজী দেশাই ৰাষ্ট্ৰীয় যোগ *১০ পৃষ্ঠাত চাওক*

উলহ-মালহেৰে বড়ো সাহিত্য সভাৰ ৬১ সংখ্যক তামুলপুৰ অধিবেশন আৰম্ভ ■ নেপাল-বাংলাদেশৰ পৰা আহি উপস্থিত হৈছে প্ৰতিনিধি ■ অধিবেশনস্থলীত ক'লে মুখ্যমন্ত্ৰী শৰ্মাই


## অসমৰ প্ৰতিটো ভাষাই জাতিৰ সম্পত্তি

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২ মে' ঃ** অতি উলহ-মালহেৰে তামুলপুৰ জিলাৰ কচুবাৰীৰ গৌজন ফৌথাৰত আৰম্ভ হ'ল বড়ো সাহিত্য সভাৰ ৬১সংখ্যক অধিবেশন। পুৱাৰ ভাগত অহা বৰষুণেও ম্লান পেলাব নোৱাৰিলে বড়ো সাহিত্য সভাৰ তামুলপুৰ অধিবেশনৰ উচ্ছ্বাস। প্ৰতিকূল বতৰকো নেওচি পুৱাৰে পৰা অঞ্চলটোৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সোঁত বয় অধিবেশনস্থলীলৈ। ফলত *আঠ পৃষ্ঠাত চাওক*





## ৰমজানৰে ৰোজা গ'ল... আজি পবিত্ৰ ঈদ-উল-ফিটৰ মুখ্যমন্ত্ৰীসহ বিভিন্নজনৰ শুভেচ্ছা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ মে' ঃ** কাইলৈ অসমতো উদযাপিত হ'ব ঈদ-উল-ফিটৰ। ক'ভিডৰ বাবে বিগত দুবছৰে এই উৎসৱ অতি সীমিত ৰূপতহে পালন *১০ পৃষ্ঠাত চাওক*

## ৰংঘৰৰ কাষতে নিৰ্মাণ হ'ব এটা নতুন সাংস্কৃতিক প্ৰকল্প ঃ শৰ্মা


**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২ মে' ঃ** 'আহোম যুগৰ ছশ বছৰীয়া ৰাজত্বৰ স্বাক্ষৰ বহন কৰা ঐতিহাসিক শিৱসগাৰ জিলা বিভিন্ন কীৰ্তিস্তম্ভৰে পূৰ্ণ আৰু এই সমূহৰ ভিতৰত ৰংঘৰ অন্যতম। এই ৰংঘৰ *১০ পৃষ্ঠাত চাওক*

■ চোৰ-ডকাইতৰ সন্ত্ৰাসত চৰম নিৰাপত্তাহীনতাত মহানগৰবাসী ■ অ'চি ভাড়াতীয়াৰূপে থকা গৃহৰ পৰাই লুটিলে ২৫ লাখৰ সামগ্ৰী

## দিন-দুপৰতে মৎস্য ব্যৱসায়ীৰ পৰা ডকাইতে লুটি নিলে ২৮ লাখ টকা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ মে' ঃ** তথাকথিত আৰক্ষীৰ নিৰাপত্তা বেষ্টনীক বুঢ়া আঙুলি দেখুৱাই নিতৌ চোৰ-ডকাইতে চলাই অহা সন্ত্ৰাসত সম্প্ৰতি চৰম নিৰাপত্তাহীনতাত ভুগিছে গুৱাহাটীবাসীয়ে। নিতৌ হত্যা-লুণ্ঠন-নাৰীজনিত আদি অপৰাধৰ ৰম্যভূমিলৈ পৰিণত হোৱা গুৱাহাটী মহানগৰীৰ কোনো গৃহত গৰাকী থাকক বা নাথাকক দৈনিক নতুন নতুন কৌশল প্ৰয়োগ কৰি চোৰ-ডকাইতে চলাইছে চাফাই অভিযান। আজিও মহানগৰ আৰক্ষীৰ চকুৰ সন্মুখতে তিনিটাকৈ পৃথক স্থানত চোৰ-ডকাইতে লুটি লৈ গ'ল ৫০ লক্ষাধিক নগদ ধন আৰু অন্যান্য সা-সামগ্ৰী। গড়চুক আৰক্ষী থানাৰ অন্তৰ্গত লালুংগাঁৱত এজন মৎস্য ব্যৱসায়ীৰ পৰা দিন-দুপৰতে *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*ডলাৰ বগৰীৰ উদাহৰণ লাগে বোলে, আপোনাকে দেখুৱাই দিলো! সাতটা দল সলনি নকৰিলে জানো!*

## দিল্লীত আপত যোগদান কংগ্ৰেছ-ৰাইজৰ দলৰ শীৰ্ষ নেতাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ মে' ঃ** গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত আম আদমী পাৰ্টি (আপ)ৰ উত্থানৰ পাছত দলটোক লৈ অসমত উৎসাহ পৰিলক্ষিত হৈছে। ৰাজ্যৰ বিভিন্ন দলৰ একাংশ *১০ পৃষ্ঠাত চাওক*

আৰক্ষীক মানসিকভাৱে দুৰ্বল কৰিব, ক্ষতি কৰিব চৰকাৰকো ঃ মহাধিবক্তাৰ আবেদন


## বৰপেটাৰ সত্ৰ ন্যায়াধীশৰ ৰায়ত অস্বস্তিত দিছপুৰ, পৰ্যবেক্ষণত স্থগিতাদেশ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ মে' ঃ** গুজৰাটৰ কংগ্ৰেছ সমৰ্থিত নিৰ্দলীয় বিধায়ক জিগনেশ মেৱানীক জামিন প্ৰদান কৰি বৰপেটাৰ সত্ৰ ন্যায়াধীশ অপৰেশ চক্ৰবৰ্তীয়ে ৰাজ্যত আৰক্ষীৰ নেতৃত্বত আইন ভংগৰ সন্দৰ্ভত কে'বাটাও পৰ্যবেক্ষণ ৰায়ত উল্লেখ কৰিছে। এই পৰ্যবেক্ষণবোৰ আৰু ৰায়টোৱে সৃষ্টি কৰা ব্যাপক প্ৰতিক্ৰিয়াত অস্বস্তিত পৰিছে অসম চৰকাৰ আৰু অসম আৰক্ষী। ফলস্বৰূপে অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ *১০ পৃষ্ঠাত চাওক*

এপিএছচি কেলেংকাৰি

## স্থিতি স্পষ্ট কৰিবলৈ দাবী চৰকাৰক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২ মে' ঃ** অসম লোকসভা আয়োগ (এ পি এছ চি)ৰ ২০১৩ৰ নিযুক্তি প্ৰক্ৰিয়াত সংঘটিত ব্যাপক কেলেংকাৰিৰ তদন্ত কমিটীৰ *১০ পৃষ্ঠাত চাওক*








আমি শান্তিৰ পক্ষত ঃ বাৰ্লিনত প্ৰধানমন্ত্ৰী

## জাৰ্মান চেন্সেলৰৰ স'তে ইউক্ৰেইন আক্ৰমণৰ বাবে ৰাছিয়াক নিন্দা মোদীৰ



■ **নিউজ ব্যুৰ'**
**বাৰ্লিন, ২ মে' ঃ** ইউক্ৰেইনৰ যুদ্ধত ভাৰতে ৰাছিয়াৰ পক্ষত থিয় দিয়া বুলি আন্তৰ্জাতিক মহলত হোৱা চৰ্চাৰ মাজতে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰদৰ্শন কৰা স্থিতিয়ে বিপৰীত দিশৰ সন্ধান দিয়ে। ইউৰোপ ভ্ৰমণৰ অংশৰূপে আজি মোদী বাৰ্লিনত উপস্থিত হয়। জাৰ্মানৰ চেন্সলৰ ওলাফ স্ক'লজেৰ লগত হোৱা দ্বিপাক্ষিক বৈঠকৰ পাছত *১০ পৃষ্ঠাত চাওক*

৫৬ ইঞ্চিৰ কাপুৰুষালি! প্ৰধানমন্ত্ৰী মোদীক সাঙুৰি ক্ষোভ উজাৰিলে গুজৰাটৰ বিধায়কে

## আদালতৰ মন্তব্যত অসম চৰকাৰ লজ্জিত হোৱা উচিত ঃ কটাক্ষ মেৱানীৰ



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২ মে' ঃ** অসম আৰক্ষীৰ জিম্মাত এসপ্তাহৰ অধিক বন্দী হৈ থকাৰ পাছত জামিনত মুক্তি লাভ কৰি উভতি অহা জিগনেশ মেৱানী অসম চৰকাৰ আৰু আৰক্ষীৰ বিৰুদ্ধে সৰৱ হৈছে। গুজৰাটৰ বিধায়ক মেৱানীয়ে *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী , ৩ মে’, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি

## মৰিয়নি পৌৰসভাৰ চাফাইকৰ্মীৰ প্ৰতিবাদ ঃ অসমত দলিত ৰাজনীতি নকৰিবলৈ আহ্বান

# চৰকাৰী সুবিধাৰ পৰা বঞ্চিত পৌৰকৰ্মী



অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২ মে’ ঃ** মৰিয়নি পৌৰসভাৰ চাফাইকৰ্মীসকলৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত আজি চাফাইকৰ্মীসকলে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। মৰিয়নি পৌৰসভাৰ কাৰ্যালয়ৰ সন্মুখত বিয়লি তেওঁলোকে এক ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। মৰিয়নি পৌৰসভাৰ লগতে চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত এইসকল প্ৰতিবাদকাৰীয়ে নিজৰ দাবীৰ সমৰ্থনত বিভিন্ন শ্ল’গান দিয়ে। এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি সদৌ অসম চাফাইকৰ্মী সন্থাৰ ৰাজ্যিক সভাপতি ভীম বাছফৰে কয়, ‘মৰিয়নি নগৰৰ উন্নয়ন কৰিব নোৱাৰাৰ বাবেই মৰিয়নিৰ ৰাইজে নিৰ্দলীয় প্ৰাৰ্থীক জয়ী কৰাইছে। বিজেপি বা কংগ্ৰেছৰ প্ৰাৰ্থীক জয়ী কৰোৱা নাই। তেওঁলোকে চাফাইকৰ্মীসকলৰ কথা এবাৰলৈও ভাবি নাচায়। ছয় পৃষ্ঠাত চাওক

## গোৱালপাৰাত ১,৬৮৭ খন বিদ্যালয়ক সামৰি হ’ব গুণোৎসৱ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২ মে’ ঃ** অহা ১১ মে’ৰ পৰা অনুষ্ঠিত গুণোৎসৱ সন্দৰ্ভত আজি গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সমগ্ৰ শিক্ষা অভিযান অসমৰ মিছন সঞ্চালক ৰশ্মি অপৰাঞ্জি ক’ৰাটী উপস্থিত থকা পৰ্যালোচনা সভাখনত পৌৰোহিত্য কৰে জিলা উপায়ুক্ত মিনাক্ষী দাস নাথে। জিলা মিছন ছয় পৃষ্ঠাত চাওক

## কেন্দ্ৰীয় কৃষিমন্ত্ৰীৰে ভিডিঅ’ কনফাৰেন্সিং যোগে বৈঠক মন্ত্ৰী বৰাৰ

# সাৰৰ পৰিবহণ ব্যয়ৰ পেকেজৰ আহ্বান

**গুৱাহাটী, ২ মে’ ঃ** ৰাজ্যখনত ৰাসায়নিক সাৰৰ নাটনি, সাৰ বিক্ৰেতাই কৃষকক অধিক মূল্যত সাৰ বিক্ৰী কৰা আদি বিষয়সমূহ কৃষি বিভাগে গুৰুত্বসহকাৰে গ্ৰহণ কৰি এই সন্দৰ্ভত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰাৰ সময়তে আজি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰৰ স’তে ভিডিঅ’ কনফাৰেন্সযোগে এখন বৈঠকত মিলিত হয় কৃষি মন্ত্ৰী অতুল বৰা। কেন্দ্ৰীয় কৃষি মন্ত্ৰী টোমৰৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত কেন্দ্ৰীয় ৰসায়ন আৰু সাৰ দপ্তৰৰ মন্ত্ৰী ড° মনসুখলাল মাণ্ডাব্য আৰু দেশৰ বিভিন্ন ৰাজ্যৰ কৃষি মন্ত্ৰীসকলে অংশগ্ৰহণ কৰে। বৈঠকত কৃষি মন্ত্ৰী বৰাই অসমৰ বিভিন্ন পাহাৰীয়া অঞ্চল, সমভূমি আৰু চৰ অঞ্চলৰ দৰে অসদৃশ ভৌগোলিক স্থিতিৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিগোচৰ কৰে আৰু এইক্ষেত্ৰত উদ্ভৱ হোৱা বৰ্ধিত পৰিবহণ ব্যয়ৰ প্ৰসংগত দেশৰ অন্যান্য পাহাৰীয়া ৰাজ্যসমূহৰ দৰে অসমৰ ক্ষেত্ৰতো সাৰৰ পৰিবহণ ব্যয়ৰ ক্ষেত্ৰত বিশেষ তদৰ্থ পেকেজ আগবঢ়াবলৈ কেন্দ্ৰক অনুৰোধ জনায়। বৈঠকত কৃষিমন্ত্ৰী বৰাই কয় যে চলিত বৰ্ষৰ এপ্ৰিলত অসমে আৱণ্টন লাভ কৰা ৩৪,০৫০ মেট্ৰিক টন ইউৰিয়া সাৰৰ বিপৰীতে ৰাজ্যখনক সাৰ উৎপাদক কোম্পানীসমূহে মাথোঁ ৫,৩১৪ মেট্ৰিক টন ইউৰিয়া সাৰহে যোগান ধৰিছে। তেনেদৰে ৰাজ্যখনে আবণ্টন লাভ কৰা ৬,১০০ মেট্ৰিক টন ডিএপি সাৰৰ বিপৰীতে ২,৪৯৭ মেট্ৰিক টন আৰু ৯,০০০ মেট্ৰিক টন মিউৰিয়েট অৱ পটাছ সাৰৰ বিপৰীতে মাথোঁ ৫,২৮৯ মেট্ৰিক টন সাৰহে ৰাজ্যখনক কোম্পানীসমূহে যোগান ধৰিছে। এই বিষয়টো ছয় পৃষ্ঠাত চাওক



*পৱিত্ৰ ঈদ উপলক্ষে মহানগৰীত আলোকসজ্জা, সোমবাৰে।*

## ৰঙিয়াত ঈদ-উল-ফিটৰ নামাজৰ প্ৰস্তুতি সম্পন্ন

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২ মে’ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে ৰঙিয়াতো কাইলৈ পৱিত্ৰ ঈদ-উল ফিটৰৰ দুই ৰাকাত ওৱাজিব নামাজ আদায় কৰাৰ বাবে সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। ক’ভিড- ১৯ পৰিপ্ৰেক্ষিতত বিগত দুটা বছৰত ইছলাম ধৰ্মাৱলম্বী ভক্তপ্ৰাণ ৰাইজে সমূহীয়াভাৱে ঈদৰ নামাজ আদায় কৰিব নোৱাৰি অনুষ্ঠুপীয়াকৈ সম্পন্ন কৰিছিল। কিন্তু এইবেলি ক’ভিডৰ নীতি নিয়ম শিথিল হোৱাত ইছলামধৰ্মী লোকসকলে সন্মিলিতভাৱে ঈদ-উল ফিটৰৰ নামাজ উলাহ-মালহৰে আদায় কৰাৰ আনন্দত আত্মহাৰা হৈ ছয় পৃষ্ঠাত চাওক

## গুৱাহাটীৰ পৰা পলায়ন কৰা কাৰাবন্দীক নগাঁৱত কৰায়ত্ত

বিশেষ সংবাদদাতা

**নগাঁও, ২ মে’ ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা পলায়ন কৰা গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ এজন কয়দীক কালি নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা কয়দীৰ নাম সৰস্বতী বৰা। কেন্দ্ৰীয় কাৰাগাৰত কাৰাবন্দী হৈ থকা সৰস্বতী শাৰীৰিক অসুস্থতাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি হৈছিল। চিকিৎসা মহাবিদ্যালয়ৰ পৰাই যোৱা ৩০ এপ্ৰিলত তেওঁ পলায়ন কৰে। কালি নগাঁৰৰ হয়বৰগাঁও আৰক্ষীয়ে মহিলাগৰাকীক হয়বৰগাঁও খৰমপট্টিৰ পৰা কৰায়ত্ত কৰি গুৱাহাটীলৈ প্ৰেৰণ কৰে। মহিলাগৰাকী কি গোচৰত কাৰাবন্দী হৈ আছিল সেই বিষয়ে জানিব পৰা নাই।

## বকোত পথ দুৰ্ঘটনাত নিহত এক

অগ্ৰদূত বাৰ্তা

**বকো, ২ এপ্ৰিল ঃ** কামৰূপ জিলাৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত শিংৰা পালাহপাৰাত সন্ধিয়া এক ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। দুখন মটৰ চাইকেলৰ সংঘৰ্ষত নিহত হয় ভৱেশ ৰাভা (৪২)। নিহত ৰাভাৰ ঘৰ খলিহাৰ বিচিত্ৰ নগৰত। আনহাতে, উক্ত ঘটনাত আহত হয় শাস্ত্ৰী ৰাভা (২২)। শাস্ত্ৰীৰ ৰাভাৰ ঘৰ বকোৰ গাধপুটাত। এছ-২৫ টি চি-০০৬০ আৰু এছ-০১ এইচ-৫৯৯৩ নম্বৰৰ বাহন দুখনৰ সংঘৰ্ষত দুৰ্ঘটনাটো সংঘটিত হয়।

## নগাঁৱত ধোঁৱাচাঙত উঠিল শিশু শ্ৰমিক প্ৰতিৰোধ আইন

### পঢ়াৰ সুবিধা দিয়াৰ প্ৰলোভনেৰে আনি শিশুক শ্ৰমিকৰূপে ব্যৱহাৰ কৰিছে সম্ভ্ৰান্ত লোকে

বিশেষ সংবাদদাতা

**নগাঁও, ২ মে’ ঃ** এমুঠি ভাত, এডোখৰ কাপোৰৰ প্ৰয়োজনতকৈ এখন কিতাপৰ প্ৰয়োজনক অধিক গুৰুত্বৰ অনুভৱ কৰিয়েই বুকুত শিল বান্ধিয়েই নিজৰ সন্তানক আনৰ ঘৰলৈ শ্ৰমিকৰূপে পঠিয়াইছে একাংশ অভাৱী লোকে। আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যৎ। কিন্তু শিশুসকলক সুস্থ-সবল আৰু উপযুক্ত নাগৰিকৰূপে গঢ়ি তুলিবলৈ উপযুক্ত শিক্ষা-দীক্ষা প্ৰদান কৰি তেওঁলোকৰ প্ৰতি যত্নৱান হোৱাকৈ সক্ষম নহয় বহু পৰিয়াল। নগাঁও, মৰিগাঁও, কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ একাংশ লোকে কেৱল পৰিয়ালৰ আৰ্থিক দুৰৱস্থাৰ বাবেই এই শিশুসকলৰ প্ৰতি যত্নৱান হ’ব পৰা নাই। ইয়াৰেই সুযোগ গ্ৰহণ কৰি এচাম তথাকথিত সম্ভ্ৰান্ত আৰু ধনবান লোকে এই দুৰ্ভগীয়া শিশুসকলক তেওঁলোকৰ ল’ৰালিৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰি প্ৰায় জোৰকৈ পিতৃ-মাতৃৰ বুকুৰ পৰা আঁজুৰি আনি শ্ৰমিকৰূপে ব্যৱহাৰ কৰি থকা পৰিলক্ষিত হৈছে। অথচ শিশু শ্ৰমিক (প্ৰতিৰোধ আৰু ব্যৱস্থাপনা) আইন ১৯৮৬ মতে ১৪ বছৰ বয়সৰ তলৰ কোনো শিশুকেই শ্ৰমিকৰূপে ব্যৱহাৰ কৰিব নোৱাৰে। এই আইন অনুসৰি ১৪ বছৰৰ তলৰ কোনো শিশুকেই দোকান, বাণিজ্যিক প্ৰতিষ্ঠান, কাৰখানা, আৱাসিক হোটেল, ৰেস্তোৰাঁ, থিয়েটাৰ, বিনোদন কেন্দ্ৰ, ধাবা, ৰাস্তাৰ দাঁতিৰ চাহ-ভাতৰ দোকান আৰু ঘৰুৱা বনকৰা ল’ৰা-ছোৱালীৰূপে কামত ব্যৱহাৰ কৰিব নোৱাৰে। কিন্তু ফুল আৰু পখিলাৰে খেলাৰ বয়সতে, হাতত নতুন পাঠ লৈ বিদ্যালয়লৈ যোৱাৰ বয়সতে কেৱল পৰিয়ালৰ আৰ্থিক অনাটনৰ বাবেই নগাঁও জিলাৰ লগতে প্ৰতিৱেশী জিলা মৰিগাঁও, কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ শ শ শিশুৱে শ্ৰমিকৰূপে নিয়োজিত হৈ এক অভিশপ্ত জীৱন কটাবলগীয়া হৈছে। পখিলা খেদাৰ বয়সতে এই শিশুসকলক তেওঁলোকৰ পিতৃ-মাতৃয়ে ছয় পৃষ্ঠাত চাওক

## উৰিয়ামঘাটত বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু ডাম্পাৰ চালকৰ

**উৰিয়ামঘাট; ২ মে’ ঃ** গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী অঞ্চল উৰিয়ামঘাটস্থিত সোণাপুৰত বিদ্যুৎস্পৃষ্ট হৈ এজন ডাম্পাৰ চালকৰ মৃত্যু ঘটে। প্ৰাপ্ত তথ্য অনুসৰি, ভাৰ্গৱ গগৈ (৩০) নামৰ ডাম্পাৰ চালকজনে দৈয়াঙৰ পৰা শিল কঢ়িয়াই আনিছিল। তেতিয়াই সোণাপুৰ গাঁৱত তেওঁ নিজে চলাই অহা ডাম্পাৰখন ৰখাই আন এখন খালী ডাম্পাৰৰ পাছফালৰ ডলাখন এৰাই যোৱাত সহায় কৰিবলৈ আগবাঢ়ি যায়। যদিও বিপৰীতমুখী খালী ডাম্পাৰখনৰ চালকজনৰ অসাৱধানতাৰ ছয় পৃষ্ঠাত চাওক

## বাগ্‌সাত যুৱতীক পৰিয়ালক গতাবলৈ আহি আবদ্ধ আৰক্ষী



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২ মে’ ঃ** বাগ্‌সা জিলাৰ মুৰমেলাত যোৱা নিশা উত্তেজনাৰ সৃষ্টি হয়। ৰাইজে ঘেৰাও কৰিলে আৰক্ষীক। প্ৰতিবাদত আৰক্ষীৰ ছত্ৰভংগ দিবলৈ বাধ্য হয়। উল্লেখ্য যে বাগ্‌সা জিলাৰ মুৰমেলাৰ মনিকা দাস নামৰ এগৰাকী যুৱতীৰ চিনাকি সুত্ৰে প্ৰেম হৈছিল চিৰাং জিলাৰ বিজনী থানাৰ অন্তৰ্গত লাওগাঁৰৰ পৰিমল দাস নামৰ যুৱকজনৰ স’তে। বিগত দুই-তিনি বছৰে চলিছিল প্ৰেম। অৱশেষত বিগত এসপ্তাহ পূৰ্বে প্ৰেমিক পৰিমলে চিৰাঙৰ নিজ গৃহলৈ নিছিল প্ৰেমিকা মনিকাক। কিন্তু নিজ ঘৰ নাপাওঁতেই আদবাটৰ পৰা প্ৰেমিকাক এৰি নিৰুদ্দেশ হয় প্ৰেমিক পৰিমল। পিছে প্ৰেমিকাও। বিচাৰি বিচাৰি উলিয়ালে প্ৰেমিক পৰিমলৰ ঘৰ। তাতেই আৰম্ভ হ’ল সংঘাত। এসপ্তাহ পাছত প্ৰেমিক পৰিমলৰ পৰিয়ালে বিজনী ছয় পৃষ্ঠাত চাওক

## শিৱসাগৰত সুৰামত্ত স্বামীয়ে ঘপিয়ালে পত্নীক

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২ মে’ ঃ** শিৱসাগৰ নগৰৰ সমীপৰ বানমুখ পাতৰ গাঁৱত আজি পুৱা স্বামীয়ে কাটিলে পত্নীৰ ডিঙি। উল্লেখ্য যে অমৃত গগৈ (৩৫) নামৰ লোকজনে দৈনিক ঘৰত কন্দলৰ সৃষ্টি কৰাত পত্নী ৰিংকু গগৈ (৩২) য়ে যোৱা ২৭ এপ্ৰিলত শিৱসাগৰ সদৰ থানাত স্বামীৰ বিৰুদ্ধে অভিযোগ দাখিল কৰে। উক্ত অভিযোগৰ ভিত্তিত যোৱা ২৯ এপ্ৰিলত শিৱসাগৰ আৰক্ষীয়ে দুয়োকে থানালৈ মাতি আনি অমৃতে ভৱিষ্যতে পত্নী- সন্তানক অত্যাচাৰ নকৰিবলৈ সকীয়াই দি এখন লিখা লৈ লৈছিল। তাৰ পাছতে আজি পুৱা অমৃতে সংঘটিত কৰিলে এই ভয়ংকৰ ঘটনা। পুৱা মজিয়া চাফা কৰি থকা অৱস্থাত ছয় পৃষ্ঠাত চাওক

## বাগ্‌সাৰ নাৰায়ণগুৰিৰ গণহত্যাৰ আঠ বছৰ

# আজিও ন্যায় নাপালে নিহতৰ পৰিয়ালে

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২ মে’ ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত তথা মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ গাতে লাগি থকা নাৰায়ণগুৰিৰ নন্‌কে খাগ্ৰাবাৰীত ২০১৪ৰ আজিৰ দিনটোত সংঘটিত হৈছিল এক নাৰকীয় নিৰ্মম গণহত্যা। হত্যাকাৰীৰ নিৰ্বিচাৰ গুলিত আবাল-বৃদ্ধৰ পৰা শিশুলৈকে নিহত হৈছিল ৩৮ জনকৈ লোক। নিৰুদ্দেশ হৈছিল দুজন। আততায়ীৰ বন্দুকৰ গুলি বৰ্ষণত নিমিষতে ধ্বংস হৈছিল কে’বাটাও পৰিয়াল। উক্ত ঘটনাৰ আজি আঠ বছৰ অতিক্ৰম কৰিলে যদিও ভুক্তভোগী পৰিয়ালসমূহে আজিও নাপালে। বৰঞ্চ ঘটনাৰ স’তে জড়িত থকা বুলি সন্দেহ কৰা সেই সময়ৰ বাঁহবাৰী বনাঞ্চলৰ বন বিষয়া অমিয় কুমাৰ ব্ৰহ্মক পদোন্নতিহে দিয়া হৈছিল। ফলত ২০১৪ৰ দুই মে’ত সংঘটিত বৰ্বৰ নাৰকীয় গণহত্যাৰ বলি হোৱা পৰিয়ালসমূহে ন্যায় পাবলৈ সক্ষম নহ’ল। উল্লেখ্য যে সেই সময়ত ৰাজ্য চৰকাৰৰ কে’বাজনো মন্ত্ৰী-বিধায়কে ঘটনাস্থলীত উপস্থিত হৈ ন্যায় প্ৰদানৰ আশ্বাস দিছিল যদিও সেই সময়ৰ মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰ তথা বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে এজনো হত্যাকাৰীক গ্ৰেপ্তাৰ কৰি শাস্তি প্ৰদান কৰিব নোৱাৰিলে। আজি মানাহৰ বেঁকী নদীৰ পাৰত অৱস্থিত নন্‌কে খাগ্ৰাবাৰীত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ বাগ্‌সা জিলা সমিতি ছয় পৃষ্ঠাত চাওক

## ভূৰাগাঁৱত আৰক্ষীৰ জালত দুই আই পি এল জুৱাৰী

অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট, ২ মে’ ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱত আৰক্ষীৰ অভিযানত গ্ৰেপ্তাৰ হয় দুজনকৈ আইপিএল ক্ৰিকেট জুৱাৰী। যোৱা নিশা মৰিগাঁও আৰু ভূৰাগাঁও আৰক্ষীয়ে ঔগুৰি বজাৰৰ পৰা আইপিএল ক্ৰিকেট জুৱাৰী দুজনক গ্ৰেপ্তাৰ কৰে। ধৃত ক্ৰিকেট জুৱাৰী দুজন হ’ল জৰিবৰ গাঁৱৰ ৰেকিবউদ্দিন আহমেদ (২৭ ) আৰু ধোবাংখাইতি গাঁৱৰ ইলিয়াছ আহমেদ (৩০)। আৰক্ষীয়ে ক্ৰিকেট জুৱাৰীৰ পৰা চাৰিটা ম’বাইল ফোন জব্দ কৰে। উল্লেখ যে দুয়োৰে বিৰুদ্ধে জৰিবৰ ঔগুৰি বজাৰত আইপিএলৰ নামত জুৱা চলাই থকাৰ অভিযোগ আছিল। আইপিএল আৰম্ভ হোৱাৰ লগে লগে আন আন বছৰৰ দৰে এইবাৰো ভূৰাগাঁও, লাহৰীঘাট আদি অঞ্চলত সক্ৰিয় হৈ উঠিছে ক্ৰিকেট জুৱাৰীসকল। সহজে ধন ঘটাৰ লোভত এটা চক্ৰই আইপিএল ক্ৰিকেটৰ নামত আৰম্ভ কৰিছে বৃহৎ জুৱা। ভূৰাগাঁও আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত দৈনিক লাখ লাখ টকাৰ ক্ৰিকেট জুৱা চলি থকাৰ অভিযোগ উত্থাপিত হৈ আছিল । আইপিএল ক্ৰিকেট জুৱাৰ গ্ৰাসত পৰি ছয় পৃষ্ঠাত চাওক

# জল জীৱন আঁচনি বুমেৰাং ঃ ছাত্ৰ-ছাত্ৰীয়ে পোৱা নাই খোৱা পানী



অগ্ৰদূত বাৰ্তা

**কচুৱা, ২ মে’ ঃ** জলজীৱন আঁচনিৰ গ্ৰামাঞ্চলত ৰূপায়ণ কৰিলেও বিশুদ্ধ খোৱা পানী খাবলৈ পোৱা নাই ছাত্ৰ-ছাত্ৰীয়ে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পৰা নিবিদাৰ যোগেদি ঠিকা লাভ কৰা ধুৰন্ধৰ ঠিকাদাৰসকলে বিষয়াসকলক মেনেজ কৰি সুন্দৰ আঁচনিক বুমেৰাং কৰাৰ অভিযোগ উঠিছে। চৰকাৰী জৰীপ অনুযায়ী চহৰ আৰু গ্ৰামাঞ্চলৰ অংগনৱাড়ী কেন্দ্ৰ আৰু শিক্ষানুষ্ঠানসমূহত জলজীৱন আঁচনিৰ অধীনত খোৱাপানীৰ সুবিধা কৰা হৈছিল। উক্ত আঁচনি অনুযায়ী চেলুফিল্টাৰ এশৰ পৰা দুশফুট লৈকে ব’ৰিং কৰিব লাগে। কিন্তু ঠিকাদাৰে ঠায়ে ঠায়ে ৪০-৫০ ফুটলৈকে ব’ৰিং কৰি কাগজে-কলমে এশ ফুটৰ পৰা দুশ ফুটলৈকে ব’ৰিং কৰা দেখুৱাই ধন আত্মসাৎ কৰাৰ অভিযোগ উঠিছে। লোহাৰ পাতিৰে তৈয়াৰী ফ্ৰেমটো অতি নিম্ন মানৰ। অতি কম দামী ৰং কৰি টেংকী বহুৱাই থৈ যোৱাৰ পাছত পানী নুঠে। যদিও উঠে মামৰৰ বাবে পানী খাব নোৱাৰি। দুটাকৈ ফিল্টাৰ ব্যৱহৃত উক্ত আঁচনিৰ পৰা কণ কণ ছাত্ৰ-ছাত্ৰীয়ে ‘আইৰনযুক্ত পানী’ খাবলগা হৈছে। অংগনৱাড়ী কৰ্মী আৰু শিক্ষানুষ্ঠানসমূহৰ প্ৰধান শিক্ষকৰ পৰা ঠিকাদাৰসকলে কৌশলগতভাৱে প্ৰমানপত্ৰ লৈ আঁচনিটোৰ বিপৰীতে আবণ্টিত সমুদায় ধন উঠাই উদৰস্থ কৰিছে। নগাঁও জিলাৰ কঠিয়াতলি শিক্ষাখণ্ডৰ অন্তৰ্গত মাধৱপাৰা, কচুৱা, ৰজাআলি, পমিলা, জুৰিৰপাৰ, কান্দাপাৰা, চানখোলা, ৰমণীপথাৰ, লংজাপ, বৰপথাৰ, শিঙিমাৰী, গেৰজাইপাম, চাংচকী, ননৈ, কঠিয়াতলি, কামপুৰকে আদি কৰি শতাধিক গাঁৱৰ শিক্ষানুষ্ঠানত দিয়া উক্ত আঁচনিৰ পৰা বিশুদ্ধ পানী পোৱা নাই বুলি বহু প্ৰধান শিক্ষকে অভিযোগ কৰিছে। ছয় পৃষ্ঠাত চাওক

## তিতাবৰত ইউৰিয়াৰ চোৰাং বেহাত জড়িত শিক্ষক

### আৰক্ষীয়ে আটক কৰিলে বিক্ৰী প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰসহ দুজনক

**তিতাবৰ, ২ মে’ ঃ** ৰাসায়নিক সাৰৰ অত্যধিক মূল্যবৃদ্ধিয়ে ৰাজ্যখনৰ কৃষকক মাধমাৰ শোধাই অহাৰ সময়তে একাংশ অসাধু ব্যৱসায়ীয়ে অব্যাহত ৰাখিছে ইউৰিয়াৰ চোৰাং বেহা। সাৰ বিক্ৰীৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে বান্ধি দিয়া কঠোৰ নিয়মাৱলীক ধোঁৱাচাঙত তুলি অধিক মুনাফা আদায়ৰ স্বাৰ্থত অবৈধভাৱে সাৰৰ এখন ৰমৰমীয়া ক’লাবজাৰ আৰম্ভ কৰিছে এই অসাধু চক্ৰটোৱে। আনকি অনিয়মৰ আশ্ৰয় লৈ ইউৰিয়া সাৰ বহিঃৰাজ্যলৈ সৰবৰাহ অব্যাহত থকাৰো তথ্য পোহৰলৈ আহিছে। লক্ষ্যণীয়ভাৱে শিক্ষকতাৰ দৰে পৱিত্ৰ বৃত্তিত জড়িত লোকেও ইউৰিয়াৰ ক’লা বজাৰত যুক্ত হোৱা বিষয়টোৱেও সম্প্ৰতি তিতাবৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৱা নিশা তিতাবৰত সৰুপথাৰ আৰু তিতাবৰ আৰক্ষীৰ যুটীয়া অভিযানত অসাধু চক্ৰটোৰ তথ্য পোহৰলৈ আহে। আৰক্ষীয়ে বিপুল পৰিমাণৰ চোৰাং ইউৰিয়া জব্দ কৰাৰ লগতে ইয়াত জড়িত এজন শিক্ষকসহ দুজন লোকক গ্ৰেপ্তাৰ কৰে। প্ৰাপ্ত তথ্য অনুসৰি, তিতাবৰ ৰঙাজানৰ এখন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক ডিম্বেশ্বৰ গগৈয়ে তেওঁৰ পত্নীৰ নামত থকা ছয় পৃষ্ঠাত চাওক

## প্ৰতিকূল বতৰৰ মাজতে জাতীয় সংহতি মটৰ চাইকেল ৰেলী

বিশেষ সংবাদদাতা/অগ্ৰদূত ব্যুৰ’/অগ্ৰদূত বাৰ্তা

**পাঠশালা/বঙাইগাঁও/মুছলপুৰ, ২ মে’ ঃ** অসম আৰক্ষীয়ে প্ৰেচিডেন্ট কালাৰ্চ এৱাৰ্ড সন্মান লাভ কৰাৰ পৰিপ্ৰেক্ষিতত কালি ধুবুৰীৰ পৰা আৰম্ভ হোৱা অসম আৰক্ষীৰ জাতীয় সংহতি মটৰ চাইকেল ৰেলী আজি বজালীত উপস্থিত হয়। বজালী জিলাৰ সীমান্ত কুজাৰপীঠত বজালীৰ আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ দাসৰ নেতৃত্বত নজনীয়া আৰক্ষীৰ দলটিক বজালী আৰক্ষীয়ে উষ্ম আদৰণি জনায়। ইয়াৰ পাছতে অসম আৰক্ষীৰ (ক্ৰীড়া) সহকাৰী আৰক্ষী মহাপৰিদৰ্শক আনন্দ মিশ্ৰৰ নেতৃত্বত অহা জাতীয় সংহতি মটৰ চাইকেল ৰেলীত অংশগ্ৰহণ কৰা আৰক্ষী ছয় পৃষ্ঠাত চাওক



## নগাঁৱত নগদ ধনসহ তীৰৰ বুকী গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ২ মে’ ঃ** নগাঁও আৰক্ষীয়ে বিভিন্ন অপৰাধজনিত ঘটনাৰ বিৰুদ্ধেও অভিযান চলোৱাৰ সমান্তৰালভাৱে তীৰ খেলৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। এই অভিযানৰ অংশ হিচাপে আজি নগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত কাতিমাৰী গ্ৰাণ্টৰ পৰা চৰদাৰ আলী (৫০) নামৰ এজন তীৰৰ বুকীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে তেওঁৰ জিম্মাৰ পৰা তীৰ খেলৰ সামগ্ৰীৰ লগতে নগদ ধনো উদ্ধাৰ কৰে।

## নেডাৰলেণ্ডৰ বীজৰে উৎপাদন কৰিছে ক’লা বৰণৰ জিকা

### শোণিতপুৰৰ উৎসাহী কৃষক

ষ্টাফ ৰিপ’ৰ্টাৰ

**তেজপুৰ, ২ মে’ ঃ** এফালে নিবনুৱা সমস্যাই ভাৰাক্ৰান্ত কৰা এখন ৰাজ্য আৰু একেখন ৰাজ্যতে বিভিন্ন সময়ত কৃষিকাৰ্যৰে অধিকাংশ লোকেই জড়িত হ’বলৈ নিবিচাৰে বুলি অভিযোগ উত্থাপিত হৈছে। ইয়াৰ মাজতে সম্প্ৰতি অন্যান্য সামগ্ৰীৰ লগতে পাচলিৰ বজাৰত ব্যাপক মূল্যবৃদ্ধিৰ ক্ষেত্ৰতো ৰাজ্যত উৎপাদন হ্ৰাস পোৱাকেই জগৰীয়া কৰিছে বহুজনে। কিন্তু এনে পৰিস্থিতিৰ মাজতেই ৰাজ্যখনৰ একাংশ পৰিশ্ৰমী লোকে কৃষিকাৰ্যত জড়িত থাকি এইক্ষেত্ৰত সফলতাৰ এক নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। যোৱা সময়ছোৱাত সম্পূৰ্ণ জৈৱিক পদ্ধতিৰে সাধাৰণ জাতৰ বন্ধাকবি ফুলকবিৰ লগতে ভেলেন্টিনা, কেৰ’টিনা আৰু ব্ৰ’কলী জাতৰ আদিৰ খেতি কৰি ডেৰ লক্ষাধিক টকা আয় কৰিবলৈ সক্ষম হোৱা শোণিতপুৰৰ চতিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ধলাইবিল চামধৰা গাঁৱৰ শৰৎ বৰুৱা নামৰ প্ৰগতিশীল কৃষকজনে শেহতীয়াকৈ জিকা আৰু ভোলৰ খেতি কৰি লাভ কৰিছে আশানুৰূপ সাফল্য। স্থানীয় সঁচৰ লগতে বিদেশৰ ছয় পৃষ্ঠাত চাওক



## বিশ্বনাথত আফ্ৰিকান ছোৱাইন জ্বৰত আতংক ঃ ১৪৩ টা গাহৰিৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২ মে’ ঃ** বিশ্বনাথত গাহৰিৰ দেহত আফ্ৰিকান ছোৱাইন জ্বৰৰ লক্ষণ ফুটি উঠিছে। প্ৰতাপগড়ৰ শ্ৰীমনি ফুলকন এগ্ৰ’টেক নামৰ ফাৰ্মৰ গাহৰিৰ দেহত আফ্ৰিকান ছোৱাইন জ্বৰৰ লক্ষণ দেখা পোৱাৰ লগতে ১৪১ টাকৈ গাহৰিৰ মৃত্যু হৈছে। এই সংক্ৰামক ৰোগৰ বিষয়ে গুৱাহাটীত বিভাগীয় পৰীক্ষাগাৰত ছোৱাইন জ্বৰৰ নিশ্চিত তথ্য লাভ কৰা হয়। কালি এই তথ্য লাভ কৰাৰ পাছত অঞ্চলটোত পশু চিকিৎসকে আন গাহৰিৰ দেহলৈ এই ৰোগৰ সংক্ৰমণ ৰোধৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। উল্লেখ্য যে প্ৰতাপগড়ৰ ব্যক্তিগতভাৱে বস্তি অঞ্চলত পালন কৰা কেতবোৰ গাহৰিৰ ইতিমধ্যে মৃত্যু ঘটিছে। এনেদৰে মৃত্যু হোৱা গাহৰিৰ মৰণোত্তৰ পৰীক্ষা সম্পাদন কৰা হোৱা নাছিল। এই গাহৰিবোৰ সাধাৰণ ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা বুলি চিকিৎসকৰো পৰামৰ্শ গ্ৰহণ কৰা নাছিল। একপ্ৰকাৰ উন্মুক্ত অৱস্থাত পালন কৰা এই গাহৰিসমূহৰ পৰাই কাষৰ ফাৰ্মখনলৈ আফ্ৰিকান ছোৱাইন জ্বৰ বিয়পি পৰাৰ শংকা কৰা হৈছে। ইতিমধ্যে ফাৰ্মখনত থকা ৭৩ টাকৈ অষ্ট্ৰেলিয়ান প্ৰজাতিৰ গাহৰি নিধন কৰাৰ ব্যতিৰেকে আন উপায় নাই বুলি এক সূত্ৰত প্ৰকাশ। উল্লেখ্য যে লেতেৰা পৰিৱেশত প্ৰতাপগড়ৰ বস্তি অঞ্চলত গাহৰি পালন কৰাৰ লগতে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাৰ বাবেই দাঁতি কাষৰীয়া ফাৰ্ম আৰু জনস্বাস্থ্যলৈ ভাবুকি কঢ়িয়াই অনাৰ শংকা কৰি জিলা প্ৰশাসনে গাহৰিৰ মাংস বিক্ৰীত নিষেধাজ্ঞা জাৰি কৰিছে। প্ৰতাপগড়ৰ পৰা ১০ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰলৈকে জিলা প্ৰশাসনে নিৰীক্ষণ জ’ন হিচাপে ঘোষণা কৰিছে। অৱশ্যে আন ফাৰ্মলৈ আফ্ৰিকান ছোৱাইন জ্বৰৰ সংক্ৰমণ ঘটিলে গাহৰি নিধনৰ মৰ্মান্তিক ঘটনা সংঘটিত হোৱাৰ শংকা প্ৰকট হৈ পৰিছে।

দৈনিক
অগ্ৰদূত
গুৱাহাটী মঙলবাৰ ১৯ ব'হাগ ১৪২৯ভাস্কৰাব্দ ৩ মে' ২০২২



# সীমিত দৃষ্টিভংগী

ও ঠৰ শতিকাৰ মোগল সাম্ৰাজ্যত যিধৰণৰ বজাৰ-অৰ্থনীতি গঢ়ি উঠিছিল, সেই ধৰণৰ অৰ্থনীতি আজিলৈকে অসমত গঢ়ি নুঠিল। কথাষাৰ শুনি বহুতে উচপ্ খাই উঠিব পাৰে। যদি সিয়েই নহয়, তেন্তে অসমীয়া কৃষকে আজিও বজাৰলৈ লক্ষ্য নকৰি কেৱল তেওঁৰ পৰিয়ালৰ চাহিদা অনুযায়ীহে উৎপাদন কৰে কিয়? আনহাতে, চৰ-চাপৰিৰ কৃষকসকলে সততে বজাৰৰ প্ৰতি লক্ষ্য ৰাখিহে ব্যাপক হাৰত এনেদৰে উৎপাদন কৰে, যাৰ ফলত তেওঁলোক আৰ্থিকভাৱে যথেষ্ট পৰিমাণে লাভবান হ'ব পাৰিছে। দৰাচলতে বজাৰ অৰ্থনীতিৰ স'তে খোজ মিলাব নোৱাৰিলে আমাৰ নিবনুৱাৰ সংখ্যাই কোটিৰ ঘৰ চুবগৈ। বিগত তলাবন্ধৰ সময়ছোৱাতে ওলাই পৰে অসমৰ কিমান লাখ যুৱক-যুৱতীয়ে ৰাজ্যৰ বাহিৰত কৰ্মৰত হৈ আছিল; কিন্তু তেওঁলোকে যিধৰণৰ কামত ব্ৰতী হৈছে, তাতকৈ উন্নত পৰ্যায়ৰ কাম কৰাৰ বাবে বুদ্ধিমত্তা আছে। বেদনাৰ কথা যে তেওঁলোকলৈ দক্ষতা অনুসৰি কৰ্মসংস্থান আগবঢ়াব পৰা নাই। আমাৰ সমাজত আত্মনিৰ্ভৰশীলতাৰ জাগৰণ কেতিয়াবাই হোৱাটো উচিত আছিল; কিন্তু পৰিকাঠামো গঢ়ি তুলিবলৈ কোনোধৰণৰ চেষ্টা কৰা দেখা নগ'ল। এই বহিৰ্মুখী যুৱক-যুৱতীক কৰ্মসংস্থানৰ পথ দেখুৱাবলৈ চৰকাৰক আমি বাধ্য কৰিব পৰা নাই। এইসকলৰ উপৰি অসমত বহু লক্ষ কৰ্মসংস্থানহীন যুৱক-যুৱতী আছে। গতিকে এইসকলক কৰ্মসংস্থান দিবলৈ বজাৰমুখী অৰ্থনীতিয়েই একমাত্ৰ পথ। অসমৰ কেউফালে সম্পদ পৰি আছে; কিন্তু সেই সম্পদসমূহৰ সদ্ব্যৱহাৰৰ বাবে সময়ৰ আহ্বান অনুসৰি বজাৰ অৰ্থনীতিৰ ওপৰত গুৰুত্ব দিবই লাগিব। উন্নত ৰাষ্ট্ৰৰ কোনো ব্যক্তিয়ে আন নালাগে ৩০ মিনিটৰ এটি বক্তৃতা দিও পাৰিশ্ৰমিক লাভ কৰে। শিল্পী-সাহিত্যিকৰতো কথাই নাই। গতিকে শ্ৰমৰ বিনিময়ত জীৱিকা নিৰ্বাহ কৰাটো নিশ্চয় দোষণীয় হ'ব নোৱাৰে; কিন্তু তেনে পৰিৱেশ আজিও আমাৰ ৰাজ্যখনত গঢ়ি নুঠিল।

অসমৰ কৃষক বুলিয়েই কেৱল নহয়, ক্ষুদ্ৰ আৰু কুটীৰ শিল্পৰ স'তে জড়িত দক্ষ কাৰিকৰসকলেও সমুখত বজাৰ অৰ্থনীতিৰ ছবিখন নৰখা হেতুকে হা-হুমুনিয়াহ কাঢ়িব লগা হৈছে। বাহিৰৰ পৰা আহি কাঠমিস্ত্ৰি বা সোণৰ কাম কৰাসকলে কেইবছৰমানৰ ভিতৰতে ফাৰ্ণিচাৰৰ দোকান অথবা সোণ-ৰূপৰ গহণালয় গঢ়ি তোলা দেখা যায়; কিন্তু আমাৰ কাঠমিস্ত্ৰিয়ে দিন হাজিৰা কৰি খোৱাত বাহিৰে সমুখত আন একো দেখা নাপায়। অসমৰ ঐতিহ্যমণ্ডিত স্বৰ্ণ অলংকাৰৰ চাহিদা ইতিমধ্যে নাইকিয়া হ'ল বজাৰৰ চাহিদাৰ ওপৰত দৃষ্টি নৰখা হেতুকে। তেনেদৰেই বিশ্বৰ বজাৰ দখল কৰাৰ সলনি বৰপেটাৰ হাতী দাঁতৰ শিল্প আজি পাহৰণিৰ গৰ্ভত লুকাল। সৰ্থেবাৰী-হাজোৰ কাহ-পিতলৰ বজাৰখন সীমিত হৈয়েই বৈ গ'ল; কাৰণ থলুৱা বুলিয়েই যিকোনো সামগ্ৰী গ্ৰাহকে ক্ৰয় নকৰে। দেখনিয়াৰো হ'ব লাগিব। বহু সময়ত দেখা যায় যে পিতলৰ শৰাইৰ গজাল কেইটাও ভালদৰে পলিচ নকৰা হেতুকে হাতত লাগি ধৰে। কিন্তু মোৰাদাবাদী কাহ-পিতলৰ সামগ্ৰীসমূহ দেখনিয়াৰ হোৱা হেতুকে অসমৰ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। শুৱালকুছিৰ ঐতিহ্যমণ্ডিত পাট-মুগাৰ শিল্পও আজি দুৰ্যোগৰ সন্মুখীন হৈছে। এইবোৰৰ মূলতে পেটে-ভাতে খাই সন্তুষ্টি লাভ কৰা সীমিত দৃষ্টিভংগী আৰু সৃষ্টিশীল মানসিকতাৰ অভাৱ। অসমৰ বাহিৰত যেন এইখন ৰাজ্যৰ সামগ্ৰীৰ বজাৰ নাই, তেনে ধাৰণাৰ উৰ্দ্ধলৈকে আমি শিল্পীসকলক নিবলৈ সক্ষম হোৱা নাই; অথচ অসমৰ পাট-মুগা শাৰীৰ চাহিদা ভাৰতবৰ্ষৰ সকলোতে আছে। পাট আৰু মুগাৰ কাপোৰৰ চাহিদা ভাৰতৰ বাহিৰতো আছে; কিন্তু অসমৰ পাট-মুগাৰ বজাৰ দখল কৰিবলৈ চীনা বস্ত্ৰসমূহে ধুমুহাৰ গতিৰে আগবাঢ়ি আহিছে।

জোনবিল মেলাৰ আদান-প্ৰদানৰ স্মৃতি বছৰত এবাৰ জীয়াই ৰখাটো আদৰণীয়; কিন্তু এধানমান অনুধাৱন কৰিলেই স্পষ্ট হৈ পৰে যে আমি সেইখন সমাজতকৈ বেছি আগবাঢ়ি যাব পৰা নাই। অসমৰ অৰণ্যৰ পৰা অলেখ ঔষধি গছ-লতা, ফল-মূল সংগ্ৰহ কৰি এচামে কোটি কোটি টকা উপাৰ্জন কৰি আহিছে; অথচ সেইবোৰকেই নতুন ৰূপত আমি অধিক দামত ক্ৰয় কৰিছো। গতিকে আমাৰ দৃষ্টিভংগীৰ আমূল-পৰিৱৰ্তন নহ'লে কোনো সমস্যাৰেই সমাধানৰ পথ উলিয়াব নোৱাৰিম।

## খোলা মঞ্চ

# ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**শিক্ষকসকলে** এখন সুন্দৰ সমাজ গঢ়িবলৈ যিদৰে গুণগত মানেৰে পৰিপুষ্ট গুণৱান ছাত্ৰ-ছাত্ৰী সৃষ্টিৰ কাৰণে অহোপুৰুষাৰ্থ চেষ্টা কৰে, ঠিক তেনেদৰে ৰাজনৈতিক নেতাসকলে এখন নিকা সমাজ গঢ়িবলৈ তেওঁলোক ভ্ৰষ্টাচাৰমুক্ত মনৰ গৰাকী হ'ব লাগিব। ৰাজনৈতিক নেতাসকলে এখন সুন্দৰ সমাজ গঢ়িবলৈ দেশৰ উন্নতিৰ হকে কৰ্ম কৰিব লাগে; যিখন সমাজত সাধাৰণ প্ৰজাগণেও শান্তিত দিন অতিবাহিত কৰিব পাৰে। যদি ৰাজনৈতিক নেতাসকল নিজেই সৎ নহয়, তেতিয়া নিকা সমাজ সৃষ্টি কৰিব নোৱাৰে। ইতিহাসৰ পৃষ্ঠাত লিপিবদ্ধ হৈ আছে বহু ৰজা, মহাৰজা, ৰাজনৈতিক নেতাৰ ক্ৰিয়া-কৰ্মৰ কথা, যিসকলে নিজৰ সুখ-স্বাচ্ছন্দ্যতা পৰিহাৰ কৰি প্ৰজাৰ সুখৰ কাৰণে চিন্তা কৰে, তেনে লোকৰ নীতিগত আদৰ্শৰে আদৰ্শিত হ'ব লাগে।

ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ; সেয়েহে দেশৰ সাধাৰণ প্ৰজাৰ হাততেই থাকে শাসনৰ বাঘজৰী।

**দীপ্তি ঠাকুৰ গোস্বামী,** লেখিকা

গণতান্ত্ৰিক দেশত নিৰ্দিষ্ট সময় (পাঁচ বছৰ)ৰ বাবে মন্ত্ৰীসকলক শাসনৰ গাদীত বহিবলৈ দিয়া হয়। সেয়েহে নেতা নিৰ্বাচন কৰোতে সদায় তেওঁলোকৰ মানসিকতা পুংখানুপুংখৰূপে বিশ্লেষণ কৰি চাব লাগে; যাতে তেওঁলোকে নিজৰ স্বাৰ্থৰ কথা চিন্তা নকৰি প্ৰজাৰ মংগলৰ কাৰণে চিন্তা কৰে। কিছুমান নেতা দেখিবলৈ পোৱা যায় যে যিয়ে নিজৰ সম্পত্তিৰ পাহাৰ গঢ়াৰ চিন্তাত সাধাৰণ প্ৰজাৰ শান্তিৰ কথা নিলগত থৈ দিয়ে; তেনে লোকক শাসনৰ গাদীত বহাৰ সুবিধা দিব নালাগে। সৎ আদৰ্শৱান নেতাকহে অগ্ৰাধিকাৰ দিব লাগে। তেতিয়াহে দেশ বা ৰাজ্যখন উন্নতিৰ জখলাৰে আগবাঢ়িব পাৰিব। নিজৰ সমষ্টিৰ কাম নকৰাজনক পুনৰবাৰ মন্ত্ৰী হোৱাৰ পৰা বঞ্চিত কৰিব লাগে। মন্ত্ৰী বা বিধায়কসকলৰ ওপৰতেই অৰ্থনৈতিক, সাংস্কৃতিক উন্নতিৰ ছাবি-কাঠী থাকে; সেয়েহে প্ৰজাৰ হিত চিন্তা কৰি নিজৰ সমষ্টিত কাম কৰিলেহে এখন সমাজ সুন্দৰ ৰূপত গঢ় দিব পাৰিব। ৰাজনৈতিক নেতাসকলে গুণী-জ্ঞানী, পণ্ডিত-বিদ্বান লোকসকলৰ দিহা-পৰামৰ্শ মানি দেশ শাসন কৰিব লাগে। তেনে বিদ্বান লোকসকলে দেশৰ উন্নতিৰ হকে চিন্তা কৰে। মন্ত্ৰীসকলে এখন ৰাজ্য বা দেশৰ চিন্তা কৰোতে যাতে সকলো শ্ৰেণীৰ লোকেই সমানে সুবিধা ভোগ কৰিব পাৰে, সেয়া উপলব্ধি কৰিব লাগে।

সদায় অহিংস নীতি হৃদয়ংগম কৰিব পাৰিব লাগিব। তেতিয়াহে এখন সুন্দৰ ৰাজ্য, সুন্দৰ দেশ গঢ়াৰ সপোন বাস্তৱত ৰূপ পাব। আমি আশাবাদী সৎ মনৰ গৰাকীয়েহে দেশৰ শাসনৰ দায়িত্বত আগভাগ ল'ব।

*ফোন ঃ ৮৩৫৬০৭৯৪৪২*

# অসমীয়াৰ ধৰ্ম সংকট

## শংকৰ-মাধৱৰ নামধৰ্ম আৰু আজান পীৰৰ ভক্তিধৰ্ম-দুয়োটাৰে আধ্যাত্মিক ভেটি আছিল একেটাই ঃ একেশ্বৰবাদী ভক্তি

অ সমক শংকৰ-মাধৱ-আজান পীৰৰ দেশ বুলি সততে কোৱা হয়। তাৰ কাৰণ, পোন্ধৰ-যোল শতিকাৰ পৰা অসমৰ অসংখ্য জনগোষ্ঠীভুক্ত আৰু পৰস্পৰ বিচ্ছিন্ন থলুৱা বাসিন্দাসকলক একেশ্বৰবাদী ভক্তি ধৰ্মই আত্মিক ঐক্য-সংহতিৰ দোল এডালেৰে বান্ধিবলৈ আৰম্ভ কৰিছিল আৰু পাছলৈ সিয়েই অসমীয়া নামৰ আধুনিক জাতিটোৰ সাংস্কৃতিক পৰিচয় হৈয়ো পৰিছিল। শংকৰ-মাধৱৰ নামধৰ্ম আৰু আজান পীৰৰ ভক্তিধৰ্ম— দুয়োটাৰে আধ্যাত্মিক ভেটি আছিল একেটাই ঃ একেশ্বৰবাদী ভক্তি। শংকৰদেৱে প্ৰচাৰ কৰিছিল এজন কৃষ্ণৰ ভকতিৰ মহিমা, যিজনৰ ওচৰত কিৰাট, কছাৰী, খাচী গাৰো, মিৰি, যৱন, কংক, গোৱাল, অসম (আহোম), মালুক, ৰজক, তুৰুক, কুৱাচ, ম্লেচ, চণ্ডাল আদি সকলো মানুহে শৰণ ল'ব পাৰিছিল। একেদৰে আজান পীৰৰ চুফীবাদৰো মন্ত্ৰ আছিল একেটাইঃ পৃথিৱীৰ সকলো জাতি-ধৰ্মৰ মানুহ এজন আল্লাৰে সন্তান। শংকৰদেৱে তেওঁৰ অতুলনীয় প্ৰতিভাৰে আৰু অনবদ্য অৱদানেৰে ধৰ্ম প্ৰচাৰৰ লগতে মন আৰু বস্তু সংস্কৃতিৰ সকলোবোৰ দিশ উজলাই তুলিছিল আৰু অসম মুলুকৰ বাসিন্দাসকলক এক উমৈহতীয়া আৰু সমৃদ্ধ সাংস্কৃতিক পৰিচয়ৰ সন্ধান দিছিল। পুৰণি অসমীয়া চুফিবাদী মুছলমানসকলেও সেই সংস্কৃতিৰ স'তে সহাৱস্থান কৰিবলৈ শিকি লৈছিল।

পৰিহাসৰ কথা যে আজিৰ অসমত অসমীয়া জাতীয়তাবাদী সকলৰ কেৱল মুখতহে শংকৰ-মাধৱ-আজান পীৰৰ নাম আখৈ ফুটাদি ফুটি থাকে, তেওঁলোকৰ মন-মগজুৰ পৰা হ'লে সহজ একশৰণীয়া ভক্তিধৰ্মৰ সাৰমৰ্ম কেতিয়াবাই অন্তৰ্হিত হৈছে। হৰিনাম লোৱা অসমীয়া হিন্দুসকল এতিয়া বিভিন্ন দেৱ-দেৱীৰ পূজা-পাৰ্বণ আৰু যাগ-যজ্ঞত মত্ত; ইছলামধৰ্মী অসমীয়াসকলেও কাৰ্যতঃ ভক্তিবাদৰ সলনি আগ্ৰাসী ধৰ্মান্ধতাৰ মাজত পৃথক সাম্প্ৰদায়িক পৰিচয়ৰ ধ্বজা উৰুৱাইছে। 'অসমীয়া' পৰিচয়ক লৈ হিন্দু আৰু মুছলমানৰ মাজত এতিয়া ৰচী টনা খেল এখনহে আৰম্ভ হৈছে।



শংকৰ-মাধৱৰ আগতো অসমৰ থলুৱা জনগোষ্ঠীবোৰৰ মাজত ভিন ভিন ধৰ্মমতৰ প্ৰচলন আছিল। জনজাতিসকলৰ প্ৰত্যেকৰে নিজৰ উপাস্য দেৱ-দেৱী আছিল, ভিন ভিন নামত শিৱৰ উপাসনা চলিছিল, কোনো কোনোৰ মাজত বৌদ্ধ ধৰ্মৰো প্ৰভাৱ আছিল, তন্ত্ৰ-মন্ত্ৰ আৰু পূজা-পাৰ্বণবোৰো বিভিন্ন ৰীতি-নীতিৰে প্ৰচলিত হৈ আছিল। সেইবোৰ কিন্তু পশ্চিমীয়া বৈদিক হিন্দু ধৰ্মৰ



অসবৰ্ণ

হীৰেন গগৈ

ভিতৰুৱা নাছিল। পুৰণি অসমৰ বুকুলৈ বৈদিক হিন্দু ধৰ্মৰ আগমন ঘটিছিল ব্ৰাহ্মণ পুৰোহিতসকলৰ জৰিয়তেহে। সেই পুৰোহিতসকলেই বৈদিক যাগ-যজ্ঞ আৰু শাক্ত ধৰ্মৰ প্ৰচলন আৰম্ভ কৰিছিল। কিন্তু তেওঁলোকৰ ভাষা (সংস্কৃত) আৰু সংস্কৃতি (ব্ৰাহ্মণ্যবাদী) উন্নত হোৱা সত্ত্বেও অসমৰ পুৰণি জনজাতীয় ধৰ্ম-সংস্কৃতিবোৰ তাত জাহ যোৱা নাছিল। সেইবোৰৰ বহুতো সম্পদ তথা উপাদানৰ আৰ্যীকৰণ হোৱা সত্ত্বেও। শংকৰ-মাধৱে ব্ৰাহ্মণ্যবাদী যাগ-যজ্ঞ তথা ৰীতি-নীতি আৰু দেৱ-দেৱীসকলক পৰিহাৰ কৰি, সেই সময়ৰ সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ অনুপ্ৰেৰণাৰে অসমতো একেশ্বৰবাদী ভক্তি আন্দোলন এটাৰ সূচনা কৰিছিল আৰু এই দেশৰ সমস্ত জাতি-ধৰ্মৰ মানুহৰ বাবে এটা ঐক্যবদ্ধ, উন্নত আৰু পৰিচ্ছন্ন জীৱনশৈলী ৰচনা কৰিছিল। ব্ৰাহ্মণ্যবাদৰ অত্যাচাৰী ৰীতি-নীতি আৰু জাতিভেদৰ ভয় তাত নাছিল। সেয়ে তেওঁলোকৰ ভক্তিধৰ্মৰ আকৰ্ষণো আছিল দুৰ্বাৰ। সেই সময়ৰ আহোম ৰাজ্য আৰু কোচ ৰাজ্যৰ সাধাৰণ প্ৰজাৰ মাজত নামধৰ্মৰ প্ৰসাৰ দ্ৰুতগতিৰে বাঢ়ি গৈছিল। শংকৰ-মাধৱৰ গীত-মাতৰ বৈভৱ আৰু অতুলনীয় সাংগীতিক লয়েও তেওঁলোকৰ নামধৰ্মক যাদুকৰী শক্তি প্ৰদান কৰিছিল। অসমৰ বহু জনগোষ্ঠীয় জনসমাজখনক একক অসমীয়া জাতিৰ পৰিচয়ৰ দোলেৰে বান্ধি পেলোৱাৰ ঐতিহাসিক ভূমিকা গুৰু দুজনাই তেনেদৰেই পালন কৰি গৈছিল। সংমিশ্ৰিত অসমীয়া ভাষাটোও তেওঁলোকৰ সৃষ্টিৰাজিৰ জৰিয়তেই জনজীৱনৰ কাষ চাপি গৈছিল আৰু অসমীয়াৰ ভাষিক জাতিসত্তাৰ পটভূমিও তেনেদৰেই ৰচিত হৈছিল।

কিন্তু সদায় সংহত আৰু ঐক্যবদ্ধ হৈ থকাৰ ভাগ্য অসমীয়াৰ কপালত লিখা হোৱা নাছিল। সমাজত আনুষ্ঠানিক ধৰ্মৰ প্ৰভাৱ অমংগলীয়া হ'লেও কিন্তু অপ্ৰতিৰোধ্য আৰু অমোচনীয়। শংকৰী ধৰ্মৰ জাতিভেদমুক্ত চৰিত্ৰৰ আৱৰণটোৰেই অসমীয়া জাতিক এফালে বৰ্ণভিত্তিক ব্ৰাহ্মণ্যবাদ আৰু আনফালে জাতিভেদমুক্ত জনজাতীয়-জনগোষ্ঠীয় বিচ্ছিন্নতাবাদৰ সংক্ৰমণৰ পৰা বচাই সুৰক্ষিত আৰু সমৃদ্ধ কৰাৰ প্ৰচুৰ সম্ভাৱনা

**বৈদিক যাগ-যজ্ঞ আৰু ব্ৰাহ্মণ্যবাদী ৰীতি-নীতিবোৰৰ অন্ধ অনুকৰণৰ যি প্ৰৱণতা আজিৰ অসমীয়াৰ গাত প্ৰকট হ'বলৈ ধৰিছে, সিয়েই এফালে হিন্দু অসমীয়াক বৰ্ণ সংঘাতৰ ফালে ঠেলি দিব আৰু আনফালে মুছলমান অসমীয়া সকলৰ পৰা তেওঁলোকৰ দূৰত্ব বৃদ্ধি কৰিব**

আছিল। কিন্তু অসমীয়াই নিজৰ বিবেচনাহীন আচৰণ আৰু বহুৱালিৰে সেই সম্ভাৱনাক মুচৰি পেলাইছে। বৈদিক যাগ-যজ্ঞ আৰু ব্ৰাহ্মণ্যবাদী ৰীতি-নীতিবোৰৰ অন্ধ অনুকৰণৰ যি প্ৰৱণতা আজিৰ অসমীয়াৰ গাত প্ৰকট হ'বলৈ ধৰিছে, সিয়েই এফালে হিন্দু অসমীয়াক বৰ্ণ সংঘাতৰ ফালে ঠেলি দিব আৰু আনফালে মুছলমান অসমীয়া সকলৰ পৰা তেওঁলোকৰ দূৰত্ব বৃদ্ধি কৰিব। অকল সেয়ে নহয়, বৈদিক যাগ-যজ্ঞৰ প্ৰকোপ আৰু ন ন দেৱ-দেৱীৰ মঠ-মন্দিৰবোৰৰ নিৰ্মাণ বাঢ়ি যোৱাৰ লগে লগে অসমৰ বাহিৰৰ পৰা অভিজ্ঞ পুৰোহিতসকলক আমদানি কৰাৰ প্ৰক্ৰিয়াও আৰম্ভ হৈ গৈছে আৰু এই প্ৰক্ৰিয়া অব্যাহত থাকিলে অদূৰ ভৱিষ্যতে উত্তৰ আৰু দক্ষিণ ভাৰতৰ গোড়া ব্ৰাহ্মণ পুৰোহিতসকলৰ আঙুলিৰ ঠাঁৰত অসমৰ ৰজা-প্ৰজা সকলো নাচি থাকিবলগীয়া হ'ব। নগাঁৱৰ মহামৃত্যুঞ্জয় মন্দিৰত থলুৱা আৰু বহিৰাগতৰ মাজত সংঘাতৰ সৃষ্টি হৈছেই।

অসমীয়াৰ দৰে আত্মসন্মানহীন দ্বিতীয় এটা জাতি আছে নে নাই নাজানো। আগতে অসমীয়াৰ মাজত হনুমান পূজাৰ পৰম্পৰা নাছিলেই। এতিয়া হনুমান জয়ন্তীত বহিৰাগত ব্যৱসায়ীয়ে আয়োজন কৰা খিচিৰি খাবলৈ হেজাৰ-বিজাৰ অসমীয়াই নিছিগা শাৰী পাতি ঘণ্টা ঘণ্টা ধৰি যিদৰে থিয় দি থাকে, মোৰ দৰে চকুচৰহাসকলে সেইফালে চাবলৈও লাজ পায়। ধন তেৰেছ নে কি, সেই উৎসৱটোৰ কথাও আগতে শুনাই নাছিলো। এতিয়া সেই দিনটোত অৱস্থাসম্পন্ন অসমীয়াসকলেও হেনো সোণ নে কি কিনিবলৈ উথপ্থপ লগায়। আগৰে পৰা চলি অহা সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা আদিতো শংকৰী ভকতেৰে হৰিনাম পতাৰ ব্যৱস্থাও হৈ গৈছে। ফলত দেৱ-দেৱীসকল নিশ্চয় অসন্তুষ্টহে হৈছে আৰু হৰিৰো অপমান হৈছে। অসমীয়াই চহৰে-নগৰে নিজৰ মাটি-বাৰীবোৰতো হুৱাহুৰে বহিৰাগত বণিয়াক বিক্ৰী কৰি লাহে লাহে ভেটিহীন হৈছেই। এতিয়া নিজৰ ধৰ্ম-সংস্কৃতিকো বহিৰাগত বণিয়া আৰু ধৰ্ম ব্যৱসায়ীসকলক বিক্ৰী কৰিব পাৰিলে অসমীয়াৰ জাতীয় লেঠা-পিঠা আৰু একো নাথাকিব।

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা অতি দক্ষ, প্ৰতিভাবান আৰু কৰ্মনিপুণ নেতা। অসম-অসমীয়াৰ বাবে কেতবোৰ ডাঙৰ কাম কৰাৰ পৰিকল্পনাও তেওঁৰ আছে। ব্ৰাহ্মণ হোৱাটোও তেওঁৰ কোনো অপৰাধ নহয়। কিন্তু তেওঁক আগত লৈ অসমৰ ব্ৰাহ্মণ সমাজখনে ৰাজ্যখনত ব্ৰাহ্মণ্যবাদৰ ধ্বজা কেউফালে উৰুওৱাৰ সুযোগ ল'লে ড° শৰ্মাৰ সপোনেই হয়তো থানবান হৈ পৰিব। কিমধিকম্।

*ফোন ঃ ৮৮১১৮২৭৪৩২*

### আজি ঈদ-উল-ফিটৰ উপলক্ষে

# পৱিত্ৰ ঈদ-উল-ফিটৰ

## মানুহৰ আত্মা মূলতঃ এক পৱিত্ৰ সত্তা

**মানুহৰ** কৰ্মব্যস্ত জীৱনৰ ক্লান্তি দূৰ কৰিবলৈ মাজে মাজে উৎসৱৰ প্ৰয়োজন হয়। সামাজিক আৰু আত্মীয়তাৰ সম্পৰ্কবোৰ সজীব কৰিবলৈ কোনো সন্মিলনৰ প্ৰয়োজন হয়। সকলো জাতি, ধৰ্ম সম্প্ৰদায়ৰ মানুহৰ মাজত বিভিন্ন উৎসৱ আছে। উৎসৱে জাতিগত ঐক্যৰ চেতনা সৃষ্টি কৰে। উৎসৱৰ দিনবিলাকো যিকোনো জাতিৰ স্বতন্ত্ৰ আৰু পৃথক পৰিচয়ৰ অন্যতম গুৰুত্বপূৰ্ণ নিদৰ্শন আৰু প্ৰতীক। এটি জাতিৰ স্বতন্ত্ৰ পৰিচয়-সত্তা নিৰ্মাণ কৰিবলৈ তেওঁলোকৰ মাজত ঐক্যৰ চেতনা আৰু ভ্ৰাতৃত্বৰ মৈত্ৰী জাগ্ৰত কৰি সন্মিলিত আনন্দ আৰু উদ্‌যাপনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰছুলে পাক স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামে যেতিয়া মক্কাৰ পৰা হিজৰত কৰি মদিনালৈ গৈছিল তেতিয়া তাত অন্ধকাৰ যুগৰ পৰা প্ৰচলিত দুটি উৎসৱৰ দিন আছিল। সেয়া আছিল শৰতৰ পূৰ্ণিমাত 'নওৰোজ' আৰু বসন্তৰ পূৰ্ণিমাত 'মেহেৰজান'।

হুজুৰ পাক স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামে জিজ্ঞাসা কৰিলে, 'এই উৎসৱ দুটা কি?' মদিনাবাসী চাহাবী (শিষ্য) সকলে ক'লে, ইছলামৰ পূৰ্বৰ যুগৰ পৰা আমি এই দুদিনত খেলা-ধুলা আৰু আনন্দ কৰো। ৰছুলে পাক স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামে জনালে, 'আল্লাহে এই দুই দিনৰ পৰিৱৰ্তে তোমালোকক নতুন দুটি উৎসৱৰ দিন দিছে— ঈদ-উল-ফিটৰ আৰু ঈদ-উল আজহা।' (মুছনাদে আহমদ, ১৩০৫৮)

এই ভাৱে মুছলমানসকলৰ পৃথক উৎসৱৰ সূচনা হ'ল। এয়া দ্বিতীয় হিজৰী অৰ্থাৎ ৬২৪ খ্ৰীষ্টাব্দৰ ঘটনা। দয়াৱনবী স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামে ঘোষণা কৰিলে, 'সকলো জাতিৰে ঈদ বা উৎসৱৰ দিন থাকে, এইটো আমাৰ ঈদ।' (চহীহ বুখাৰী, ৩৯৩১, চহীহ মুছলিম, ২০৯৮)

'ঈদ' শব্দটি আৰবী 'আওদ'ৰ পৰা আহিছে। 'আওদ'ৰ অৰ্থ হৈছে ঘূৰি অহা, প্ৰত্যাৱৰ্তন কৰা। ঈদ মানে প্ৰতি বছৰে ঘূৰি অহা এনে এটা দিন। আৰবীত বিশেষ দিৱস বা উৎসৱৰ দিনক ঈদ বোলে। ফিটৰ অৰ্থ ৰোজা ভঙা বা ইফটাৰ কৰা। ৰোজাৰ ঈদক ইছলামি পৰিভাষাত ঈদ-উল-ফিটৰ বা ৰোজা ভঙাৰ উৎসৱ বোলা হয়। সমগ্ৰ ৰমজানত প্ৰতিদিনে সূৰ্যাস্তৰ পাছত মুছলমানসকলে উপবাস ভাঙে অৰ্থাৎ ইফটাৰ কৰে। এইটো কেৱল সেইদিনৰ ৰোজা বা উপবাসৰ ইফটাৰ। ৰোজাদাৰৰ বাবে প্ৰত্যেক দিনৰ ইফটাৰৰ মুহূৰ্তই আনন্দৰ, ঈদ-উল-ফিটৰৰ দিন বিশেষভাৱে আনন্দৰ আৰু উৎসৱৰ। হুজুৰ পাক স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামে জনাইছে, 'ৰোজাদাৰৰ বাবে দুটি আনন্দক্ষণ আছে, ইফটাৰৰ সময়ত তেওঁ আনন্দিত হয়, আল্লাহৰ লগত দেখা কৰাৰ সময়ত তেওঁ আনন্দিত হ'ব।' (বুখাৰী, ৭৪৯২)

ঈদ-উল-ফিটৰৰ দিনা মুছলমানসকল ৰমজানৰ ৰোজা সফলভাৱে ৰাখিব পৰাৰ বাবে আৰু আল্লাহৰ পৰা ক্ষমা প্ৰাপ্তিৰ কাৰণেও আনন্দিত হয়। এইদিনটো ৰোজাদাৰ মুছলমানসকলৰ বাবে পুৰস্কাৰৰ দিন। হজৰত আউচ আল আনচাৰী ৰাদ্বিয়াল্লাহু তাআ'লা আ'নহুয়ে কৈছে, ৰছুলে পাক স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামে জনাইছে, ঈদ-উল-ফিটৰৰ দিনা ৰাতিপুৱা ফিৰিস্তাসকল ৰাস্তাই ৰাস্তাই থিয় হৈ থাকে আৰু মুছলমানসকলৰ উদ্দেশ্যে কৈ থাকে, 'হে মুছলমানসকল! তোমালোকে দয়ালু প্ৰতিপালকৰ ফালে আগুৱাই আহা। উত্তম প্ৰতিদান আৰু বিশাল চাৱাব (পুণ্য) প্ৰাপ্তিৰ বাবে আগুৱাই আহা। তোমালোকক ৰাতি নামাজৰ নিৰ্দেশ দিয়া হৈছিল, তোমালোকে সেই নিৰ্দেশ মানি নামাজ পঢ়িছা। তোমালোকক দিনত ৰোজা ৰাখিবলৈ কোৱা হৈছিল, তোমালোকে সেই নিৰ্দেশো পালন কৰিছা, এমাহ ৰোজা ৰাখিছা। গৰিব দুখীয়াসকলক

**মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী**

আহাৰ দান কৰিছা। এতিয়া নামাজ পঢ়ি এইসকলো পুণ্যকৰ্মৰ প্ৰতিদান আৰু পুৰস্কাৰ গ্ৰহণ কৰা।' ঈদৰ নামাজ পঢ়াৰ পাছত এজন ফিৰিস্তাই ঘোষণা দিয়ে, 'শুনা নামাজ আদায়কাৰীসকল! তোমালোকৰ মহান ৰাব্বুল আলামিনে মাফ কৰি দিছে, সকলো গুনাহৰ পৰা মুক্ত অৱস্থাত নিজ নিজ ঘৰলৈ ঘূৰি যোৱা। আজি পুৰস্কাৰ প্ৰদানৰ দিন। আকাশত এই দিনৰ নামকৰণ কৰা হৈছে 'পুৰস্কাৰৰ দিন'।' (আল মুজামুল কাবিৰ লিত তাবাৰানি, ৬১৭-৬১৮)

হজৰত আনাচ ৰাদ্বিয়াল্লাহু তাআ'লা আ'নহুৰ পৰা বৰ্ণিত ৰছুলেপাক স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামে জনাইছে, 'ঈদৰ দিনা আল্লাহে ফিৰিস্তাসকলক কয়, তেওঁলোকে আমাৰ ফৰজ আদায় কৰি প্ৰাৰ্থনাৰ বাবে বাহিৰ হৈছে। আমাৰ মৰ্যাদা আৰু সন্মানৰ কচম! আমি অৱশ্যেই তেওঁলোকৰ দুআ'-প্ৰাৰ্থনা কবুল কৰিম।' তাৰ পাছত আল্লাহে বান্দাসকলক উদ্দেশ্য কৰি কয়, 'ঘূৰি যোৱা আমি তোমালোকক ক্ষমা কৰি দিছো। তোমালোকৰ পাপবিলাকক নেকী (পুণ্য)ৰ দ্বাৰা পৰিৱৰ্তন কৰি দিছো।' ইয়াৰ পাছত সকলোৱেই ক্ষমাপ্ৰাপ্ত হৈ ঘৰলৈ ঘূৰি যায়। (বায়হাকীৰ সূত্ৰত মিশ্বকাত, অধ্যায় হায়াতুল মুছলিমীন, পৃঃ ২৪৯)

ঈদ-উল-ফিটৰৰ এটি ওৱাজিব বা আৱশ্যিক আ'মল হ'ল স্বালাতুল ঈদ বা ঈদৰ নামাজ। ঈদৰ উৎসৱ আৰম্ভ হয় এই নামাজ (স্বালাত)ৰ মাধ্যমত। ঈদৰ দিনা প্ৰথম প্ৰহৰত ধনী-দৰিদ্ৰ, আমিৰ-ফকীৰ নিৰ্বিশেষে সকলো মুছলমান এক কাটাৰ (শাৰী)ত থিয় হয়। একেলগে আল্লাহৰ পৱিত্ৰতা আৰু মহত্ত্ব ঘোষণা কৰে। পৰস্পৰৰ খবৰ লয় আৰু কুশল বাৰ্তা বিনিময় কৰে। ইছলামত মুছলমানসকলৰ এই সন্মিলন অত্যন্ত গুৰুত্বপূৰ্ণ।

ঈদৰ আৰু এটি আৱশ্যকীয় আ'মল (কৰ্ম) স্বদকাতুল ফিটৰ। ক্ষমাপ্ৰাপ্তিৰ খুচিত আৰু ৰমজানত কৃত আ'মলৰ ত্ৰুটি দূৰ কৰিবলৈ মুছলমানসকলে স্বদকাতুল ফিটৰ আদায় কৰে। সামৰ্থ্যবান আৰু আৰ্থিকভাৱে সচ্ছল মুছলমানসকলৰ ওপৰত স্বদকাতুল ফিটৰ আদায় কৰা ওৱাজিব (অৱশ্যেকৰ্তব্য)। ঈদ উদ্‌যাপন সাৰ্বজনীন কৰি তুলিবলৈ ধনী-দৰিদ্ৰ নিৰ্বিশেষে সকলোৰে মাজত ঈদৰ আনন্দ বিয়পাই দিবলৈ স্বদকাতুল ফিটৰৰ বিধান আছে। লগে লগে এই স্বদকা (দান)ৰ মাধ্যমত ৰোজাত হৈ যোৱা ভুল-ত্ৰুটি মাফ হৈ যায়। হজৰত ইব্‌নে আব্বাছ ৰাদ্বিয়াল্লাহু তাআ'লা আ'নহুয়ে কৈছে, ৰছুলে পাক স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামে ৰোজাক বেহুদা আৰু অশ্লীল কথা-আচৰণৰ পৰা পৱিত্ৰ কৰাৰ উদ্দেশ্যে আৰু দৰিদ্ৰসকলৰ খাদ্যৰ ব্যৱস্থা কৰাৰ বাবে স্বদকাতুল ফিটৰ ফৰজ কৰিছে। (ছুনানে আবু দাউদ, ১৬০৯)

আত্মীয়-স্বজন আৰু প্ৰতিবেশীসকলৰ লগত দেখা সাক্ষাৎ আৰু তেওঁলোকৰ খবৰ লোৱাৰ সুযোগো হয় ঈদৰ সন্মিলন আৰু দাৱাতত। ইছলামত আত্মীয়তাৰ বন্ধন ৰক্ষা কৰা ফৰজ। সমগ্ৰ বছৰ কৰ্মব্যস্ততাৰ কাৰণে আমি অনেক আপোনজনক পাহৰি থাকো। সকলোৰে খবৰ লোৱা সম্ভৱ নহয়। ঈদৰ উৎসৱত সকলোৱে একত্ৰিত হোৱাৰ সুযোগ পায়। আমাৰ দেশত অনেক কৰ্মজীৱী মানুহ মাক-বাপেকৰ লগতো সাক্ষাৎ আৰু সময় কটোৱাৰ সুযোগ পায় ঈদৰ ছুটীত।

সুদীৰ্ঘ এমাহৰ ছিয়াম (ৰোজা) সাধনাৰ পাছত এই অৱসৰ যাপন আৰু বিনোদন আমাৰ জীৱনত এক অনাবিল প্ৰশান্তি আৰু আনন্দ কঢ়িয়াই আনে। আত্মীয়তা, ভ্ৰাতৃত্ব, বন্ধুত্ব আৰু সৌহাৰ্দ্যৰে পৰিপূৰ্ণ হয় এই দিন।

ইছলাম ধৰ্মাৱলম্বীসকলৰ

**ইছলাম ধৰ্মাৱলম্বীসকলৰ আধ্যাত্মিক আনন্দৰ অপাৰ উৎস ঈদ-উল-ফিটৰ। এমাহৰ সংযম সাধনাত উত্তীৰ্ণ হোৱাৰ আনন্দ হ'ল এই উৎসৱ। নফ্চৰ কুমন্ত্ৰণা আৰু কুপ্ৰবৃত্তিৰ বিৰুদ্ধে এমাহৰ এই জিহাদ মুছলমানসকলৰ বাবে সকলোতকৈ ডাঙৰ জিহাদ। এই জিহাদত যি বিজয়ী হয় সেই অভিজ্ঞতাৰ আলোকত সমগ্ৰ বছৰেই চয়তানক পৰাজিত কৰাৰ শক্তি অৰ্জন কৰে সেই বিজয়ী মুছলমানে**

আধ্যাত্মিক আনন্দৰ অপাৰ উৎস ঈদ-উল-ফিটৰ। এমাহৰ সংযম সাধনাত উত্তীৰ্ণ হোৱাৰ আনন্দ হ'ল এই উৎসৱ। নফ্চৰ কুমন্ত্ৰণা আৰু কুপ্ৰবৃত্তিৰ বিৰুদ্ধে এমাহৰ এই জিহাদ মুছলমানসকলৰ বাবে সকলোতকৈ ডাঙৰ জিহাদ। এই জিহাদত যি বিজয়ী হয় সেই অভিজ্ঞতাৰ আলোকত সমগ্ৰ বছৰেই চয়তানক পৰাজিত কৰাৰ শক্তি অৰ্জন কৰে সেই বিজয়ী মুছলমানে।

এমাহৰ সংযম সাধনাত মোমিন মুছলমানে অৰ্জন কৰে খোদাভীতি আৰু ৰোজাৰ সুবাদত সকলো ধৰণৰ বেয়া আৰু অসৎ স্বভাৱ দূৰ হৈ যায় বাবে এই ঈদক প্ৰকৃত মানৱীয় স্বভাৱবিলাক বা মানৱীয় ফিতৰাতৰ কৰ্তৃত্ব পুনঃপ্ৰতিষ্ঠিত হোৱাৰ উৎসৱ বোলা হয়।

ঈদ-উল-ফিটৰ হৈছে পাক-পৱিত্ৰ হোৱাৰ উৎসৱ আৰু মানৱীয় প্ৰকৃতিক ঘূৰাই পোৱাৰ উৎসৱ। সেয়ে এই ঈদৰ আনন্দ কেৱল তেওঁৰ বাবেই প্ৰযোজ্য



যিয়ে নিজকে সংশোধন কৰিব পাৰিছে ঠিক যেনে ইফটাৰ কৰা কেৱল ৰোজাদাৰৰ বাবেই শোভনীয়। কোনোৰে নামাজ পঢ়িলে সেয়া দেখা যায়। জাকাত, হজ, বাহ্যিক জিহাদ এইবোৰো দেখা যায়; কিন্তু ৰোজা এনে ইবাদত যি বাহ্যিকভাৱে দেখা নাযায়। ৰোজাদাৰে জানে যে গোপনে পানাহাৰ কৰিলে কোনো মানুহে সেয়া নেদেখিব। কিন্তু তৎসত্ত্বেও কেৱল আল্লাহক ভয় কৰি আৰু আল্লাহে বান্দাৰ সকলো কিছু দেখি আছে সেয়া জানি আল্লাহৰ সন্তুষ্টিৰ লক্ষ্যৰে বিশ্বাসী মুছলমানসকলে ৰোজা ৰাখে আৰু এইভাৱেই অৰ্জিত হয় খোদাভীতি। খোদাভীতি গুনাহ (পাপ)ৰ পৰা মানুহৰ মুক্তিৰ মাধ্যম।

ৰমজান শব্দটো আহিছে 'ৰমজ'ৰ পৰা। ইয়াৰ অৰ্থ হৈছে জ্বলাই দিয়া। ৰোজাই সকলো পাপ আৰু কুস্বভাৱক জ্বলাই দিয়ে। সেয়ে পাপমুক্ত মানুহ প্ৰকৃত মানুহত পৰিণত হয়। আকৌ প্ৰকৃত মানুহ হোৱাৰ আনন্দ নৱজন্ম লাভৰ আনন্দৰ সমতুল্য।

ৰোজাদাৰে ফজৰৰ পৰা মগ্‌ৰীবৰ সময় পৰ্যন্ত সকলো ধৰণৰ বৈধ হালাল খাদ্য-পানীয় আৰু যৌন সম্ভোগৰ পৰা নিজকে দূৰত ৰাখে। ফলত তেওঁ গোটেই বছৰ হাৰাম (নিষিদ্ধ) কামবিলাকৰ পৰা দূৰত থকা সহজ হয়।

মানুহৰ আত্মা মূলতঃ এক পৱিত্ৰ সত্তা। এমাহ ছিয়াম (ৰোজা) সাধনাই মানুহৰ আত্মাক দোষ মুক্ত কৰি তেওঁক আকৌ সেই পৱিত্ৰ আৰু খোদা প্ৰদত্ত আত্মাত পৰিণত কৰে।

আমি গোটেই বছৰ ধৰি মহান আল্লাহৰ মেহমান। সমগ্ৰ বছৰ আল্লাহে আমাক ভাল ভাল খাদ্য দিছে আৰু পানীয় দিছে। এইসকলো নিয়ামতৰ বাবে আমাৰ উচিত আল্লাহৰ শুকৰিয়া (কৃতজ্ঞতা) আদায় কৰা। কিন্তু পৱিত্ৰ আৰু বৰকতময় ৰমজান মাহত আল্লাহে আমাৰ বাবে বিশেষ আধ্যাত্মিক খোৰাক দিছে। ইয়াৰ বাবে ঈদ-উল-ফিটৰৰ দিনা আল্লাহৰ প্ৰতি মুছলমানসকলে বিশেষভাৱে কৃতজ্ঞতা জনায়। উল্লেখ্য যে আধ্যাত্মিক খোৰাক হৈছে ক্বুৰ্‌আন অধ্যয়ন, ইছলামী জ্ঞান চৰ্চা, দুআ', জিকিৰ, নফল ইবাদত (উপাসনা), আত্ম-সংশোধন আৰু আল্লাহৰ নৈকট্য অৰ্জন আৰু পাপমুক্ত থকাৰ উপায় আৱিষ্কাৰৰ দৰে জৰুৰী নানা বিষয়ক লৈ চিন্তা কৰা ইত্যাদি।

শ্বাঅ'ৱালৰ চাঁদে লৈ আনে ঈদৰ বাৰ্তা। ঈদৰ দিনা এক মাহৰ সংযম অনুশীলনৰ প্ৰশিক্ষণ কোৰ্চত উত্তীৰ্ণ মুছলমানসকলে আল্লাহৰ উদ্দেশ্যে প্ৰশংসাসূচক আৰু কৃতজ্ঞতাজ্ঞাপক নানা বাক্য উচ্চাৰণ কৰি গুচি যায় প্ৰেমময় ঈদৰ জামাআ'তত। ৰোজাৰ মাহত মোমিন মুছলমানে ভালভাৱেই দৰিদ্ৰসকলৰ ক্ষুধা-তৃষ্ণাৰ যাতনা উপলব্ধি কৰিব পাৰে। সেয়ে ইছলামী ঐতিহ্য বা প্ৰথা অনুযায়ী ঈদৰ নামাজত যোৱাৰ আগতেই তেওঁলোকে পৰিশোধ কৰে ফিৎৰা নামক জাকাত, যি দৰিদ্ৰ ছিন্নমূল, এতিম আৰু নিঃস্ব ব্যক্তিসকলৰ কল্যাণত ব্যৱহৃত হয়। ঈদৰ নামাজৰ আগতেই ফিৎৰা পৰিশোধ কৰা উত্তম। পৱিত্ৰ বা নতুন কাপোৰ পৰিধান কৰি ঈদৰ নামাজত যোৱাৰ পথত বা ঈদৰ সমাবেশত উপস্থিত হৈ মুছলমানসকলে উচ্চস্বৰে কয়, 'আল্লাহ সকলোতকৈ ডাঙৰ বা মহান আৰু ইমান মহান যে সেয়া বৰ্ণনা কৰা সম্ভৱ নহয়, এক আল্লাহৰ বাহিৰে অন্য কোনো মাবুদ বা উপাস্য নাই, আল্লাহ সকলোতকৈ ডাঙৰ, সকলো প্ৰশংসা একমাত্ৰ আল্লাহৰ বাবেই, আমাক সুপথ দেখুওৱাৰ বাবে হে আল্লাহ তোমাৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছো আৰু আমাক যি দান কৰিছা তাৰ বাবে তোমাৰ শুকৰিয়া আদায় কৰিছো।'

প্ৰিয়তম নবী হুজুৰ পাক স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামে ঈদ-উল-ফিটৰ আৰু ঈদ-উল আজহাৰ দিনা আল্লাহৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপক বা প্ৰশংসাসূচক এই জাতীয় বাক্যবিলাক উচ্চাৰণৰ পৰামৰ্শ দিছিল। তেওঁ স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামে নিজেও সেয়া কৰিছিল। আনকি খুতবা দিয়াৰ আগত আৰু পাছত মহানবী স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামে উপৰোক্ত বাক্য উচ্চাৰণ কৰিছিল। এই বছৰ আমি এনে সময়ত ঈদ-উল-ফিটৰ উদ্‌যাপন কৰিছো যিসময়ত মুছলিম বিশ্বৰ কোনো কোনো দেশ দীৰ্ঘদিন ধৰি সংকট আৰু সহিংসতাৰ সন্মুখীন হৈ আছে। এই দেশবিলাকৰ জনগণ ঈদৰ স্বাভাৱিক তৎপৰতা আৰু আনন্দৰ পৰা বঞ্চিত হৈছে। ফিলিস্তিন, ছিৰিয়া, মিচৰ, বাহৰাইন, আফগানিস্তান আৰু তিউনিছিয়াৰ দৰে দেশবিলাক নানা ধৰণৰ অশান্তি, নৈৰাজ্য আৰু সহিংসতাৰ চিকাৰ। ম্যানমাৰসহ অন্য অনেক অমুছলিম দেশত মুছলমানসকল হত্যাযজ্ঞ আৰু নিৰ্যাতনৰ বলি হৈছে।

ঈদ উৎসৱ আৰু ঈদৰ জামাআ'তত বিপুল সংখ্যক মুছলমানৰ উপস্থিতিয়ে ইছলামৰ শান্তিৰ বাৰ্তা বিলাব। পৱিত্ৰ ৰমজান মাহত মুছলমানসকলে যি খোদাভীতি আৰু উন্নত স্বভাৱ-চৰিত্ৰ অৰ্জন কৰিবলৈ সক্ষম হয় সেয়া গোটেই বছৰ আৰু সমগ্ৰ জীৱন ধৰি ৰখা খুবেই জৰুৰী। মুছলমানসকলে যদি পৱিত্ৰ ৰমজান আৰু পৱিত্ৰ ঈদ-উল-ফিটৰৰ প্ৰকৃত শিক্ষাবিলাকৰ আলোকত নিজক, ইছলামী সমাজক আৰু মুছলমানসকলৰ আৰু গোটেই মানৱ জাতিৰ অৱস্থাক উন্নত কৰিবলৈ সক্ষম হয় তেনেহ'লে ঈদ সাৰ্থক হ'ব।


ইছলাম মানৱ-প্ৰকৃতিৰ আৰু প্ৰকৃত মানৱতাৰ ধৰ্ম। সেয়ে প্ৰকৃত মুছলমানে ঈদৰ দিনা পাহৰি যাব নোৱাৰে প্ৰতিবেশীৰ বা আত্মীয়-স্বজনৰ দুখ-বিপদৰ কথা, পাহৰিব নোৱাৰে মৃত ব্যক্তিসকলৰ কল্যাণৰ কথা যিসকল ঘনিষ্ঠজন, পিতা-মাতা কিম্বা প্ৰতিবেশী আছিল। ঈদৰ দিনা আমি পাহৰি যোৱা উচিত নহয় অন্নহীন, দৰিদ্ৰ, ঋণগ্ৰস্ত, বিপদগ্ৰস্ত, অসুস্থ বা ৰোগাক্ৰান্ত, বন্দী, অভাৱগ্ৰস্ত প্ৰবাসী বা মুচাফিৰ আৰু মজলুম বা বঞ্চিত মানুহসকলৰ কথা। সাধ্য অনুযায়ী এই সকলো মানুহৰ সেৱা কৰা উচিত।

সকলোলৈকে ঈদৰ শুভেচ্ছা জনালো।

*ফোন ঃ ৯৯৫৭৩১০৪৩৬*

# বড়ো এটা আন্তঃৰাষ্ট্ৰীয় ভাষা (?)

বড়ো আধিপত্যবাদৰ প্ৰসাৰ বুলি অধিকাৰীয়ে পোনচাটে যেনেকৈ আক্ৰমণ কৰিছে তালৈ লক্ষ্য কৰি পাঠকে নিশ্চয় অনুমান কৰিব পাৰিছে তেওঁ মোৰ ওপৰত কিমান ক্ষুণ্ণ হৈ পৰিছে। একোজন মানুহ কিয় আৰু কেতিয়া বাৰু ইমান অসহিষ্ণু হৈ পৰে? জানিবৰ মন যায়। ইয়াৰ পূৰ্বেও দুই-এজনে মোৰ লিখাবোৰ পঢ়ি আলোচ্য বিষয়ৰ পৰা ফালৰি কাটি গৈ মোক অসমীয়া বিদ্বেষী, উগ্ৰজনগোষ্ঠীবাদী ইত্যাদি বিশেষণেৰে বিভূষিত, অলংকৃত কৰি গৈছে। সমস্যাবোৰক লৈ মই লিখি থকাটো যেন তেওঁলোকে নিবিচাৰে। অসমীয়া ভাষাৰেই লিখি আছো, তথাপি মই হেনো অসমীয়া বিদ্বেষী।



## ড° দীননাথ বসুমতাৰী

'দৈনিক অগ্ৰদূত'ত যোৱা সাত এপ্ৰিলৰ 'বড়ো ভাষাৰ প্ৰসাৰ আৰু বিস্তাৰ' শিৰোনামাৰে প্ৰকাশিত মোৰ লিখনিৰ ওপৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ গৈ যোৱা ১২ এপ্ৰিলৰ সংখ্যাত ৰাজেশ্বৰ অধিকাৰী নামৰ এজন মনোযোগী সচেতন ব্যক্তি তথা বিবেকবান লোকে লিখা 'বড়ো ভাষাৰ বিস্তাৰৰ ইতিহাস নে বড়ো আধিপত্যবাদৰ প্ৰসাৰৰ কৌশল' শীৰ্ষক লিখনি পঢ়ি আমাৰবক্তব্য দাঙি ধৰিলো। লগতে আলোচনাৰ মাজলৈ যোৱাৰ পূৰ্বে বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি তাক আলোচনাৰ মাজলৈ লৈ অহাৰ বাবে অধিকাৰীলৈ ধন্যবাদ জনাইছো।

মন কৰিবলগীয়া কথাটো হ'ল, বড়ো আধিপত্যবাদৰ প্ৰসাৰ বুলি অধিকাৰীয়ে পোনচাটে যেনেকৈ আক্ৰমণ কৰিছে তালৈ লক্ষ্য কৰি পাঠকে নিশ্চয় অনুমান কৰিব পাৰিছে তেওঁ মোৰ ওপৰত কিমান ক্ষুণ্ণ হৈ পৰিছে। একোজন মানুহ কিয় আৰু কেতিয়া বাৰু ইমান অসহিষ্ণু হৈ পৰে? জানিবৰ মন যায়। ইয়াৰ পূৰ্বেও দুই-এজনে মোৰ লিখাবোৰ পঢ়ি আলোচ্য বিষয়ৰ পৰা ফালৰি কাটি গৈ মোক অসমীয়া বিদ্বেষী, উগ্ৰজনগোষ্ঠীবাদী ইত্যাদি বিশেষণেৰে বিভূষিত, অলংকৃত কৰি গৈছে। সমস্যাবোৰক লৈ মই লিখি থকাটো যেন তেওঁলোকে নিবিচাৰে। অসমীয়া ভাষাৰেই লিখি আছো, তথাপি মই হেনো অসমীয়া বিদ্বেষী। এইখিনিতে জনাব বিচাৰিছো— এই মুহূৰ্তত বড়ো ভাষা অকল অসম বা ভাৰতবৰ্ষতে সীমাবদ্ধ হৈ থকা নাই, বিদেশী ৰাষ্ট্ৰ নেপাল আৰু বাংলাদেশতো মাতৃভাষা হিচাপে চলি আছে। নেপাল, বাংলাদেশত থকা এই লোকসকল সেই দেশৰ বাবে প্ৰৱাসী নহয়, হেজাৰ হেজাৰ বছৰ ধৰি তেওঁলোকে তাত বসবাস কৰি বড়ো ভাষাকে নিজৰ মাতৃভাষা হিচাপে ব্যৱহাৰ কৰি আহিছে। বাংলাদেশৰ বড়ো ভাষা বৰ্তমানৰ মান্য বড়ো ভাষাৰ পৰা কিছু পৃথক হৈ পৰিলেও ই বড়ো ভাষাৰে অন্য এটা ৰূপমাত্ৰ, যেনেকৈ চিলেটীয়া বাংলা ভাষাৰ অন্য এটা ৰূপ, তেনেদৰে বৰপেটাৰ ভাষা অসমীয়া ভাষাৰ, ৰাজবংশী ভাষা অসমীয়া- বাংলাৰ মিশ্ৰিত ৰূপ। আনহাতে নেপালত প্ৰচলিত ভাষাৰ মান্য বড়ো ভাষাৰ লগত অকণো অমিল নাই। তথাপি অঞ্চলবিশেষে তাত দুই-এটা স্থানীয়ভাৱে গঢ় লৈ উঠা শব্দ সংযোজিত হ'ব পাৰে, হৈছে, তাত আচৰিত হ'বলগীয়া নাথাকে। এতিয়া সুধিব বিচাৰিছো, এখনতকৈ অধিক দেশ কিম্বা ৰাষ্ট্ৰত যি ভাষাৰ প্ৰচলন হৈ থাকে তেনে ভাষাক বাৰু কি ভাষা বুলি কোৱা হয়? আন্তঃৰাষ্ট্ৰীয়? ইয়াত কি আধিপত্যবাদ অধিকাৰীয়ে দেখিলে বুজি নাপালো।

অধিকাৰীয়ে এটা অতি তাৎপৰ্যপূৰ্ণ কথা উল্লেখ কৰিছে-'ইতিহাসবিদ কনকলাল বৰুৱাৰ মতে এটা সময়ত মিথিলা কামৰূপৰ অধীন আছিল আৰু কামৰূপৰ ভাষা মিথিলাৰ ভাষা-জাতি-ধৰ্মৰ স'তে একে আছিল। ইয়াৰ দ্বাৰা এইটোৱে প্ৰমাণ হয়, ইতিহাসবিদ কনকলাল বৰুৱাই সেই সময়ৰ কামৰূপ ৰাজ্যত বড়োভাষী লোকৰ অনুপস্থিতিৰ কথাকেই কৈছে।' এইখিনিতে সুধিব বিচাৰিছো, বাংলা ভাষাৰ লগত অসমীয়া ভাষাৰ বৰ্তমানেও যি মিল দেখা যায় (ক'বলৈ গ'লে মাথোঁ উচ্চাৰণ বাদে) তালৈ লক্ষ্য কৰি আমি ক'ব পাৰো নেকি যে অসমত অসমীয়া বুলি কোনো লোক নাই। এই আটাইবোৰ বাংলা লোক বা ভাষাটোৱে এটা সময়ত বাংলাহে আছিল? তদুপৰি, যিটো সময়ৰ কথা কোৱা হৈছে সেই সময়ত এই কামৰূপ দেশৰ অধিবাসীসকল বাৰু কোন আছিল? তেওঁলোকৰ ভাষাই বা কি আছিল? অধিকাৰীয়ে ক'ব বিচাৰিছে নেকি এই লোকসকল ৰাজবংশী আছিল আৰু তেওঁলোকৰ ভাষা মিথিলাৰ ভাষাৰ লগত মিল আছিল আৰু সেয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ ধৰ্মীয় গ্ৰন্থ 'কীৰ্তন'খন মৈথিলীসদৃশ ব্ৰজবুলি ভাষাৰে লিখি উলিয়াইছিল। অসমীয়া ভাষা তেতিয়াও ঠন ধৰি উঠিব পৰা নাছিল।

অধিকাৰীয়ে উল্লেখ কৰা মতে এই অসমত ৰাজবংশীসকল খ্ৰীষ্টপূৰ্ব ৭৫০০ বা তাৰ পূৰ্বৰ পৰাই বসবাস কৰি আহিছে অৰ্থাৎ সিন্ধু উপত্যকাৰ সভ্যতাৰো ৪৫০০ বছৰ পূৰ্বৰ পৰাই। তাৰেই সমৰ্থনত তেওঁ ঋকবেদৰ কথাও উল্লেখ কৰিছে। তেওঁৰ মতে ঋকবেদৰ ৰচনাকাল খ্ৰীষ্টপূৰ্ব ৭৫০০। আনহাতে বেদৰ ৰচনাকাৰসকল হ'ল বৈদিক সংস্কৃতিৰ লোক তথা আৰ্য পণ্ডিতসকল। পিছে ইতিহাসবিদসকলৰ মতে সিন্ধু উপত্যকাৰ সভ্যতা গঢ় লৈ উঠে খ্ৰীষ্টপূৰ্ব ৩০০০তহে। ইতিহাসবিদ ছাৰ জহন মাৰ্চেলৰ মতে খ্ৰীষ্টপূৰ্ব ৩২৫০ৰ পৰা খ্ৰীষ্টপূৰ্ব ২৭৫০ৰ মাজত। আন কিছুমানৰ মতে খ্ৰীষ্টপূৰ্ব ২৩০০ৰ পৰা ২০০০ৰ মাজত। আনহাতে ইয়াৰ প্ৰায় এহেজাৰ বছৰ পিছত অৰ্থাৎ খ্ৰীষ্টপূৰ্ব ২০০০ত আৰ্য সভ্যতাই গঢ় লৈ উঠা বুলি ক'ব পাৰি। অধিকাংশ ইতিহাসবিদে আৰ্যসকল মধ্য এছিয়াৰ পৰা আহি খ্ৰীষ্টপূৰ্ব ২৫০০ৰ পৰা খ্ৰীষ্টপূৰ্ব ২০০০ৰ মাজত ভাৰতত প্ৰৱেশ কৰে। 'সংস্কৃত সাহিত্যৰ জিলিঙনি' গ্ৰন্থৰ লিখক কামাখ্যাচৰণ ভাগৱতীয়ে উক্ত গ্ৰন্থত উল্লেখ কৰা মতে— 'প্ৰায় তিনি হেজাৰ বছৰ আগতে উত্তৰ-পশ্চিমাঞ্চলৰ পৰা এদল মানুহ আহি ভাৰতত প্ৰৱেশ কৰে। এই মানৱ গোষ্ঠীয়েই 'আৰ্য' নামে পৰিচিত।' (দ্বিতীয় প্ৰকাশ ১৯৮৮, পৃঃ ০২)। তাৰ পাছত তেওঁ বেদৰ ৰচনাকাল সম্পৰ্কে ক'বলৈ গৈ উল্লেখ কৰিছে— 'মেক্সমুলাৰে কয় খ্ৰীষ্টপূৰ্ব ১০০০ শতাব্দীৰ আগতে ঋকবেদৰ ৰচনা সম্পন্ন হৈছিল। আকৌ তিলকৰ মতে খ্ৰীষ্টপূৰ্ব ৬০০০ শতাব্দীত ঋকবেদৰ আবিৰ্ভাৱ কাল। Jakobi-ৰ মতে খ্ৰীষ্টপূৰ্ব ৪৫০৪ শতাব্দী। Maxmuller য়ে কয়, পৃথিৱীত এনে কোনো শক্তি নাই যিয়ে ঋকবেদৰ কাল সঠিকভাৱে নিৰ্ণয় কৰিব পাৰে। Wintunitz-য়ে শেষ পৰ্যন্ত সিদ্ধান্ত কৰে খ্ৰীষ্টপূৰ্ব ২০০০ বা ২৫০০ বছৰ আগতে বেদ ৰচিত হয়, আৰু খ্ৰীষ্টপূৰ্ব ৭৫০-৫০০ বছৰৰ মাজত বৈদিক সাহিত্যৰ স্তৰ সম্পূৰ্ণ হৈ যায়।' (পৃঃ ৮)। তেনে অৱস্থাত ৩০০০ হেজাৰ বছৰ আগতেহে অহা সেই আৰ্য পণ্ডিতসকলে কেনেকৈ খ্ৰীষ্টপূৰ্ব ৭৫০০ত ঋকবেদ ৰচনা কৰিলে আমাৰ দৰে লোকৰ বাবে বুজাত অসুবিধাই দেখা দিছে। ৰাম জন্ম হোৱাৰ পূৰ্বে ৰামায়ণ সৃষ্টি হোৱাৰ দৰে ভাৰতবৰ্ষত প্ৰৱেশৰ পূৰ্বে আৰ্যসকলে বেদ ৰচনা কৰিলে নেকি নে মধ্য এছিয়াৰ পৰাই ভাৰতলৈ অহাৰ সময়ত তেওঁলোকে বেদখনো লগত লৈ আহিছিল? অন্যান্য সূত্ৰৰ পৰা আমি জনাত সংস্কৃত সাহিত্যৰ প্ৰখ্যাত পণ্ডিত, বিশেষজ্ঞ মেক্সমুলাৰৰ মতে ঋকবেদৰ ৰচনাকাল হ'ল খ্ৰীষ্টপূৰ্ব ১৫০০ৰ পৰা খ্ৰীষ্টপূৰ্ব ৫০০ৰ ভিতৰত। আনহাতে আন এগৰাকী বিশেষজ্ঞ মাইকেল উইট্‌জেলৰ মতে খ্ৰীষ্টপূৰ্ব ১২০০ৰ পৰা খ্ৰীষ্টপূৰ্ব ১০০০ৰ ভিতৰত। পিছে অধিকাংশ ইতিহাসবিদৰ মতে খ্ৰীষ্টপূৰ্ব ১৫০০ৰ পৰা ১০০০ৰ ভিতৰত ঋকবেদ ৰচনা কৰা হয়। ইন্দ্ৰই এই কুবাচসকলক যুদ্ধত পৰাস্ত কৰাৰ কথা ঋকবেদৰ দ্বিতীয় খণ্ডৰ ১৬৮ পৃষ্ঠাত উল্লেখ কৰিছে। উল্লেখহে কৰিছে, পিছে কুবাচসকলেই যে কোচ আৰু কোচসকলেই যে ৰাজবংশী সেই বিষয়ে উল্লেখ কৰা নাই। যি সময়ত ইতিহাসবিদ সকলে আৰ্যসকলক খ্ৰীষ্টপূৰ্ব ২৫০০ৰ পৰা ২০০০ৰ মাজতহে ভাৰতত প্ৰৱেশ কৰা বুলি কৈ আহিছে তেনে ক্ষেত্ৰত অধিকাৰীয়ে সেই আৰ্য ঋষিসকলেই ৰচনা কৰা ঋকবেদৰ ৰচনাকাল খ্ৰীষ্টপূৰ্ব ৭৫০০ বুলি কেনেকৈ ক'ব পাৰিলে বা মানি ল'ব পাৰিলে বুজি নাপালো। আৰু যদি সেয়ে হয়, তেনেহ'লে বেদৰ ৰচনাকাৰ অথবা ৰচক তথা স্ৰষ্টাসকলে ভাৰতলৈ অগ্ৰসৰ হোৱাৰ পূৰ্বে অৰ্থাৎ মধ্য এছিয়াতেই ৰাজবংশীসকলক নিশ্চয় লগ পাইছিল। জাতিৰ স্বাৰ্থত অধিকাৰীয়ে ইয়াৰ ওপৰত আৰু অধিক অনুসন্ধান চলোৱা উচিত বুলি আমি ভাৱো। তদুপৰি যিগৰাকী যোগিৰাজ বসুৰ কথাৰে তেওঁ বেদৰ ৰচনাকাল খ্ৰীষ্টপূৰ্ব ৭৫০০ বুলি দাবী কৰি বড়োসকলতকৈ ৰাজবংশীসকল অধিক পুৰণি বুলি ক'ব বিচাৰিছে (কোন অধিক পুৰণি সেয়া ইতিহাসে নিৰ্ণয় কৰিব) সেইগৰাকী যোগিৰাজ বসুৱে কামাখ্যাচৰণ ভাগৱতীৰ 'সংস্কৃত সাহিত্যৰ জিলিঙনি' গ্ৰন্থৰ ভূমিকা লিখিবলৈ গৈ এইখিনিও তেওঁৰ দৃষ্টিগোচৰ নহ'লেনে যে সেইখন গ্ৰন্থত ভাগৱতীয়ে বেদৰ ৰচনা কাল ১৫০০ৰ পৰা ১০০০ খ্ৰীষ্টপূৰ্ব বুলিহে মত প্ৰকাশ কৰিছে, অধিকাৰীয়ে কোৱাৰ দৰে খ্ৰীষ্টপূৰ্ব ৭৫০০ নহয়?

ইমানদিনে আমি জানি অহাত অৰ্থাৎ মোৰ যদি ভুল হোৱা নাই 'যোগিনীতন্ত্ৰ'তহে কুবচন মতা বা সংস্কৃত ভাষা ক'ব নজনা লোকসকলক অৰ্থাৎ সংস্কৃতভিন্ন অন্য ভাষা ব্যৱহাৰ কৰা লোকসকলক কোচ বোলা হৈছিল বুলি উল্লেখ পাই আহিছিলো। এই ক্ষেত্ৰত আমি জানি অহাটো যদি ভুল তেনেহ'লে তাৰ বাবে ক্ষমা কৰিব। এইখিনিতে অধিকাৰীয়ে এঠাইত একালত মিথিলাৰ ভাষা আৰু অসমৰ ভাষা একে আছিল বুলি উল্লেখ কৰা প্ৰসংগত তেওঁৰ জ্ঞাতাৰ্থে ক'ব বিচাৰিছো, বড়ো ভাষাৰ বহুবোৰ শব্দও সংস্কৃত ভাষাৰ লগত মিলে। যেনে— সংস্কৃত বক্ষ বড়োত বিখা (বুকু), সেইদৰে উদৰ→উদৈ (পেট), হংস→হাংসী (হাঁহ), শৃগাল→ছিয়াল (শিয়াল), গ্ৰাম→গামি (গাঁও), কৰ্ণ →খৌমা (কাণ), শ্বাপদ→চৈমা (কুকুৰ), বৃক্ষ→বিফাং (গছ), গৰ্ধনা→গৌদৌনা (ডিঙি), মাৰ্জাৰ→মাওজি (মেকুৰী) ইত্যাদি। এনে অলেখ উদাহৰণ আছে, সেইবোৰ দি থাকিলে লিখনিৰ মূল উদ্দেশ্যই আনফালে গুচি যাব। কিন্তু ইয়াৰ অৰ্থ এইটো নিশ্চয় নহয় যে বড়ো ভাষা সংস্কৃত ভাষাৰ পৰাই উৎপন্ন হৈছে। বড়োসকলে ভালদৰেই জানে তেওঁলোক মংগোলীয় গোষ্ঠীৰ লোক। গতিকে সংস্কৃত তেওঁলোকৰ পূৰ্বপুৰুষৰ ভাষা হ'ব নোৱাৰে। অকল ভাষাৰ মিল থাকিলেই নহয়, ভাষিক জনগোষ্ঠীসমূহৰ মাজত সম্ভাৱনীয়তা কিমান তালৈও লক্ষ্য কৰিবলগীয়া থাকে।

মই মোৰ পূৰ্বৰ লিখনিত উল্লেখ কৰিছিলো বাৰ্মা (বৰ্তমান ম্যানমাৰ) দেশৰ পৰা আহি টাই (আহোম) সকলে কামৰূপত পোনপ্ৰথমে বদৌচা আৰু থাখুমথা ৰজাক লগ পাইছিল। লগতে এইষাৰ কথা সৰ্বানন্দ ৰাজগুৰুৱে 'ইতিহাসে সোঁৱৰা ছশটা বছৰ' গ্ৰন্থত উলেখ কৰাৰ কথাও উল্লেখ কৰিছিলো। এইষাৰ কথাৰ ওপৰত ভিত্তি কৰিয়ে কৈছিলো বড়ো শব্দটো ১৮৪৬ত হ'গচন চাহাবে উল্লেখ কৰাৰ বহু বছৰ পূৰ্বৰ পৰাই অৰ্থাৎ বদৌচা ৰজাৰ উল্লেখেৰে ১২২৮ৰ পৰাই পোৱা যায় বুলি। অধিকাৰীয়ে খুউব সম্ভৱ সেইবোৰলৈ গুৰুত্বই নিদিলে কিম্বা বড়োসকলে আধিপত্য বিস্তাৰত নামি পৰা বুলি দিশহাৰা হৈ পৰা বাবে চকুত নপৰিল। এয়া অৱশ্যে তেওঁৰ দোষ নহয়, নিজ জাতিৰ প্ৰতি থকা অগাধ প্ৰেমেই মূলতঃ ইয়াৰ বাবে দায়ী। অধিকাৰীয়ে খুউব সম্ভৱ উত্তৰ বংগৰ তিনি লাখ জনসংখ্যাৰ মেচ-বড়োসকলে ইতিমধ্যে বড়ো ভাষাক এটা বিষয় হিচাপে লৈ পঞ্চম শ্ৰেণীলৈ পঢ়িবলৈ লোৱা খবৰটো পাই অধিক অধৈৰ্য হৈ পৰিছিল। এইখিনিতে দোহাৰিব বিচাৰিছো, উত্তৰ বংগৰ এই মেচ-বড়োসকলৰ ভাষা হেজাৰ হেজাৰ বছৰ পূৰ্বৰে পৰাই বড়ো। উত্তৰ বংগত তেওঁলোক কিবা চাকৰি কিম্বা কৰ্মসূত্ৰে কেইবছৰমানৰ কাৰণে থকা বা বসতি কৰা প্ৰৱাসী লোক নহয়। একেদৰে বাংলাদেশ তথা নেপালত থকা বড়োসকলো পৰৱৰ্তীকালত তাত গৈ নাগৰিকত্ব লৈ থকা অধিবাসী নহয়। এই ক্ষেত্ৰত অসমৰ মেচসকলৰ কথা সুকীয়া। অসমৰ মেচসকলে নিজৰ পূৰ্বপুৰুষৰ বড়ো ভাষা হেৰুৱাই পেলাইছে। শৰণীয়া সকলেতো পূৰ্বপুৰুষৰ বড়ো ভাষা স্বইচ্ছাই ত্যাগ কৰি অসমীয়াভাষী হৈ পৰিছে। তেওঁলোকে স্বজাতিৰ পৰিচায়ক পূৰ্বপুৰুষৰ উপাধিবোৰো ত্যাগ কৰিছে। ইয়াৰ বাবে অন্ততঃ মোক নিশ্চয় আধিপত্যবাদী বুলি ক'ব নোৱাৰে। প্ৰকৃততে তেওঁ মোৰ লিখাৰ কোনখিনিত আধিপত্যবাদ দেখিলে সেয়া নিৰ্দিষ্ট কৰি আঙুলিয়াই দিলে ভাল পালোহেঁতেন। সঁচা কথাবোৰ স্পষ্টকৈ কোৱাটো সকলোৰে বাবেই ভাল। 'সাধাৰণতে সংস্কৃত ভাষাৰ পৰা যেনেকৈ অসমীয়া, বাংলা, হিন্দী, উৰিয়া ভাষাৰ উৎপত্তি হোৱা বুলি কোৱা হয় ঠিক তেনেকৈ ৰাজনৈতিক, ভৌগলিক তথা প্ৰাকৃতিক দুৰ্যোগ আদি বিভিন্ন কাৰণত, ইতিহাসৰ বিভিন্ন সময়ত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অধিকাংশ জনজাতিসকলৰ ভাষা বড়ো ভাষাৰ পৰাই উৎপত্তি হৈছে' বুলি কোৱাত কিবা আধিপত্যবাধৰ গোন্ধ পালে নেকি? এয়াতো অকল ভাষা-শব্দৰ সাদৃশ্য বৈসাদৃশ্যৰ ওপৰত অধ্যয়ন আৰু কিছু ঐতিহাসিক কাৰণৰ ওপৰত ভিত্তি কৰি কৰা অধ্যয়নহে। এশ শতাংশই সত্য নহ'বও পাৰে। হ'বই লাগিব বুলি তাত কোনো কথা নাই। তাৰ বাবে কাৰোবাক আক্ৰমণ নহয়, আলোচনাটোক কেনেকৈ অধিক ফলপ্ৰসু কৰি তুলিব পাৰি তাৰ বাবেহে প্ৰক্ষিপ্তৰূপে নহয়, পদ্ধতিগত, প্ৰণালীবদ্ধভাৱে সকলোৱে প্ৰচেষ্টা চলাব লাগে যাতে প্ৰকৃত সত্যটো ওলাই আহে।

এইখিনিতে কথাৰ কথা আৰু এটা কথা মনলৈ আহিছে। একোজন ৰজাৰ বংশধৰ বাৰু কিমানজন হ'ব পাৰে? একাদিক্ৰমে দহজন ৰজাৰ এজনত এশকৈ ধৰিলেও এহেজাৰ হ'ব; কিন্তু ৬০ লাখ/৭০ লাখ লোক কেনেকৈ ৰজাৰ বংশ ৰাজবংশ অথবা ৰাজবংশী হয়? বুজি নাপাওঁ। এটা সময়ত বড়োসকলৰো কিছুমানে নিজকে ঘটোৎকচৰ সন্তান গতিকে আৰ্যবংশীয় লোক বুলি পৰিচয় দিব বিচাৰিছিল। পিছে মহাভাৰতৰ যুদ্ধত মৃত্যুবৰণ কৰা ঘটোৎকচে মৃত্যুৰ সময়ত সন্তান এৰি থৈ যোৱাৰ কথা ক'তো উল্লেখ পোৱা নাযায়। যদি এৰি থৈয়ো গৈছিল তাৰ সংখ্যা নিশ্চয় আমাৰ বিবেচনাৰে লাখ লাখ নহয় বা হ'ব নোৱাৰে। এই ধৰণৰ স্থুল ধাৰণাই বহুক্ষেত্ৰত মানুহক বিভ্ৰান্ত কৰে আৰু ইতিহাস ৰচনাত ব্যাঘাত জন্মায়। বড়োসকল ঘটোৎকচৰ মাক হিড়িম্বাৰ মাক-দেউতাকৰ একে জাতিৰ লোক কিন্তু সকলো বড়োৱে হিড়ম্ব ৰজাৰ বংশধৰ নহয়। একেদৰে আজি যিসকলে নিজকে ৰাজবংশী বুলি কৈ আহিছে, তেওঁলোকৰো কিছুসংখ্যক নিশ্চয় ৰজাৰ বংশধৰ হয়, সংখ্যাৰে হেজাৰ বা লাখো হ'ব পাৰে, কিন্তু লাখ লাখ কিম্বা সমস্ত জনগোষ্ঠীয়ে ৰজাৰ বংশধৰ নহয়। সেয়ে হ'লে জাতিৰ মাজত ৰজা থকা প্ৰতিটো জাতি-জনগোষ্ঠীকে আমি ৰাজবংশী বুলি ক'ব লাগিব। অৰ্থাৎ আহোম, মোগল, পাঠান, বড়ো আটাইবোৰেই ৰাজবংশী হৈ পৰিব।

অধিকাৰীয়ে এঠাইত গুৱাহাটী শব্দটো ৰাজবংশী শব্দ গুৱাৰ পৰা উৎপন্ন হোৱা বুলি দাবী কৰিছে। ৰাজবংশী ভাষাত তামোলক গুৱা বুলি কোৱা হয়। এতিয়া কথাটো হ'ল এনে কিমান শব্দ ৰাজবংশী ভাষাত আছে যিবোৰ শব্দৰ দ্বাৰা গছ বা ফল ধৰা গছক বুজোৱা হয়? যেনে আম, কঠাল, জাম, অমিতা, কল, লেতেকু, কৰদৈ, নেমু, শিলিখা, কমলা বা সুমথিৰা, ঔটেঙা, বগৰী ইত্যাদিবোৰক ৰাজবংশী ভাষাত বাৰু কি নামেৰে জনা যায়? নে এই আটাইবোৰেই ৰাজবংশী নাম? নে অকল গুৱা শব্দটোহে ৰাজবংশী শব্দ? বড়ো ভাষাত পিছে তামোলক বুজাবলৈ গয় শব্দ ব্যৱহাৰ কৰা হয়। এই গয় শব্দৰ পৰাই কোৱাই ত্ৰিপুৰী শব্দ নিষ্পত্তি হৈছে। ভাষাবিদসকলে ক'ব খোজে যে একালত এই গয় শব্দৰ পৰাই গুৱা আৰু পৰৱৰ্তী কালত তাৰ পৰাই গুৱাহাটী শব্দ নিষ্পত্তি হৈছে। তদুপৰি ওপৰত যিবোৰ গছৰ নাম উল্লেখ কৰা হৈছে সেই আটাইবোৰৰে বড়ো শব্দৰ নিজা নাম আছে। এইখিনিতে চিলাৰায় সম্পৰ্কেও কৈ থ'ব বিচাৰিছো। বড়ো ভাষাত চিলা এটা চৰাইৰ নাম বুজোৱা শব্দ যাক অসমীয়াত চিলনী বুলি কোৱা হয়। অকল চিলাই নহয়, বাকী সকলোবোৰ চৰাইৰ নামেই বড়ো ভাষাত সুকীয়া সুকীয়াকৈ পোৱা যায়। তেনেদৰে ৰাজবংশী ভাষাত আছে নে নাই মোৰ সন্দেহ আছে। যেনে বগলী, কাউৰী, শালিকী, ভাটৌ, মইনা, ময়ুৰ, শগুণ, হাঁহ, পাৰ, মুৰ্গি বা কুকুৰা, ঘৰচিৰিকা, মাছৰোকা, শেন চৰাই, কুলি, কপৌ ইত্যাদিবোৰৰ নামো দেখোন ৰাজবংশী ভাষাত একে দেখা পাও। অকল কি চিলা শব্দটোহে ৰাজবংশী শব্দ হ'ল নেকি? সেই একেদৰেই এঠাইত অধিকাৰীয়ে গুদি শব্দটোও ৰাজবংশী শব্দ বুলি দাবী কৰিছে। তেওঁ উল্লেখ কৰা মতে গুদি উপসৰ্গৰে হেনো ৰাজবংশী ভাষাত বহুবচন বুজোৱা হয়। মোৰ জন্ম ক'বলৈ গ'লে ৰাজবংশী গাঁৱত বুলি ক'লেও বৰ বেছি কোৱা নহয়। ডাঙৰ-দীঘলো হৈছো তেওঁলোকৰ মাজত থাকি, খেলা-ধূলা, পঢ়া-শুনাও কৰিছো তেওঁলোকৰ মাজত থাকিয়ে। গতিকে গুদি উপসৰ্গেৰে বহুবচন কেনেকৈ কৰে তাক নজনা নহয়। ইয়াৰ পৰিৱৰ্তে বড়ো ভাষাত গুদি অকল এটা উপসৰ্গ নহয়, ই এটা পূৰ্ণ শব্দ। অকল বড়োৰ গুদি শব্দ অসমীয়া আৰু বাংলাত গুড়ি হয়। যেনে শিলিখা+গুদি (শিলিখা গছৰ গুৰি বা গুৱা)→শিলিগুড়ি, সেইদৰে থাইগিৰ+গুদি→ থাইগিৰগুড়ি অথবা ঔ+ গুদি→ঔগুড়ি, কঠালগুড়ি, শিমলুগুড়ি, আমগুড়ি, ময়নাগুড়ি ইত্যাদি শব্দবোৰ নিষ্পত্তি হৈছে। বড়ো ভাষাত গুদি শব্দই কিবা এটাৰ উৎস অৰ্থতো ব্যৱহাৰ হয়। অকল সেয়ে নহয়, অসম-বংগত (পূৰ্বৰ অবিভক্ত) এনে বহুবোৰ নদ-নদী, ঠাই আছে যিবোৰৰ নাম এতিয়াও বড়ো শব্দ আৰু দুই এটা সামান্য বিকৃত হৈ পৰিছে। যেনে নলবাৰী (নৌলৌবাৰি), বৰমা (বড়ো বিমা) বগৰীবাৰী (বৈগ্ৰিবাৰি), টিহু (দৈহু), ৰঙিয়া, মংগলদৈ, টংলা, দৰং, তামোলপুৰ (গয়বাৰি), ডিমাপুৰ, ডিফু, লামডিং, কচুগাঁও (থাচোবাৰি) ইত্যাদি। একেদৰে নদীৰ নাম দিহিং, দিচাং, দিখৌ, পাগলাদিয়া, ব্ৰহ্মপুত্ৰ (বুৰলুংবুথুৰ) ইত্যাদি।

ৰাজেশ্বৰ অধিকাৰী। অধিকাৰী উপাধিৰে ৰাজেশ্বৰে নিজৰ কি পৰিচয় দিব বিচাৰিছে নুবুজিলো। তেওঁ নিজকে এজন ৰাজবংশী জনগোষ্ঠীৰ লোক বুলি লিখনিৰ মাজেৰে পাকে প্ৰকাৰে ব্যক্ত কৰিছে। অৱশ্যে নিজকে এজন ৰাজবংশী লোক বুলি পৰিচয় দিলেও দম্বাম্বু মেচৰ সন্তান হাউৰিয়া মেচৰ বংশধৰ বুলি পৰিচয় দিয়ে নে নিদিয়ে নাজানিলো। মোৰ এজন স্কুলীয়া বন্ধু আছিল, তেওঁৰ উপাধি আছিল অধিকাৰী। পিছে অধিকাৰী হ'লেও তেওঁ কিন্তু নেপালী (বৰ্তমান গোৰ্খা) সম্প্ৰদায়ৰ লোক। মোৰ উপাধি বসুমতাৰী। বহুতে ক'ব খোজে আই বসুমতীৰ সন্তান, সেয়ে বসুমতাৰী। বসুমতাৰী বড়োৰ বাদে আন কোনো সম্প্ৰদায়ৰ মাজত আছে বুলি অন্ততঃ মই জনাত নাই। বসুমতাৰী বুলি ক'লে আৰু বুজিবলৈ কাৰো বাকী নাথাকে। বড়ো বুলি একেআষাৰে সকলোৱে ক'ব। এই ক্ষেত্ৰত মোৰ জনাত নিশ্চয় কাৰো দ্বিমত নাই। মোৰ যেনেকৈ আই বসুমতীৰ সন্তান, অতঃ বসুমতাৰী, ঠিক তেনেকৈ অধিকাৰীৰ পিছত নিশ্চয় কিবা আছে। শংকৰী ধৰ্মত দীক্ষা লোৱাৰ পিছত সত্ৰ বা নামঘৰ/কীৰ্তন ঘৰৰ অধিকাৰ লাভ সূত্ৰেও অধিকাৰী হ'ব পাৰে। যেনেকৈ বড়োসকলৰ মাজত পূৰ্বৰ বাথৌ ধৰ্ম ত্যাগ কৰি ব্ৰহ্ম ধৰ্ম গ্ৰহণ কৰা বাবে তেওঁলোকৰ উপাধিয়ে ব্ৰহ্ম হৈ পৰিল। অৱশ্যে অসমত ব্ৰহ্ম বুলিলে সাধাৰণতে বড়ো লোককে বুজায় যদিও পশ্চিম বংগতো বহু বাঙালী সম্প্ৰদায়ৰ লোক আছে যিসকলে ব্ৰহ্ম উপাধি লিখে। সেইবোৰ যিয়ে নহওক, মোৰ ওপৰত তেওঁ যি বিশেষণ অৰ্থাৎ আধিপত্যবাদৰ প্ৰসাৰ ঘটোৱাৰ যি অপবাদ আনিব বিচাৰিছে তালৈ চাই অনুমান হয়, তেওঁ নিশ্চয় মোৰ সম্পূৰ্ণ লিখাটো ভালকৈ পঢ়ি চোৱা নাই কিম্বা চাব লাগে বুলিও হয়তো অনুভৱ কৰা নাই।

কাৰোবাৰ আবেগ-অনুভূতিক আঘাত দিয়া আমাৰ উদ্দেশ্য নহয়। কোনো জাতি-জনগোষ্ঠীৰ ওপৰত আধিপত্য বিস্তাৰ কৰাৰো আমাৰ উদ্দেশ্য কিম্বা প্ৰয়োজন আছে বুলিও অন্ততঃ মই নাভাবো। কোনোবা জাতি-জনগোষ্ঠীক আমি সমালোচনাও কৰিব বিচৰা নাই। আলোচনা প্ৰসংগত যিবোৰ জাতি-জনগোষ্ঠীৰ কথা মোৰ লিখনিত উল্লেখ কৰা হৈছে সেই আটাইবোৰ কছাৰী বা বড়ো মূলৰ। যেনে ডিমাচা-কছাৰী, লালুং-কছাৰী (বৰ্তমান তিৱা), দেউৰী-কছাৰী, বৰ্মন-কছাৰী, ঠেঙাল-কছাৰী, সোণোৱাল-কছাৰী, মৰাণ-কছাৰী, চুতীয়া-কছাৰী ইত্যাদি আৰু এই আটাইবোৰ কছাৰী মূলৰ। ইয়াত ক'তো ভুলক্ৰমেও মই কোচ কিম্বা ৰাজবংশী, মিচিং, কাৰ্বি এনেকি গাৰো, ৰাভাৰ কথাও টানি অনা নাই। কছাৰী বা বড়োমূলৰ এই লোকসকলে এটা সময়ত কেনেকৈ নিজ স্বজাতিৰ পৰা ছিন্ন-ভিন্ন হৈ হাবিয়ে-জংঘলে পলাই এক নিৰাপত্তাহীন অসহায়ভাৱে জীৱন ৰক্ষা কৰিবলগীয়া হৈছিল, জীয়াই থকাৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছিল, সেই অটব্য অৰণ্যৰ মাজত কাৰো এষাৰ আশাৰ মাত শুনিবলৈ নোপোৱা সেইবোৰ দুৰ্বহ কাহিনীৰ কথাহে স্মৰণ কৰিবলৈ লৈছিলো, কোনো আধিপত্যবাদী দৃষ্টিভংগীৰে নহয়। আজি তেওঁলোকে বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি ঠন ধৰি উঠিছে, অলপ আশাৰ ৰেঙণি দেখিবলৈ পাইছে। তেওঁলোক আজি পূৰ্বৰ স্বজাতিৰ লোকক বিচাৰি পাইছে। জীয়াই থকাৰ মনোবল বাঢ়িছে। এইখিনি কথা কওঁতে অধিকাৰীয়ে ক'ত আধিপত্যবাদৰ গোন্ধ পালে নুবুজিলো। কোচ বা ৰাজবংশীসকলৰ ওপৰত আধিপত্য বিস্তাৰৰ কথাটো ভাৱিবই নোৱাৰো যদিও ইতিহাসবিদ জে.ডি. এণ্ডাৰছনে এনেদৰে উল্লেখ কৰি গৈছে- "The aboriginal members of the Koch caste within quite recent times spoke the Bodo language." অৱশ্যে ইয়াত কোচৰ কথাহে কৈছে, ৰাজবংশীৰ নহয়। একেদৰে ড° বাণিকান্ত কাকতিয়েও এনেদৰে উল্লেখ কৰিছে— 'They (Bodo) built up strong kingdoms and with varying fortunes and under various tribal names, the Chutias, the Kocharis, the Koches etc., they held sway over one or another part of North-Eastern India during different historical times. The Bodo group included the Koches, the Rabhas, the Kocharis, the Lalungs, the Dimasas, the Tripuris, the Moran tribes' (Assamese its formation and Development)। ইয়াতো সেই একেদৰে কোচৰ কথাহে উল্লেখ কৰিছে, ৰাজবংশীৰ নহয়।

কিম্ অধিকম্।

*ফোন- ৯৪৩৫০-২১৮৭৭*



# বিস্মৃত নায়ক বিহুৰাম বড়ো

## সহধৰ্মিনী ললিতা বড়োৰ বেদনা

অৰূপ কলিতা



**বড়োসকলৰ** ভাষা-সংস্কৃতিকে ধৰি সামাজিক আৰু শৈক্ষিক উন্নয়নৰ ক্ষেত্ৰত যিসকল লোকে অহোপুৰুষাৰ্থ কৰিছে সেইসকলৰ ভিতৰত অন্যতম এজন হৈছে বিহুৰাম বড়ো। জাৰ জহ কেৰেপ নকৰি কঠোৰ পৰিশ্ৰম কৰিব পৰা এইজন পুৰোধা ব্যক্তি লৌহমানৱৰূপেও পৰিচিত। ১৯৪০ৰ পহিলা ছেপ্টেম্বৰত দৰং জিলাৰ লালপুল বেছিমাৰীত জন্মগ্ৰহণ কৰা বড়ো সম্প্ৰীতি আৰু জাতীয় স্বাভিমানৰ এক প্ৰতীক। কৃষক প্ৰয়াত চন্দ্ৰকান্ত বাগলাৰী (কছাৰী) আৰু প্ৰয়াত মৰাই বাগলাৰী (কছাৰী)ৰ সন্তান বিহুৰাম বড়োৱে ১৯৪৯-৬০-ত বালিশিয়া প্ৰাথমিক, ভকতপাৰা এম ই আৰু দলগাঁও হাইস্কুলৰ পৰা শিক্ষা গ্ৰহণৰ পাছত ১৯৬৪ত কটন মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত পি ইউ পৰীক্ষাত উত্তীৰ্ণ হৈ পৰৱৰ্তী সময়ত ১৯৬৭ ত মঙলদৈ কলেজৰ পৰা কলা শাখাত স্নাতক উত্তীৰ্ণ হয়। তেওঁ ১৯৮০ত বিটি পৰীক্ষাত উত্তীৰ্ণ হয়। এটা নিভাঁজ কৃষক পৰিয়ালৰ সমাজমুখী এজন সন্তান যি ব্যক্তিগতভাৱে আছিল কঠোৰ পৰিশ্ৰমী তথা নিস্বাৰ্থভাৱে দেশ, ৰাজ্য, জাতি আৰু সমাজক ভালপোৱা এজন মানুহ। স্বাভাৱিকতেই তেওঁ যুৱ অৱস্থাতে বড়ো সাহিত্য সভাৰেও জড়িত হৈ পৰে। জাতি, ভাষা আৰু সংস্কৃতিৰ প্ৰতি অতিশয় শ্ৰদ্ধাশীল বড়ো ১৯৬৮ত ৰৌতা নলবাৰীত অনুষ্ঠিত হোৱা মঙলদৈ জিলা বড়ো সাহিত্য সভাৰ অধিৱেশনত মঙলদৈ জিলা বড়ো সাহিত্য সভাৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হয়। তিনিবছৰ কাল এই দায়িত্ব পালনৰ উপৰি ১৯৭১-৭৪লৈকে বড়ো সাহিত্য সভাৰ ৰাজ্যিক সাধাৰণ সম্পাদক আৰু ১৯৭৪-৭৭লৈকে বড়ো সাহিত্য সভাৰ উপসভাপতি পদত অধিষ্ঠিত হোৱাৰ পাছত ১৯৭৭-৮৯লৈকে একেৰাহে ১২বছৰ তেওঁ পুনৰ বড়ো সাহিত্য সভাৰ সাধাৰণ সম্পাদক হিচাপে দায়িত্ব পালন কৰে। চৌৰবাং চুবুং হিচাপে আখ্যায়িত এইজন ব্যক্তিয়ে বড়ো ভাষাৰ স্বীকৃতি তথা সুৰক্ষাৰ বাবে ১৯৭১-৭২ত ভাষা আন্দোলনতো জড়িত হোৱাৰ লগতে নেতৃত্বও প্ৰদান কৰিছিল আৰু বড়ো ভাষাৰ বৰ্তমানৰ স্বকীয়তা বজাই ৰখাত সমৰ্থ হৈছিল। এক দীঘলীয়া প্ৰচেষ্টাৰে প্ৰমোদ চন্দ্ৰ ব্ৰহ্ম আৰু সুৰথ নাৰ্জাৰীয়ে ১৯৯৬ত সংকলন কৰা বড়ো-ইংৰাজী ভাষাৰ অভিধানৰ কামত ব্যস্ত থকাৰ সময়ত তেওঁলোকক যিসকলে সহায়-সহযোগিতা আগবঢ়াইছিল সেইসকলৰ ভিতৰত প্ৰয়াত বড়োও আছিল।

বড়ো ভাষাৰ প্ৰতি থকা বিহুৰাম বড়োৰ আন্তৰিকতাৰ সন্দৰ্ভত তেওঁৰ সহধৰ্মিণী ললিতা বড়োৱে কয় যে তেওঁৰ স্বামীয়ে বিচাৰিছিল বড়ো ভাষাৰ উন্নয়নৰ লগতে এই ভাষা জিলিকি উঠক। সেয়া তেওঁৰ শৈশৱৰে এক সপোন আছিল আৰু সেই বাবেই তেওঁ ব্যক্তিগত সংসাৰৰ কথাও পাহৰি ৰাজহুৱা তথা সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত জড়িত হৈ পৰিছিল। উল্লেখ্য যে ১৯৬৬ত বিহুৰাম বড়োৰ স'তে বিবাহপাশত আৱদ্ধ হৈছিল তেওঁ। এক অবড়ো পৰিয়ালৰ জীয়ৰীগৰাকীয়ে পাছত কম সময়তে বড়োভাষা আয়ত্ত কৰি পাছত বড়ো মাধ্যমৰ শিক্ষয়িত্ৰী হিচাপে চাকৰিত যোগদান কৰে। কেৱল ভাষাৰ ক্ষেত্ৰতেই নহয়, বড়ো জনগোষ্ঠীৰ বৰ্ণাঢ্য সংস্কৃতিৰ সংৰক্ষণৰ বাবেও সদা সচেতন বিহুৰাম বড়োৱে প্ৰয়াস কৰিছিল। বিশেষকৈ জনগোষ্ঠীটোৰ স্বকীয় নৃত্যসমূহ যাতে সকলো স্থানতে একেদৰেই পৰিৱেশন কৰা হয় সেইক্ষেত্ৰত তেওঁ গুৰুত্ব আৰোপ কৰিছিল। এগৰাকী শিক্ষক হিচাপে শিক্ষাৰ পোহৰ সুদীৰ্ঘকাল বিলালেও তেওঁ কিন্তু অধিকাংশ সময় বিদ্যালয় প্ৰতিষ্ঠা আৰু বিনা বেতনে শিক্ষাদানতে পাৰ কৰিলে। তেওঁৰ প্ৰচেষ্টাত ৰৌতা চাৰিআলিত স্থাপন হোৱা বড়ো মাধ্যমৰ বিদ্যালয় জয়ভদ্ৰ হাগজেৰ হাইস্কুলতহে চাকৰি জীৱনৰ শেষৰফালে চৰকাৰী চাকৰি কৰাৰ সুযোগ পায়। এইখন বিদ্যালয়ৰ সংস্থাপনৰ বাবে স্থানীয় ৰাইজৰ সহযোগত বাঁহ-খেৰ সংগ্ৰহ কৰি গৃহনিৰ্মাণ কৰাৰ উপৰি নিজঘৰৰ মেজ, চকী আদিও নিয়াৰ লগতে লেম্প নি নিশাও ইয়াত পাঠদান কৰিছিল। ইয়াৰ পূৰ্বে তেওঁ বেছিমাৰীতো বিদ্যালয় স্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ লগতে শিক্ষকতা কৰিছিল আৰু ভকতপাৰাৰ দণ্ড চহৰীয়া হাইস্কুলতো শিক্ষকতা কৰিছিল। সেয়া সেই সময়ত ভেঞ্চাৰ বিদ্যালয় আছিল। জাতীয় ভাষা-সংস্কৃতিৰ উন্নয়নৰ সমান্তৰালভাৱে ঐক্য সম্প্ৰীতিৰো ধ্বজাবাহী এইজন বৰেণ্য ব্যক্তিয়ে ৰাজ্যৰ সকলো জাতি-জনগোষ্ঠীৰ মাজত সমন্বয় বিচাৰিছিল যাৰ বাবে তেওঁ অসম সাহিত্য সভা আৰু আন জনগোষ্ঠীয় সংগঠনৰ স'তেও সম্পৰ্ক গঢ়ি তুলিছিল। অনুপম কাব্য শৈলীৰে তেওঁ ৰচনা কৰা বড়ো ভাষাৰ কাব্য পুথি 'গিৰিবিথাই' আৰু 'আছাৰবা' আদি গ্ৰন্থ বড়ো সাহিত্যৰ সম্পদ। এইজন সাহিত্যিকে ইংৰাজী ভাষাতো এখন গ্ৰন্থ ৰচনাৰ কাম শেষ কৰিছিল যদিও সেইখন প্ৰকাশৰ পূৰ্বেই তেওঁ অনাকাংক্ষিত মৃত্যুৰ সন্মুখীন হ'বলগীয়া হ'ল। আক্ষেপৰ বিষয় যে তেওঁৰ সেই ইংৰাজী গ্ৰন্থৰ পাণ্ডুলিপিও হেৰাই থাকিল। ১৯৯০ৰ ২৭ছেপ্টেম্বৰত বাতৰি কাকত আনিবলৈ ৰৌতা চাৰিআলিলৈ যোৱাৰ সময়তে ঘাতকে তেওঁক গুলীয়াই হত্যা কৰে। বড়ো জাতিৰ লগতে সমগ্ৰ ৰাজ্যখনৰ বাবেই অপূৰণীয় ক্ষতি হোৱা এই মৰ্মান্তিক ঘটনাৰ কাৰণ কি সেইকথা আজিলৈকে নাজানিলে তেওঁৰ পত্নীয়ে। ইয়াৰ আঁৰৰ কাৰণো বিশ্লেষণ কৰিবলৈ এইগৰাকী ৭০ উৰ্দ্ধৰ মহিলা অপাৰগ। কাৰণ বিহুৰাম বড়ো এজন অজাত শত্ৰু ব্যক্তি আছিল আৰু তেওঁ ব্যক্তিগত চিন্তা-চৰ্চাতকৈ ৰাজহুৱা কামতে জীৱনৰ অধিকাংশ সময় অতিবাহিত কৰিছিল। সেই নিৰ্মম সময়ত তিনি পুত্ৰ আৰু দুই কন্যাৰ পিতৃ বড়োৰ পাঁচটা সন্তানৰ ভিতৰত নুমলীয়া সন্তানৰ বয়স আছিল মাত্ৰ সাতবছৰ। নিস্বাৰ্থভাৱে জাতিৰ বাবেই সেৱা আগবঢ়াই যোৱা বড়োৰ হত্যাকাৰীৰ নাম পাছত মানুহৰ মুখে মুখে বাগৰি ফুৰিছিল যদিও আইনগতভাৱে হত্যাকাৰী আজিলৈকে ধৰাও নপৰিল, শাস্তিতো দূৰৰে কথা। নিৰ্দিষ্ট কিছু সংখ্যক সুহৃদৰ বাহিৰে বহুতেই খবৰ এটাও নকৰিলে। মাত্ৰ তিনিশ টকা পেঞ্চনৰ ধনেৰেই তেওঁৰ পৰিবাৰে সন্তানকেইটাক ডাঙৰ-দীঘল কৰিলে। এইখিনিতে আৰু এটা হৃদয় ব্যথিত কৰা অভিযোগ হ'ল সাহিত্যিক বড়োৰ নামটো অগপ চৰকাৰে এককালীন সাহিত্যিক পেঞ্চন প্ৰাপকৰ তালিকাত এবাৰ ঘোষণা কৰিছিল যদিও সেই ঘোষণা কাৰ্যকৰী নহ'ল। তেওঁ সেই পেঞ্চনৰ ধন লাভ নকৰাকৈয়ে থাকিল। পাছত কংগ্ৰেছ চৰকাৰ আৰু প্ৰাক্তন বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে কিছু আৰ্থিক সাহায্য পৰিয়ালটোলৈ আগবঢ়াইছিল। সমগ্ৰ জীৱন জাতি-ভাষা আৰু সংস্কৃতিৰ সুৰক্ষাৰ বাবে উৎসৰ্গা কৰা বিহুৰাম বড়োৰ সোঁৱৰণত এতিয়া একাধিক বিদ্যালয় স্থাপন হৈছে। কিন্তু তেওঁৰ পৰিয়ালৰ খবৰ লওঁতা চৰকাৰী পক্ষৰ কোনো নাই। সেয়ে তেওঁৰ পৰিবাৰৰ মনত মাজে মাজে ক্ষোভ হয়, মানুহ ইমান স্বাৰ্থপৰ হ'ব পাৰেনে? তেওঁ স্বামীৰ ৰাজহুৱা জীৱনৰ বাবে যি আৰ্থিক সংকটৰ সন্মুখীন হ'বলগীয়া হৈছিল সেইবাবেই পৰিবাৰ হিচাপে সংসাৰৰ দায়িত্ব পালন কৰিবলৈকে পাকঘৰ পৰা শিক্ষকতাৰ দায়িত্ব পালন কৰিবলৈ ওলাই যাবলগীয়া হৈছিল। বৰ্তমান শাৰীৰিকভাৱে অসুস্থ মহিলাগৰাকীয়ে দীঘলীয়া চিকিৎসা কৰিবলগীয়া হৈছে। তেওঁৰ আৰু তেওঁৰ পুত্ৰৰ সকলো ধন ইতিমধ্যে চিকিৎসাত ব্যয় হৈছে। চিকিৎসকৰ পৰামৰ্শ আৰু ব্যয়বহুল ঔষধৰ বিকল্প তেওঁৰ নাই। কিন্তু এনে কঠিন সময়ত লৌহমানৱ প্ৰয়াত বিহুৰাম বড়োৰ সহধৰ্মিনীৰ খবৰ ল'বলৈ ৰাজ্য চৰকাৰ তথা বিটিচি প্ৰশাসনে এতিয়ালৈকে সময় পোৱা নাই। বড়ো সাহিত্য সভাই প্ৰকাশ কৰা বিহুৰাম বড়োৰ জীৱনী চৌৰবাং চুবুং আৰু তেওঁৰ স্মৃতি হিচাপে থকা কিছু দস্তাবেজ এইগৰাকী মহিলাই মাজে মাজে উলিয়াই চায়। প্ৰয়াত বিহুৰাম বড়োৰ কৰ্মৰাজিৰ অধিক অৱলোকন আৰু চৰ্চাৰ প্ৰয়োজন নাইনে?

*(বিহুৰাম বড়োৰ সহধৰ্মিনী ললিতা বড়োৰ স'তে ৰৌতা চাৰিআলিৰ বাসগৃহত হোৱা কথোপকথনৰ ভিত্তিত লিখিত আৰু এই সুবিধা কৰি দিয়া হেমৰাজ ৰাভাদাৰ প্ৰতি কৃতজ্ঞতা)*

# গোৱালপাৰাত ১,৬৮৭ খন বিদ্যালয়ক

*তিনি পৃষ্ঠাৰ পৰা* সমন্বয়ক তথা অতিৰিক্ত উপায়ুক্ত কাকন্তি কংকনা দাসে আঁত ধৰা সভাখনৰ আৰম্ভণিতে অহা ১১ মে'ৰ পৰা ১৪ মে'লৈকে অনুষ্ঠিতব্য গুণোৎসৱৰ সকলো দিশ সামৰি প্ৰস্তুত কৰা পি পি টি প্ৰদৰ্শন কৰে গোৱালপাৰা জিলা সমগ্ৰ শিক্ষা অভিযানৰ জিলা প্ৰগ্ৰেমাৰ শামন্থা বড়োৱে। তেওঁ কয় যে এইবেলি হ'বলগীয়া গুণোৎসৱত জিলাখনৰ মুঠ ১৬৮৭ খন বিদ্যালয়ৰ ১,৭৮,৬৩১ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি লোৱা হ'ব। ইপিনে, গোৱালপাৰা জিলাৰ চাৰিওটা শিক্ষা খণ্ডৰ বাবে ৫৭৩ টা দল, ১৫৩ গৰাকী এল অ', ১,৬৮৭ গৰাকী ন'ডেল শিক্ষক আৰু ৬৩০ গৰাকী বহিঃ মূল্যায়ক থাকিব। ইয়াৰে গোৱালপাৰা জিলাৰ ৪০৮ গৰাকী বহিঃমূল্যায়ক থকাৰ বিপৰীতে কামৰূপ গ্ৰাম্য জিলাৰ এশ গৰাকী, ধুবুৰী জিলাৰ এশগৰাকী আৰু দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ পৰা ৩০ গৰাকী বহিঃমূল্যায়কৰ বাবে ইতিমধ্যে যোগাযোগ কৰা হৈছে। লগতে অহা চাৰি আৰু পাঁচ মে'ত শিক্ষা খণ্ড পৰ্যায়ত এল অ' আৰু ন'ডেল শিক্ষকসকল, ছয় আৰু সাত মে'ত বহিঃমূল্যায়কসকলৰ প্ৰক্ষিণৰ ব্যৱস্থা কৰা বুলি সদৰী কৰে জিলা প্ৰগ্ৰেমাৰ শামন্থা বড়োৱে। গোৱালপাৰাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণাল ডেকা, জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ছাদুল্লা খান, চাৰিওটা শিক্ষা খণ্ডৰ প্ৰাথমিক শিক্ষা বিষয়াসকল, জিলা সমগ্ৰ শিক্ষা অভিযানৰ বিত্ত আৰু গাণনিক বিষয়া অনুপ শৰ্মা প্ৰমুখ্যে সমগ্ৰ শিক্ষা অভিযানৰ জিলা আঁচনি বিষয়াসকল উপস্থিত থকা পৰ্যালোচনা সভাখনত সমগ্ৰ শিক্ষা অভিযান অসমৰ মিছন সঞ্চালক ৰশ্মি অপৰাঞ্জি ক'ৰাটীয়ে আগন্তুক গুণোৎসৱ সফল কৰিবলৈ বিভাগীয় সকলো বিষয়াকে আহ্বান জনায়। লগতে গুণোৎসৱৰ বাবে অনুষ্ঠিত হ'বলগীয়া প্ৰশিক্ষণত গুণোৎসৱৰ সকলো নিয়মাৱলী সম্পৰ্কে ব্যাখ্যা কৰে। ইপিনে, বহিঃজিলাৰ পৰা আহিবলগীয়া বহিঃমূল্যায়কসকলৰ যাতে কোনো ধৰণৰ অসুবিধা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি চহৰৰ ওচৰৰ বিদ্যালয়সমূহত নিয়োজিত কৰিবলৈ নিৰ্দেশনা দিয়ে সঞ্চালকে। অধিক ছাত্ৰ-ছাত্ৰী থকা অথবা চৰ অঞ্চলৰ বিদ্যালয়সমূহত গুণোৎসৱৰ সময়ছোৱাত যাতে কোনো ধৰণৰ সমস্যাৰ সৃষ্টি নহয় সেই বিষয়ে আগতীয়াকৈ সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ সঞ্চালকগৰাকীয়ে জিলা সমগ্ৰ শিক্ষা অভিযানৰ বিষয়াসকলক আহ্বান জনায়। লগতে সুৰক্ষাৰ দিশটোৰ ওপৰত চকু ৰাখিবলৈ অতিৰিক্ত আৰক্ষী অধীক্ষকগৰাকীক আহ্বান জনাইছে মিছন সঞ্চালক ক'ৰাটীয়ে কটাৰীয়ে।

# নগাঁৱত ধোঁৱাচাঙত উঠিল শিশু শ্ৰমিক

*তিনি পৃষ্ঠাৰ পৰা* অনিচ্ছা সত্বেও কেৱল দৰিদ্ৰতাৰ বাবেই বুকুত শিল বান্ধি, নিজৰ বুকুৰ উমৰ পৰা বঞ্চিত কৰি ঘৰৰ পৰা বহু নিলগত তথাকথিত ছাৰ-বাইদেউৰ ঘৰত ৰাখিবলগীয়া হৈছে। অৱশ্যে তেওঁলোকৰ সন্তানক টকাৰ চাহিদা পূৰণতকৈ শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদানকে প্ৰাথমিক স্বৰ্তৰূপে লৈ নগাঁও চহৰ প্ৰমুখ্যে জিলাৰ বিভিন্ন চহৰৰ উচ্চপদস্থ চৰকাৰী বিষয়া, চিকিৎসক, অভিযন্তা, বিভিন্ন চৰকাৰী চাকৰিয়াল, ব্যৱসায়ী আৰু আন একাংশ ধনবান লোকৰ ঘৰত নিয়োজিত কৰিছে। এই শিশুসকলক দৰিদ্ৰ অভিভাৱকসকলে নিজেই নগাঁৱলৈ আনি শ্ৰমিকৰূপে নিয়োজিত কৰা নাই। বৰঞ্চ একাংশ মধ্যভোগী দালাল আৰু ইতিপূৰ্বে জিলাখনৰ বিভিন্ন অঞ্চলত বিভিন্ন লোকৰ ঘৰত শ্ৰমিকৰূপে নিয়োজিত হৈ থকা একাংশ শিশু শ্ৰমিকৰ মাধ্যমেৰেই সৰবৰাহ কৰা পৰিলক্ষিত হৈছে। পাহাৰীয়া জিলা দুখনৰ সহজ সৰল আৰু দৰিদ্ৰতাৰ ভৱত কুঁজা হ'বলগীয়া হোৱা অভিভাৱকসকলে নিজৰ সন্তানক এমুঠি ভাত আৰু এডোখৰ বস্ত্ৰৰ লগতে প্ৰয়োজনীয় শিক্ষাৰ ব্যৱস্থা কৰিব নোৱাৰাৰ বাবেই অনিচ্ছা সত্বেও নিজৰ সন্তানক আনৰ লগত এখন অচিনাকি ঘৰলৈ পঠিয়াই দিয়ে। চকুৰ পানীৰে বাট নেদেখা অৱস্থাৰ সৃষ্টি হয় এই বিদায় ক্ষণত। দৰিদ্ৰ অভিভাৱকসকলে ভাৱে যে তেওঁলোকৰ সন্তান গৈ নগাঁৱত যথেষ্ট সুখত আছে, নিতৌ বিদ্যালয়লৈ যায়। তেওঁলোকে ভাৱে যে তেওঁলোকৰ সন্তানে পঢ়ি-শুনি এদিন ডাঙৰ মানুহ হ'ব, তেওঁলোকৰ দুখ-দৰিদ্ৰতা নাইকিয়া কৰিব; কিন্তু এই সহজ সৰল দৰিদ্ৰ লোকসকলৰ স্বপ্ন ভংগ হ'বলৈ সৰহ দিন নালাগে। কিয়নো এই দৰিদ্ৰ সহজ সৰল লোকসকলৰ দৰিদ্ৰতা আৰু সৰলতাৰ সুযোগ গ্ৰহণ কৰি শিশুসকলক শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদানতকৈ ঘৰত বনকৰা ল'ৰা-ছোৱালীৰূপেহে নিয়োজিত কৰি অকথ্য শাৰীৰিক-মানসিক নিৰ্যাতন চলোৱা পৰিলক্ষিত হয়। জানিব পৰা মতে, যিসকল লোকে পাহাৰীয়া জিলা দুখনৰ কণ কণ শিশুক নিজৰ ঘৰত শ্ৰমিকৰূপে নিয়োগ কৰি ৰাখিছে তেওঁলোকে দৰিদ্ৰ অভিভাৱকসকলক আভুৱা ভাঁৰিবলৈকে শিশুসকলক অসমীয়া মাধ্যমৰ কোনো প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰাই দিয়ে, কিন্তু বিদ্যালয়লৈ নিয়মীয়াকৈ যোৱাৰ অনুমতি প্ৰদান নকৰে। সপ্তাহত এদিন বা দুদিনহে বিদ্যালয়লৈ যাবলৈ দিয়া হয়। ইপিনে, এই শিশুসকলৰ মাতৃভাষা যিহেতু কাৰ্বি সেয়েহে বিদ্যালয়ত ভাষাৰ সমস্যাতো পৰা দেখা যায়। শিশুসকলক স্কুলত পঢ়ুৱাই থকা বুলি গৰাকীসকলে আনৰ আগত ডাংকোপ মাৰে যদিও দিনটোৰ সৰহখিনি সময়ে কণ কণ শিশুবোৰক ঘৰৰ কামত খটুওৱা পৰিলক্ষিত হয়। যিটো সময়ত আন শিশুবোৰে মাতৃৰ বুকুৰ উম লৈ নিদ্ৰাৰত অৱস্থাত থাকে সেই সময়তে কাহিলি পুৱাতে এই শিশুসকলে শোৱাপাটি এৰি চোতাল ঝাৰু দিয়া, ঘৰ ঝাৰু দিয়া, বাচন-বৰ্তন ধোৱা, কাপোৰ ধোৱা আদি কাম কৰিব লাগে এই শিশুসকলে। পঢ়াবলৈ অনা বুলি কৈ ফাকি দি অনা এই হতভগা শিশুসকলে গৰাকীৰ ঘৰত ঘৰ ঝাৰু দিয়া, ঘৰ মচা, বাচন ধোৱা, কাপোৰ ধোৱা আনকি দুই একে ভাত ৰন্ধা কামো কৰিব লাগে। যাৰ ফলত এই শিশুসকলে পঢ়িবলৈ সময়েই নাপায়। আনকি পঢ়ুৱাবলৈ বুলি প্ৰলোভন দি আনি নিজৰ ঘৰত বনকৰা ল'ৰা-ছোৱালীৰূপে ব্যৱহাৰ কৰা এই হতভগা শিশুসকলক পিতৃ-মাতৃৰ পৰাও কৌশলেৰে আঁতৰাই ৰাখে। নিজৰ ঘৰলৈতো এই শিশুসকলক যাবলৈ নিদিয়েই তেওঁলোকৰ পিতৃ-মাতৃ আহিলেও ভালকৈ কথা পাতিবলৈ নিদিয়ে।

কেৱল কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ শিশুৰেই নহয় নগাঁও আৰু মৰিগাঁও জিলাৰো গ্ৰামাঞ্চল, সংখ্যালঘু অধ্যুষিত অঞ্চল, চৰ-চাপৰি, চাহ জনগোষ্ঠীৰ বহুসংখ্যক শিশুকো বিদ্যালয়ত পঢ়োৱাকে প্ৰাথমিক চৰ্ত হিচাপে লৈ, অৱশ্যে আন একাংশই ধনৰ লালসাত জিলাখনৰ বিভিন্ন ঠাইৰ ধনৱান লোকৰ ঘৰত নিয়োগ কৰি ৰাখিছে। এই শিশুসকলেও এক নাৰকীয় জীৱন কটাবলগীয়া হোৱা পৰিলক্ষিত হৈছে। জিলাখনত শিশু শ্ৰমিক আইনক অংগুষ্ঠ প্ৰদৰ্শন কৰি একাংশ লোকে দৰিদ্ৰ পৰিয়ালৰ শিশুসকলক বিদ্যালয়ত পঢ়োৱাৰ সুবিধা দিয়াৰ মিছা প্ৰতিশ্ৰুতিৰে শ্ৰমিক হিচাপে ব্যৱহাৰ কৰি আহিছে যদিও এই সন্দৰ্ভত জিলা প্ৰশাসনে চকুমুদা কুলিৰ ভাঁওহে ধৰি অহা পৰিলক্ষিত হৈছে। জিলাখনৰ আন্য ঠাইৰ কথাটো বাদেই নগাঁও চহৰৰে অসংখ্য ধনৱান লোক, চৰকাৰী বিষয়া-কৰ্মচাৰী, ৰাজনৈতিক নেতা-কৰ্মী, স্বেচ্ছাসেৱী অনুষ্ঠানৰ বিষয়ববীয়াৰ ঘৰতেই নিয়োজিত হৈ আছে শিশু শ্ৰমিক। মাজে- সময়ে চহৰখনত চাইল্ড লাইনে অভিযান চলাই কে'বাজনো শিশু শ্ৰমিকক উদ্ধাৰ কৰিছে যদিও এতিয়াও নগাঁও চহৰকে প্ৰমুখ্যে কৰি জিলাখনৰ বিভিন্ন ঠাইত কে'বাশ দৰিদ্ৰ পৰিয়ালৰ শিশু শ্ৰমিক হিচাপে নিয়োজিত হৈ আছে। এই দুৰ্ভগীয়া শিশু শ্ৰমিকসকলৰ বাবে চৰকাৰ, নগাঁও জিলা প্ৰশাসন, জিলা সমাজ কল্যাণ বিভাগ, কাৰ্বি আংলং জিলা স্বায়ত্ত পৰিষদৰ কৰণীয় একোৱেই নাই নেকি বুলি সচেতন ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে।

উল্লেখ্য যে বিগত বৰ্ষত জিলাখনৰ এগৰাকী অতিৰিক্ত উপায়ুক্ত আৰু তেওঁৰ পিতৃৰ ঘৰৰ পৰাও আৰক্ষী আৰু চাইল্ড লাইনে দুগৰাকী শিশু শ্ৰমিক উদ্ধাৰ কৰিছিল।

কেৱল, ধনৱান লোকৰ ঘৰতেই নহয়, জিলাখনৰ বিভিন্ন ইটা ভাটা, হোটেল, কল কাৰখানাতো শ শ শিশুক শ্ৰমিক হিচাপে ব্যৱহাৰ কৰি থকা পৰিলক্ষিত হৈছে। এই শিশুসকলক চৰকাৰী আঁচনিয়ে স্পৰ্শ কৰিব নোৱাৰাটো পৰিতাপৰ বিষয় বুলি বিভিন্ন জনে মন্তব্য কৰিছে।

# প্ৰতিকূল বতৰৰ মাজতে জাতীয় সংহতি

*তিনি পৃষ্ঠাৰ পৰা* বিষয়াসকলক বজালী জিলাৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়লৈ ফুলাম গামোচাৰে উষ্ম আদৰণি জনায় বজালী আৰক্ষীয়ে। আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত অনুষ্ঠিত সভাত অসম আৰক্ষীয়ে ৰাষ্ট্ৰপতিৰ পৰা আৰক্ষী পতাকা লাভ কৰাটোক অসম আৰক্ষীৰ বাবে এটা বৃহৎ সফলতা বুলি উল্লেখ কৰে আৰক্ষী বিষয়া আনন্দ মিশ্ৰই। তেওঁ কয় যে অসম আৰক্ষী যিমান শক্তিশালী হ'ব সিমানেই সুৰক্ষিত হ'ব অসমবাসী। বজালী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ড° ৰশ্মিৰেখা শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত জ্যেষ্ঠ অধিবক্তা গিৰিধৰ চৌধুৰী, ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুকুন্দ শৰ্মা, বিশিষ্ট শিক্ষাবিদ মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, বঙাইগাঁও মহাবিদ্যালয়ৰ প্ৰবক্তা হিৰুমণি কলিতাকে আদি কৰি কেইগৰাকীও লোকে অসম আৰক্ষীলৈ অভিনন্দন জ্ঞাপন কৰে। আনহাতে, বজালী জিলা আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ দাসে কয় যে অসম আৰক্ষীলৈ ৰাষ্ট্ৰপতি কালাৰ্চ সন্মানৰ লগত সংগতি ৰাখি উলিওৱা এই বাইক ৰেলীয়ে আৰক্ষী আৰু জনতাৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰিব। উল্লেখ্য যে অসম আৰক্ষীক অহা ১০ মে'ত দেশৰ ৰাষ্ট্ৰপতিয়ে প্ৰদান কৰিব এই সন্মান।

### অসম আৰক্ষীৰ সংহতি যাত্ৰা মটৰ চাইকেল ৰেলী বঙাইগাঁও-চিৰাঙত

অসম সীমান্তৰ পৰা আৰম্ভ কৰা অসম আৰক্ষীৰ জাতীয় সংহতি মটৰ চাইকেল ৰেলী কালি সন্ধিয়া পৰত বঙাইগাঁৱত উপস্থিত হয়। বঙাইগাঁও আৰক্ষী অধীক্ষকৰ কাৰ্যালয় প্ৰাংগণত দলটো উপস্থিত হোৱাত জিলা আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই আদৰণি জনায়। আইপিএছ আৰক্ষী বিষয়া আনন্দ মিশ্ৰৰ নেতৃত্বত ওলোৱা এই সদ্ভাৱনা মটৰ চাইকেল ৰেলীৰ দলটো নিশা বঙাইগাঁও চহৰত কটোৱাৰ পাছত আজি পুৱা ভাগত চুবুৰীয়া চিৰাং জিলাৰ সদৰ কাজলগাঁৱত উপস্থিত হয়। অসম আৰক্ষীৰ উদ্যোগত আয়োজিত মটৰ চাইকেল ৰেলীত অসম আৰক্ষী, সীমান্ত সুৰক্ষা বাহিনী, চিআৰপিএফৰ লগতে সাধাৰণ নাগৰিকেও অংশগ্ৰহণ কৰিছে। দেশৰ ভিতৰতে অসম আৰক্ষীয়ে নৱম স্থান পাই লাভ কৰা ৰাষ্ট্ৰপতিৰ নিচান লাভৰ আনন্দত অনুষ্ঠিত কৰা হৈছে এই মটৰ চাইকেল ৰেলী। চিৰাঙত দলটো উপস্থিত হোৱাৰ লগে লগে চিৰাঙৰ আৰক্ষী অধীক্ষক প্ৰাণজিত বৰাই অসম আৰক্ষীৰ পতাকা গ্ৰহণ কৰে। আদৰণি অনুষ্ঠানত চিদলী বিধানসভা সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী সন্মানীয় অতিথিৰূপে উপস্থিত থাকে। অসমৰ আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই আনুষ্ঠানিক উদ্বোধন কৰা এই ৰেলী আজি পুৱা উপস্থিত হোৱাৰ পাছতে বৰপেটা, বাগ্‌সা, নলবাৰী জিলাৰ দিশলৈ যাত্ৰা কৰে। আৰক্ষীৰ ত্যাগৰ বলিদানৰূপে অসম আৰক্ষীয়ে লাভ কৰা স্বীকৃতি বুলি কৈ আৰক্ষীৰ মটৰ চাইকেল ৰেলীৰ নেতৃত্ব দিয়া আৰক্ষী বিষয়া আনন্দ মিশ্ৰই কয় যে এই ৰেলীয়ে ধুবুৰীৰ পৰা আৰম্ভ হৈ অসমৰ প্ৰতিখন জিলাত উপস্থিত হ'ব। লগতে অহা ১০ মে'ত দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত গুৱাহাটী নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত পেৰেডত কৰা হ'ব। আইপিএছ আৰক্ষী বিষয়া আনন্দ মিশ্ৰই প্ৰকাশ কৰা মতে, আৰক্ষীৰ জাতীয় সংহতি বাইক ৰেলীয়ে নিতৌ দুশৰ পৰা আঢ়ৈশ কিলোমিটাৰ পথ অতিক্ৰম কৰিব।

### অসম আৰক্ষী যিমান শক্তিশালী হ'ব সিমানেই সুৰক্ষিত হ'ব অসমবাসী ঃ আনন্দ মিশ্ৰ

'সাধাৰণতে বহু মানুহে আৰক্ষী বিভাগৰ প্ৰতি বেয়া মনোভাব লৈ থাকে। ৰাইজে এনেকুৱা মনোভাব ৰখাটো অনুচিত। কিয়নো অসম আৰক্ষীত কাম কৰা মই বা আন কোনোবা ব্যক্তিগতভাৱে বেয়া হ'ব পাৰো, কিন্তু অসম আৰক্ষী কেতিয়াও বেয়া হ'ব নোৱাৰে।' এই মন্তব্য অসম আৰক্ষীৰ (ক্ৰীড়া) সহকাৰী আৰক্ষী মহাপৰিদৰ্শক আনন্দ মিশ্ৰৰ। আজি বাগ্‌সা জিলাৰ মুছলপুৰস্থ জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত আৰক্ষী বিষয়াজনে কয় যে অসম আৰক্ষী যিমান শক্তিশালী হ'ব সিমানেই সুৰক্ষিত হ'ব অসমবাসী। উল্লেখ্য যে এইবেলি অসম আৰক্ষীলৈ আগবঢ়োৱা হৈছে এক বিৰল সন্মান। ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ তৰফৰ পৰা আগবঢ়োৱা সন্মান প্ৰেচিডেন্ট কালাৰ্চ এৱাৰ্ড লাভ কৰাৰ পৰিপ্ৰেক্ষিতত এই সন্মানৰ গৌৰৱময় ধ্বজা কঢ়িয়াই ধুবুৰীৰ পৰা শদিয়ালৈ অসম আৰক্ষীয়ে সমগ্ৰ অসমজুৰি এক বাইক ৰেলীৰ আয়োজন কৰে। আজি সন্ধিয়া আনন্দ মিশ্ৰৰ নেতৃত্বত আৰক্ষীৰ নজনীয়া মটৰ চাইকেল ৰেলীৰ দলটো বাগ্‌সা জিলাৰ মুছলপুৰত উপস্থিত হয়। অসম আৰক্ষীৰ জাতীয় সংহতি মটৰ চাইকেল ৰেলীক বাগ্‌সা জিলাৰ মুছলপুত জিলাখনৰ আৰক্ষী অধীক্ষক ৰাজেন সিঙৰ নেতৃত্বত বাগ্‌সা আৰক্ষীৰ তৰফৰ পৰা উষ্ম আদৰণি জনোৱা হয়। অসম আৰক্ষীৰ (ক্ৰীড়া) সহকাৰী আৰক্ষী মহাপৰিদৰ্শক মিশ্ৰৰ নেতৃত্বত অহা জাতীয় সংহতি মটৰ চাইকেল ৰেলীত অংশগ্ৰহণ কৰা নজনীয়া আৰক্ষীৰ দলটোক বাগ্‌সা জিলাৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়লৈ আদৰি আৰক্ষীয়ে ফুলাম গামোচাৰে উষ্ম আদৰণি জনায়। ইয়াৰ পাছতে আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত অনুষ্ঠিত সভাত মিশ্ৰই কয় যে অসম আৰক্ষী ৰাষ্ট্ৰপতিৰ প্ৰেচিডেন্ট কালাৰ্চ এৱাৰ্ডৰ বাবে নিৰ্বাচিত হোৱাটো অসমৰ বাবে এক গৌৰৱৰ বিষয়। অনুষ্ঠানটোত বাগ্‌সা জিলা; আৰক্ষী অধীক্ষক ৰাজেন সিঙে কয় যে অসম আৰক্ষীলৈ কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা দেশৰ অন্যতম সামৰিক সন্মান ৰাষ্ট্ৰপতি বৰণ (কালাৰ) সন্মানৰ লগত সংগতি ৰাখি উলিওৱা এই ৰেলীয়ে আৰক্ষী আৰু জনতাৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰিব। উল্লেখ্য যে অসমৰ বাবে এক গৌৰৱময় অধ্যায়ৰ সূচনা কৰা অসম আৰক্ষীক অহা ১০ মে'ত দেশৰ ৰাষ্ট্ৰপতিয়ে আনুষ্ঠানিকভাৱে প্ৰদান কৰিব এক বিৰল সন্মান। জিলাখনলৈ আৰক্ষী বিষয়াজনৰ আগমনৰ সময়ত সমগ্ৰ পথটোৰ দুয়োকাষে বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে আদৰণি জনায়। মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত বাগ্‌সাৰ আই এছ ভৰেন দেউৰীয়েও আদৰণি জনায়।

# ভূৰাগাঁৱত আৰক্ষীৰ জালত

*তিনি পৃষ্ঠাৰ পৰা* অঞ্চলটোৰ একাংশ যুৱক সৰ্বস্বান্ত হোৱাৰ অভিযোগ উঠিছে। অৱশেষত দুজনকৈ ক্ৰিকেট জুৱাৰী ভূৰাগাঁও আৰক্ষীৰ জালত পৰে। ধৃত লোক দুজনক ভূৰাগাঁও আৰক্ষীয়ে অধিক তথ্যৰ বাবে সোধ-পোছ অব্যাহত ৰাখিছে।

# জলজীৱন আঁচনি বুমেৰাং

*তিনি পৃষ্ঠাৰ পৰা* মাধৱপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ত দিয়া উক্ত আঁচনিৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে এফুটা পানীও খাব পৰা নাই বুলি প্ৰধান শিক্ষক বাহাৰুল ইছলামে ক্ষোভ উজাৰে তেওঁ কয় যে। ঠিকাদাৰ কুমুদ নাথক প্ৰধান শিক্ষকজনে বহুবাৰ জনায়ো কোনো ফল পোৱা নাই। সেয়েহে উক্ত আঁচনিসমূহত এক উচিত তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক ৰাইজে দাবী জনাইছে।

# উৰিয়ামঘাটত বিদ্যুৎস্পৃষ্ট হৈ

*তিনি পৃষ্ঠাৰ পৰা* ফলত ওপৰেদি যোৱা বিদ্যুৎ পৰিবাহী তাঁৰত লাগে। ফলত সম্পূৰ্ণ গাড়ীখন বিদ্যুৎস্পৃষ্ট হোৱাত গাড়ীখন স্পৰ্শ কৰি থকা গগৈৰ থিতাতে মৃত্যু হয়। উক্ত দুৰ্ঘটনাত আন দুজন লোকে গুৰুতৰভাৱে আহত হৈ সম্প্ৰতি চিকিৎসাধীন হৈ আছে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত উৰিয়ামঘাটৰ আৰক্ষী বিষয়া উপস্থিত হৈ ঘটনাৰ সন্দৰ্ভত বুজ লয়। আৰক্ষীয়ে ইতিমধ্যে মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহ গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

# শিৱসাগৰত সুৰামত্ত স্বামীয়ে

*তিনি পৃষ্ঠাৰ পৰা* পিছফালৰ পৰা পত্নীক ডিঙিত ৰেপি হত্যাৰ চেষ্টা কৰে। ডিঙিৰ আঘাত লৈ কথমপি ঘৰৰ পৰা পলাই প্ৰতিবেশীৰ ঘৰত আশ্ৰয় লয় ৰিংকুৱে। ৰাইজে লগে লগে ৰিংকুৰ লগতে চাৰিটা সন্তানক সুৰক্ষা দি আৰক্ষীক খবৰ দিয়ে। পাছত আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা গুৰুতৰভাৱে আহত ৰিংকুক উদ্ধাৰ কৰাৰ লগতে অমৃতক কৰায়ত্ত কৰে। ইতিমধ্যে সংকটজনক অৱস্থাত থকা ৰিংকুক শিৱসাগৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হৈছে।

# ৰঙিয়াত ঈদ-উল-ফিটৰ নামাজৰ

*তিনি পৃষ্ঠাৰ পৰা* পৰিছে। আনহাতে, বজাৰসমূহত সকলো বস্তুৰ আকাশলংঘী মূল্যবৃদ্ধি যদিও তথাপি প্ৰভাৱ পেলাব পৰা নাই ঈদৰ আনন্দ উছাহত। কিয়নো বজাৰ-সমাৰত বিৰ দি বাট নোপোৱা অৱস্থা। ইতিমধ্যে ৰঙিয়া মহকুমাৰ ভিন্ন প্ৰান্তৰ লগতে ৰঙিয়া ষ্টেছন, ইছলামপুৰ, শৌলমাৰী, ৰঙিয়া টাউন, ৰঙিয়া হাইৱে ইদগাহ, চিৰাখুন্দি, গোগমালাছা, জামতোলা, গুৰকুছি উদিয়ানা, বালাগাঁও, সাহান, কাজিগাঁও, নকুল, খন্দিকৰ, ধেপাৰগাঁও, কাউৰবাহা, বৰদল, ডিমু চনমাগুৰী আদি ঈদগাহ ময়দান লগতে মছজিদসমূহ আটকধুনীয়াকৈ সজাই- পৰাই সম্পূৰ্ণ কৰি তুলিছে। কাইলৈ পুৱাৰ ভাগতে মুকলি আকাশৰ তলত সমূহীয়াভাৱে পবিত্ৰ ঈদ-উল ফিটৰৰ দুৰাকাত ওৱাজিব নামাজ আদায় কৰা হ'ব। লগতে এই নামাজৰ পাছতে বিশ্ব শান্তিৰ হকে সমূহীয়াভাৱে মহান আল্লাহ পাকৰ ওচৰত সকলো ঈদগাহ ময়দানতে দোৱা কৰা হ'ব। উল্লেখ্য যে সবল ব্যক্তিসকলে পৱিত্ৰ ৰমজান মাহৰ আৰম্ভণিৰ পৰা জাকাত, ফিৎৰা আদায় কৰি আহিছে। এইবেলি ফিৎৰাৰ পৰিমাণ ৬০ টকা নিৰ্ধাৰণ কৰা হৈছিল।

# নেডাৰলেণ্ডৰ বীজৰে উৎপাদন

*তিনি পৃষ্ঠাৰ পৰা* পৰা সংগ্ৰহ কৰা জিকাৰ সঁচৰে তেওঁ এতিয়া বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে প্ৰায় আঢ়ৈ বিঘা মাটিত সম্পূৰ্ণ জৈৱিক পদ্ধতিৰে তেওঁ কৰিছে জিকা আৰু ভোলৰ খেতি। তদুপৰি উন্নত প্ৰজাতিৰ এফৰ কাবেৰী, এফৰকলস আৰু ইজেদ ধ্ৰুৱ শ্ৰেণীৰ জিকা খেতি কৰি তেওঁ যথেষ্ট উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। এইবাৰ আগতীয়া আৰু ধাৰাবাহিক বৰষুণৰ এনে প্ৰতিকূল বতৰ সত্বেও বৰুৱাই এটা সপ্তাহত সাত-আঠ কুইন্টল জিকা তেওঁৰ কৃষিক্ষেত্ৰৰ পৰা লাভ কৰিবলৈ সক্ষম হৈছে। সম্প্ৰতি তেওঁ এটা সপ্তাহত প্ৰতি কুইন্টল জিকা ছয় হেজাৰ টকা মূল্যত বিক্ৰী কৰিবলৈ সক্ষম হৈছে। প্ৰগতিশীল কৃষকজনে চৰকাৰী চাকৰিৰ সন্ধানত ব্যস্ত হোৱাৰ বিপৰীতে ৰাজ্যৰ গ্ৰামীণ বিকাশ বেংকৰ পৰা ৩০ হেজাৰ টকা কৃষি ঋণলৈ এহেজাৰ জোপা জিকা পুলি ৰোপণ কৰিছিল। নিয়ম অনুসাৰে লোৱা যত্নৰ লগতে সম্পূৰ্ণ জৈৱিক পদ্ধতিৰে কৰা এই খেতিৰ পৰা তেওঁ যোৱা তিনিটা মাহত আঢ়ৈ লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হোৱা বুলি কয়। উল্লেখ্য যে কৃষক বৰুৱাই প্ৰথমবাৰলৈ নেডাৰলেণ্ডৰ পৰা ই জেদ ধ্ৰুৱ নামৰ জিকা বিধৰ বীজ আমদানি কৰে। এইবিধ জিকাৰ বৰণ ক'লা। ৰাজ্যৰ বাবে প্ৰায় নতুন এই জিকাবিধৰো সফলতাৰে উৎপাদন কৰিবলৈ সক্ষম হোৱা কৃষক বৰুৱাই এইবিধ ক'লা জিকা সুস্বাদু বুলি প্ৰকাশ কৰাৰ লগতে গ্ৰাহকেও আদৰি লোৱা বুলি কয়। তেওঁ লগতে কয় যে তেওঁৰ কৃষি কাৰ্যত তেওঁৰ পত্নী সুনীতা দেৱী বৰুৱা আৰু পিতৃ গুণ বৰুৱাই সহায়-সহযোগ আহিছে। চৰকাৰী কৃষি আঁচনিৰ সহায়ৰ অবিহনেই নিজস্ব প্ৰচেষ্টাৰে কৃষিকাৰ্য কৰি যোৱা কৃষকজন ৰাজ্যৰ কৃষি ক্ষেত্ৰক লৈ যথেষ্ট আশাবাদী আৰু ভৱিষ্যতে শিক্ষিত নিবনুৱাসকলেও ইয়াৰ প্ৰতি অধিক উৎসাহী হ'ব বুলি মন্তব্য কৰে।

# তিতাবৰত ইউৰিয়াৰ চোৰাং

*তিনি পৃষ্ঠাৰ পৰা* 'সেউজী ফাৰ্টিলাইজাৰ' নামৰ প্ৰতিষ্ঠানখনৰ পৰা দুশ বেগ ইউৰিয়া বিক্ৰী কৰি আৰক্ষীৰ হাতত ধৰা পৰাৰ পাছতেই তিতাবৰতো চলি থকা ইউৰিয়াৰ ক'লা বজাৰখনৰ তথ্য উন্মোচিত হৈছে। উল্লেখ্য যে সাৰ বিক্ৰীৰ ক্ষেত্ৰত চৰকাৰৰ শেহতীয়া নিৰ্দেশনা অনুসৰি, এজন কৃষকে এবাৰত কোনো কাৰণতে ১৫ বেগতকৈ অধিক সাৰ ক্ৰয় কৰিব নোৱাৰে। অথবা বিক্ৰেতায়ো বিক্ৰী কৰিব নোৱাৰে। সাৰ বিক্ৰীৰ সময়ত সংশ্লিষ্ট ব্যৱসায়ীয়ে গ্ৰাহকজনৰ আধাৰ কাৰ্ড আৰু ফিংগাৰপ্ৰিণ্ট সংগ্ৰহ কৰাতো বাধ্যতামূলক। ইয়াৰ উপৰি বিভাগীয় অনুমতি নোহোৱাকৈ এখন জিলাৰ পৰা আন এখন জিলালৈ ইউৰিয়া সৰবৰাহ কৰাটোও এটা আইনজনিত অপৰাধ। অথচ তিতাবৰৰ ৰঙাজানস্থিত 'সেউজী ফাৰ্টিলাইজাৰ'ৰ নেপথ্যৰ স্বত্বাধিকাৰী শিক্ষক গগৈয়ে যোৱা ৩০ এপ্ৰিলত তিনিজন অচিনাকি লোকক কোনোধৰণৰ নথিপত্ৰ সংগ্ৰহ নকৰাকৈ দুশ বেগ সাৰ বিক্ৰী কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে, এএছ-০১ কেচি-৫৫৫৩ নম্বৰৰ গাড়ীখনত আহি নিজকে তিতাবৰৰ চুঙীৰ বাসিন্দা বুলি পৰিচয় দিয়া অচিনাকি লোক তিনিজনক শিক্ষকজনে দুশ বেগ ইউৰিয়া বিক্ৰী কৰে। সাৰখিনি ক্ৰয় কৰি লোক তিনিজনে তিতাবৰৰ পৰা গাড়ীৰে গোলাঘাট জিলাৰ সৰুপথাৰৰ দিশেৰে লৈ ৰাওনা হয়। ইপিনে, কালি পুৱতি নিশা প্ৰায় ২-৩০ বজাত সৰুপথাৰ আৰক্ষীৰ নিয়মীয়া তালাচীৰ সময়ত আৰক্ষীয়ে সন্দেহবশতঃ গাড়ীখন ৰখাই চালকজনক গাড়ীৰ নথিপত্ৰৰ লগতে ইউৰিয়া সৰবৰাহৰ যাৱতীয় তথ্যপাতি বিচাৰে। অৱশ্যে গাড়ীখনৰ চালক তিতাবৰ মেলামাটিৰ পাপুলি দত্তই আৰক্ষীক নথিপত্ৰসমূহ দিবলৈ অপাৰগ হোৱাত আৰক্ষীয়ে গাড়ীসহ সাৰখিনি জব্দ কৰে। লক্ষ্যণীয়ভাৱে সেই সময়ত সাৰখিনি ক্ৰয় কৰা তিনিজনৰ ভিতৰত এজন লোকো উপস্থিত নাছিল। সাৰখিনি জব্দ কৰাৰ পাছতে আৰক্ষীয়ে সাৰখিনি প্ৰকৃততে ক'ৰ পৰা অনা হৈছিল, কোনে কেনেকৈ ক্ৰয় কৰি ক'লৈ সৰবৰাহ কৰিব বিচাৰিছিল আদি বিষয়ত তদন্ত আৰম্ভ কৰে। চালকজনৰ হাতত কোনো নথিপত্ৰ নথকাৰ বাবে আৰক্ষীয়ে তেওঁক আটক কৰি সোধপোছ আৰম্ভ কৰে। যদিও চালকজনৰ হাততো তেওঁৰ গাড়ীখন ভাড়াত লোৱা লোক কেইজনৰ কোনো তথ্য নাছিল। অৱশ্যে চালকজনে তিতাবৰৰ ৰঙাজানৰ 'সেউজী ফাৰ্টিলাইজাৰ'ৰ পৰা সাৰখিনি কঢ়িয়াই অনা বুলি আৰক্ষীক স্বীকাৰোক্তি দিয়ে। যি হেতুকে সাৰখিনি ক্ৰয় কৰা লোককেইজনৰ বিষয়ে চালকজনে কোনো সম্ভেদ দিব নোৱাৰিলে, সেয়ে চালকজনৰ স্বীকাৰোক্তিৰ ভিত্তিতে আৰক্ষীয়ে সৰুপথাৰ আৰক্ষী থানাত নিজাববীয়াকৈ ২৩/২০২২ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰি তিতাবৰৰ ৰঙাজানৰ পৰাই তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰে। সেই মৰ্মে যোৱা নিশা সৰুপথাৰ আৰক্ষীয়ে তিতাবৰ আৰক্ষীৰ সহযোগত ৰঙাজানৰ 'সেউজী ফাৰ্টিলাইজাৰ' নামৰ সাৰ বিক্ৰীৰ প্ৰতিষ্ঠানখনত অভিযান চলায়। অভিযানৰ সময়ত প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰী গগৈয়ে দুশ বেগ ইউৰিয়া বিক্ৰীৰ বিনিময়ত চৰকাৰী বিধিমতে থাকিবলগীয়া কোনো নথিপত্ৰ আৰক্ষীক দেখুৱাবলৈ সমৰ্থ নহ'ল। জিএছটিৰ পৰা আৰম্ভ কৰি বিক্ৰী কৰ, আধাৰ কাৰ্ড আৰু ফিংগাৰ প্ৰিণ্টৰ কোনো তথ্য সংৰক্ষণ নকৰা আৰু সাৰ ক্ৰয় কৰা লোক কেইজনৰ সম্পৰ্কতো কোনো পৰিচয় নথকা বুলি আৰক্ষীক অৱগত কৰাত আৰক্ষীয়ে গগৈক আটক কৰি অধিক তদন্তৰ বাবে নিশাৰ ভাগতে সৰুপথাৰলৈ লৈ যায়। সৰুপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই কয় যে অসাধু চক্ৰটোৱে তিতাবৰৰ ৰঙাজানৰ পৰা ইউৰিয়াখিনি ক্ৰয় কৰি অবৈধভাৱে নগালেণ্ডলৈ সৰবৰাহ কৰিবলৈ চেষ্টা কৰিছিল। ইতিমধ্যে আৰক্ষীয়ে ধৃত শিক্ষক আৰু চালকজনৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ১২০ (বি)/৩৭৯/৪১১/৪০৬/৪২০/২১০ ধাৰাত এটা গোচৰ পঞ্জীয়ন কৰি দুয়োকে গ্ৰেপ্তাৰ কৰে।



ৰঙাপৰাত ঈদৰ বাবে সজাই তোলা হৈছে তোৰণ, সোমবাৰে।

# অসম সত্ৰ মহাসভাৰ দক্ষিণ-পশ্চিম মধ্য মণ্ডলৰ সাধাৰণ সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২ মে' ঃ** অসম সত্ৰ মহাসভাৰ দক্ষিণ-পশ্চিম মধ্য মণ্ডলৰ অন্তৰ্গত জিলাসমূহ ক্ৰমে নগাঁও, মৰিগাঁও, কাৰ্বি আংলং, হোজাই, কলিয়াবৰ, ডিমা হাছাও আৰু পশ্চিম নগাঁও জিলা সত্ৰ মহাসভাৰ সভাপতি, সম্পাদক তথা বিষয়ববীয়াসকলৰ এখন সাধাৰণ সভা আজি নগাঁৱৰ ফৌজদাৰী পট্টিস্থিত শ্ৰীশ্ৰীগোপাল দেৱ মন্দিৰত



অনুষ্ঠিত হয়। অসম সত্ৰ মহাসভাৰ অন্যতম উপ-সভাপতি তথা শ্ৰীশ্ৰীখৌৱামোচৰ সত্ৰৰ সত্ৰাধিকাৰ দুগ্ধদেৱ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত মুখ্য অতিথিৰূপে যোগদান কৰি অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক তথা শ্ৰীশ্ৰীকালশিলা সত্ৰৰ সত্ৰাধিকাৰ কুসুম কুমাৰ মহন্তই প্ৰতিখন জিলাৰ বিষয়ববীয়াসকলক সাংগঠনিক দিশ অধিক শক্তিশালী কৰি তুলিবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ সত্ৰসমূহৰ উন্নয়নৰ ওপৰত গুৰুত্ব দিয়ে আৰু এই ক্ষেত্ৰত চৰকাৰৰ লগত আলোচনা সাপেক্ষে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্তব্য কৰে। তেওঁ সত্ৰসমূহক পঞ্চসূত্ৰৰ ওপৰত গুৰুত্ব দি সত্ৰৰ কাম-কাজ আগবঢ়াই নিবলৈ আহ্বান জনায়। অসম সত্ৰ মহাসভাৰ অন্যতম সম্পাদক তথা শ্ৰীশ্ৰীজগৰাল সত্ৰৰ সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামীয়ে আঁত ধৰা সভাখনত মৰিগাঁও জিলা সত্ৰ মহাসভাৰ সভাপতি দুলাল গোস্বামী, নগাঁও জিলা সত্ৰ মহাসভাৰ সম্পাদক দিগন্ত প্ৰকাশ মহন্ত, কাৰ্বি আংলং জিলাৰ সম্পাদক মোহিত হাজৰিকা, পশ্চিম নগাঁও জিলা সত্ৰ মহাসভাৰ সম্পাদক মানিক বৰা, নগাঁও জিলা সত্ৰ মহাসভাৰ উপ-সভাপতি কমলা বৰা আৰু শৈলেন্দ্ৰ গোস্বামী আদিয়ে ভাষণ দি সাংগঠনিক দিশ শক্তিশালী কৰাৰ লগতে সত্ৰৰ উন্নয়ন সম্পৰ্কত বহল ব্যাখ্যা কৰে। সভাত নগাঁও জিলা সতী ৰাধিকা মহিলা তীৰ্থৰ সভানেত্ৰী শুৱনি গোস্বামী, সম্পাদিকা অমিয়া গোস্বামী, প্ৰীতিশ্ৰী গোস্বামী আৰু মৃণালী গোস্বামীকে প্ৰমুখ্য কৰি বিষয়ববীয়া মহিলাসকলেও অংশগ্ৰহণ কৰে।

# বাগ্‌সাত যুৱতীক পৰিয়ালক গতাবলৈ

*তিনি পৃষ্ঠাৰ পৰা* আৰক্ষী থানাৰ জৰিয়তে প্ৰেমিকাক যোৱা নিশা নিজৰ বাসগৃহলৈ পঠাই দিয়ে। পিছে মুৰমেলা পোৱাৰ পাছতে ৰাইজে আৱদ্ধ কৰিলে বিজনী আৰক্ষীৰ দলটোক। পৰিয়ালৰ দাবী যুৱতীগৰাকীৰ হৈ বিজনী থানাত গোচৰ দিবলৈ যোৱাত বিজনী আৰক্ষীয়ে নল'লে এজাহাৰ । কিন্তু ল'ৰাৰ পৰিয়ালৰ এজাহাৰ লৈ কেনেকৈ যুৱতীগৰাকীক গতাবলৈ আহিছে। ইফালে, পৰিয়ালে নাৰাখে মনিকাক। ফলত ৰাইজ আৰু আৰক্ষীৰ মাজত সৃষ্টি হয় তীব্ৰ উত্তেজনাৰ। মাজপথতে আৰক্ষীৰ দলটোক আৱদ্ধ কৰি ৰাখে গাঁওখনৰ ৰাইজে। আৰক্ষীয়ে ৰাইজক বহু বুজালে। কিন্তু ৰাইট নাচোৰবান্দা। প্ৰেমিক পৰিমলক লাগিবই। ফলত যি পথৰে আহিছিল সেইপথেৰে পুনৰ যুৱতীগৰাকীক লৈ উভতি যাব লগা হয় বিজনী আৰক্ষী।

# আজিও ন্যায় নাপালে নিহতৰ পৰিয়ালে

*তিনি পৃষ্ঠাৰ পৰা* আৰু শালবাৰী জিলা এবিএমছুৰ যৌথ উদ্যোগত এক সঁজাতী দল উপস্থিত হৈ উক্ত অঞ্চলৰ ৰাইজে আয়োজন কৰা হত্যাৰ বলি হোৱা লোকসকলৰ আত্মাৰ শান্তিৰ বাবে আয়োজন কৰা প্ৰাৰ্থনা সভাত অংশগ্ৰহণ কৰে। উল্লেখ্য যে ২০১৪ৰ মে'ত বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত নৰসিংবাৰীত আততায়ীৰ গুলিত নিহত হৈছিল তিনজন আৰু দুই মে' নন'কে খাগ্ৰাবাৰীত নিহত হৈছিল ৩৮ জন লোক। নিহত লোকসকলৰ আত্মাৰ চিৰশান্তি কামনাৰে প্ৰাৰ্থনা কৰি আমছুৰ জিলা সভাপতি ছাইফুল ইছলাম খানে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োক উক্ত নাৰকীয় বৰ্বৰ হত্যাকাণ্ডৰ তদন্ত কৰি ভুক্তভোগী পৰিয়ালক ন্যায় প্ৰদানৰ দাবী জনায়। উক্ত অনুষ্ঠানত উপস্থিত থাকে অখিল হিন্দিভাষী বিকাশ পৰিষদৰ বাগ্‌সা জিলা সমিতিৰ সভাপতি সন্তোষ গোড়, বাগ্‌সা জিলা আমছুৰ সহকাৰী সাধাৰণ সম্পাদক হাফিজুৰ ৰহমান, শিক্ষা সম্পাদক আছুৰ উদ্দিন, গোৰৰ্ধনা আঞ্চলিক সমিতিৰ সভাপতি আজাহাৰ আলী, এবিএমছুৰ শালবাৰী জিলা সমিতিৰ উপ-সভাপতি বিল্লাল হুছেইন, মানাহ আঞ্চলিক সমিতিৰ মোজাম্মেল হক আদি।

# সাৰৰ পৰিবহণ ব্যয়ৰ পেকেজৰ আহ্বান

*তিনি পৃষ্ঠাৰ পৰা* গুৰুত্ব সহকাৰে গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰে অসমক মে'ৰ বাবে আৱণ্টন জনোৱা সাৰৰ পৰিমাণৰ স'তে যোৱা এপ্ৰিলৰ ঘাটি পৰিমাণৰ সাৰসমূহো যোগান ধৰাৰ বাবে মন্ত্ৰী বৰাই কেন্দ্ৰীয় ৰসায়ন আৰু সাৰ দপ্তৰৰ মন্ত্ৰী মাণ্ডাব্যক অনুৰোধ জনায়। কেন্দ্ৰীয় কৃষি মন্ত্ৰী টোমৰ আৰু কেন্দ্ৰীয় ৰসায়ন আৰু সাৰ মন্ত্ৰী মাণ্ডাব্যই বিষয়টো গুৰুত্বসহকাৰে গ্ৰহণ কৰি কৃষি মন্ত্ৰী বৰাক এই বিষয়টোৰ সন্দৰ্ভত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিয়ে। কৃষি মন্ত্ৰী বৰাই আজি নিশা ৰাজ্যখনৰ ৰাসায়নিক সাৰ উৎপাদক কোম্পানীসমূহৰ স'তেও এখন বৈঠকত মিলিত হৈ বৰ্তমান ৰাজ্যখনত সাৰ যোগানৰ স্থিতিৰ ওপৰত পৰ্যালোচনা কৰে। বৈঠকত মন্ত্ৰী বৰাৰ নিৰ্দেশক্ৰমে কৃষকক ৰাসায়নিক সাৰ যোগান ধৰিবলৈ বিভিন্ন জিলাৰ বাবে সাৰ উৎপাদক কোম্পানীসমূহে এখন সময় নিৰ্ধাৰিত কৰ্মসূচীও প্ৰস্তুত কৰে। নিজৰ হাতত সাৰ মজুত ৰাখি কৃষকক সাৰ বিক্ৰী নকৰা পাইকাৰী আৰু খুচুৰা সাৰ বিক্ৰেতাসকলৰ অনুজ্ঞাপত্ৰ বাতিলৰ বাবেও বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰী বৰাই কৃষি সঞ্চালকক নিৰ্দেশ দিয়ে। পৰ্যালোচনা বৈঠকত কৃষি সচিব আৰু সঞ্চালক অনন্ত লাল জ্ঞানী, যুটীয়া কৃষি সঞ্চালক মাধুৰাম পাটিৰি, কৃষি বিষয়া অমল শৰ্মাকে ধৰি বি ভি এফ চি এল, ইফকো, ইণ্ডিয়ান পটাছ লিমিটেড, মেট্ৰিক্স ফাৰ্টিলাইজাৰচ এণ্ড কেমিকেলচ লিমিটেড আদি সাৰ উৎপাদক কোম্পানীসমূহৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

# চৰকাৰী সুবিধাৰ পৰা বঞ্চিত পৌৰকৰ্মী

*তিনি পৃষ্ঠাৰ পৰা* ক'ভিড সৃষ্ট পৰিৱেশত দিনে-ৰাতিয়ে চাফাইকৰ্মীসকলে নিজৰ কাম কৰি গৈছিল, কিন্তু বিনিময়ত চৰকাৰে সামান্য সুবিধাও প্ৰদান নকৰিলে।' তেওঁ পুনৰ কয়, 'শ্ৰমিক আইনৰ নিয়ম অনুসৰি মৰিয়নি পৌৰসভাৰ চাফাইকৰ্মীসকলে আজিও দৰমহা লাভ কৰা নাই। চাফাই কৰ্মীসকলক ন্যূনতম ৯,৬০০ টকা মাহিলি দৰমহা দিব লাগে যদিও মৰিয়নি পৌৰসভাই মাত্ৰ চাৰি হেজাৰ টকাহে প্ৰদান কৰি আহিছে যাৰ ফলত শ্ৰম আইন ভংগ কৰিছে।' চাফাইকৰ্মী সন্থাৰ ৰাজ্যিক সভাপতিজনে পুনৰ কয় যে চৰকাৰে দলিত ৰাজনীতি কৰিছে। চৰকাৰক এনে নকৰিবলৈ সকীয়াই দি অন্যথা চাফাইৰ কাম বন্ধ হৈ পৰিব বুলিও মন্তব্য কৰে । আনহাতে, প্ৰসংগক্ৰমে তেওঁ ১০ বছৰৰ পুৰণি কৰ্মীক স্থায়ী নিযুক্তি দিবলৈও দাবী জনায়। প্ৰতিবাদী কাৰ্যসূচীত চাফাইকৰ্মী সন্থাৰ যোৰহাট জিলাৰ সভাপতি গোপাল বাছফৰ, মৰিয়নিৰ সভাপতি ৰাজা বাছফৰ আদিও উপস্থিত থাকে। উল্লেখ্য যে আজি প্ৰতিবাদকাৰীসকলে কেতবোৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। তেওঁলোকে অভিযোগ কৰি কয়, 'পূৰ্বৰ আঠমাহৰ পৰা চাফাইকৰ্মীসকলক দৰমহা মাত্ৰ দুহেজাৰকৈহে দি আহিছে।' দুহেজাৰ টকাৰে পৰিয়াল চলিব নোৱাৰে বুলি উল্লেখ কৰি চাফাইকৰ্মীসকলে দৰমহা বৃদ্ধি কৰিবলৈ দাবী জনায়। আনহাতে, চাফাই কৰ্মীসকলৰ বাবে আজিলৈকে এডোখৰ স্থানৰ যোগাৰ কৰিব নোৱাৰিলে বুলিও অভিযোগ উত্থাপন কৰে। এইসকল চাফাইকৰ্মী দীৰ্ঘদিন ধৰি ৰেলৱেৰ মাটিত বসবাস কৰি থকাৰ পৰিপ্ৰেক্ষিতত চৰকাৰী বিভিন্ন সা-সুবিধাৰ পৰা তেওঁলোক বঞ্চিত হৈ আহিছে। সেয়েহে এডোখৰ মাটিৰ ব্যৱস্থা কৰিবলৈও চৰকাৰক দাবী জনায়। এই দাবীসমূহ শীঘ্ৰেই সমাধান নকৰিলে চাফাইকৰ্মীসকলে সকলো কাম বন্ধ কৰি দিব বুলিও লগতে সকীয়াই দিয়ে।




চামগুৰিত সাংবাদিকৰ মুকলি বিহুৰ আকৰ্ষণীয় নৃত্য, সোমবাৰে।

## এইবাৰ স্বাস্থ্য খণ্ডত চাৰি বিলিয়ন ডলাৰ বিনিয়োগ কৰিব আদানীয়ে



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২ মে’ ঃ** বিশ্বৰ পঞ্চম ধনাঢ্য ব্যক্তি গৌতম আদানীয়ে এইবাৰ স্বাস্থ্য খণ্ডত ধন বিনিয়োগ কৰিব। প্ৰকাশিত বাতৰি অনুসৰি স্বাস্থ্য খণ্ডত বিনিয়োগ আৰম্ভ কৰি আদানীয়ে বৃহৎ চিকিৎসালয়, ডায়েগ্নষ্টিক চেণ্টাৰ, অফলাইন আৰু ডিজিটেল ফাৰ্মাচী অধিগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। বিমানকোঠৰ পৰা আৰম্ভ কৰি বন্দৰলৈকে বৃহৎ ব্যৱসায়ী সম্প্ৰসাৰণ কৰা আদানী গ্ৰুপে এইবাৰ স্বাস্থ্য খণ্ডত প্ৰৱেশ কৰাৰ যোজা চলাইছে। প্ৰকাশিত বাতৰি অনুসৰি, সাম্প্ৰতিক সময়ৰ এছিয়াৰ সবাতোকৈ ধনী ব্যক্তি হিচাপে পৰিচিত হোৱা আদানীয়ে ভাৰতীয় স্বাস্থ্য খণ্ডত চাৰি বিলিয়ন ডলাৰৰ বিনিয়োগৰ এক পৰিকল্পনা প্ৰস্তুত কৰিছে। অৱশ্যে বৰ্তমানলৈকে আদানী গোষ্ঠীয়ে এই সন্দৰ্ভত আনুষ্ঠানিক ঘোষণা কৰা নাই।

## প্ৰতিষেধক ল’বলৈ চৰকাৰে বাধ্য কৰিব নোৱাৰিব নাগৰিকক, ন্যায়ালয়ৰ ৰায়




**নিউজ ব্যুৰ’, নতুন দিল্লী, ২ মে’ ঃ** উচ্চতম ন্যায়ালয়ে আজি কয় যে প্ৰতিষেধক গ্ৰহণৰ বাবে চৰকাৰে কোনো নাগৰিকক বাধ্য কৰিব নোৱাৰিব। ন্যায়াধীশ এল নাগেশ্বৰ ৰাও আৰু বি আৰ গভইৰ বিচাৰপীঠে এই বিষয়ত উত্থাপিত এক আবেদনৰ শুনানি গ্ৰহণ কৰি কয় যে সংবিধানৰ ২১ অনুচ্ছেদ অনুসৰি কোনো ব্যক্তিক চৰকাৰে প্ৰতিষেধক গ্ৰহণৰ বাবে বাধ্য কৰিব নোৱাৰে। উচ্চতম ন্যায়ালয়ে লগতে কয় যে একাংশ ৰাজ্য চৰকাৰে প্ৰতিষেধক গ্ৰহণ নকৰা লোকৰ ৰাজহুৱা স্থানত প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিছে যদিও এনে নিষেধাজ্ঞা আইন সন্মত নহয়। সৰ্বোচ্চ ন্যায়ালয়ে লগতে ক’ভিড-১৯ৰ টিকাকৰণ প্ৰতিকূল প্ৰভাৱৰ সকলো তথ্যপাতি ৰাজহুৱা কৰিবলৈকো কেন্দ্ৰৰ চৰকাৰক আজি নিৰ্দেশ দিলে। উচ্চতম ন্যায়ালয়ে কয় যে চৰকাৰে কেৱল নীতি নিৰ্ধাৰণ কৰিব পাৰে আৰু জনসাধাৰণৰ কল্যাণৰ বাবে কিছুমান চৰ্ত আৰোপ কৰিব পাৰে।

## নিজা ৰাজনৈতিক দল গঠন কৰিব প্ৰশান্ত কিশোৰে



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২ মে’ ঃ** অচিৰে দেশৰ বিশিষ্ট নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে গঠন কৰিব পাৰে নিজা ৰাজনীতি দল। নিজ ৰাজ্য বিহাৰত কিশোৰে শীঘ্ৰে এটা ৰাজনৈতিক দল গঠন কৰাৰ সম্ভাৱনা প্ৰকট হৈছে। আজি পুৱাতে এক টুইটত এনে ইংগিত দিলে নিৰ্বাচন ৰণনীতিজ্ঞ। টুইটত কিশোৰে কয়, ‘গণতন্ত্ৰৰ তাৎপৰ্য অংশ হোৱাৰ পথত আমাৰ যি অন্বেষণ, সেয়া ১০ বছৰ ধৰি চলি আছে। এইবাৰ প্ৰত্যক্ষভাৱে ‘প্ৰকৃত ঈশ্বৰ’ অৰ্থাৎ জনতা জনাৰ্দনৰ দৰবাৰলৈ যোৱাৰ সময় উপস্থিত হৈছে। গণতন্ত্ৰক অধিক কাষৰ পৰা বুজাৰ সময় হ’ল।’ প্ৰত্যক্ষভাৱে ৰাজনৈতিক দল গঠনৰ কথা ঘোষণা নকৰিলেও টুইটৰ জৰিয়তে কিশোৰে এনে এক ইংগিতে দিলে। বিহাৰৰ পৰা এই যাত্ৰা আৰম্ভ কৰিব বুলিও কিশোৰে উক্ত টুইটত উল্লেখ কৰিছে।

## জন্মৰ সময়ত ভাৰতৰ ১৭ শতাংশ শিশুৰ ওজন স্বাভাৱিকতকৈ কম হয়



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২ মে’ ঃ** ভাৰতৰ নৱজাত শিশুৰ স্বাস্থ্যৰ সন্দৰ্ভত এক উদ্বেগজনক তথ্য পোহৰলৈ আহিল। চেণ্টাৰ ফৰ ডিজিজ ডায়নমিক্স, ইক’নমিক্স এণ্ড পলিচি (চি ডি ডি ই পি)ৰ গৱেষকে প্ৰকাশ কৰা তথ্য অনুসৰি সাম্প্ৰতিক ভাৰতত জন্মৰ সময়ত ১৭ শতাংশ শিশুৰ দেহৰ ওজন স্বাভাৱিকতকৈ কম হৈছে। নৱজাতকৰ দৈহিক ওজন স্বাভাৱিকতকৈ কম হোৱাটো এক উদ্বেগজনক বিষয়। ইয়াৰ ফলত নৱজাতক নানা স্বাস্থ্যজনিত সমস্যাৰ সন্মুখীন হোৱাৰ শংকা বৃদ্ধি পায়। গৰ্ভধাৰণৰ সময়ত মহিলাই পুষ্টিকৰ আহাৰ গ্ৰহণ নকৰাৰ পৰিণতিত গৰ্ভস্থ সন্তানৰ ওজন স্বাভাৱিকতে কম হোৱাৰ সম্ভাৱনা থাকে।

## ওছমানিয়া বিশ্ববিদ্যালয়ৰ চৌহদত প্ৰৱেশ নিষিদ্ধ ৰাহুল গান্ধীৰ



**নিউজ ব্যুৰ’, হায়দৰাবাদ, ২ মে’ ঃ** কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীক চৌহদত প্ৰৱেশ কৰিব নিদিলে ওছমানিয়া বিশ্ববিদ্যালয়ে। বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি শিক্ষানুষ্ঠানৰ চৌহদৰ ভিতৰত ৰাজনৈতিক কাৰ্যকলাপৰ অনুমতি দিয়া নহ’ব। উল্লেখ্য যে অহা ছয় আৰু সাত মে’ত ৰাহুলে তেলেংগানা ভ্ৰমণ কৰিব। উক্ত ভ্ৰমণসূচীৰ অধীনত ৰাহুলে ওছমানিয়া বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক সাক্ষাৎ কৰাৰ কথা আছিল। কিন্তু বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ইয়াৰ বাবে কংগ্ৰেছ সাংসদজনক অনুমতি নিদিলে। এই ঘটনাৰ বাবে কংগ্ৰেছে তেলেংগানা চৰকাৰক দোষাৰোপ কৰিছে। কংগ্ৰেছে প্ৰকাশ কৰা অনুসৰি যিকোনো উপায়ৰে ৰাহুলে শিক্ষাৰ্থীসকলক সাক্ষাৎ কৰিব।

### চি এম আই ইৰ তথ্য ঃ দেশৰ ভিতৰত হাৰিয়ানাত নিবনুৱাৰ হাৰ সৰ্বাধিক, দ্বিতীয় স্থানত আছে ৰাজস্থান

# এপ্ৰিলত ভাৰতত ৭.৮৩ শতাংশ বৃদ্ধি পালে নিবনুৱা

**নিউজ ব্যুৰ’ নতুন দিল্লী, ২ মে’ ঃ** এফালে দেশৰ অৰ্থনীতিৰ পুনৰুত্থান হ’বলৈ ধৰিছে আৰু একে সময়তে দেশৰ সামগ্ৰী আৰু সেৱাকৰ (জি এছ টি) সংগ্ৰহৰ পৰিমাণো অভিলেখ হাৰত বৃদ্ধি পাইছে। ইয়াৰ বিপৰীতে ভাৰতত নিবনুৱাৰ সংখ্যা হ্ৰাস পোৱাৰ পৰিৱৰ্তে ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে। প্ৰকাশিত তথ্য অনুসৰি বিগত এপ্ৰিলত ভাৰতত নিবনুৱাৰ হাৰ ৭.৮৩ শতাংশ বৃদ্ধি পালে। উল্লেখ্য যে ইয়াৰ পূৰ্বৰ মাৰ্চত দেশৰ নিবনুৱা বৃদ্ধিৰ হাৰ আছিল ৭.৬০ শতাংশ। চেণ্টাৰ ফৰ মণিটৰিং ইণ্ডিয়ান ইক’নমি (চি এম আই ই)ৰ দ্বাৰা প্ৰকাশিত প্ৰতিবেদনত নিবনুৱাৰ হাৰ বৃদ্ধিৰ সন্দৰ্ভত এই তথ্য উল্লেখ কৰা হৈছে। প্ৰতিবেদনত উল্লেখ কৰা মতে, এপ্ৰিলত নিবনুৱা বৃদ্ধিৰ ক্ষেত্ৰত দেশৰ চহৰ অঞ্চল আগবাঢ়ি আছে। অৰ্থাৎ চহৰৰ তুলনাত ভাৰতৰ গ্ৰামাঞ্চলত যোৱা মাহত নিবনুৱাৰ সংখ্যা সামান্য হ্ৰাস পালে। মাৰ্চত ভাৰতৰ চহৰ অঞ্চলত নিবনুৱাৰ হাৰ আছিল ৮.২৮ শতাংশ আৰু এপ্ৰিলত এই হাৰ বৃদ্ধি পাই ৯.২২ শতাংশ হ’ল। একেদৰে মাৰ্চত ভাৰতত গ্ৰামাঞ্চলত নিবনুৱাৰ হাৰ আছিল ৭.২৯ শতাংশ আৰু এপ্ৰিলত গ্ৰামাঞ্চলত নিবনুৱাৰ হাৰ ৭.১৮ শতাংশলৈ হ্ৰাস পালে।




চি এম আই ইৰ তথ্য অনুসৰি দেশৰ বিভিন্ন ৰাজ্যৰ ভিতৰত সম্প্ৰতি হাৰিয়ানাত নিবনুৱাৰ হাৰ সৰ্বাধিক হৈছে। নিবনুৱাৰ ক্ষেত্ৰত দেশৰ ভিতৰতে দ্বিতীয় স্থানত আছে ৰাজস্থান। নিবনুৱাৰ হাৰ হাৰিয়ানাত ৩৪.৫ শতাংশ আৰু ৰাজস্থানত ২৮.৮ শতাংশ হৈছে। অৰ্থনীতিবিদসকলৰ মতে, ঘৰুৱা চাহিদা বৃদ্ধি আৰু মূল্যবৃদ্ধিৰ ফলত আৰ্থিক বিকাশৰ গতি বাধাপ্ৰাপ্ত হোৱাৰ ফলত নিয়োগখণ্ড যথেষ্ট প্ৰভাৱিত হৈছে। উল্লেখ্য যে যোৱা মাৰ্চত ভাৰতত উপভোক্তা মূল্যবৃদ্ধি ১৭ মাহৰ সৰ্বাধিক স্তৰত উপনীত হৈ ৬.৯৫ শতাংশ হৈছিল।

## লাউডস্পীকাৰ যেতিয়া নাছিল ভগৱানে তেতিয়া প্ৰাৰ্থনা শুনা নাছিল নেকি ঃ তেজস্বী



**নিউজ ব্যুৰ’, পাটনা, ২ মে’ ঃ** লাউডস্পীকাৰ বিতৰ্কক লৈ মহাৰাষ্ট্ৰৰ পৰা উত্তৰ প্ৰদেশলৈকে পৰিস্থিতি উত্তপ্ত হৈ আছে। এইবাৰ লাউডস্পীকাৰ বিতৰ্কৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে আৰ জে ডিৰ নেতা তেজস্বী যাদৱে। তেজস্বীয়ে প্ৰশ্ন কৰি কয়, ‘লাউডস্পীকাৰ যেতিয়া নাছিল, তেতিয়া ভগৱানে ভক্তৰ প্ৰাৰ্থনা শুনা নাছিল নেকি?’ অৱশ্যে তেজস্বীয়ে লাউডস্পীকাৰৰ ব্যৱহাৰৰ পক্ষ বা বিপক্ষত নিজৰ স্থিতি স্পষ্ট কৰা নাই। আৰ জে ডিৰ নেতাজনে লগতে কয় যে প্ৰকৃত সমস্যাৰ পৰা মানুহৰ দৃষ্টি আঁতৰাই ৰাখিবলৈকে একাংশ ৰাজনীতিকে চতুৰালিৰে লাউডস্পীকাৰ বিতৰ্ক অব্যাহত ৰাখিছে। উল্লেখ্য যে উত্তৰ প্ৰদেশ চৰকাৰে ধৰ্মীয় স্থানত থকা অনুমতিবিহীন লাউডস্পীকাৰৰ বিৰুদ্ধে কঠোৰ অভিযান অব্যাহত ৰাখিছে।



## চিকাগোত গুলীয়াগুলিৰ একাধিক ঘটনাত আঠজনৰ মৃত্যু

**নিউজ ব্যুৰ’ চিকাগো, ২ মে’ ঃ** আমেৰিকাৰ চিকাগোত সপ্তাহান্তিকত সংঘটিত হোৱা একাধিক গুলীয়াগুলিৰ ঘটনাত আঠজন লোকৰ মৃত্যু হ’ল। পৃথক স্থানত সংঘটিত হোৱা গুলিৰ আক্ৰমণত এনে ঘটনাত আন ১৬ জন লোক আহত হয়। বন্দুকধাৰীয়ে দুটা স্থানত আক্ৰমণ সংঘটিত কৰে। প্ৰথমটো আক্ৰমণৰ ঘটনাত এজন ৬৯ বছৰীয়া লোক নিহত হয়। আনহাতে, আনটো আক্ৰমণৰ ঘটনাত সাতজন লোক নিহত হয়। মৃতকৰ মাজত এগৰাকী নাবালিকাৰ মাজতে ৬২ বছৰীয়া এগৰাকী বৃদ্ধাও আছে।



## খান-কুমাৰৰ ছবি কিয় প্ৰত্যাখ্যান কৰিছিল কংগনাই?

**নিউজ ব্যুৰ’, মুম্বাই, ২ মে’ ঃ** বলিউডৰ বিতৰ্কিত অভিনেত্ৰী কংগনা ৰণৌট সম্প্ৰতি তেওঁৰ মুক্তিৰ অপেক্ষাত থকা চলচ্চিত্ৰ ‘ধাকড়’ৰ প্ৰচাৰত ব্যস্ত। ছবিখনৰ প্ৰচাৰত ব্যস্ত থকাৰ সময়তে অভিনেত্ৰীগৰাকীয়ে বলিউডত তেওঁৰ সংগ্ৰামৰ দিনৰ কথা স্মৰণ কৰিলে। কংগনাই কয় যে তেওঁ কে’বাখনো পুৰুষ প্ৰধান ছবিৰ প্ৰস্তাৱ নাকচ কৰিছিল। বলিউডৰ তথাকথিত ‘খান’ আৰু ‘কুমাৰ’ৰ দৰে তাৰকাখচিত ছবিত অভিনয়ৰ প্ৰস্তাৱো কংগনাই নাকচ কৰিছিল। এই কথা স্মৰণ কৰি কংগনাই কয়, ‘মই আজি মোক পুৰুষ অভিনেতাৰ তুলনাত কম পাৰিশ্ৰমিক দিয়া বুলি নাভাবো। মই সংগ্ৰাম কৰি আজি পৰ্যায়ত উপনীত হৈছো। মই কে’বাখনো নায়ক প্ৰধান ছবিত অভিনয়ৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছিলো। আপোনালোকে জানে, খান আৰু কুমাৰৰ ছবি। মই সদায় অৰ্থবহ ছবিত অভিনয় কৰিব বিচাৰো। ইয়াৰ বাবে মোৰ পৰিকল্পনা নাছিল, কিন্তু ইচ্ছা আছিল। মোৰ এই অকলশৰীয়া যাত্ৰাক সফল কৰি তোলাত বহু সংখ্যক পুৰুষৰ সমৰ্থন নিহিত আছে। এইসকল পুৰুষৰ সহযোগিতাতহে মই বলিউডত সফল হ’ব পাৰিছো।’ কংগনাই এইদৰে কয়।



## গুৰুতৰভাৱে অসুস্থ মিথুন চিকিৎসাধীন

**নিউজ ব্যুৰ’, মুম্বাই, ২ মে’ ঃ** বলিউডৰ বৰ্ষীয়ান অভিনেতা মিথুন চক্ৰৱৰ্তী শাৰীৰিক অসুস্থতাৰ বাবে চিকিৎসাধীন হ’ল। প্ৰকাশিত বাতৰি অনুসৰি হঠাতে স্বাস্থ্যৰ অৱনতি ঘটাত অভিনেতাজনক বাংগালুৰুৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। সম্প্ৰতি মিথুন চিকিৎসাধীন হৈ আছে। মিথুনৰ পুত্ৰ মিমুহে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি তেওঁৰ পিতৃ বৃক্কৰ পাথৰ ৰোগত আক্ৰান্ত হৈছে। মিথুনৰ অচিৰে অস্ত্ৰোপচাৰ সম্পন্ন কৰা হ’ব বুলিও পুত্ৰই জানিবলৈ দিয়ে।

## ইমৰানৰ অকৰ্মণ্যতাৰ ফলতে পাকিস্তানত নিবনুৱা-মূল্যবৃদ্ধি ঃ অভিযোগ মৰিয়মৰ

**নিউজ ব্যুৰ’, ইছলামাবাদ, ২ মে’ ঃ** পি এম এল-এনৰ নেত্ৰী তথা নেচনেল এছেম্বলিৰ সদস্য মৰিয়ম ঔৰংগজেবে পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানৰ নীতিক কঠোৰভাৱে সমালোচনা কৰিলে। মৰিয়মে অভিযোগ কৰি কয় যে ইমৰানৰ অকৰ্মণ্যতাৰ ফলতে আজি দেশবাসীয়ে সমস্যাৰ সন্মুখীন হ’বলগীয়া হ’ল। ইমৰানৰ ভুল নীতিয়ে পাকিস্তানত সৰ্বকালৰ সৰ্বাধিক মূল্যবৃদ্ধি ঘটাইছে বুলি অভিযোগ কৰি বিৰোধী নেত্ৰীগৰাকীয়ে লগতে কয় যে ইমৰানৰ শাসনতে দেশখনত নিবনুৱাৰ সংখ্যা সৰ্বাধিক হ’ল। ইছলামাবাদত এখন সংবাদমেলত অংশ লৈ মৰিয়মে অভিযোগ কৰি কয় যে প্ৰধানমন্ত্ৰী হিচাপে



কাৰ্যনিৰ্বাহ কৰাৰ সময়ত ইমৰানে নিজৰ অধিকাৰৰ অপব্যৱহাৰ কৰি পাকিস্তানৰ সৰ্বনাশ কৰিলে। বৰ্তমানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফসহ অন্যান্য বিৰোধী নেতাৰ বিৰুদ্ধে ইমৰানে ক্ষমতাত থকাৰ সময়ত ষড়যন্ত্ৰত লিপ্ত হৈছিল বুলি অভিযোগ কৰিলে পি এম এল-এনৰ নেত্ৰীগৰাকীয়ে।

## দেশত সামান্য নিম্নমুখী হ’ল ক’ভিডৰ সংক্ৰমণ, মৃত্যু ২৬ জনৰ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২ মে’ ঃ** সপ্তাহৰ প্ৰথম দিনত দেশত কৰ’নাৰ সংক্ৰমণে কিছু সকাহ দিলে। কালিৰ তুলনাত আজি দেশৰ দৈনিক সংক্ৰমণ হ্ৰাস পালে। অৱশ্যে ভাৰতত কৰ’না আক্ৰান্ত সক্ৰিয় ৰোগীৰ সংখ্যা আজিও ঊৰ্ধ্বমুখী হ’ল। তদুপৰি দৈনিক সংক্ৰমণো তিনি হেজাৰৰ ঊৰ্ধ্বতে আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ক’ভিড আক্ৰান্ত হ’ল ৩,১৫৭ জন লোক। এদিন পূৰ্বে দেশত ৩৩২৪ জন লোক কৰ’নাত আক্ৰান্ত হৈছিল। আনহাতে, ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে ২৬ জন লোকৰ প্ৰাণ কাঢ়িলে। বৰ্তমানে ভাৰতত ১৯,৫০০ জন সক্ৰিয় কৰ’না ৰোগী আছে। দেশৰ ভিতৰতে সৰ্বাধিক সংখ্যক লোক ক’ভিড আক্ৰান্ত হৈছে ৰাজধানী দিল্লীত। ইফালে, মহাৰাষ্ট্ৰতো ক’ভিডৰ সংক্ৰমণ যোৱা ২৪ ঘণ্টাত বৃদ্ধি পালে।

## চীনত গৃহবন্দী ১৮ কোটি নাগৰিক, তলাবন্ধৰ বিৰোধিতা টাইৱানত



**নিউজ ব্যুৰ’, বেইজিং, ২ মে’ ঃ** টাইৱানৰ শাসক চু চেংগ-চাংগে চীনৰ কঠোৰ ক’ভিড নীতিৰ তীব্ৰ বিৰোধিতা কৰিলে। টাইৱানৰ প্ৰশাসকৰ অভিযোগ অনুসৰি অতি কঠোৰ ক’ভিড নীতিৰ পৰিপ্ৰেক্ষিতত টাইৱানৰ বাসিন্দাসকল যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। টাইৱানৰ প্ৰশাসকে অভিযোগ কৰি কয়, ‘বৰ্তমানে সমগ্ৰ বিশ্বই কৰ’না ভাইৰাছৰ স’তে সহৱস্থানৰ শিক্ষা আহৰণ কৰিলে। বিশ্বৰ প্ৰায়বোৰ দেশে ক’ভিডৰ সংক্ৰমণৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি স্বাভাৱিকভাৱে অগ্ৰসৰ হৈছে। এনে পৰিস্থিতিত টাইৱানবাসীয়ে নিজৰ স্বাভাৱিক জীৱন লাভ কৰা উচিত। আমি নিজৰ দেশ আৰু চহৰত চীনৰ দৰে কঠোৰভাৱে বন্ধ ৰাখিব নোৱাৰো। আমি নিজা পদ্ধতিৰে মহামাৰীৰ প্ৰতিৰোধত অগ্ৰসৰ হ’ম।’ টাইৱান আৰু চীনৰ মাজত বৰ্ধিত সংঘাতৰ সময়তে টাইৱানৰ প্ৰশাসকে চীনৰ বিৰুদ্ধে ক’ভিড প্ৰসংগত এইদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। বৰ্তমানলৈকে টাইৱানত ৭৫ হেজাৰৰো অধিক লোক ক’ভিডৰ অ’মিক্ৰন প্ৰজাতি সংক্ৰমিত হৈছে। টাইৱানৰ জনসংখ্যা হৈছে ২.৩ কোটি আৰু দেশখনৰ ৮০ শতাংশ নাগৰিকে ক’ভিডৰ দুপালি প্ৰতিষেধক লাভ কৰিছে। উল্লেখ্য যে চীনত শেহতীয়াভাৱে ক’ভিডৰ সংক্ৰমণ উদ্বেগজনক হাৰত বৃদ্ধি পাইছে আৰু দেশখনৰ ১৮ কোটি লোক সম্প্ৰতি তলাবন্ধৰ ফলত ভাৰতে আবদ্ধ হৈ আছে।



## প্ৰধানমন্ত্ৰীৰ উপদেষ্টা নিযুক্ত তৰুণ কপুৰ

**নিউজ ব্যুৰ’ নতুন দিল্লী, ২ মে’ ঃ** প্ৰাক্তন পেট্ৰ’লিয়াম সচিব তৰুণ কপুৰক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপদেষ্টা নিযুক্ত কৰা হ’ল। আজি কেন্দ্ৰীয় চৰকাৰে এই সন্দৰ্ভত এক নিৰ্দেশনা জাৰি কৰিলে। কপুৰ হৈছে হিমাচল প্ৰদেশ কেডাৰৰ ১৯৮৭ৰ ভাৰতীয় প্ৰশাসনিক সেৱা (আই এ এছ)ৰ বিষয়া। পূৰ্বে তেওঁ তেল আৰু প্ৰাকৃতিক গেছ মন্ত্ৰণালয়ৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। কেবিনেটৰ নিযুক্তি সমিতিয়ে কপুৰক প্ৰধানমন্ত্ৰীৰ উপদেষ্টা হিচাপে নিযুক্তি প্ৰদান কৰিলে। দুবছৰৰ বাবে কপুৰে এই পদত কাৰ্যনিৰ্বাহ কৰিব।

## পুটিনক কটাক্ষ কৰি বাইডেনে কৌতুক শিল্পীক ক’লে, ‘এইখন মস্কো নহয়, ৰাষ্ট্ৰপতিক ব্যংগ কৰিলে কাৰাদণ্ড নহয়’

**নিউজ ব্যুৰ’ ৱাশ্বিংটন, ২ মে’ ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি জ’ বাইডেনে এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনক প্ৰত্যক্ষ কৰিলে। দৰাচলতে হোৱাইট হাউছত কৰেছপণ্ডেণ্টছ এছ’চিয়েচনৰ বাবে এক নৈশভোজৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানটো পৰিচালনা কৰিছিল কৌতুক শিল্পী ট্ৰেভৰ ন’ৱাহে। কৌতুক শিল্পীজনে উক্ত অনুষ্ঠানত বাইডেনক লৈ একাধিক ব্যংগ কৰিছিল। পাছত ৰাষ্ট্ৰপতি বাইডেনে ট্ৰেভৰক নিৰ্ভয়তা প্ৰদান কৰি কয় যে তেওঁ ইচ্ছা অনুসৰি মাৰ্কিন ৰাষ্ট্ৰপতিক লৈ ব্যংগ কৰিব পাৰে। ‘এইখন মস্কো নহয় আৰু আপুনি ৰাষ্ট্ৰপতিক লৈ ধেমালী কৰাৰ বাবে কাৰাগাৰলৈ যাব লগা নহয়। এতিয়া অনুষ্ঠান ট্ৰেভৰে পৰিচালনা কৰিব আৰু ট্ৰেভৰ, আপুনি ইচ্ছা অনুসৰি আমেৰিকাৰ ৰাষ্ট্ৰপতিক লৈ ব্যংগ কৰিব পাৰিব।’ মাৰ্কিন ৰাষ্ট্ৰপতিৰ উক্ত মন্তব্যৰ পাছত ট্ৰেভৰে বাইডেনক লৈ হোৱাইট হাউছৰ মজিয়াত একাধিক কৌতুক পৰিবেশন কৰে।



## যুদ্ধবিধ্বস্ত ইউক্ৰেইনত উপস্থিত অভিনেত্ৰী এঞ্জেলিনা, ছাইৰেনৰ শব্দত আশ্ৰয় ল’লে বাংকাৰত



**নিউজ ব্যুৰ’, কীভ, ২ মে’ ঃ** ৰাছিয়াৰ আক্ৰমণত বিধ্বস্ত হোৱা ইউক্ৰেইন পৰিদৰ্শন কৰিলে হলিউডৰ অভিনেত্ৰী এঞ্জেলিনা জ’লীয়ে। সামাজিক মাধ্যমত অভিনেত্ৰীগৰাকীয়ে ইউক্ৰেইনৰ লিভিভ চহৰত মুক্ত বিচৰণ কৰাৰ একাধিক ফটো আৰু ভিডিঅ’ সম্প্ৰতি ভাইৰেল হৈছে। এইদৰে লিভিভ পৰিদৰ্শন কৰাৰ সময়ত হঠাতে চাইৰেণ বাজি উঠাত এঞ্জেলিনাই সতৰ্ক হৈ তেওঁৰ ভ্ৰমণসংগীসহ বাংকাৰত আশ্ৰয় লৈছিল। উল্লেখ্য যে এঞ্জেলিনাৰ পূৰ্বে আমেৰিকাৰ আন এজন জনপ্ৰিয় অভিনেতা ছীন পেনেও ইউক্ৰেইন ভ্ৰমণ কৰিছিল। পেনে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ জেলেনস্কিৰ স’তেও বৈঠকত অংশ লৈছিল। পেনে যুদ্ধবিধ্বস্ত ইউক্ৰেইনক লৈ এখন তথ্যচিত্ৰ নিৰ্মাণ কৰিছে। যোৱা ২৪ ফেব্ৰুৱাৰীত ৰাছিয়াই ইউক্ৰেইনত প্ৰথম আক্ৰমণ আৰম্ভ কৰিছিল। ৰাছিয়াৰ ধাৰাবাহিক আক্ৰমণৰ ফলত কীভসহ ইউক্ৰেইনৰ একাধিক চহৰ যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। ভয়াৱহ যুদ্ধ অব্যাহত থকাৰ মাজতে লিভিভত হলিউড অভিনেত্ৰী এঞ্জেলিনাই এইদৰে উপস্থিত হোৱা কাৰ্যই বিশেষ চৰ্চা লাভ কৰিছে। উল্লেখ্য যে অভিনেত্ৰী হোৱাৰ লগতে এঞ্জেলিনাই ৰাষ্ট্ৰসংঘৰ শুভাকাংক্ষী প্ৰতিনিধি হিচাপেও সেৱা আগবঢ়াই আহিছে।

## ২১ শতিকাতো আমেৰিকাত জনপ্ৰিয় যৌথ পৰিয়াল ব্যৱস্থা



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ২ মে’ ঃ** আমেৰিকাত সাম্প্ৰতিক সময়ত যৌথ পৰিয়াল ব্যৱস্থা পুনৰ জনপ্ৰিয় হ’বলৈ ধৰিছে। পিউ ৰিছাৰ্চ চেণ্টাৰৰ এক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, বিগত ৫০ বছৰ ধৰি আমেৰিকাত পুনৰ যৌথ পৰিয়াল ব্যৱস্থা জনপ্ৰিয় হৈছে। পূৰ্বে আমেৰিকাত একক পৰিয়াল ব্যৱস্থা অধিক প্ৰচলিত হৈছিল। কিন্তু ২১ শতিকাৰ আমেৰিকাত লাহে লাহে পুনৰ যৌথ পৰিয়াল ব্যৱস্থা জনপ্ৰিয় হ’বলৈ ধৰিছে। পিউ ৰিছাৰ্চ চেণ্টাৰৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, ১৯৭১ৰ পাছৰে পৰা বৰ্তমানলৈকে আমেৰিকাত যৌথ পৰিয়ালৰ সংখ্যা ছয়গুণ বৃদ্ধি পালে। ২০২১ৰ মাৰ্চলৈকে আমেৰিকাত যৌথ পৰিয়ালৰ সংখ্যা ছয় কোটিলৈ বৃদ্ধি পালে। পিউ ৰিছাৰ্চ চেণ্টাৰৰ তথ্য অনুসৰি প্ৰবাসী ভাৰতীয়, কৃষ্ণাংগ আৰু লেটিন আমেৰিকানসকলৰ মাজত যৌথ পৰিয়াল ব্যৱস্থা এতিয়াও সবাতোকৈ জনপ্ৰিয় এই প্ৰতিবেদন যুগুত কৰা অধ্যয়নকাৰী দলটোৱে আমেৰিকাত যৌথ পৰিয়াল ব্যৱস্থাত বসবাস কৰা লোকসকলৰ সাক্ষাৎ গ্ৰহণ কৰাত ৫৭ শতাংশই যৌথ পৰিয়ালত বসবাস কৰি আনন্দ অনুভৱ কৰা বুলি মত প্ৰকাশ কৰে।



## পাকিস্তানৰ মেডিকেল ডিগ্ৰীও বৈধ নহয় ভাৰতত

**নিউজ ব্যুৰ’, নতুন দিল্লী, ২ মে’ ঃ** ইউ জি চি-এ আই চি টি ইৰ পাছত এইবাৰ নেচনেল মেডিকেল কমিছন (এন এম চি)-এ ঘোষণা কৰি ক’লে যে পাকিস্তানৰ শিক্ষানুষ্ঠানে প্ৰদান কৰা চিকিৎসা বিজ্ঞানৰ ডিগ্ৰী ভাৰতত বৈধ নহয়। এন এম চিয়ে স্পষ্টভাৱে কয় যে যিসকল ভাৰতৰ ছাত্ৰ-ছাত্ৰীয়ে পাকিস্তানৰ পৰা এম বি বি এছ, বি ডি এছৰ দৰে চিকিৎসা বিজ্ঞানৰ ডিগ্ৰী গ্ৰহণৰ পৰিকল্পনা গ্ৰহণ কৰিছে, তেওঁলোকৰ উক্ত ডিগ্ৰী ভাৰতত স্বীকৃত নহ’ব। বিদেশৰ পৰা উভতি অহা চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ্থীৰ বাবে ভাৰতত যি এফ এম জি ই পৰীক্ষা অনুষ্ঠিত কৰা হয় উক্ত পৰীক্ষাতো পাকিস্তানৰ মেডিকেল ডিগ্ৰীধাৰীয়ে অংশ ল’ব নোৱাৰিব।

# গোৱালপাৰাত বনৰীয়া হাতীৰ তাণ্ডৱ অব্যাহত

## ■ বৃহৎ ভূমিৰ ধানখেতি, কল বাগান তহিলং ■ ব্যৱস্থা গ্ৰহণৰ দাবী স্থানীয় ৰাইজৰ



**আলোপতি, ২ মে' ঃ** গোৱালপাৰা জিলাৰ ৰংজুলি আঞ্চলিক বন কাৰ্যালয়ৰ অন্তৰ্গত শিমলীতোলাৰ বিভিন্ন প্ৰান্তত বনৰীয়া হাতীৰ এটা বৃহৎ জাকে উপদ্ৰৱ চলায়। যোৱা নিশা শিমলীতোলা শশী ফুকন চাহ বাগিচাত প্ৰায় ৫০ টা বনৰীয়া হাতী প্ৰৱেশ কৰাত আতংকিত হৈ পৰে বাগিচাৰ শ্ৰমিক পৰিয়াসকল। নিশা প্ৰায় ১২ বজালৈ বাগিচাৰ ভিৰতে বাহন পাতি থাকে বনৰীয়া হাতীৰ জাকটো। বাগচিাৰ লোকসকলে হাতীৰ জাকটোক জনাঞ্চলত প্ৰৱেশত বাধা দিয়াৰ লগতে নিশাই শ্ৰমিকসকলে হাতীৰ জাকটো খেদি পঠায় যদিও জাকটো কাণকাটা পথাৰত আশ্ৰয় লৈ খেতি পথাৰৰ বিস্তৰ ক্ষতিসাধন কৰে। বনৰীয়া হাতীৰ জাকটো কাণকাটা পথাৰৰ প্ৰায় ৩০ বিঘা মাটিৰ ইৰি ধান খেতি নষ্ট কৰাৰ লগতে কল বাগান তহিলং কৰে। বৃহৎ হাতীৰ জাকটোৱে চাহ বাগিচাৰো আংশিক ক্ষতিসাধন কৰে। সমগ্ৰ অঞ্চলটোতে নিশাৰ ভাগত এক আতংকময় পৰিস্থিতিৰ সৃষ্টি কৰে হাতীৰ জাকটোৱে। স্থানীয় শতাধিক লোকে হাতে হাতে জুই লৈ হাতীৰ জাকটোক ওচৰৰে কন্যাকুছি শালনি লৈ খেদি পঠিয়াবলৈ সক্ষম হয়। উল্লেখ্য যে দীৰ্ঘদিন বনৰীয়া হাতীয়ে গোৱালপাৰা জিলাৰ ৰংজুলি বনাঞ্চলিক কাৰ্যায়ৰ অন্তৰ্গত বিভিন্ন অঞ্চলতে উপদ্ৰৱ চলাই অহাৰ পাছতো বন বিভাগে হাতীৰ জাকটো খেদি পঠিয়াবলৈ সক্ষম নোহোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় লোকে।

## বৰপথাৰত প্ৰাক্তন আছু নেতাৰ বিজেপিত যোগদান

**বৰপথাৰ, ২ মে' ঃ** শ্ৰমিক দিৱসৰ দিনাই গোলাঘাট জিলাৰ বৰপথাৰত জাতীয় পৰিষদ আৰু প্ৰাক্তন আছু নেতাৰ লগতে কংগ্ৰেছৰ নেতা-কৰ্মীয়ে বিজেপিত যোগদান কৰে। উল্লেখ্য যে স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনৰ চাংপুলস্থিত বাসগৃহত বিজেপিয়ে যোগদান কাৰ্যসূচী অনুষ্ঠিত কৰে। কাৰ্যসূচীত অসম জাতীয় পৰিষদক মোক্ষম আঘাত কৰি সৰুপথাৰ সমষ্টিৰ জাতীয় পৰিষদৰ মুখ্য আহ্বায়ক লাচিত সন্দিকৈয়ে বিজেপিত যোগদান কৰে। লাচিত সন্দিকৈৰ উপৰি ধনশিৰি মহকুমা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি পংকজ বৰায়ো বিজেপিৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ বিজেপিত যোগদান কৰে। জাতীয় পৰিষদ আৰু প্ৰাক্তন আছু নেতাৰ সমান্তৰালকৈ বিৰোধী দল কংগ্ৰেছৰো একাংশ নেতা-কৰ্মীয়ে কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰে। কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰে ৰতনপুৰ মণ্ডল কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি নিখিল গগৈ আৰু সম্পাদক পৰীক্ষিত মিলিয়ে। তদুপৰি ৰতনপুৰ আৰু গন্ধকৰৈ পঞ্চায়তৰ প্ৰায় অৰ্ধশতাধিক কংগ্ৰেছ কৰ্মীয়েও বিজেপিত যোগদান কৰে। আনহাতে, এইসকল নতুন আলহীক দলীয় গামোচা আৰু টুপীৰে গেৰুৱা দললৈ আদৰণি জনায় বিজেপিৰ কৰ্মকৰ্তাসকলে।

## কমলপুৰৰ দিগুণপাৰ পূবপাৰ গান্ধীজী উচ্চ মাধ্যমিক বিদ্যাপীঠত চুৰিকাণ্ড

অগ্ৰদূত বাৰ্তা
**কমলপুৰ, ২ মে' ঃ** কামৰূপ জিলাৰ কমলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত দ্বিগুণপাৰত যোৱা ২৯ এপ্ৰিলৰ নিশা এখন বিদ্যালয়ত চোৰে চাফাই অভিযান চলোৱা ঘটনাই বৃহত্তৰ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। দ্বিগুণপাৰস্থিত পূবপাৰ গান্ধীজী উচ্চ মাধ্যমিক বিদ্যাপীঠৰ কাৰ্যালয়ৰ পাছফালৰ দৰ্জা ভাঙি চোৰে লুটপাত চলায়। কাৰ্যালয়টোৰ ভিতৰত বিভিন্ন সা-সামগ্ৰী লণ্ডভণ্ড কৰাৰ লগতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ বাবে থকা পানী উঠোৱা মটৰটো চোৰে লুট কৰি নিয়ে। উল্লেখ্য যে কিছুদিন পূৰ্বেও চোৰে বিদ্যালয়খনৰ শ্ৰেণী কোঠাৰ পৰা তিনিখনকৈ চিলিং ফেন চুৰি কৰি নিছিল। অঞ্চলবাসীৰ অভিযোগ বিদ্যালয়খনত নৈশ চৌকিদাৰ নথকাৰ সুযোগ লৈ চোৰে এইদৰে চাফাই অভিযান চলাই আহিছে। বিদ্যালয়খনৰ চুৰিকাৰ্য সন্দৰ্ভত বিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা কমলপুৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰা হৈছে। কমলপুৰ আৰক্ষীয়ে ইতিমধ্যে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে।

## মৰিগাঁৱৰ জালুগুটিত দুই গৰু চোৰক আটক আৰক্ষীৰ

অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ২ মে' ঃ** মৰিগাঁও জিলাৰ জালুগুটি আৰক্ষী পহৰা চকীৰ অন্তৰ্গত ৰহধলা গাঁৱত যোৱা ২৯ এপ্ৰিলত আৰক্ষীৰ এটা অভিযানকাৰী দলে অভিযান চলাই দুটাকৈ গৰু চোৰক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ অভিযানত আটক কৰা ৰহধলা গাঁৱৰ ধৃত দুই চোৰৰ নাম হ'ল চাইফুল আলী ওৰফে চয়ফুল আৰু জেহিৰুল ইছলাম ওৰফে ৰাহুল বুলি জানিব পৰা গৈছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও গৰু চোৰৰ লগত জড়িত আছিল ধৃত লোককেইজন।জালুগুটি আৰক্ষীয়ে নিশা চলোৱা অভিযানত গৰু চুৰি কাণ্ডৰে জড়িত দুজনক আটক কৰিবলৈ সক্ষম হোৱাৰ লগতে আন দুজন অভিযুক্ত বৰ্তমান পলাতক অৱস্থাত আছে বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিয়ে। ইফালে, ধৃত দুই চোৰৰ সন্দৰ্ভত জালুগুটি আৰক্ষী পহৰা চকীত ৯৫-/২২-৩৮০/৩৪ নম্বৰৰ গোচৰ ৰুজু কৰি ধৃত লোককেইজনক ইতিমধ্যে মৰিগাঁও আদালতকৈ প্ৰেৰণ কৰে।

## বৰভাগত বিশেষ জলপানি প্ৰদান ছাত্ৰ-ছাত্ৰীক

অগ্ৰদূত বাৰ্তা
**বৰভাগ, ২ মে' ঃ** পূব নলবাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত কমাৰকুছিৰ উত্তম চন্দ্ৰ বৰুৱা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক বিকাশৰ বাবে যোৱা ৩০ এপ্ৰিলত এক বিশেষ ছাত্ৰ জলপানি ঘোষণা কৰা হয়। সুদূৰ কুৱেইটত কৰ্মৰত বিশিষ্ট অভিযন্তা ৰাজদ্বীপ বৰুৱাই তেওঁৰ ককাকৰ নামত প্ৰতিবছৰে পাঁচগৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক প্ৰয়াত অধিবক্তা বিনন্দ বৰুৱা সোঁৱৰণী বিশেষ ছাত্ৰ জলপানি প্ৰদান কৰিব। এই উপলক্ষে আয়োজিত এক অনুষ্ঠানত পাঁচগৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰথম বাৰৰ বাবে এই বৃত্তিৰ ধন প্ৰদান কৰে। এই উপলক্ষে অঞ্চলটোৰ বিশিষ্ট ব্যক্তি অক্ষয় বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত বৃত্তি প্ৰদান অনুষ্ঠানত বিশিষ্ট অভিযন্তা ৰাজদ্বীপ বৰুৱা ৯৪(৪) উপৰ বৰভাগ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰমেন কলিতা, বিশিষ্ট ব্যক্তি বিমল বৰুৱা, বিশিষ্ট অভিযন্তা ত্ৰিদীপ বৰুৱা উপস্থিত থাকে। সভাৰ আঁত ধৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক মস্তফা আহমেদে। উপস্থিত সকলোকে বিদ্যালয়খনৰ ভূমি দাঁতা প্ৰয়াত অতুল চন্দ্ৰ বৰুৱাৰ নাতি ৰাজদ্বীপ বৰুৱাৰ এনে প্ৰচেষ্টাৰ শলাগ লয়।

## শুৱালকুছিত মুকলি বিহুত শ্ৰেষ্ঠ 'জীৱন লগৰী বিহুৱা' দল



অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ২ মে' ঃ** সদৌ শুৱালকুছি উদীয়মান যুৱ সমাজৰ উদ্যোগত কালি অনুষ্ঠিত ৩৪ সংখ্যক মুকলি বিহু প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে বঙাইগাঁৱৰ জীৱন লগৰী বিহুৱা দলে। দলটিক নিৰঞ্জন কলিতা স্মাৰক শৰাইৰ লগত নগদ ২০ হেজাৰ টকাৰে পুৰস্কৃত কৰে। বঁটা আগবঢ়ায় আদাবৈ কুমাৰ পৰাৰ ভৱানী কলিতাই। আনহাতে, দ্বিতীয় বিজয়ী দলৰ সন্মান লাভ কৰি প্ৰয়াত প্ৰবীণ কলিতা স্মাৰক শৰাইৰ লগত নগদ ১৫ হেজাৰ টকাৰ বঁটা লাভ কৰে গোমচেং বিহুৱা দল হেংগেৰাবাৰীয়ে। বঁটাটি আগবঢ়াইছিল মাটিপৰ্বতৰ যুৱ ব্যৱসায়ী চন্দন কলিতাই। তৃতীয় বিজয়ী দলৰ খিতাপ দখল কৰি প্ৰয়াত প্ৰফুল্ল কলিতা স্মাৰক শৰাইৰ লগত নগদ ১০ হেজাৰ টকাৰ সন্মান লাভ কৰে টংলাৰ বৰচলা বিহু হুঁচৰি দলে। বঁটা আগবঢ়ায় সৰুসত্ৰৰ দিলীপ কলিতাই। মুকলি বিহু উন্মোচন কৰিছিল অভিনেত্ৰী নিকুমণি বৰুৱাই। বিচাৰকৰ আসন অলংকৃত কৰিছিল নাৰায়ণ বৈশ্য, বিজয় কৃষ্ণ দলে আৰু বাবুল কলিতাই। ইফালে, মুকলি বিহুৰ লগত সংগতি ৰাখি শিক্ষা উপ-সমিতিয়ে প্ৰতিভা সন্ধানী পৰীক্ষা আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। দুয়োটা শাখাৰে বিজয়ী প্ৰতিযোগী ছাত্ৰ-ছাত্ৰীসকলক মুকলি বিহুৰ মঞ্চতে বঁটা প্ৰদান কৰে। প্ৰতিভা সন্ধানী পৰীক্ষাত প্ৰথম স্থান লাভ কৰে এঞ্জেলচ ইংলিছ স্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ ৰোহন কৃষ্ণ দাস। দ্বিতীয় আৰু তৃতীয় স্থানত ক্ৰমে নীলোৎপল দাস (এঞ্জেলচ ইংলিচ স্কুল দশম শ্ৰেণী) আৰু গণেশ দাস হাইস্কুলৰ দশম শ্ৰেণীৰ দ্বীপজ্যোতি ৰাজবংশীয়ে। চিত্ৰাংকন প্ৰতিযোগিতাত জ্ঞানদীপ ইংলিছ একাডেমীৰ সপ্তম শ্ৰেণীৰ দৰ্শীল জোনাকে প্ৰথম স্থান, শংকৰদেৱ শিশু নিকেতনৰ অষ্টম শ্ৰেণীৰ ৰাজকমল বৈশ্যই দ্বিতীয় স্থান আৰু গণেশ দাস হাইস্কুলৰ সপ্তম শ্ৰেণীৰ কৌশিক দাসে তৃতীয় স্থান দখল কৰে।

## 'কল্পদ্ৰুম'ৰ সম্পাদক বিনীতা দেৱী বৰুৱা দাসৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা
**আজাৰা, ২ মে' ঃ** অসমৰ কাব্য সাহিত্য জগতৰ এগৰাকী বিশিষ্ট কবি তথা মাহেকীয়া কাব্য আলোচনী 'কল্পদ্ৰুম'ৰ সম্পাদক বিনীতা দেৱী বৰুৱা দাস (৬৬)ৰ কালি মৃত্যু হয়। তেওঁৰ মৃত্যু অসমৰ কাব্য জগতৰ অপূৰণীয় ক্ষতি বুলি বিবেচিত হৈছে। তেওঁৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে সমগ্ৰ আজাৰাকে ধৰি অসমৰ কাব্য প্ৰেমীসকলৰ মাজত শোকৰ ছাঁ বিয়পি পৰে। যোৱা কে'বাদিন অসুস্থ হৈ থকাৰ পাছত আজি পুৱা হঠাৎ অৱস্থা শোচনীয় হৈ পৰাত বিশিষ্ট কবিগৰাকীক গুৱাহাটীৰ চিকিৎসালয়লৈ নিয়া হয় যদিও তাতেই তেওঁৰ মৃত্যু হয়।

উল্লেখ্য যে অসমীয়া মাহেকীয়া কাব্যালোচনী 'কল্পদ্ৰুম'ৰ প্ৰতিষ্ঠাপক সম্পাদক কুমাৰ অনুকুল দাসৰ মৃত্যুৰ পাছত তেওঁৰ পত্নী বিনীতা দেৱী বৰুৱা দাসে সম্পাদকৰ দায়িত্বভাৰ লৈ মৃত্যুৰ আগমুহূৰ্তলৈ কাব্যালোচনী প্ৰকাশ কৰি আহিছে। ৩৩ বছৰ অতিক্ৰম কৰা কাব্যালোচনী 'কল্পদ্ৰুম'ৰ জৰিয়তে অসমত নতুন নতুন কবি সৃষ্টি কৰাত বিশেষ বৰঙণি আগবঢ়াই আহিছে। বৰঝাৰ কেন্দ্ৰীয় বিদ্যালয়ৰ পৰা ২০১৬তে শিক্ষকতাৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা বিনীতা দেৱী বৰুৱা দাস আজাৰা সাহিত্য সভাৰ প্ৰাক্তন সভাপতিৰ উপৰি অসম সাহিত্য সভাৰ আজীৱন সদস্য আছিল। তেওঁ এগৰাকী সাংস্কৃতিক কৰ্মী হিচাপেও জনাজাত আছিল। আজি তেওঁৰ মৃতদেহ আজাৰাৰ গোসাঁইপাৰাৰ নিজ বাসভৱনলৈ অনাৰ পাছতে গুণমুগ্ধসকলে উপস্থিত হৈ মৃতকলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত আজাৰা সাহিত্য সভা, আজাৰা জ্যেষ্ঠ নাগৰিক মঞ্চ, লেখিকা সমাৰোহ সমিতিৰ আজাৰা শাখা, বন্ধু মিলন নাট্য সমিতি, আজাৰা জয়া সমূহীয়া কেন্দ্ৰ, আজাৰা উন্নয়ন মঞ্চ, বহু ভাষিক সাহিত্য মঞ্চ, অসম, পৰাগজ্যোতি প্ৰকাশন, অসম শিশু সাহিত্য সমাজ, ৰং আদি কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে। দুই কন্য আৰু এজন পুত্ৰক এৰি যোৱা বৰুৱা দাসৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

## সদৌ বংশৰ দামোদৰ সংঘৰ দামোদৰ দেৱৰ তিৰোভাৱ তিথি পালন

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ২ মে' ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে শুৱালকুছিতো কালি একাধিক স্থানত ভক্তি মুৰ্তি অৱতাৰী পুৰুষ শ্ৰীশ্ৰীমৎদামোদৰ দেৱৰ ৪২৪ সংখ্যক পবিত্ৰ বৈকুণ্ঠ প্ৰয়াণ তিথি পালন কৰে। ইয়াৰে সদৌ বংশৰ দামোদৰ সংঘই ৰাৰণ ৰৈস্থিত নামঘৰত দিনজোৰা কাৰ্যসূচীৰে তিথি পালন কৰে। এই উপলক্ষে আয়োজন কৰা ধৰ্মালোচনা সভাত বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক হেমচন্দ্ৰ দাসে গুৰুজনাৰ গুণ গৰিমাৰ পৰ্যালোচনা কৰে। বৈষ্ণৱী সন্ত শ্ৰীমৎ দামোদৰ দেৱে মধ্যযুগত লোকৰ কল্যাণৰ হেতু ভাগৱত ধৰ্মৰ জৰিয়তে ধৰ্ম প্ৰচাৰ কৰিছিল। তেৰাৰ ভক্তি দৰ্শনত বিষ্ণু পন্থা আছিল যদিও অন্য দেৱতাৰো উপাসনাৰ ঠাই আছিল বুলি কয়। দামোদৰ দেৱ বলি বিধানৰ ঘোৰ বিৰোধী আছিল। সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি কামৰূপ দামোদৰ সংঘৰ উপ-সভাপতি চিন্তামণি দাস বাপে এটি স্বৰচিত কবিতাৰ মাধ্যমৰে শ্ৰীমৎ দামোদৰ দেৱৰ জীৱন বৰ্ণনা কৰে। পৰমানন্দ দাসৰ সভাপতিত্বত অনুষ্ঠিত ধৰ্মালোচনা সভাত বৈষ্ণৱ ভাগৱত ধৰ্মৰ বিৱৰণ ব্যাখ্যা কৰে ৮৭ নম্বৰ বংশৰ গাঁও পঞ্চায়তৰ সভাপতি ঋষভ বৈশ্যই। ধৰ্মালোচনা সভা উদ্বোধন কৰে কুলহাটীৰ পাঠক যোগেন দাস বাপে। ইয়াৰ পূৰ্বে পুৱা নামঘৰত ধৰ্ম ধ্বজা উত্তোলন কৰে সভাপতি পৰমানন্দ দাসে। পাছত বৃক্ষৰোপণ কৰে কামৰূপ দামোদৰ সংঘৰ প্ৰাক্তন উপ-সভাপতি তিলক চন্দ্ৰ বৈশ্য, কামৰূপ দামোদৰ সংঘৰ উপদেষ্টা পদ্মৰাম পাঠক, সদৌ বংশৰ দামোদৰ সংঘৰ উপদেষ্টা ভুৱনেশ্বৰ বৈশ্য, ৰূপেশ্বৰ বৈশ্য আৰু সমাজ সেৱক ভাৰত দাসে। গুৰু দামোদৰ দেৱৰ তৈলছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে সদৌ বংশৰ দামোদৰ সংঘৰ প্ৰাক্তন সভাপতিদ্বয় ক্ৰমে বগাৰাম বৈশ্য আৰু দেবেন্দ্ৰ নাথ কাকতিয়ে। ভাগৱত পাঠ কৰে উপদেষ্টা তিলক কলিতাই। আনহাতে, ঈশ্বৰ শ্ৰীশ্ৰীগোপাল সত্ৰতো দিনজোৰা কাৰ্যসূচীৰে গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰে।

## পাটাছাৰকুছি প্ৰেছ ক্লাবৰ ২১ সংখ্যক প্ৰতিষ্ঠা দিৱস

**পাটাছাৰকুছি, ২ মে' ঃ** ২০০২ৰ পহিলা মে'ত স্থাপিত পাটাছাৰকুছি অঞ্চলৰ সাংবাদিকসকলৰ একমাত্ৰ সমূহীয়া অনুষ্ঠান পাটাছাৰকুছি ক্লাবৰ প্ৰতিষ্ঠা দিৱস আৰু বিশেষ বাৰ্ষিক অধিবেশনখন কালি ক্লাবৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। ক্লাবৰ পতাকা উত্তোলন কৰে ক্লাবৰ সভাপতি নৰকান্ত কলিতাই। স্মৃতি তৰ্পণ কৰে প্ৰাক্তন স্থানীয় সাংবাদিক ক্ৰমে মুনীন্দ্ৰ নাৰায়ণ গোস্বামী আৰু দিলীপ কুমাৰ ৰয়ে। ২১ গছি বন্তি প্ৰজ্বলন কাৰ্যসূচীত অংশগ্ৰহণ কৰে ক্ৰমে ক্লাবৰ প্ৰতিষ্ঠাপক সভাপতি আমিনুল হক, প্ৰাক্তন সভাপতি তথা সম্পাদক কিশোৰ শৰ্মা, প্ৰাক্তন সম্পাদক অমিতাভ শৰ্মা, প্ৰাক্তন সম্পাদক নিতুল শৰ্মা, প্ৰাক্তন স্থানীয় সাংবাদিক ক্ৰমে হিতেশ চন্দ্ৰ গোস্বামী, ৰাজেন দাস, জিতেন্দ্ৰ নাথ দাস, সদাৰাম দাস, স্থানীয় ক্ৰমে উন্নয়ন সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰসন্ন শৰ্মা, আঞ্চলিক নাগৰিক মঞ্চৰ সভাপতি কৈলাশ চন্দ্ৰ ডেকা, প্ৰাগজ্যোতি ক্লাবৰ সম্পাদক শিখৰ গোস্বামী, শাখা বিজ্ঞান সমিতিৰ সম্পাদক মৃণ্ময় শৰ্মা, ৰূপান্তৰ সংঘৰ সম্পাদক হিৰেণ শৰ্মা, শাখা সাহিত্যে সভাৰ সভাপতি পদুমী দেৱী, আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি হৰেকৃষ্ণ গোস্বামী, বিশিষ্ট সমাজকৰ্মী ক্ৰমে ৰবীন শৰ্মা, শ্ৰীপদ চৌধুৰী, বাতৰি কাকতৰ এজেণ্ট অভয় শৰ্মা, ক্লাবৰ সভাপতি নৰকান্ত কলিতা, সম্পাদক বিৰাজ কলিতা আৰু সদস্য প্ৰদীপ কুমাৰ পাঠকে। সহকাৰী সম্পাদক উৎপল মেধিয়ে আঁতধৰা অনুষ্ঠানত ক্ৰীড়া সংগঠক শ্ৰীপদ চৌধুৰীয়ে এই অঞ্চলৰ সংবাদসেৱীসকলৰ সুনাম থকাৰ কথা উল্লেখ কৰি আগন্তুক দিনত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত কৰাৰ বাবে অনুৰোধ জনায়। অনুষ্ঠানত বৰপেটা জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা উপস্থিত থাকে। দিলীপ কুমাৰ ৰয়, প্ৰসন্ন শৰ্মা, হিৰেন শৰ্মা আৰু নিতুল শৰ্মাই সভাত ভাষণ দিয়ে। ইয়াৰ পাছতে ক্লাবৰ সভাপতি নৰকান্ত কলিতাৰ সভাপতিত্বত বহা সাধাৰণ সভাত সম্পাদক বিৰাজ কলিতাই পাঠ কৰা বাৰ্ষিক সম্পাদকীয় প্ৰতিবেদন আৰু হিচাপ পৰীক্ষক বেদান্ত শাণ্ডিল্যাই পাঠ কৰা বাৰ্ষিক হিচাপ পৰীক্ষাৰ প্ৰতিবেদন দুখন গৃহীত কৰা হয়। সভাত কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

## মইনা পাৰিজাতৰ 'গীতে মাতে ব'হাগৰ এদিন' সম্পন্ন

### ■ মইনাৰ বিহু নামত মুখৰ নাগাজাংকা

অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ২ মে' ঃ** সদৌ অসম মইনা পাৰিজাতৰ যোৰহাট জিলাৰ অন্তৰ্গত বাঘচোং আঞ্চলিক মইনা পাৰিজাতৰ উদ্যোগত ব'হাগৰ এদিন শীৰ্ষক এক মনোমোহা অনুষ্ঠানৰ অনুষ্ঠিত হয়। মৰিয়নিৰ সমীপৰ নাগাজাংকা অঞ্চলৰ মইনা পাৰিজাত জ্ঞানজ্যোতি মইনা পাৰিজাতৰ আতিথ্যত নাগাজাংকাৰ জ্ঞানোদয় পুথিভঁৰাল প্ৰেক্ষাগৃহত কালি দিনজোৰা কাৰ্যঞ্জয্যসূচীৰে এই অনুষ্ঠান অনুষ্ঠিত হয়। বাঘচোং আঞ্চলিক মইনা পাৰিজাতৰ উপ সভাপতি দীন লাহনে পতাকা উত্তোলন কৰি দিনটোৰ কাৰ্যসূচী শুভাৰম্ভ কৰে। জ্ঞানোদয় পুথিভঁৰালৰ সভাপতি বিদ্যুৎ চুতীয়াই স্মৃতি তৰ্পন কৰাৰ পাচতে জ্ঞানোদয় মইনা পাৰিজাতৰ উপদেষ্টা ভৱেন হাজৰিকাই মঞ্চ উদ্বোধন কৰে। জ্ঞানজ্যোতি মইনা পাৰিজাতৰ চেমনীয়া বিহু দলৰ হুঁচৰিৰে আৰম্ভ কৰা অনুষ্ঠানত বাঘধৰা সুৰুজমুখী মইনা পাৰিজাতৰ জেং বিহু, চিনামৰা জাতীয় বিদ্যালয় মইনা পাৰিজাতৰ বিহু দল, মৰধলি নবাগত মইনা পাৰিজাতৰ বিহু দল, তামোলবাৰী সুৰসন্ধানী মইনা পাৰিজাতৰ বিহু দল, জালুকনিবাৰী নপাম জেউতি মইনা পাৰিজাতৰ বিহু দল, কৰঙা ন জোন মইনা পাৰিজাতৰ জেংবিহু দল, নাগাজাংকা জ্ঞানজ্যোতি মইনা পাৰিজাতৰ বিহু দল, সোনাপুৰ বিষ্ণুজ্যোতি মইনা পাৰিজাতৰ বিহু দলৰ বিহু প্ৰদৰ্শন কৰে। তদুপৰি কানখোৱা স্বৰগম মইনা পাৰিজাত আৰু নামৰূপীয়া জ্ঞানোদয় মইনা পাৰিজাতে দিহা নাম পৰিৱেশন কৰে। উক্ত অনুষ্ঠানতে মইনা সকলৰ দ্বাৰা লিখা আৰু



সম্পাদিত হাতে লিখা আলোচনী 'জ্ঞানজ্যোতি' উন্মোচন কৰে যোৰহাট জিলা মইনা পাৰিজাতৰ সভাপতি জয়ন্ত পুজাৰীয়ে। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি বাঘধৰা মইনা পাৰিজাতৰ মইনা অদিতি নাথে বিহু নাম পৰিৱেশন কৰে। অনুষ্ঠানটোত যোৰহাট জিলা মইনা পাৰিজাতৰ সভাপতি জয়ন্ত পূজাৰী, বাঘচোং আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি অজয় হাজৰিকা, উপ সভাপতিদ্বয় বিপুল শইকীয়া আৰু যজ্ঞেশ্বৰ কচাৰী, সম্পাদক বিতুল শইকীয়া, সাহিত্য শাখাৰ সম্পাদক ত্ৰৈলোক্য শইকীয়া, সাংস্কৃতিক সম্পাদক ৰবিন কছাৰি, সাংগঠনিক সম্পাদকদ্বয় হেমন্ত শইকীয়া আৰু থানেশ্বৰ বৰাৰ লগতে উপদেষ্টা ত্ৰয় ক্ৰমে ফনি কোঁৱৰ, মহেন্দ্ৰ খনিকৰ, নৱলকঞ্জষ্মী ৰাজকোঁঞ্জৰৰ, প্ৰকাশ গগৈ আদিও উপস্থিত থাকে।

## প্ৰতিকূল পৰিস্থিতিতো আগবাঢ়ি গ'লেহে সফলতা লাভ কৰিব পাৰি

### ■ লিগিৰীপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ এই মাহৰ অতিথি বৰা

অগ্ৰদূত বাৰ্তা
**নাজিৰা, ২ মে' ঃ** 'মানৱ জীৱনৰ পথ মসৃণ নহয়। বিভিন্ন বাধা বিঘিনিৰ মাজেৰে আগবাঢ়ে জীৱনৰ গাড়ী। কিন্তু প্ৰতিজন ছাত্ৰই প্ৰতিকূল পৰিস্থিতিতো নিজকে খাপ খুৱাই আগবাঢ়ি গ'লেহে জীৱনৰ বাটত সফলতা লাভ কৰিবলৈ সক্ষম হ'ব।' নাজিৰাৰ লিগিৰীপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শনিবৰীয়া চ'ৰাৰ এই মাহৰ অতিথি শীৰ্ষক অনুষ্ঠানত মাহটোৰ অতিথিৰূপে অংশগ্ৰহণ কৰি অসমৰ বিশিষ্ট কবি, সাহিত্যিক, সমালোচক তথা নাজিৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ৰাজীৱ বৰাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এইদৰে মনৰ ভাব ব্যক্ত কৰে। মাজুলীৰ বিষাদক কবিতাৰ জৰিয়তে সাৰ্বজনীন বিষাদৰ ৰূপ দিবলৈ সক্ষম হোৱা কবিজনে লগতে ছাত্ৰ-ছাত্ৰীসকলক সীমিত সুবিধাৰে আত্মবিশ্লেষণৰ জৰিয়তে নিজক জীৱনৰ বাটত আগুৱাই নিবলৈ আহ্বান জনায়। বিদ্যালয়ৰ শিক্ষক দেৱজিৎ শৰ্মাই আঁতধৰা অনুষ্ঠানত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ৰাজেন শৰ্মাই বিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক-সামাজিক উত্তৰণৰ



বেলিকা বিদ্যালয়খনে গ্ৰহণ কৰা এই পদক্ষেপক প্ৰশংসা কৰি কয় যে চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানসমূহৰ উত্তৰণৰ বাবে চৰকাৰে অহোপুৰুষাৰ্থ কৰিছে। এইক্ষেত্ৰত শিক্ষকসকলেও সহযোগিতা আগবঢ়ালে চৰকাৰী শিক্ষানুষ্ঠানসমূহৰো উন্নয়ন ঘটিব। ইফালে, বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰসেনজিৎ বৰঠাকুৰে সামৰণি ভাষণত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক সামাজিকভাৱে সক্ৰিয় কৰি তোলাৰ উদ্দেশ্যে প্ৰতিমাৰ শেষৰটো শনিবাৰে বিদ্যালয়ৰ শনিবৰীয়া চ'ৰাত বিভিন্ন বিষয়ৰ পাৰদৰ্শী একোজনকৈ লোকক বিদ্যালয়লৈ নিমন্ত্ৰণ কৰি ছাত্ৰ-ছাত্ৰীৰ স'তে মত বিনিময়ৰ ব্যৱস্থা কৰাৰ কথা সদৰী কৰে।

## ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ নতুন কাৰ্যালয় মুকলি

অগ্ৰদূত বাৰ্তা
**শালবাৰী, ২ মে' ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমা সদৰত আজি ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ নতুন কাৰ্যালয় মুকলি কৰা হয়। বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ ৩২ সংখ্যক মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি কাৰ্যালয়টো মুকলি কৰা হয়। দলটোৰ চিৰাঙৰ এমচিএলএ মাধৱ ছেত্ৰীয়ে ফিটা কাটি কাৰ্যালয়টো মুকলি কৰে। কাৰ্যালয় মুকলি কৰি এমচিএলএ ছেত্ৰীয়ে কয় যে কালি দলৰ শালবাৰী জিলা সমিতিৰ নতুন কাৰ্যালয়টো মুকলি কৰা হ'ল। লগতে কালি বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ মৃত্যু বাৰ্ষিকী। তেওঁ দেখুৱাই যোৱা আদৰ্শৰ মাজেৰে আমি আগবাঢ়ি যাব লাগিব আৰু তেওঁ দেখুৱাই যোৱা বাটটোৰে আমি ইউপিপিএলে কাম কৰি গৈছো বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত ইউপিপিএলৰ শালবাৰী জিলা টিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰী, দলটোৰ জ্যেষ্ঠ নেতা সুৰেশ সৰকাৰকে আদি কৰি কে'বাগৰাকীও নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

## শৈক্ষিক দিশ আগবঢ়াই নিয়াত অভিভাৱকৰ সহযোগৰ প্ৰয়োজন

### ■ শুৱালকুছি কালিৰাম কাৰিকৰ হাইস্কুলৰ অভিভাৱক সভা

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ২ মে' ঃ** 'শুৱালকুছি কালিৰাম কাৰিকৰ হাইস্কুল'ৰ অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকসকলৰ গুৰুত্বপূৰ্ণ সভা এখন বিদ্যালয় প্ৰাংগণত যোৱা ৩০ এপ্ৰিলত অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি শৈলেন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত অভিভাৱক সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক দিলীপ ভৰালীয়ে। সভাত বিদ্যালয়খনৰ নৱ নিযুক্ত প্ৰধান শিক্ষক (ভাঃপ্ৰঃ) দিবাকৰ কলিতাই বিদ্যালয়ৰ শৈক্ষিক দিশ সঠিকভাৱে আগবঢ়াই নিবলৈ হ'লে অভিভাৱকসকলৰ সহযোগ নিত্যান্তই প্ৰয়োজন বুলি দোহাৰে। কিয়নো বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীসকলে কৰা পাঠদান ছাত্ৰ-ছাত্ৰীসকলে সঠিকভাৱে গ্ৰহণ কৰিছে নে নাই তাক প্ৰতিগৰাকী অভিভাৱকে নিৰীক্ষণ কৰাটো প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ঘৰত অধ্যয়ন কৰাৰ এটা সুস্থ পৰিৱেশ অভিভাৱকসকলে গঢ়ি দিব লাগিব। অভিভাৱকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে পঢ়া-শুনা কৰা দিশটো সদায় সঠিকভাবে নিজৰ নজৰত ৰাখিব লাগিব। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগত সততে যোগাযোগ ৰক্ষা কৰি নিজৰ সন্তানৰ পঢ়ুৱাৰ পৰামৰ্শ গ্ৰহণ কৰিব লাগিব। তেনে কৰিলে নিশ্চয়কৈ ছাত্ৰ-ছাত্ৰী-ছাত্ৰীসকলে উপযুক্ত ফলাফল লাভ কৰিব আৰু বিদ্যালয়খনো শৈক্ষিত দিশত আগবাঢ়ি যাব। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক বাবুল কলিতা, শাৰীৰিক শিক্ষা নিৰ্দেশক দিলীপ মেধি, শিক্ষয়িত্ৰী সোনমাই ৰাভাই নিজৰ নিজৰ ভাষণত ছাত্ৰ-ছাত্ৰীসকলক কিদৰে অভিভাৱকসকলে শৈক্ষিক দিশত আগবঢ়াই নিলে সাফল্যতা অৰ্জন কৰিব পাৰিব তাৰ ওপৰত উল্লেখ কৰে। ছাত্ৰ-ছাত্ৰীৰ সকলো দিশৰ ওপৰতে অভিভাৱকসকলে সততে নজৰ দিয়াটো অতীৱ প্ৰয়োজন বুলিও তেওঁলোকে দোহাৰে। সভাপতি শৈলেন শৰ্মাই ছাত্ৰ-ছাত্ৰীসকল অকল শিক্ষিত হ'লেই নহ'ব জ্ঞানীয়ো হ'ব লাগিব বুলি কয়। দেশৰ সু-নাগৰিক হ'ব লাগিলে শিক্ষা-দীক্ষা সকলোতে আগৰণুৱা হ'ব লাগিব। অভিভাৱকসকলে নিজৰ সন্তানক সকলো দিশতে পাৰ্গত কৰি তুলিবলৈ যত্নপৰ হ'ব লাগিব বুলিও তেওঁ কয়। সভাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলে এটি সমবেত সংগীত পৰিৱেশন কৰি পৰিৱেশটো জীপাল কৰি তোলে। সভাত অভিভাৱকসকলেও তেওঁলোকৰ নিজৰ নিজৰ মতামত দাঙি ধৰি বিদ্যালয়ৰ শৈক্ষিক দিশত পূৰ্ণ সহযোগ কৰাৰ কথা ব্যক্ত কৰে। সভাত বিদ্যালয় আৰু জনীয়া মাতৃ গোট এটাও গঠন কৰা হয়।

## নলবাৰীত অৱসৰৰ দিনাই আঠ শিক্ষক-কৰ্মচাৰীক পেঞ্চন

অগ্ৰদূত বাৰ্তা
**নলবাৰী, ২ মে' ঃ** নলবাৰী জিলা প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ অধীনস্থ জিলাখনৰ চাৰিটা শিক্ষা খণ্ডৰ সাত গৰাকী শিক্ষকৰ লগতে এগৰাকী চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক পৰহি অৱসৰৰ দিনাই পেঞ্চনৰ নথিপত্ৰ প্ৰদান কৰে। জিলা প্ৰাথমিক শিক্ষা বিষয়া সীমান্ত কুমাৰ ডেকাৰ তৎপৰতাত জিলা প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ত আয়োজিত এক অনুষ্ঠানত শিক্ষাবিষয়াজনে শিক্ষক কৰ্মচাৰীসকলক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ উপৰি হাতে হাতে পেঞ্চনৰ নথিসমূহ প্ৰদান কৰে। উল্লেখ্য যে কাৰ্যালয়ৰ মুখ্য সহায়ক পৰেশ শৰ্মা, জ্যেষ্ঠ সহায়ক পুলক তালুকদাৰ, মধুসুধন বসুমতাৰীৰ লগতে আটাইবোৰ কৰ্মচাৰীৰ উপস্থিতিত শিক্ষা বিষয়া ডেকাই অৱসৰ গ্ৰহণ কৰা শিক্ষক-কৰ্মচাৰীসকলৰ সুদীৰ্ঘ বছৰৰ শিক্ষাব্ৰতী কৰ্ম জীৱনৰ শলাগ লয় আৰু শিক্ষাদানেৰে মহান হোৱা শিক্ষাগুৰুসকলৰ পৰৱৰ্তী জীৱনো বাখৰ হৈ থকাৰ কামনা কৰে।






■ লালুক তিনিআলিৰ পৰা মেনেহা আমপৰা পথত নির্মাণৰ নামত আলকতৰা-শিলগুটি লেপন

# প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ নির্মাণত অনিয়ম

অগ্ৰদূত বাৰ্তা

**লালুক, ২ মে’ ঃ** লালুক বেংক তিনিআলিৰ পৰা মেনেহা হৈ আমপৰালৈ যোৱা মুঠ ৪-০৫৬ কিলোমিটাৰ দৈৰ্ঘৰ পথছোৱা প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত নিৰ্মাণ কাৰ্য চলি আছে। পথটো নিৰ্মাণত ঠিকাদাৰে চূড়ান্ত অনিয়ম সংঘটিত কৰাৰ অভিযোগ উঠিছে। পথ নিৰ্মাণৰ নামত পথটোত থকা পূৰ্বৰ ব্লেক ট্ৰপিংবোৰ এৰুৱাই তাত আলকতৰা আৰু শিলগুটি লেপন দিয়া কাৰ্যৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে অঞ্চলটোৰ ৰাইজ। পথছোৱাৰ কোনো কোনো অংশত পূৰ্বতে থকা ব্লেক ট্ৰপিঙত অকিয়াই তাৰ ওপৰতে ঠিকাদাৰে শিল-আলকতৰাৰ লেপন দিছে। প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ নিৰ্মাণ হৈ থকা পথটোত নাম ফলকত উল্লেখ কৰা মতে টুনীজান নম্বৰ দুই এ লৈ এছ এইছ ৪৩ হৈ আমপৰালৈ মুঠ ৪-০৫৬ কিলোমিটাৰ দৈৰ্ঘৰ পথটোৰ অনুমোদিত ধনৰ পৰিমাণ ২,২১,৬৪,৮০০ টকা, পথটোৰ কাম আৰম্ভণিৰ তাৰিখ আছিল ১৬ জুন ২০২০ আৰু কাম শেষ কৰা তাৰিখ ১৬ মাৰ্চ ২০২১ বুলি নাম ফলকত লিপিবদ্ধ আছে। পথটো নিৰ্মাণৰ ঠিকাদাৰগৰাকীৰ নাম উত্তৰ লখিমপুৰ নকাড়ীৰ গীতাঞ্জলি বৰুৱা শইকীয়া বুলি উল্লেখ আছে। অঞ্চলটোৰ ৰাইজে অভিযোগ কৰা মতে, পথটো নিৰ্মাণৰ কাম কেতিয়াবাই শেষ হ’ব লাগিছিল। কিন্তু ঠিকাদাৰগৰাকীৰ হেমাহিৰ বাবে পথছোৱা নিৰ্মাণত পলম হৈছে। যাৰ বাবে অঞ্চলটোৰ ৰাইজে দীৰ্ঘদিন ধৰি যাতায়াত অব্যাহত ৰাখোতে চৰম জুলাকলা খাব লগা হ’ল। শেহতীয়াকৈ পথছোৱা নিৰ্মাণৰ কাম চলাই আছে। যদুমণি নামৰ ঠাইত পথটো নিৰ্মাণত ঠিকাদাৰগৰাকীয়ে অনিয়ম সংঘটিত কৰা বুলি ৰাইজে অভিযোগ কৰিছে। পথছোৱাত পূৰ্বতে থকা ব্লেক ট্ৰপিংবোৰ এৰুৱাই কোনো ফলা শিল-নছটিয়াকৈ তাৰ ওপৰত আলকতৰা আৰু শিলৰ লেপন দি পথছোৱা নিৰ্মাণ কৰিছে। এই ক্ষেত্ৰত বিভাগীয় উৰ্দ্ধতন বিষয়াসকলে ক্ষেত্ৰ পৰিদৰ্শন নকৰাৰ বাবে নিৰ্মাণকাৰী সংস্থা অথবা ঠিকাদাৰে নিজ খেয়াল খুচি মতে পথ নিৰ্মাণত অনিয়ম সংঘটিত কৰা বুলি ৰাইজে অভিযোগ কৰিছে। পথটোৰ কোনো কোনো অংশত পূৰ্বৰ ব্লেক ট্ৰপিঙৰ ওপৰত আঁক মাৰি তাৰ ওপৰত আলকতৰা আৰু সৰু শিলৰ লেপন দি পথ নিৰ্মাণ কৰিলে পথছোৱাৰ ম্যাদ কিমান দীৰ্ঘদিনীয়া হ’ব বুলি অঞ্চলটোৰ ৰাইজে বিভাগীয় বিষয়া-কৰ্মচাৰীসকলক প্ৰশ্ন কৰিছে। এই ক্ষেত্ৰত জিলা প্ৰশাসন তথা চৰকাৰক পথছোৱা ফলা শিল ছটিয়াই সুন্দৰকৈ নিৰ্মাণ কৰিবলৈ দাবী জনাইছে অঞ্চলটোৰ ৰাইজে।



## গেলেকীৰ প্ৰথমটো তেলৰ পুং সেউজীয়াকৰণ



অগ্ৰদূত বাৰ্তা

**নামতি, ২ মে’ ঃ** খাৰুৱা তেলৰ বাবে বিখ্যাত গেলেকীৰ প্ৰথমটো তেল খাদত গেলেকী ৰেল মেইনটেনেন্স টিমৰ ভাৰপ্ৰাপ্ত বিষয়া ভৱানন্দ বৰাৰ নেতৃত্বত যোৱা ৩০ এপ্ৰিলত সেউজীয়াকৰণৰ এক কাৰ্যসূচী সম্পাদন কৰা হয়। উল্লেখ্য যে ১৯৭১ প্ৰতিষ্ঠা কৰা গেলেকী ৰেল নম্বৰ ওৱান-এ ইতিমধ্যে সফলতাৰে ৫০ বছৰ অতিক্ৰম কৰিছে। প্ৰতিষ্ঠা কালৰে পৰা এই পৰ্যন্ত উক্ত তেল খাদটোৰ পৰা খাৰুৱা তেল সংগ্ৰহ কৰি থকা হৈছে। এই তেল খাদটোক সুন্দৰকৈ বৃক্ষৰে সজাই স্মৰণীয় কৰি তোলাৰ মানসেৰে, সেউজীয়াকৰণৰ জৰিয়তে প্ৰকৃতিৰ উপকাৰ কৰাৰ মানসেৰে বৃহত্তৰ ভূমিত বৃক্ষৰোপণৰ পৰিকল্পনা কৰা হৈছে আৰু এই কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। ইতিমধ্যে চন পৰি থকা মুকলি ঠাইত বিভিন্ন প্ৰকাৰৰ বৃক্ষৰোপণ কৰা হৈছে। যোৱা ৩০ এপ্ৰিলত এই তেলখাদৰ মুকলি ঠাইত বনানিকৰণ কৰাৰ মানসেৰে এক বৰ্ণাঢ্য কাৰ্যসূচী হাতত লোৱা হয়। ভূ-পৃষ্ঠ দলৰ সঞ্চালক এছ তিৱাৰী মুখ্য অতিথিৰূপে উপস্থিত থকা উক্ত অনুষ্ঠানত নামতি খেজুৰিতলৰ সম্প্ৰীতি চেমনীয়া হুঁচৰি দলৰ বিহু প্ৰদৰ্শন, স্থানীয় গাভৰু জেং বিহু প্ৰদৰ্শন আদি অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠান তেলখাদটোৰ কৰ্মচাৰী, লোকশিল্পী দ্বিজেন গগৈ, জ্যেষ্ঠ সাংবাদিক অনুজ ৰাজখোৱা, গেলেকী আদৰ্শ বিদ্যাপীঠৰ অধ্যক্ষা কুন্তিৰাণী বৰা, সু-লেখিকা মঞ্জু বৰা, সু-লেখক দুৰ্লভ শইকীয়া বন কোঁৱৰ নিৰণ গগৈ, স্থানীয় বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী মঞ্জুলতা ঠাকুৰীয়াক বিদায় সম্ভাষণ

অগ্ৰদূত বাৰ্তা

**আজাৰ, ২ মে’ ঃ** আজাৰা অঞ্চলৰ অন্যতম পুৰণি শিক্ষানুষ্ঠান ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মঞ্জুলতা ঠাকুৰীয়াক যোৱা ৩০ এপ্ৰিলত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী গোট আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত আয়োজন কৰা বিদায় সভাত বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জয়ন্ত কুমাৰ পাটগিৰিৰ সভাপতিত্বত বিদায় সম্বৰ্ধনা সভাখনত শ শ ছাত্ৰ-ছাত্ৰীক জ্ঞানৰ পোহৰ বিলোৱা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীগৰাকীক বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী গোটৰ তৰফৰ পৰা গামোচা, শৰাই, মানপত্ৰ, জাপিৰে সম্বৰ্ধনা জনায়। আনহাতে, ২০১৭-১৮ৰ প্ৰাক্তন ছাত্ৰৰ তৰফৰ পৰাও গামোচা, বস্ত্ৰ, মানপত্ৰ, সঁফুৰা জাপি, কিতাপৰ টোপোলাৰে বিদায় সম্বৰ্ধনা জনোৱাৰ লগতে বিদ্যালয়ৰ চৌহদত নিমগছ পুলি ৰোপণ কৰা হয়। আনহাতে, বিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা ফুলাম গামোচা, জাপি প্ৰদানেৰে অশ্ৰুসিক্ত নয়নেৰে বিদায় সম্বৰ্ধনা জনায়। সভাখনত বিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পলাশ বৈশ্য, প্ৰাক্তন ছাত্ৰ মকিবুৰ আলী, ৰাকেশ দাস, দিব্যজ্যোতি ডেকা, ইয়াদুল হুছেইন, কংকন দাস, চিৰঞ্জত দাস, অভিনাশ দাস, হিমাংশু দাসকে ধৰি কে’বাজনো প্ৰাক্তন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰী সকলোৱে বিদায়ী শিক্ষয়িত্ৰীৰ পৰা আশীৰ্বাদ লোৱাৰ উপৰি চৰকাৰীভাৱে বিদায় ল’লেও অনাগত দিনত বিদ্যালয়খনৰ শৈক্ষিক উন্নয়নৰ স্বাৰ্থত বিদ্যালয়খনলৈ মাজে সময়ে আহি সু-পৰামৰ্শ দিবৰ বাবে মকিবুৰ আলীয়ে অনুৰোধ জনায়।

## নগাঁৱৰ সাহিত্যানুষ্ঠানত সুবৰ্ণ গোস্বামীৰ দুখন গ্ৰন্থ উন্মোচন

বিশেষ সংবাদদাতা

**নগাঁও, ২ মে’ ঃ** নগাঁও জিলাৰ সাহিত্য সভাৰ কমলা দেৱী টোডি স্মৃতি ভৱনত কালি লেখিকা সুবৰ্ণ গোস্বামীৰ দুখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত অধ্যাপক গুণ শইকীয়াই লেখিকাগৰাকীৰ ‘ভাগৱত পুৰাণৰ ৰসাল কাহিনী’ নামৰ গ্ৰন্থখন উন্মোচন কৰি ইয়াৰ জৰিয়তে বিশেষকৈ শিশুসকল উপকৃত হ’ব বুলি মন্তব্য আগবঢ়ায়। লেখক ভৱেশ মেধি, শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, সমাজকৰ্মী বল্লদেৱ শৰ্মা, ৰঞ্জিত কুমাৰ তামুলী ফুকন প্ৰমুখ্যে শতাধিক সাহিত্যানুৰাগীৰ উপস্থিতিত অনুষ্ঠিত এই অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱাই ‘স্মৃতিৰ সঁফুৰা’ নামৰ আন এখন ভ্ৰমণমূলক গ্ৰন্থ উন্মোচন কৰি গ্ৰন্থখনৰ পৰা নতুন ভ্ৰমণকাৰীসকলে বহুখিনি আভাস পাব বুলি ব্যাখ্যা কৰে গ্ৰন্থ উন্মোচনৰ অন্তত নগাঁও জিলা সাহিত্য সভাৰ মাহেকীয়া সাহিত্য পাঠ অনুষ্ঠান অনুষ্ঠিত হয়। লেখিকা উপমা মজুমদাৰৰ সঞ্চালনাত অনুষ্ঠিত উক্ত অনুষ্ঠানত জীৱন নৰহ, মৃণাল কুমাৰ বৰা, দীপ্তি বৰা, কাৰুণ্য ভট্টাচাৰ্য, অনিমা শৰ্মা, বৰুৱা, জেউতি হাজৰিকা, গুণদা গোস্বামী, নিৰলা শইকীয়া দাস, উৎপল বৰা, দেবযানী শৰ্মা পাঠকে স্বৰচিত লেখাসমূহ পাঠ কৰে।

## পুৰণিগুদামত বসন্তৰ এনিশা, মুকলি মঞ্চ উন্মোচন

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ২ মে’ ঃ** নগাঁও জিলাৰ পুৰণিগুদাম নামপানী গাঁও যুৱক-যুৱতীসকলৰ ব্যৱস্থাপনাত যোৱা ৩০ এপ্ৰিলত ‘বসন্তৰ এনিশা’ শীৰ্ষক অনুষ্ঠানৰ লগত সংগতি ৰাখি নামপানীগাঁও সামাজিক শিক্ষাকেন্দ্ৰ আৰু পুথিভঁৰালৰ অধিবেশন আৰু মুকলি মঞ্চৰ দ্বাৰ উন্মোচনী উপলক্ষে এখন মুকলি সভা অনুষ্ঠিত হয়। ৪২ৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা প্ৰয়াত বিমল কলিতাৰ সোঁৱৰণত নিৰ্মাণ কৰা মুকলি মঞ্চৰ উন্মোচন কৰা হয়। স্বাধীনতা সংগ্ৰামী বিমল কলিতাৰ সোঁৱৰণত তেওঁৰ সুযোগ্য পুত্ৰ প্ৰবীণ কলিতাই দান কৰা সাংস্কৃতিক মুকলি মঞ্চখন উদ্বোধন কৰে বৰ্ষীয়ান অভিনেতা সমাজসেৱক, লেখক বুদ্ধিনাথ কলিতাই। বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ তথা পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যুগল চন্দ্ৰ দেৱগোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত বিশিষ্ট অতিথিৰূপে অসম সত্ৰ মহাসভাৰ অন্যতম সম্পাদক তথা অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক প্ৰান্তিক গোস্বামী আৰু বিশিষ্ট নাট্যকাৰ, পৰিচালক মৃণাল বৰা উপস্থিত থাকি ভাষণ প্ৰদান কৰে। নামপানীগাঁও সামাজিক শিক্ষাকেন্দ্ৰ আৰু পুথিভঁৰালৰ সভাপতি খগেন শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত কলংপাৰ হালোৱাগাঁৱৰ ধৰিত্ৰী কলিতাই বৰগীত পৰিৱেশন কৰি উপস্থিত ৰাইজক মন্ত্ৰমুগ্ধ কৰে। উক্ত অনুষ্ঠানৰ সম্পাদক চিণ্ময়জ্যোতি কলিতাই আঁত ধৰা অনুষ্ঠানটোত প্ৰফুল্ল কলিতাই শলাগৰ শৰাই আগবঢ়োৱাৰ লগতে মুকলি সভাখনত দুই শতাধিক লোক উপস্থিত থাকে।

## কৈমাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**আগমনী, ২ মে’ ঃ** কৈমাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু বক্কৰ ছিদ্দিকিৰ অৱসৰৰ দিনা যোৱা ৩০ এপ্ৰিলত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আবু বক্কৰ ছিদ্দিক আগমনী কৰ্মচাৰী পৰিষদৰ আগমনী আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি আছিল আৰু এজন দক্ষ শিক্ষক হিচাপে পৰিচিত। কৈমাৰী মধ্য ইংৰাজী বিদ্যালয়খন ১৯৮০ত স্থাপিত হয় আৰু ছিদ্দিক ২০০৩ত বিদ্যালয়ত সহঃশিক্ষক হিচাপে যোগদান কৰে আৰু ২০০৮ত প্ৰধান শিক্ষক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। সামাজিকভাৱে ছিদ্দিক এজন প্ৰভাৱশালী লোক। কৈমাৰী মধ্য ইংৰাজী বিদ্যালয়খনক প্ৰদেশীকৰণৰ ক্ষেত্ৰত ছিদ্দিক আছিল প্ৰধান লোক। প্ৰাদেশিকৰণৰ ক্ষেত্ৰত অগ্ৰগনি ভূমিকা গ্ৰহণ কৰা লোকজনক ছাত্ৰ-ছাত্ৰী, সমাজৰ সচেতন লোক, বিদ্যালয় পৰিচালনা সমিতিয়ে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। বিদায়ী সভাত সভাপতিত্ব কৰে মজিবৰ ৰহমানে অনুষ্ঠানত কৰ্মচাৰী পৰিষদৰ সভাপতি মান্নক হুছেইন খান, সম্পাদক দেৱজিৎ চক্ৰৱৰ্তী, সহঃসম্পাদক শহিদুৰ ৰহমান, উপদেষ্টা অহিদ খান, আমজাদ হুছেইন মজুমদাৰ, জাহান উদ্দিন, উপ-সভাপতি জাকিৰ হুছেইন, আগমনী আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি নজৰুল ইছলাম, জৰুৱা বন্দিহনা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি অবিদুজ্জামান, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আৰু বিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰী, স্থানীয় ৰাইজ উপস্থিত থাকে।

## গোসাঁইগাঁৱত বিষুৱা উৎসৱ উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**দোতমা ২ মে’ ঃ** কোচ-ৰাজবংশী জনগোষ্ঠীৰ হেঁপাহৰ পৰম্পৰাগত জাতীয় উৎসৱ হ’ল বিষুৱা। গোসাঁইগাঁৱৰ বাসবাৰী, বাবুবিল, পদ্মপুখুৰী বেষমা বৰেয়া সমিতিৰ উদ্যোগত এদিনীয়া কাৰ্যসূচীৰে গোসাঁইগাঁৱৰ বাবুবিল খেলপথাৰ প্ৰাংগণত বিষুৱা অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানৰ সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে গোসাঁইগাঁও থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অমৰজ্যোতি বাইলুং। অসম, পশ্চিমবংগ আদি কৰি বিভিন্ন ঠাইৰ কোচ-ৰাজবংশী সাংস্কৃতিক দলে অনুষ্ঠানত ভাগ লয়। অনুষ্ঠানত উপস্থিত থাকে অভ্যৰ্থনা সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে কমলেশ্বৰ ৰায় আৰু মনোৰঞ্জন ৰায়, কেএচিৰ ইএম কৰ্মেশ্বৰ ৰায়, আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি বলোৰাম বৰ্মন, সম্পাদক সুনাধৰ ৰায়, আক্ৰাছুৰ আনটো গোটৰ সভাপতি দীপেন বৰ্মন, আক্ৰাছুৰ পশ্চিম কোকৰাঝাৰ জিলা সম্পাদক নীলকুমাৰ ৰায়, কেন্দ্ৰীয় সদস্য ৰাধামাধৱ অধিকাৰী, সহকাৰী আয়ুক্ত প্ৰিয়ংকৰ প্ৰতীম ডেকা, স্থানীয় সমাজ সেৱক জেঠমল মালুৰ লগতে জিলা, আঞ্চলিক পৰ্যায়ৰ আক্ৰাছুৰ বিভিন্ন কৰ্মী আৰু গোসাঁইগাঁওবাসী ৰাইজ।



## ছয়গাঁৱৰ হৰিমন্দিৰৰ বাকৰিত বৃক্ষৰোপণ

**ছয়গাঁও, ২ মে’ ঃ** ছয়গাঁও হৰি মন্দিৰ প্ৰাংগণত শোভাবৰ্ধনৰ বাবে সমগ্ৰ হৰিমন্দিৰ চৌহদত শোভাবৰ্ধক আৰু মূল্যবান গছপুলি ৰোৱা হয়। এই কাৰ্যৰ যুটীয়াভাৱে আৰম্ভ কৰে হৰিমন্দিৰ পৰিচালনা সমিতিৰ মুখ্য উপদেষ্টা তথা প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতা আৰু গ্ৰামীণ ছাহাৰাৰ সচিব শৰৎ দাসে। উক্ত বৃক্ষৰোপণ কাৰ্যসূচীত জিলা পৰিষদৰ সদস্য গোলাপ মেধি, ছয়গাঁও চম্পকনগৰ সাৰ্বজনীন ৰাস মহোৎসৱ সমিতিৰ সভাপতি পৰশুৰাম দাস, সাধাৰণ সম্পাদক ঘনশ্যাম কলিতাকে আদি কৰি সমিতিৰ জ্যেষ্ঠ কৰ্মকৰ্তা প্ৰফুল্ল ভড়ালী, লোহিত ঠাকুৰীয়া, চন্দ্ৰকান্ত কলিতা, মুকুট ঠাকুৰীয়া, প্ৰফুল্ল মেধি প্ৰমুখ্যে সদস্যসকলে অংশগ্ৰহণ কৰে।

## মাটিয়া উদ্যোগ বিকাশ কেন্দ্ৰত ৰাজহ ফাকিৰে উদ্যোগ নিৰ্মাণ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২ মে’ ঃ** গোৱালপাৰা জিলাৰ মাটিয়া উদ্যোগ বিকাশ কেন্দ্ৰৰ মৰনৈত হ’বলগীয়া গুলচান পলিউলচ লিমিটেডৰ নিৰ্মাণ কাৰ্যৰ বাবে ৰাজহ ফাঁকিৰে মাটি সৰবৰাহ কৰা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে যোৱা ২৬ এপ্ৰিলত চালানবিহীনভাৱে দুখনকৈ ট্ৰেক্টৰেৰে মাটি যোগানক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। উত্থপিত অভিযোগ অনুসৰি ডুবাপাৰা বন খণ্ড তথা ডুবাপাৰা সপ্তাহিক বজাৰৰ নাতিদূৰৈত জলজলী নদীৰ কাষতে থকা গিয়াছ উদ্দিনৰ পট্টাভুক্ত জমিৰ মাটি খননৰ বাবে বিভাগীয় অনুমতি প্ৰদান কৰিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত চালান অবিহনেই তথা কম পৰিমাণৰ চালানেৰে অধিক পৰিমাণৰ মাটি সৰবৰাহ কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে। কেৱল সেয়াই নহয় অনুজ্ঞাপত্ৰ থকা অঞ্চলৰ পৰা প্ৰায় চাৰি কিলোমিটাৰ নিলগত ডাকাইদল আৰু লুপ্তচৰৰ সংগমস্থলীৰ পৰা হেজাৰ হেজাৰ চিএম মাটি খনন কৰা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। এইদৰে অবৈধভাৱে নদী কাষৰীয়া অঞ্চলৰ মাটি অবাধ গতিত খননকাৰ্য চলাই থকাত অঞ্চলটোত খহনীয়াই ভাবুকি কঢ়িয়াই আনিছে। ডুবাপাৰা বন বিষয়াই অবৈধভাৱে মাটি খননকাৰী চক্ৰটোৰ পৰা বুজন পৰিমাণৰ উৎকোচ সংগ্ৰহ কৰি থকা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। যোৱা ২৯ এপ্ৰিলত জিলা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া আৰু গোৱালপাৰা আঞ্চলিক বন বিষয়াই ডুবাপাৰা অঞ্চলত ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰিবলৈ যোৱাৰ পাছতে বন খণ্ড বিষয়াৰ দুৰ্নীতি পোহৰলৈ আহে। পৰিদৰ্শনৰ সময়তে এ এছ-১৮ এ চি-৩৭২৭ নম্বৰৰ মাটিভৰ্তি ডাম্পাৰ এখন ডুবাপাৰাৰ পৰা মৰনৈ গুলচান পলিউলছ লিমিটেডলৈ গৈ থকা অৱস্থাত প্ৰত্যক্ষ কৰি জিলা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াৰ নিৰ্দেশমৰ্মে ডাম্পাৰখনৰ নথিপত্ৰ পৰীক্ষা কৰে। ডাম্পাৰখনে মাত্ৰ ১০ চিএমৰ চালানেৰে প্ৰায় ২৪ চিএম মাটি কঢ়িয়াই নিয়াৰ বাবেই জব্দ কৰি ডিএফঅ’ৰ কাৰ্যালয়লৈ লৈ আহে। উল্লেখ্য যে মৰনৈস্থিত মাটিয়া উদ্যোগ বিকাশ কেন্দ্ৰৰ নিৰ্মাণ কাৰ্যৰ বাবে লাখ লাখ চিএম মাটিৰ প্ৰয়োজন হৈ আহিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত স্থানীয় খণ্ড বন বিষয়াৰ ছত্ৰছায়াত অসাধু চক্ৰই লাখ লাখ টকাৰ ৰাজহ ফাঁকিৰে চোৰাংকৈ মাটি সৰবৰাহ কৰাটো এক পৰম্পৰাত পৰিণত হোৱা বুলি ৰাইজে অভিযোগ কৰিছে।

## যোৰহাটত স্বাস্থ্য পৰীক্ষা-ঔষধ প্ৰদান

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ২ মে’ঃ** অসম জাতীয়তাবাদী যুৱ পৰিষদৰ উদ্যোগত বৰুৱা চাৰ্জিকেল চেণ্টাৰ আৰু বেচৰকৰী অনুষ্ঠান ‘অনেক’ৰ সহযোগত কালি পশ্চিম যোৰহাটৰ মিচিমিআটি কুমাৰ প্ৰাথমিক বিদ্যালয়ত স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰা হয়। ডাঃ অমৃত কুমাৰ শইকীয়া, ডাঃ এ কে শৰ্মা, ডাঃ নিখিল ৰাজখোৱা, ডাঃ বিপুল কুৰ্মীয়ে শিশুৰ পৰা বৃদ্ধলৈকে স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰে। খগেন দাসৰ তত্ত্বাৱধানত মিণ্টু গগৈ, মনোজ বৰুৱা, গৰিমা বৰা, পূৰবী গগৈ, অসীমা বেগম আৰু প্ৰণৱজ্যোতি শৰ্মাই সহযোগিতা কৰা আৰম্ভণিত পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়া, সহকাৰী সম্পাদক পংকজ কুমাৰ দাস উপস্থিত থাকে। ইফালে, টেকেলাগাঁৱৰ তৃণমূল জাতীয় বিদ্যালয়ত কালি শতাধিক লোকৰ চকু পৰীক্ষা কৰি ঔষধ আৰু বিধান-পত্ৰ দিয়ে ডাঃ হীৰকজিৎ আজম আৰু ডাঃ ভাৰত ভূষণে। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতি বিশেষকৈ সেবিন বৰাৰ বিশেষ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানত প্ৰথমে বিদ্যালয়খনত অধ্যয়নৰত সকলো শিক্ষাৰ্থীয়ে চকু পৰীক্ষা কৰায়।

## দুৰ্ঘটনাত নিহত এজন হোজাইত

অগ্ৰদূত বাৰ্তা

**হোজাই, ২ মে’ ঃ** কালি পুৱতি নিশা হোজাইত সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোক নিহত হয়। হোজাইৰ হাম হস্পতালৰ সমীপত সংঘটিত দুৰ্ঘটনাত থিতাতে নিহত হয় আকবৰ আলী নামৰ এজন লোক। হোজাই নীলবাগান পথত এএছ-০২ এএ-৫১৬১ নম্বৰৰ মটৰ চাইকেলৰে আহি থকাৰ সময়ত হাম হাস্পতালৰ সন্মুখত খুন্দিয়াই দুৰ্ঘটনাগ্ৰস্ত হয়। এই দুৰ্ঘটনাত হোজাইৰ নীলবাগানৰ আকবৰ আলী নামৰ লোকজন থিতাতে নিহত হয়। পাছত হোজাই আৰক্ষীয়ে মৃত আকবৰৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱৰ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## মাজুলী ভিত্তিত ‘আমাৰ মাজুলী’ শীৰ্ষক কৃষক সমাৰোহ

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২ মে’ ঃ** মাজুলী জিলা প্ৰশাসন আৰু জিলা কৃষি বিভাগৰ দ্বাৰা চতুৰ্থ পৰ্যায়ৰ ‘আমাৰ মাজুলী’ শীৰ্ষক এখন মাজুলী ভিত্তিত কৃষক সমাৰোহ স্থানীয় মাধৱদেৱ কৃষি সংঘৰ খনাচুকত অনুষ্ঠিত হয়। সহস্ৰাধিক কৃষক উক্ত সমাৰোহত উপস্থিত থাকে। উপায়ুক্ত, আৰক্ষী অধীক্ষক, জিলাখনৰ বিভাগীয় বিষয়াসকল উপস্থিত থকা সভাখন মুকলি কৰে স্থানীয় বিধায়ক ভুৱন গামে। তেওঁ ভাষণ প্ৰসংগত কৃষি, মীন, পশু পালনৰ আদিত মনোনিবেশ কৰি নিজকে স্বাৱলম্বী হ’বলৈ উঠি অহা যুৱক-যুৱতীসকলক আহ্বান জনায়। উক্ত সভাতেই বিভাগে মনোনীত কৰা চাৰিগৰাকী মীন আৰু এগৰাকী পশুপালন কৰা কৃষকক তেওঁলোকে লাভ কৰা উন্নতিৰ স্বীকৃতি স্বৰূপে সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাত জিলা উপায়ুক্ত পুলক মহন্তই কৃষকসকলক চৰকাৰী বিভিন্ন উন্নয়নমূলক আঁচনিসমূহ বিশেষকৈ কৃষি, মীন আৰু পশুপালনৰ দৰে আঁচনিসমূহ গ্ৰহণ কৰি নিজকে স্বাৱলম্বী হ’বলৈ আহ্বান জনায়।

## উপ-অভিযন্তা সেৱা সন্থাৰ শোণিতপুৰ জিলাৰ ন-পুৰণি বৈঠক

ষ্টাফ ৰিপৰ্টাৰ

**তেজপুৰ, ২ মে’ ঃ** সদৌ অসম শাখা সহকাৰী আৰু উপ-অভিযন্তা সেৱা সন্থাৰ শোণিতপুৰ জিল সন্থাৰ ন-পুৰণি যুটীয়া বৈঠকখন যোৱা ৩০ এপ্ৰিলত তেজপুৰ মিছন চাৰিআলিস্থিত বিস্তৃত গো উন্নয়ন কাৰ্যালয়ত অনুষ্ঠিত হয়। সভাত যোৱা সাধাৰণ সভাৰ কাৰ্য বিৱৰণী পাঠ কৰাৰ অন্তত সভাই পৰৱৰ্তী সাধাৰণ সভাত অনুমোদনৰ বাবে আগবঢ়াবলৈ পৰামৰ্শ দিয়ে। সভাত নতুন কমিটীৰ বিষয়ববীয়া আৰু কাৰ্যবাহী সদস্যসকলক সন্থাৰ সংবিধানৰ গোপনীয়তাৰ শপত বাক্য পাঠ কৰায় সন্থাৰ প্ৰাক্তন জিলা সম্পাদক নৰেন্দ্ৰ নাথ শৰ্মাই। তেওঁ সন্থাৰ সংগঠন শক্তিশালী কৰি তোলাৰ ওপৰত সদস্যসকললৈ কেতবোৰ পৰামৰ্শ আগবঢ়ায়। বিদায়ী সভাপতি ৰবীন্দ্ৰ কুমাৰ বৰাই শোণিতপুৰ জিলা সন্থাৰ নতুন সভাপতি ৰাতুল দাসক জিলা সন্থাৰ দায়িত্ব হস্তান্তৰ কৰে। বিদায়ী সভাপতি বৰাই কয় যে ব্ৰিটিছ চৰকাৰৰ দিনতে ১৯৩৯ৰ পাঁচ মে’ত গঠন হোৱা এই সন্থা অসমৰ বিভিন্ন সন্থা-সংগঠনসমূহৰ ভিতৰত আটাইতকৈ পুৰণি সংগঠন আৰু হীৰক জয়ন্তী বৰ্ষ গৰকি সম্প্ৰতি সন্থাই শতবৰ্ষত ভৰি দিবলৈ আগুৱাই গৈছে। তাহানি কেৱল গড়কাপ্তানী বিভাগৰ সদস্যসকলক লৈ গঠন হোৱা সন্থাৰ অতীতৰ বিষয়ববীয়াসকলৰ একান্ত সদিচ্ছা আৰু ত্যাগৰ বাবেই সন্থাই কালি এই অৱস্থাত উপনীত হ’বলৈ সক্ষম হোৱাত সেইসকল মহান ব্যক্তিলৈ তেওঁ গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। বৰাই লগতে কয় যে সম্প্ৰতি গড়কাপ্তানী পথ বিভাগৰ লগতে গড়কাপ্তানী গৃহ, জলসম্পদ, জলসিঞ্চন আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ শাখা সহকাৰী আৰু উপ-অভিযন্তাসকলৰ অন্তৰ্ভুক্তিৰে সন্থাৰ পৰিসৰ বৃদ্ধি কৰা হয়। সন্থাৰ সাংগঠনিক দিশ অধিক শক্তিশালী কৰাৰ বাবে প্ৰতিটো বিভাগৰ সংমণ্ডলত একোখনকৈ শাখা কমিটী গঠন কৰাকে ধৰি বিভিন্ন পৰামৰ্শও আগবঢ়ায়। সভাত নতুন কমিটীৰ কাৰ্যনিৰ্বাহক সভা অহা পাঁচ মে’ত অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## বিশ্বনাথত চিপিআই(এম)ৰ আন্তৰ্জাতিক মে’ দিৱস

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২ মে’ ঃ** শ্ৰমিক কৃষক ঐক্য জিন্দবাদ কেন্দ্ৰীয় মে’ দিৱস উদ্‌যাপন সমিতিৰ সহযোগত কেন্দ্ৰীয় সমিতি বিশ্বনাথ জিলাই দিনজোৱা কাৰ্যসূচীৰে হিমালয় বিবাহ ভৱনৰ সভা কক্ষত আন্তৰ্জাতিক মে’ দিৱস উদ্‌যাপন কৰে। মে’ দিৱসৰ লগত সংগতি ৰাখি পতাকা উত্তোলনৰ লগতে বন্তি প্ৰজ্বলন কৰা হয়। তাৰ পাছত এক সাংস্কৃতিক শোভাযাত্ৰাত বিভিন্ন জনে অংশগ্ৰহণ কৰে। আনহাতে, হিমালয় বিবাহ ভৱনৰ সভা কক্ষত এক জনসভা আয়োজনত চিপিআই (এম)ৰ কেন্দ্ৰীয় সমিতি, জিলা আৰু আঞ্চলিক সমিতিৰ সদস্যসকল আৰু চিটুৰ ৰাজ্যিক নেতাসকল জনসভাত উপস্থিত থাকি সভাত বৰ্তমানৰ চাহ বাগিচাৰ শ্ৰমিকৰ বিভিন্ন সমস্যা অভাৱ-অভিযোগ, ক’ভিড কালছোৱাত নিবনুৱাৰ বিভিন্ন সমস্যা আদিৰ ওপৰত বক্তব্য ৰাখি বৰ্তমান চৰকাৰক উক্ত সমস্যাৰ সমাধান কৰিবলৈ দাবী জনায়।

## মঙলদৈ সাহিত্য চ’ৰাৰ ২৪৪ সংখ্যক বৈঠক

বিশেষ সংবাদদাতা

**মঙলদৈ, ২ মে’ ঃ** ‘সাহিত্য হৈছে এটা জাতিৰ দাপোণ। জাতি, ভাষা, কৃষ্টি, সংস্কৃতি জীয়াই ৰাখিব কেৱল সাহিত্যইহে। সাহিত্যই আমাৰ অঞ্চলটোক, আমাৰ দেশখনত বিশ্বত চিনাকি কৰাই দিব।’ এই মন্তব্য দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা সাহিত্যিক পেঞ্চনাৰ পৃথুৰাম বৰুৱাৰ যোৱা ৩০ এপ্ৰিলত মঙলদৈ প্ৰেছ ক্লাবত অনুষ্ঠিত মঙলদৈ সাহিত্য চ’ৰাৰ ২৪৪সংখ্যক বৈঠকত প্ৰবন্ধ পাঠ কৰি বৰুৱাই সাহিত্য চ’ৰাত ভাষণবাজৰ বিপৰীতে সাহিত্য চৰ্চা, সাহিত্য পাঠে নতুন নতুন সাহিত্য সৃষ্টি কৰিব বুলি আশা প্ৰকাশ কৰে। উল্লেখ্য যে গীত, কবিতা, গল্প, প্ৰবন্ধ পাঠ আৰু সাহিত্য আলাপৰে মুখৰিত হৈ পৰে মঙলদৈ চহৰৰ বেগা নদীৰ পাৰস্থিত প্ৰেছ ক্লাব চৌহদ। বসন্তৰ মধুৰতম সময় হৈছে এই ব’হাগ। ব’হাগৰ আবেলি অৰ্ধশতাধিক সাহিত্যিকৰ উপস্থিতিত অধিক মধুময় হৈ পৰে সাহিত্য চ’ৰাৰ বৈঠক। মানৱ সমাজক কাক বেছি প্ৰয়োজন পাৰিবাৰিক সুখ-শান্তি লাভ কৰা এজন সফল পতি আৰু পিতৃ ছক্ৰেটিছক নে মহাদাৰ্শনিক ছক্ৰেটিছক? সুখৰ সাগৰত সাঁতুৰি-নাদুৰি থকা লিংকনক নে নতুন আমেৰিকা নিৰ্মাণ কৰা মহানায়ক লিংকনক? বৈঠকত আৰম্ভণিতে বিশিষ্ট সাহিত্যিক তথা নিবন্ধকাৰ মুনিন্দ্ৰ বৈশ্যই এইদৰে কয়। উদীয়মান শিল্পী তাৰা শংকৰ শইকীয়াই বকুলৰ সুগন্ধি গীতেৰে আৰম্ভণি কৰা আৰু সাহিত্যিক তথা সাহিত্য চ’ৰাৰ সভাপতি তৰুণ চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত বিন্দু ৰাজবংশী কলিতাই কান্ধত মোনাখন নামৰ প্ৰবন্ধ পাঠৰ জৰিয়তে অসমত ১৪খনকৈ কেন্সাৰ চিকিৎসালয় উপহাৰ দিয়া ৰতন টাটাক কৃতজ্ঞতা জনাই মোনাখনৰ আক্ষৰিক গুৰুত্ব ব্যাখ্যা কৰে।

## ঢেকিয়াজুলিৰ নাম বগৰীবাৰীত দুদিনীয়া কাৰ্যসূচীৰে ৰঙালী বিহু সন্মিলন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**শিঙৰী, ২ মে’ ঃ** শোণিতপুৰ জিলাত ঢেকিয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত নাম বগৰীবাৰী ৰাভা গাঁৱৰ স্থানীয় খেলপথাৰত নেহৰু জনজাতি যুৱ সংঘৰ উদ্যোগত তিনি-চাৰি ব’হাগত দুদিনীয়া কাৰ্যসূচীৰে ৰঙালী বিহু সন্মিলন অনুষ্ঠিত কৰা হয়। প্ৰথম দিনাৰ কাৰ্যসূচীত পুৱা আঠ বজাত পতাকা উত্তোলন কৰে নেহৰু জনজাতি যুৱক সংঘৰ সভাপতি চিজু ৰাভাই। পুৱা ৯-৩০ বজাত স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰে নেহৰু জনজাতি যুৱক সংঘৰ সম্পাদক চিন্তন ৰাভাই। পুৱা ১০ বজাত গছপুলি ৰোপণ কাৰ্যসূচী মুকলি কৰে পিৰাকটা গাঁও পঞ্চায়তৰ সভানেত্ৰী কমলেশ্বৰী ৰাভাই। পুৱা ১০-৩০ বজাত নতুন চিৰাজুলি গাঁও পঞ্চায়তৰ সভাপতি পংকজ বৰঠাকুৰে খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰে। সন্ধিয়া সাত বজাত আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আনহাতে, দ্বিতীয় দিনাৰ কাৰ্যসূচীত দিনৰ তিনি বজাত ভেশচন প্ৰতিযোগিতা আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ পাছত অনুষ্ঠিত বঁটা বিতৰণী সভাত নিখিল ৰাভা ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি ৰিপেন ৰাভা, সাধাৰণ সম্পাদক কংকন ৰাভা, ৰাভা উন্নয়ন পৰিষদ দাবী সমিতিৰ উপ-সভাপতি ৰিপেন ৰাভা, ঢেকিয়াজুলি মহকুমা নাগৰিক মঞ্চৰ সম্পাদক নাৰায়ণ ফয়েল, নিখিল ৰাভা ছাত্ৰ সন্থাৰ উপদেষ্টা টংকেশ্বৰ ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক অমিয় ৰাভা আদি উপস্থিত থাকে।

## ৰাজগড়ৰ চোৰাতনিবামত স্বাস্থ্য মেলা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**ৰাজগড়, ২ মে’ ঃ** ডিব্ৰুগড় জিলা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ উদ্যোগত আৰু নাহৰণি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত যোৱা ৩০ এপ্ৰিলত ৰাজগড়ৰ চোৰাতনিবাম গাঁৱৰ সামূহিক ভৱনত এক স্বাস্থ্য মেলা অনুষ্ঠিত হয়। আয়ুষ্মান ভাৰত সেৱাৰ অংশ হিচাপে অনুষ্ঠিত স্বাস্থ্য মেলাত ডিব্ৰুগড়স্থ অসম চিকিৎসা মহাবিদ্যালয়ৰ নাক, কাণ, চকু, হৃদৰোগ, স্ত্ৰীৰোগ, শিশুৰোগ আদি কে’বাটা বিভাগৰ এটা বিশেষজ্ঞ চিকিৎসকৰ দলে অংশগ্ৰহণ কৰি অঞ্চলটোৰ শতাধিক লোকক চিকিৎসা সেৱা প্ৰদান কৰে। স্বাস্থ্যমেলাত মন্ত্ৰী বিমল বড়াই স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে সকলোকে নিয়মীয়াভাৱে স্বাস্থ্য পৰীক্ষা কৰিবলৈ আহ্বান জনাই চিকিৎসকৰ পৰামৰ্শ অনুসৰি প্ৰয়োজনীয় ঔষধ সেৱন কৰাৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰে।

■ বিভাগৰ বিৰুদ্ধে জাণ্ডুৰ খাই উঠিছে দল-সংগঠন-ৰাইজ ■ শীঘ্ৰে বিদ্যুতৰ সমস্যা সমাধানৰ দাবী

# বাগ্‌সাত বিদ্যুৎ বিভাগে ৰাইজক দিয়া প্ৰতিশ্ৰুতি অসাৰ



গহপুৰত ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়া অব্যাহত, সোমবাৰে।

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২ মে' ঃ** বাগ্‌সা-বৰপেটাৰ বৃহত্তৰ অঞ্চল গোৰৰ্দ্ধনাত বিদ্যুৎ বিভাগে পাৱাৰ কনট্ৰ'ল হাব স্থাপন কৰাৰ পাছতো দিনটোৰ ২৪ ঘণ্টাৰ সাত-আঠ ঘণ্টাহে বিদ্যুৎ যোগান ধৰা কাৰ্যত জাণ্ডুৰ খাই উঠিছে গোৰৰ্দ্ধনাৰ বিভিন্ন দল-সংগঠনৰ লগতে স্থানীয় ৰাইজ। এই সন্দৰ্ভত স্থানীয় দল-সংগঠন আৰু ৰাইজে কয় যে গোৰৰ্দ্ধনা পাৱাৰ হাব প্ৰতিষ্ঠাৰ আগমুহূৰ্তত গোৰৰ্দ্ধনা অঞ্চলত যেতিয়া বিভাগীয়ভাৱে মাটি বিচাৰি হাবাথুৰি খাইছিল আৰু প্ৰায় পাৱাৰ কনট্ৰ'ল হাব প্ৰতিষ্ঠাৰ আশা বাদ দিবলগীয়া হৈছিল, তেতিয়া তদানীন্তন এছডিঅ' তথা বিভাগীয় বিষয়াই স্থানীয় দল-সংগঠন আৰু গোৰৰ্দ্ধনা অঞ্চলৰ একাংশ সচেতন ব্যক্তিৰ স'তে আলোচনাত মিলিত হৈ এক স্বপ্ন দেখুৱাইছিল যে যদিহে যিকোনো প্ৰকাৰে মাটি একৰ পৰা দুই বিঘা উলিয়াই দিব পাৰে তেতিয়া বিজুলীক লৈ গোৰৰ্দ্ধনা অঞ্চলৰ ৰাইজে যি যাতনা ভুগি আছে তাৰ পৰা পৰিত্ৰাণ পাব। বিভাগীয়ভাৱে উল্লেখ কৰা হৈছিল যিহেতু বৰপেটাৰোড পাৱাৰ হাবৰ গোৰৰ্দ্ধনালৈ এটা দীঘলীয়া লাইনেৰে বিজুলী যোগান ধৰি থকা হৈছে, যাৰ ফলত বৰপেটাৰোডৰ বৃহৎ অঞ্চলৰ উপৰি গোৰৰ্দ্ধনা, আনন্দ বজাৰ, বাগানলৈ বিজুলী যোগান ধৰিবলগীয়া হোৱা বাবে পৰ্যাপ্ত বিজুলীৰ নাটনি হয়। তদুপৰি পথত হোৱা বাধা বিঘিনি নেওচি গোৰৰ্দ্ধনালৈ এটা দীঘলীয়া লাইন অতিক্ৰম কৰি পৰ্যাপ্ত বিজুলী নোপোৱাটোও এটা অন্যতম কাৰণ। যদি গোৰৰ্দ্ধনাত পাৱাৰ কনট্ৰ'ল হাব স্থাপনৰ ক্ষেত্ৰত আগভাগ লৈ ৰাইজে মাটি উলিয়াব পাৰে বৰপেটাৰোড পাৱাৰ কনট্ৰ'ল হাবে যিমান বিজুলী পায় সমান সংখ্যক বিজুলী গোৰৰ্দ্ধনা পাৱাৰ কনট্ৰ'ল হাবতো যোগান ধৰা হ'ব। তদানীন্তন সভাখনতেই বিভাগীয় বিষয়াই কৈছিল গোৰৰ্দ্ধনাৰ পৰা বাঁহবাৰীলৈ এটা ফিডাৰ, গোৰৰ্দ্ধনাৰ পৰা বাৰাপেটালৈ এটা ফিডাৰ, গোৰৰ্দ্ধনাৰ পৰা আনন্দ বজাৰলৈ এটা ফিডাৰ আৰু গোৰৰ্দ্ধনা অঞ্চলৰ বাবে এটা স্থানীয় ফিডাৰ সংযোগ কৰাৰ কথা স্পষ্টভাৱে ৰাজহুৱা সভাত ব্যক্ত কৰিছিল। সেই আশা, সেই স্বপ্নক সঁচা বুলি ভাবি গোৰৰ্দ্ধনা অঞ্চলৰ দল-সংগঠনৰ লগতে একাংশ সচেতন ৰাইজে মাটি বিচৰাত উঠি পৰি লাগিছিল। অৱশেষত গোৰৰ্দ্ধনা হাইস্কুলৰ দখলত থকা দুবিঘা মাটি বিচাৰি পাইছিল যদিও গোৰৰ্দ্ধনা হাইস্কুলৰ ১৩ পৃষ্ঠাত চাওক

## টীয়ক এজাৰগুৰি মহিলা গাঁওৰক্ষী বাহিনীৰ সভানেত্ৰী-সম্পাদিকাৰ বিৰুদ্ধে বিত্তীয় অনিয়ম

অগ্ৰদূত বাৰ্তা

**জাঁজী, ২ মে' ঃ** চৰকাৰে আবন্টন দিয়া ডেৰ লক্ষাধিক টকাৰ সিংহ ভাগ ধন যোৰহাট জিলাৰ টীয়ক আৰক্ষী থানাৰ অধীনস্থ এজাৰগুৰি মহিলা গাঁও ৰক্ষী বাহিনীৰ সভানেত্ৰী আৰু সম্পাদিকাই উদৰস্থ কৰাৰ বিষয়ে সহকাৰে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত সমিতিৰ একাংশ সদস্যাই অভিযোগ দাখিল কৰাৰ এমাহ পাছতো এই সন্দৰ্ভত কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। চৰকাৰী ধন আত্মসাৎ কৰা এই ঘটনা পোহৰলৈ অহাৰ পাছতে এতিয়া মহিলা গাঁওৰক্ষী বাহিনীৰ সভানেত্ৰী অঞ্জুমনি বৰা আৰু সম্পাদিকা দিপ্তী হাজৰিকাই আত্ম ৰক্ষাৰ বাবে কেতবোৰ ভুৱা তথ্য সংগ্ৰহ কৰি দোষমুক্ত হোৱাৰ চেষ্টা অব্যাহত ৰাখিছে। উল্লেখ্য যে গাঁওৰক্ষী বাহিনীৰ এই বিত্তীয় অনিয়মৰ বিষয়ে বিস্তৃতভাৱে টীয়কৰ সংবাদসেৱী সকলে একাধিক বাতৰি পৰিৱেশন কৰিছিল । এই বাতৰি পৰিৱেশনৰ সময়ত বিত্তীয় অনিয়মৰে জড়িত হৈ পৰা সমিতিখনৰ সভানেত্ৰীগৰাকীক ভাষ্য প্ৰদান কৰিবলৈ অনুৰোধ জনোৱা হৈছিল যদিও তেওঁ ভাষ্য প্ৰদানৰ পৰা বিৰত থাকে। কিন্তু পৰৱৰ্তী সময়ত যোৰহাটৰ পৰা পৰ্টেলৰ সাংবাদিক আনি এই দুগৰাকী কেলেংকাৰিত নিমৰ্জিত বুলি অভিযোগ উঠা সভানেত্ৰী আৰু সম্পাদিকাই টীয়কৰ সংবাদ সেৱাৰে জড়িতসকলক হেয় কৰিব বিচৰা কাৰ্যত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে । চৰকাৰী ধন আত্মসাৎ কৰাৰ একাধিক তথ্য লাভ কৰাৰ পাছতো এই ১৩ পৃষ্ঠাত চাওক

## বৰ্তমান সময়ত সমাজত সফল ব্যক্তিৰ গুৰুত্ব সদায় আছে

### ■ ঘগ্ৰাপাৰত কৃতী শিক্ষক কমলা কিংকৰ শৰ্মাৰ স্মৃতিচাৰণ

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২ মে' ঃ** নলবাৰী জিলাৰ বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলৰ কৃতী শিক্ষক, বিশিষ্ট সমাজসেৱক কমলা কিংকৰ শৰ্মাৰ কালি ঘগ্ৰাপাৰৰ চিলিং গাঁৱৰ বাসভৱনত স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হয়। শিক্ষাবিদ তথা বনভাগ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ যোগেন্দ্ৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে গ্ৰন্থখনৰ সম্পাদনা সমিতিৰ সভাপতি তথা পুত্ৰ বাণী কিংকৰ শৰ্মাই। সভাত প্ৰয়াত কমলা কিংকৰ শৰ্মাৰ ৫০ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে প্ৰকাশিত 'পিতা স্বৰ্গ' স্মৃতিগ্ৰন্থখন উন্মোচন কৰে বৰমা মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° ধনেশ্বৰ কলিতাই। অধ্যাপক কলিতাই শৰ্মাৰ স্মৃতিচাৰণ কৰি কয় যে বৰ্তমান সময়ত সমাজত সফল অথবা কৃতী ব্যক্তিৰ গুৰুত্ব সদায় আছে আৰু থাকিব। শৰ্মা এজন কৃতী শিক্ষকৰূপে সমাজত যি অৱদান দি গৈছিল তাৰ চানেকি হিচাপে আজি তেওঁৰ ৫০ সংখ্যক মৃত্যু বাষিৰ্কীত পৰিয়ালৰ লোকে যি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰি উলিয়ালে সেয়াও এক সফল ব্যক্তিৰে গ্ৰন্থ বুলি অভিহিত কৰে। লগেত কলিতাই কয় যে শৰ্মাৰ ১৩ পৃষ্ঠাত চাওক

## তেজপুৰত 'গ্ৰাম্য বিজ্ঞান মেলা'ৰ সামৰণি

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২ মে' ঃ** অসম বিজ্ঞান সমিতি, তেজপুৰ শাখা আৰু তেজপুৰ বিজ্ঞান কেন্দ্ৰৰ যুটীয়া উদ্যোগত তথা দৰং মহাবিদ্যালয়ৰ সহযোগত তেজপুৰত অনুষ্ঠিত হোৱা দুদিনীয়া গ্ৰাম্য বিজ্ঞান মেলাৰ যোৱা ৩০ এপ্ৰিলত সামৰণি মাৰে। উল্লেখ্য যে তেজপুৰ চাৰিআলি কন্যা উচ্চ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান সচেতনতা আৰু বিজ্ঞানসন্মত চিন্তা চৰ্চাৰ বীজ ৰোপণৰ উদ্দেশ্যে এই গ্ৰাম্য বিজ্ঞান মেলাৰ আয়োজন কৰা হৈছিল। প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি তেজপুৰ চাৰিআলি কন্যা উচ্চ মাধ্যমিক বিদ্যালয় চৌহদত গছ পুলি ৰোপণ, গ্ৰাম্য বিজ্ঞান মেলা উদ্বোধন, সভা আদি অনুষ্ঠিত হয়। দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অসম বিজ্ঞান সমিতি তেজপুৰ ১৩ পৃষ্ঠাত চাওক

## চাহ জনগোষ্ঠীক শীঘ্ৰেই জনজাতিকৰণৰ দাবী

### সদৌ অসম তুৰি-মিৰ্ধা সমাজৰ কেন্দ্ৰীয় কাৰ্যালয় মুকলি



**খুমটাই, ২ মে' ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত বনগাঁৱত দুদিনীয়া কাৰ্যসূচীৰে তুৰি-মিধা সমাজৰ সাধাৰণ অধিৱেশনখন অনুষ্ঠিত হয়। যোৱা ৩০ এপ্ৰিলৰ পৰা অনুষ্ঠিত এই অধিবেশনত পুৱা তুৰি-মিৰ্ধা সমাজৰ পতাকা, বন্তি প্ৰজ্বলন, বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত সমাৰোহ স'তে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন, কুইজ, কবিতা, দলীয় ঝুমুৰ একক গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আনহাতে, বিয়লি বিষয় বাছনি সভাত দীপক তুৰিক সভাপতি, প্ৰশান্ত মিধাক সম্পাদকৰূপে লৈ এখন ৩১ জনীয়া গোলাঘাট জিলা তুৰি-মিৰ্ধা সমাজৰ নতুন সমিতি গঠন কৰা হয়। অধিবেশনৰ স'তে সংগতি ৰাখি কালি বনবাগিচা খেলপথাৰৰ পৰা এক বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। আনহাতে তুৰি-মিৰ্ধা সমাজৰ গোলাঘাট জিলাৰ সভাপতি দীপক তুৰিৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত আদৰণি ভাষণ আগবঢ়াই অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক ৰাবুল তুৰিয়ে। উক্ত সভাত নিৰ্দিষ্ট বক্তা হিচাপে তুৰি মিধাসমাজৰ সম্পাদক লীলাধৰ মিৰ্ধা উপস্থিত থাকি অসমত বাস কৰা চাহ ১৩ পৃষ্ঠাত চাওক

## ব্ৰাহ্মণ সমাজৰ নলবাৰী জিলা অধিবেশন সম্পন্ন

**বৰমা, ২ মে' এপ্ৰিল ঃ** বৰমাৰ ওচৰৰ দহকাউনীয়া শ্ৰীশ্ৰী মহামায়া থানত দিনজোৱা কাৰ্যসুচীৰে বৰমা আঞ্চলিক ব্ৰাহ্মণ সমাজৰ উদ্যোগত নলবাৰী জিলা ব্ৰাহ্মণ সমাজৰ দশম দ্বি-বৰ্ষৰ প্ৰথম বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয় । কালি পুৱা ন বজাত পতাকা উত্তোলন কৰে নলবাৰী জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি ড° দীনমনি ভাগবতীয়ে । ইয়াৰ পাছতে ব্ৰাহ্মণ্য তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে প্ৰদীপ কুমাৰ গোস্বামী, জয়দেব শৰ্মা, মনু মিশ্ৰ, হেমন্ত কুমাৰ মিশ্ৰ আৰু দীপজ্যোতি বৰপুজাৰীয়ে । দুপৰীয়া ১১ বজাত দীনমণি ভাগৱতীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে বৰমা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দীতুমনি গোস্বামীয়ে। সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে অসম ব্ৰাহ্মণ সমাজৰ সভাপতি সুনীল কুমাৰ গোস্বামীয়ে লগতে সুশীল ভূষণ শৰ্মা, ড° সুনীল চন্দ্ৰ শৰ্মা আৰু ৰঞ্জিত মিশ্ৰ দলৈয়ে আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি ভাষণ ৰাখে । সভাত নলবাৰী জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি ড° দীনমনি ভাগৱতীয়ে সাধাৰণ শ্ৰেণীৰ সমস্যা সন্দৰ্ভত বক্তব্য ৰাখে। সভাত বিভিন্ন ঠাইৰ ভালে সংখ্যক ব্ৰাহ্মণ লোক উপস্থিত থাকে ।

## ৰঙাপৰাত হাৰচূড়া চাহ বাগিচাত চাহ গছকে পূজা-অৰ্চনা



বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২ মে' ঃ** ৰঙাপৰা সমষ্টিৰ অন্তৰ্গত হাৰচূড়া চাহ বাহিচাৰ ফেক্টৰী খেলপথাৰত কালি এক ব্যতিক্ৰমী অনুষ্ঠানত চাহ গছ সংৰক্ষণৰ বাবে গছ সম্বৰ্ধনা আৰু সজাগতাা সভা অনুষ্ঠিত হয়। গুডৰিক গ্ৰুপ লিমিটেডৰ উদ্যোগত অনুষ্ঠিত সভাত অসম চাহ মজদূৰ সংঘ হাৰচূড়া চাহ বাগিচা প্ৰাথমিক গোটৰ উপদেষ্টা নয়ন গোৱালাই আঁত ধৰা উক্ত সভাত সভাপতিত্ব কৰে বাগিচাৰ পৰিচালক পাৰ্থতোষ চেটাৰ্জীয়ে। পুৱা ১১ বজাত বাগিচাৰ খেলপথাৰত কে'বাজোপা চাহ গছক সম্পূৰ্ণ বৈদিক প্ৰথাৰে পূজা-অৰ্চনা কৰা হয়। ইয়াৰ পাছত বাগিচাৰ পৰিচালক পাৰ্থতোষ চেটাৰ্জীয়ে এজোপা চাহ গছ ৰোপণ কৰি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। তেওঁ চাহ ১৩ পৃষ্ঠাত চাওক

## শ্ৰীশ্ৰীৰূপনাৰায়ণ পোৱাভেটি সত্ৰত নৱনিৰ্মিত নামঘৰত গুৰু আসন প্ৰতিষ্ঠাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২ মে' ঃ** ঐতিহ্যমণ্ডিত কলিয়াবৰৰ ছত্ৰঁৰা এখন সত্ৰৰ ভিতৰত অন্যতম শ্ৰীশ্ৰী ৰূপনাৰায়ণ পোৱাভেটি সত্ৰত অহা পাঁচ মে'ৰ পৰা তিনিদিনীয়াকৈ সত্ৰৰ নৱ নিৰ্মিত নামঘৰত গুৰু আসন প্ৰতিষ্ঠা কৰাৰ লগতে ভাগৱত পাঠ অনুষ্ঠান আৰু চেমনীয়াৰ দ্বাৰা 'ৰাম বিজয়' অংকীয়া নাট প্ৰদৰ্শনেৰে বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠানৰ আয়োজন কৰিছে। পাঁচ মে'ৰ পুৱা পৰিৱেশ নিকাকৰণ আৰু সন্ধিয়া গন্ধবাদন। ছয় মে'ত পুৱা উষা কীৰ্তনৰ পাছতেই সত্ৰৰ ডেকা সত্ৰাধিকাৰ চিদানন্দ মহন্তই ধৰ্মধ্বজা উত্তোলন কৰিব। শোণিতপুৰৰ মুঢ়াদলস্থিত শ্ৰীশ্ৰীটেঙাবৰীয়া সত্ৰৰ সত্ৰাধিকাৰ যাদৱ গোস্বামীয়ে গুৰু আসন প্ৰতিষ্ঠা কৰিব সৰুভগীয়াস্থিত শ্ৰীশ্ৰীশিপহা সত্ৰৰ ডেকা সত্ৰীয়া জগন্নাথ মহন্ত আৰু বিশিষ্ট শিল্পী ধনীৰাম ৰাজখোৱাই জয়-বিজয় আৰু গড়ুগুপক্ষী উন্মোচন কৰাৰ পাছতেই তেজপুৰস্থিত শ্ৰীশ্ৰীবৰালীমৰা সত্ৰৰ ডেকা সত্ৰাধিকাৰ শোভন মহন্ত আৰু শ্ৰীশ্ৰীচামুগুৰি সত্ৰৰ জ্যেষ্ঠ সত্ৰীয়া কমল চন্দ্ৰ গোস্বামীৰ নামাচাৰ্যত ডেৰপৰীয়া প্ৰসংগ অনুষ্ঠিত হ'ব। বিয়লি সম্বৰ্ধনা অনুষ্ঠান আৰু অনুষ্ঠান উপলক্ষে প্ৰকাশ হ'বলগীয়া 'বৈকুণ্ঠনাথ' শীৰ্ষক স্মৃতিগ্ৰন্থ কলিয়াবৰ উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী দিপালী মহন্তই উন্মোচন কৰিব। সত্ৰৰ ডেকা সত্ৰাধিকাৰ ৰুদ্ৰকান্ত ১৩ পৃষ্ঠাত চাওক

## ঈদ উপলক্ষে দৰিদ্ৰ লোকৰ মাজত ধন বিতৰণ

অগ্ৰদূত বাৰ্তা

**কয়াকুছি ২ মে' ঃ** বৰপেটা জিলাৰ ৪৬ নম্বৰ সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত কয়াকুছিৰ সমীপৱৰ্তী চকিৰ ভিঠাত স্বেচ্ছাসেৱী অনুষ্ঠান একলাচ ফাউণ্ডেছনৰ উদ্যোগত সমাগত ঈদ উপলক্ষে দৰিদ্ৰ লোকৰ মাজত নগদ ধন বিতৰণ কৰা হয়। এই ধন বিতৰণ অনুষ্ঠানত ক্ৰমে একলাচ ফাউণ্ডেছনৰ সভাপতি দেলুৱাৰ হুছেইন, সম্পাদক ৰফিকুল ইছলাম, সদস্য ক্ৰমে আফজালুৰ ৰহমান, ছাদেক আলী, আলতাব হুছেইন, জাকিৰ হুছেইন, হজৰত আলী, মণিৰ উদ্দিন।

## অনিৰুদ্ধদেৱৰ আদৰ্শ এক অদ্বৈতবাদ বুলি বিনাদ্বিধাই ক'ব পাৰি ঃ ড° নাথ

### অনিৰুদ্ধদেৱৰ মায়ামৰা পন্থ-দৰ্শন-বৈশিষ্ট্য শীৰ্ষক বক্তৃতানুষ্ঠান সম্পন্ন

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২ মে' ঃ** 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, অনিৰুদ্ধদেৱৰ অদ্বৈতবাদী আদৰ্শৰে মহাপুৰুষজনাৰ পৰৱৰ্তী সময়ৰ সমাজ সংস্কাৰক উজনি অসমৰ অন্যতম ভূমিপুত্ৰ মটক, মৰাণ জনগোষ্ঠীৰ ধৰ্মীয় গুৰু মহাপুৰুষ অনিৰুদ্ধদেৱৰ জীৱন কালত সফলভাৱে প্ৰযোজ্য হোৱা দেখিবলৈ পোৱা যায়। মহাপুৰুষ শংকৰদেৱৰ পৰৱৰ্তী কালৰ মহাপুৰুষসকলৰ অন্যতম মাধৱদেৱ, গোপালদেৱ আৰু অনিৰুদ্ধদেৱে অসমীয়া সমাজৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়ন সাধনৰ লগতে সমাজ সংস্কাৰৰ ক্ষেত্ৰত গ্ৰহণ কৰা নীতি-নিৰ্দেশনাসমূহতকৈও শংকৰদেৱৰ আদৰ্শ একান্তভাৱে মহাপুৰুষ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱে গ্ৰহণ কৰা বিশেষভাৱে দেখা যায়। সেয়েহে শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত একশৰণ বৈষ্ণৱ ধৰ্মৰ পৰৱৰ্তী সময়ত অনিৰুদ্ধদেৱে প্ৰচাৰ আৰু প্ৰসাৰত মনোনিৱেশ কৰিছিল। সেয়েহে শংকৰদেৱৰ আদৰ্শ আৰু অনিৰুদ্ধদেৱৰ আদৰ্শ এক আৰু অদ্বৈতবাদ বুলি বিনাদ্বিধাই ক'ব পাৰি।' মহাপুৰুষ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ ৪৬৯ সংখ্যক জন্মজয়ন্তী উপলক্ষে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ আসনৰ উদ্যোগত অনুষ্ঠিত অনিৰুদ্ধদেৱৰ 'মায়ামৰা পন্থ ঃ দৰ্শন আৰু বৈশিষ্ট্য শীৰ্ষক বক্তৃতা প্ৰদান কৰি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ আসনৰ প্ৰাক্তন অধ্যাপক, ১৩ পৃষ্ঠাত চাওক

## বঙালমূৰ নৱজ্যোতি সংঘৰ উদ্যোগত ৰঙালী বিহু সন্মিলনৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২ মে' ঃ** নলবাৰী জিলাৰ বংগালমূৰ নৱজ্যোতি সংঘৰ সৌজন্যত অহা আঠ মে'ত ত্ৰয়োদশ বাৰ্ষিক ৰঙালী বিহু সন্মিলনৰ আয়োজন কৰা হৈছে। বঙালমূৰ গোপাল মন্দিৰ প্ৰাংগণত সিদিনা পুৱা সাত বজাত পৰিৱেশ নিকাকৰণৰ পাছত বিহু উদ্‌যাপন সমিতিৰ সভাপতি ৰমণী মহন্তই বিহুৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰিব। ইয়াৰ পাছতে এক নম্বৰ সোণকুৰিহা গাঁও উন্নয়ন সমিতিৰ সভাপতি মহীধৰ ডেকাই ছহিদ তৰ্পণ কৰিব। উক্ত অনুষ্ঠানৰ পাছত বঙালমুৰ গাঁও উন্নয়ন সমিতিৰ সভাপতি লক্ষীৰাম কলিতাই বৃক্ষৰোপণ কৰিব। ন বজাত ভেশচন আৰু খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আবেলি দুই বজাত অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব সাহিত্যিক সমীন্দ্ৰ নাথ মহন্তই। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ নলবাৰী জিলাৰ প্ৰকল্প প্ৰবন্ধক চন্দন তালুকদাৰে। সন্ধিয়া পাঁচ বজাত সম্বৰ্ধনা অনুষ্ঠানৰ পাছত মঞ্চ উদ্বোধন কৰিব গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকাৰীৰ অধ্যক্ষ নাৰায়ণ ডেকাই। সন্ধিয়া সাংস্কৃতিক সন্ধিয়াত শ্ৰীশ্ৰী শ্যামৰায় লোক বাদ্য সাংস্কৃতিক গোষ্ঠীৰ লোক নৃত্য প্ৰদৰ্শন, তামুলপুৰ টঙালি বিহু দলৰ বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান, বিশেষভাৱে সক্ষম জনপ্ৰিয় কণ্ঠশিল্পী মেহবুব আলী, পপী দেৱীৰ লগতে কণ্ঠশিল্পী প্ৰণৱ কাকতিৰ গীতৰ শৰাই।

## পাকাবেতবাৰীত চাউল খাদ্য-সামগ্ৰী বিতৰণ

অগ্ৰদূত বাৰ্তা

**কয়াকুছি ২ মে' ঃ** বৰপেটা জিলাৰ ৪৬ নম্বৰ সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ পাকাবেতবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ ৬৬ নম্বৰ খান্দাৰকুৰ গাঁও অংগনৱাড়ী কেন্দ্ৰত কালি ২৬৮ গৰাকী শিশু, ২৬ গৰাকী গৰ্ভৱতী আৰু ২৬ গৰাকী প্ৰসূতিকে ধৰি প্ৰায় ৩২০টি শিশু, গৰ্ভৱতী আৰু প্ৰসূতি থকা কেন্দ্ৰটোৰ শিশুসকলৰ মাজত বুট, চাউল খাদ্য-সামগ্ৰী বিতৰণ কৰা হয়। খান্দাৰকুৰ আৰু কেওঁটপাৰা গাঁৱৰ গাঁওবুঢ়া ৰহিম খানে কেন্দ্ৰটোৰ পুষ্টিকৰ খাদ্য-সামগ্ৰীসমূহ বিতৰণ কৰে।

## বৰাকৰ বাগিচাত বিমানকোঠৰ বাবে উচ্ছেদ

### অসম চাহ নিগমৰ বাগিচা বিক্ৰীৰ চক্ৰান্তৰ প্ৰতিবাদ



**যোৰহাট, ২ মে' ঃ** অসম মজুৰি শ্ৰমিক ইউনিয়ন আৰু ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদে এইবাৰ যুটীয়াভাৱে জিলাই জিলাই মে' দিৱস পালন কৰে। চৰাইদেউ জিলাৰ সাপেখাতী কলাকটা তেলীবস্তিত এই উপলক্ষে ছহিদ তৰ্পণ কৰে শ্ৰমিক নেত্ৰী প্ৰাণী তেলীয়ে। উক্ত সভাত সভাপতিত্ব কৰে অসম মজুৰি শ্ৰমিক ইউনিয়নৰ কাৰ্যকৰী সভাপতি কৃষ্ণকান্ত গগৈয়ে। উদ্দেশ্য ব্যাখ্যাত ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ প্ৰাক্তন সম্পাদক তথা মজুৰি শ্ৰমিক ইউনিয়নৰ নেতা ৰতন হেম্বমে কয় যে বৰাক উপত্যকাৰ ডলু বাগিচাত বিনানকোঠাৰ পতাৰ নামত ৭,৫০০ বিঘা মাটি অধিগ্ৰহণৰ (তাৰে ২৫০০ বিঘা মাটিত ১৩ পৃষ্ঠাত চাওক

## বালাপাৰা সাৰ্বজনীন ৰঙালী বিহুৰ সোণালী জয়ন্তীৰ সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ২ মে' ঃ** নৱগঠিত বজালী জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ বালাপাৰা অঞ্চলৰ ভিন্ন জাতি- জনগোষ্ঠীৰ উমৈহতীয়া সাংস্কৃতিক অনুষ্ঠান বালাপাৰা সাৰ্বজনীন ৰঙালী বিহু সন্মিলনী এই বছৰ সোণালী জয়ন্তীত পদাৰ্পণ কৰিলে। এই বছৰ ৰাইজ বিভিন্ন ধৰণে জুৰুলা হৈ থকাৰ বাবে সোণালী জয়ন্তীৰ প্ৰস্তুতি বৰ্ষৰূপে পালন কৰা হয় আৰু আগন্তুক বৰ্ষত বৰ্ণাঢ্য ৰূপত সোণালী জয়ন্তী উদ্‌যাপন কৰাৰ বাবে কালি এখন সমিতি গঠন কৰা হয়। ৰঙালী বিহুৰ এই বছৰৰ সভাপতি দেৱেশ্বৰ কলিতাৰ সভাপতিত্বত বালাপাৰা শ্ৰীশ্ৰী শ্যামা পূজা বাকৰিত অনুষ্ঠিত আৰু সম্পাদক গুণজিতে উদ্দেশ্য ব্যাখ্যা কৰা সভাত ৰাইজে বাচি দিয়া সাতজনীয়া এটি প্ৰতিনিধি দলে আগন্তুক বৰ্ষৰ বাবে বিষ্ণু বড়োক সভাপতি, প্ৰদীপ দাসক কাৰ্যকৰী সভাপতিত্ব দেৱেশ্বৰ কলিতা, বলেন কলিতা, ৰূপম দেউৰী, ভোলাৰাম স্বৰ্গীয়াৰীক উপ-সভাপতি গুণজিৎ কলিতাক সম্পাদক, ত্ৰিদীপ কলিতা, খান ফজৰুল ৰহমান, ফিৰোজ মল্লা আৰু শিৱজিৎ কলিতাক সহকাৰী সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হয়।

## উত্তৰ হেকাইপাৰাত বৰ্ণাঢ্য কাৰ্যসূচীৰে ব'হাগী উৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ২ মে' ঃ** চিৰাং জিলাৰ বাসুগাঁও চহৰৰ নিকটৱৰ্তী উত্তৰ হেকাইপাৰাত তিনি মে'ৰ পৰা দুদিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে ব'হাগী উৎসৱ উদ্‌যাপনৰ আয়োজন চলোৱা হৈছে। নৱ যুৱক সংঘ আৰু পুথিভঁৰালৰ সৌজন্যত প্ৰথমদিনা ৰাতিপুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, বিভিন্ন আকৰ্ষণীয় খেল-ধেমালি প্ৰতিযোগিতা আৰু সন্ধিয়া বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা পুৱা ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, সন্ধিয়া বঁটা বিতৰণী আৰু সম্বৰ্ধনা অনুষ্ঠান, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব। সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত বিহু হুঁচৰি দলৰ লগতে স্থানীয় মহিলাসকলৰ জেং বিহু আৰু ডিব্ৰুগড়ৰৰ পৰা আমন্ত্ৰিত জনপ্ৰিয় কণ্ঠশিল্পী নীলভ নীতাৰ গীতৰ অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি ব'হাগী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি ডাঃ গঙেশ্বৰ হাজং, কাৰ্যকৰী সভাপতি প্ৰাণ সূত্ৰধৰ আৰু সম্পাদক সুশীল কুমাৰ সূত্ৰধৰে সদৰী কৰিছে।

## ৰাইজে মেৰামতি কৰিলে পথ

অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ২ মে' ঃ** বৰপেটা জিলাৰ ৪৪ নম্বৰ জনিয়া বিধানসভা সমষ্টিৰ মন্দিয়া উন্নয়ন খণ্ডৰ অধীনস্থ জনীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত জনীয়া ৰাজ্যিক ঘাইপথৰ পৰা গৰৈমাৰী হৈ বৰপেটা ৰোডলৈ যোৱা লোক নিৰ্মাণ পথৰ পৰা উত্তৰ সালেকুৰা গাঁৱত আজি স্থানীয় ৰাইজে পথ মেৰামতি কৰে। উল্লেখ্য যে বাৰম্বাৰ পথচোৱা মেৰামতিৰ বাবে আবেদন-নিবেদন কৰি সুফল নোপোৱাত অৱশেষত ৰাইজেই নিজৰ গাঁঠিৰ ধন খৰচ কৰি পথছোৱা মেৰামতি কৰে। ইপিনে, এজাক বৰষুণ দিলেই সালেকুৰাৰ এই পথছোৱাত একাঁঠুকৈ বোকা জমা হোৱাৰ ফলত বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে সৰ্বসাধাৰণ ৰাইজৰ যাতায়াতৰ বাবে ব্যাহত হৈ পৰে। আনকি এনে সন্ধিক্ষণত বিভিন্ন যান-বাহন অনাদি ঠেলি-হেঁচি পাৰ ১৩ পৃষ্ঠাত চাওক



## সমাজকৰ্মী চাণক্য চৰণ কলিতাৰ বিয়োগত শোকস্তব্ধ টিহু



অগ্ৰদূত বাৰ্তা

**টিহু, ২ মে' ঃ** টিহু জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি, টিহু সাহিত্য সভাৰ প্ৰাক্তন সভাপতি-সম্পাদক, টিহু ৰাজহুৱা পুথিভঁৰালৰ উপ-সভাপতি, অসম গণ পৰিষদৰ টিহু নগৰ সমিতিৰ সভাপতি, টিহু কেন্দ্ৰীয় ৰঙালী বিহু সমিতিৰ প্ৰাক্তন সভাপতি, টিহু শাস্ত্ৰী সংগীত মহাবিদ্যালয়ৰ প্ৰাক্তন সভাপতি, অৱসৰপ্ৰাপ্ত জিলা শিক্ষা বিষয়া, দ্ৰোণচন্স ইংলিছ একাডেমীৰ অধ্যক্ষ চাণক্য চৰণ কলিতাৰ কালি বিয়লি চাৰি বজাত মৃত্যু। উল্লেখ্য যে প্ৰয়াত কলিতাই বিগত কিছু বছৰ ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭২ বছৰ। ১৯৫০ৰ ৩১ অক্টোবৰত টিহুৰ শিয়ালমাৰী নিবাসী আদৰ্শ কৃষক-নাট্যশিল্পী চন্দ্ৰকান্ত কলিতাৰ ঘৰত জন্ম গ্ৰহণ কৰা কলিতাই নিজ গাঁৱতে প্ৰাথমিক-উচ্চপ্ৰাথমিক শিক্ষা সমাপন কৰি ১৯৬৭ত হাৰিভাঙা হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ টিহু মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত গোৱালপাৰা গভৰ্মেন্ট বিএড কলেজৰ পৰা বিএড ডিগ্ৰী লাভ কৰে। পৰৱৰ্তী সময়ত বাগ্‌সা জিলাৰ দেৱচাৰাত এখন এম ই স্কুল প্ৰতিষ্ঠা কৰি প্ৰধান শিক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰিছিল যদিও পাছলৈ স্কুল পৰিদৰ্শক পদত মকৰল হয়। পৰৱৰ্তী সময়ত পদন্নোতি সূত্ৰে টিহু-বৰমা খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰূপে কাম কৰি শেষত বাগ্‌সা জিলা শিক্ষা ১৩ পৃষ্ঠাত চাওক

অসম দাপোণ
দৈনিক অগ্ৰদূত
গুৱাহাটী, ৩ মে’, মঙ্গলবাৰ, ২০২২ পৃষ্ঠা ১৪

# চতিয়াত ৪,৭৯৭ বিঘা চৰকাৰী ভূমি বেদখলকাৰীৰ কবলত

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ২ মে’ ঃ** বিশ্বনাথ জিলাৰ এটা সংগঠনে তথ্যজনাৰ অধিকাৰ আইন মতে নদুৱাৰ ৰাজহ চক্ৰৰ তিনিখন ৰাজহ গাঁৱত বেদখল হৈ থকা চৰকাৰী ভূমিৰ তথ্য বিচাৰি নদুৱাৰ ৰাজহ চক্ৰত ২০২১ত আবেদন জনাইছিল। উক্ত আবেদনৰ ভিত্তিত কাৰ্যালয়টোৰ পৰা এন আৰ চি ১২/২০০৯-১০/৮৩৯ নম্বৰ পত্ৰযোগে উক্ত ৰাজহ গাঁওকেইখনত বেদখল হৈ থকা চৰকাৰী ভূমিৰ তথ্য প্ৰদান কৰা হয়। কাৰ্যালয়টোৱে দিয়া তথ্য মতে আদাভেটিত ১৫১৪ বিঘা চাৰি কঠা, বোকাবিলত ২৫৩৯ বিঘা এক কঠা ১৬ লেচা, গোসাঁই চাপৰিত ৭৪৪ বিঘা তিনি কঠা দুই লেচা চৰকাৰী মাটি বেদখলকাৰীৰ কবলত আছে। তিনিখন ৰাজহ গাঁৱৰ তথ্য প্ৰকাশ পাইছে যদিও মৌজাৰখনৰ পলসনি, কুৰুৱাআটি, বকৰাপট্টা, চালিয়া চাপৰি আদি অঞ্চলৰো বহু চৰকাৰী মাটি বেদখল হৈ থকাৰ তথ্য ৰাজহ বিভাগৰ কৰ্মচাৰীয়ে উল্লেখ কৰিছে। এই অঞ্চলকেইটাৰ ৰাজহ বিভাগৰ নথিত থকা বহুকেইখন চৰণীয়া পথাৰ বৰ্তমান একোখন ভৰা গাঁৱলৈ পৰিণত হৈছে বুলি খোদ বিভাগটোৰ কৰ্মচাৰীয়ে উল্লেখ কৰিছে।

## হাহাকাৰ অৱস্থা পালকৰ ঃ নীৰৱ বিভাগ

# শিৱসাগৰত অচিন ৰোগত হাঁহ-কুকুৰাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২ মে’ ঃ** শিৱসাগৰ জিলাৰ গ্ৰামাঞ্চলসমূহত পোহনীয়া হাঁহ-কুকুৰাৰ মাজত বিয়পি পৰিছে এক অচিন ৰোগ। প্ৰাণঘাতকৰূপী এই অচিন ৰোগে বিশেষভাৱে গ্ৰামাঞ্চলৰ পৰিয়ালে পৰিয়ালে আতংকৰ সূচনা কৰিছে। কিয়নো যোৱা এমাহৰ পৰা বিয়পি পৰা এই ৰোগত দৈনিক মৃত্যুৰ মুখত পৰিছে শ শ পোহনীয়া হাঁহ-কুকুৰা। উল্লেখ্য যে গ্ৰামাঞ্চলত বসবাস কৰা চৰকাৰী সংস্থাপনহীন ৭০ শতাংশ পৰিয়ালে হাঁহ-কুকুৰা পালনেৰে আত্মসংস্থাপনৰ বাট মুকলি কৰি আহিছে। বহু পৰিয়ালৰ বাবে হাঁহ-কুকুৰা পালনেই একমাত্ৰ জীৱন-জীৱিকাৰ সম্বল। কিন্তু পলমকৈ গাঁৱে গাঁৱে প্ৰাণঘাতকৰ ৰূপত বিয়পি পৰা অচিন ৰোগত শ শ হাঁহ-কুকুৰা এটাৰ পাছত আনটো মৃত্যু মুখত পৰা ঘটনাই ৰাইজক উদ্বিগ্ন কৰিছে। উল্লেখ্য যে পশুপালন বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে দুৰ্ভগীয়া পৰিয়ালসমূহৰ খবৰ লোৱা নাই। বহু পৰিয়ালৰ হাঁহ-কুকুৰা এটাও নোহোৱাকৈ মৃত্যু মুখত পৰিব লগা হৈছে যদিও বিভাগটোৱে হাঁহ-কুকুৰাবোৰৰ আৰোগ্য লাভৰ বাবে যোগান ধৰিব পৰা নাই প্ৰয়োজনীয় ঔষধ। ফলত নিজৰ পোহনীয়া হাঁহ-কুকুৰাবোৰ চকুৰ আগতে মৃত্যু মুখত পৰি অৰ্থনৈতিকভাৱে অসহায় হৈ পৰিব লগা হৈছে দৰিদ্ৰ পৰিয়ালসমূহ। ইফালে, দৈনিক শ শ হাঁহ-কুকুৰা অচিন ৰোগত মৃত্যুৰ মুখত পৰি অহা ঘটনাক লৈ জিলা প্ৰশাসনৰ তৰফৰ পৰা কোনো পদক্ষেপ গ্ৰহণ নকৰাত অসন্তুষ্ট হৈ পৰিছে ভুক্তভোগী ৰাইজ।

# শ্ৰীমন্ত শংকৰদেৱ সেৱা কেন্দ্ৰ উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ২ মে’ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলা শাখাই গোলাঘাট নগৰৰ পৌৰসভা বজাৰৰ এক নম্বৰ বজাৰৰ তৃতীয় মহলাত নিৰ্মাণ কৰা ‘শ্ৰীমন্ত শংকৰদেৱ সেৱা কেন্দ্ৰ, গোলাঘাট’ৰ গৃহটো যোৱা ৩০ এপ্ৰিলত উদ্বোধন কৰা হয়। জিলা শাখাৰ সভাপতি চন্দ্ৰ হাজৰিকাই গৃহটোৰ দ্বাৰা উন্মোচন কৰে। মূল সংঘৰ সদস্য অৰণী বৰুৱা, গ্ৰন্থ প্ৰকাশন উপ-সমিতিৰ সম্পাদক প্ৰদীপ চন্দ্ৰ বৰা, প্ৰচাৰক তথা জিলা প্ৰচাৰ শাখাৰ সভাপতি কামিনী কুমাৰ দত্ত, জিলা শাখাৰ উপ-সভাপতি প্ৰসাদ শইকীয়া, জিলা শাখাৰ তিনিওজন সহকাৰী সম্পাদক ক্ৰমে পৱিত্ৰ নাথ, ৰবীন কৃষ্ণ কলিতা আৰু প্ৰাঞ্জল শইকীয়া আৰু থ্ৰিফ্ট এণ্ড ক্ৰেডিট কো-অপাৰেটিভ ছ’চাইটিৰ গোলাঘাট শাখাৰ সভাপতি বদন বৰাৰ উপৰি জিলা-আঞ্চলিকৰ বহু বিষয়াববীয়া উপস্থিত থাকে। উক্ত অনুষ্ঠানত কীৰ্তন পাঠ কৰাৰ পাছতে গৃহটোৰ ৫৪৬ বৰ্গফুটৰ তিনিটা খোটালিযুক্ত এটি অংশ থ্ৰিফ্ট এণ্ড ক্ৰেডিট কো- অপাৰেটিভ ছ’চাইটিৰ গোলাঘাট শাখাক ব্যৱহাৰৰ বাবে অৰ্পণ কৰা হয়। জিলা শাখাৰ সভাপতি চন্দ্ৰ হাজৰিকাই থ্ৰিফ্ট এণ্ড ক্ৰেডিট কো-অপাৰেটিভ ছ’চাইটি লিমিটেডৰ গোলাঘাট শাখাৰ সম্পাদক অৰুণ নাথক আৰু শাখা পৰিচালক চূড়ামণি শইকীয়াক গৃহটোৰ মূল দ্বাৰৰ চাবি হস্তান্তৰ কৰে। জিলা শাখাৰ সম্পাদক দেৱাঞ্জন বৰাই আঁত ধৰা অনুষ্ঠানৰ ব্যৱস্থাপনা আছিল শ্ৰীমন্ত শংকৰদেৱ সেৱা কেন্দ্ৰ, গোলাঘাটৰ নিৰ্মাণ সমিতিৰ সম্পাদক নৃপেন শইকীয়া আৰু গোলাঘাট আঞ্চলিক শাখাৰ সম্পাদক ডিম্বেশ্বৰ দাৱে।

# সাংস্কৃতিক মহাসভাৰ ডিব্ৰুগড় জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিবেশনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ২ মে’ ঃ** সাংস্কৃতিক মহাসভাৰ ডিব্ৰুগড় জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিবেশনখন অহা ১২ জুনত এদিনীয়া কাৰ্যসূচীৰে কঠালগুৰিত আয়োজন কৰা হৈছে। এই উপলক্ষে ৰমেক্সত জিলা সমিতিৰ সভাপতি ভূপেন শইকীয়াৰ সভাপতিত্বত মাধপুৰৰ কেন্দ্ৰীয় কাৰ্যালয় প্ৰাংগণত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই সভাতে সিদ্ধান্ত গ্ৰহণ কৰি কীৰ্তি ৰাজখোৱাক সভাপতি, দিলীপ তামুলী, ভৱেশ হাজৰিকা আৰু টংকেশ্বৰ দত্তক উপ-সভাপতি, শান্তনু তামুলীক সাধাৰণ সম্পাদক, যতীন গগৈ আৰু নন্দেশ্বৰ দত্তক সহ-সম্পাদক, বিনোদ বড়াক সাংস্কৃতিক সম্পাদক, বিবি বড়াক স্মৃতিগ্ৰন্থৰ সম্পাদক ৰূপে লৈ এখন আদৰণি সমিতি গঠন কৰে। সভাখনৰ আঁতধৰে জিলা সম্পাদক দিগন্ত বৰদলৈয়ে।

# টুম্প্ৰেঙত আঞ্চলিক ব’হাগী উৎসৱ উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**

**ডংকামোকাম, ২ মে’ ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ টুম্প্ৰেঙত আঞ্চলিক ভিত্তিত ব’হাগী উৎসৱ টুম্প্ৰেং আঞ্চলিক বিহু সমিতিৰ উদ্যোগত পালন কৰা হয়। উক্ত উৎসৱত বাৰেৰহণীয়া বিহুগীত-নাচৰ বিভিন্ন খেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইপিনে, কিনকিনীয়া বৰষুণকো নেওচি কাৰ্যসূচী অনুযায়ী পুৱা আঠ বজাত পতাকা উত্তোলন কৰে ৰংখাং উন্নয়ন খণ্ডৰ অধ্যক্ষ ৰামচন ৰংপীয়ে।

# আজাৰাত বিএছএফৰ পেঞ্চন আদালত

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২ মে’ ঃ** সীমান্ত নিৰাপত্তা বাহিনী চমুকৈ বিএছএফৰ অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ অৱসৰপ্ৰাপ্ত বিষয়া-জোৱানসকলৰ পেঞ্চন সমস্যাৰ সমাধানৰ বাবে অহা পাঁচ মে’ত আজাৰা পাটগাঁওস্থিত গুৱাহাটী ফ্ৰণ্টিয়াৰ মুখ্য কাৰ্যালয় চৌহদত এক পেঞ্চন আদালতৰ আয়োজন কৰা হৈছে। বাহিনীটোৰ কাৰ্যালয় সূত্ৰই সদৰী কৰা অনুসৰি সিদিনা পুৱা ১০ বজাৰ পৰা বিয়লি পাঁচ বজালৈ অনুষ্ঠিত হ’বলগীয়া পেঞ্চন আদালতত উপস্থিত থাকিবলৈ সংশ্লিষ্ট সকলোকে আহ্বান জনাইছে।

# নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ নৱনিৰ্মিত ভৱন আৰু ছহিদ বেদী উদ্বোধন



**অগ্ৰদূতবাৰ্তা**

**নাহৰকটীয়া, ২ মে’ ঃ** নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ নৱ-নিৰ্মিত ছহিদ স্মৃতি ভৱন আৰু ছহিদ বেদী আজি উদ্বোধন কৰে। উল্লেখ্য যে ১৯৬৯ত প্ৰতিষ্ঠা হোৱা নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ ৰেলৱেৰ ওচৰত থকা পূৰ্বৰ ভৱনটি ভাঙি আগন্তুক দিনত ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ লগতে বিভিন্ন দিশৰ প্ৰতি দৃষ্টি ৰাখি নৱ ৰূপত নিৰ্মাণ কৰি উলিয়ায়। লগতে কাষতে থকা ছহিদ বেদীও নতুনকৈ নিৰ্মাণ কৰে। এই উপলক্ষে নাম-প্ৰসংগৰে আয়োজিত অনুষ্ঠানত উপস্থিত থাকি ভৱনটো উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই আৰু ছহিদ বেদীটিও উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা উদ্দীপজ্যোতি গগৈয়ে। এই অনুষ্ঠানত আঞ্চলিকৰ কে’বাগৰাকী প্ৰাক্তন সভাপতি, সম্পাদক, ছাত্ৰ নেতা, বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# নগাঁৱত পুনৰ দুই ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২ মে’ ঃ** নগাঁও চহৰৰ মৰিকলং আৰক্ষী চকীৰ আৰক্ষীৰ দলে চহৰখনৰ পাৰ্শ্ববৰ্তী ম’হখুলিত অভিযান চলাই দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনৰ নাম মতিউৰ ৰহমান (২৪) আৰু চাজাহান আলী (৩৮)। দুয়োৰে ঘৰ ম’হখুলিত। তেওঁলোকৰ হাতৰ পৰা ০.৯৪ গ্ৰাম ওজনৰ হেৰ’ইন জব্দ কৰা হৈছে।

## কলিয়াবৰত ‘বেটী বচাও-বেটী পঢ়াও’ শ্ল’গান অসাৰ

# শিক্ষা প্ৰদানৰ পৰিৱৰ্তে পঞ্চায়তৰ কামত নিয়োজিত যুৱতী-শিশুৰ দল



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২ মে’ ঃ** কলিয়াবৰত প্ৰধানমন্ত্ৰীৰ ‘বেটী বচাও-বেটী পঢ়াও’ শ্ল’গানৰ প্ৰহসনত পৰিণত হৈছে। এফালে প্ৰধানমন্ত্ৰীজনে ‘বেটী বচাও-বেটী পঢ়াও’ শ্ল’গান দি দেশৰ যুৱতীক বিদ্যালয়মুখী কৰাৰ প্ৰয়াস কৰিছে আৰু আনহাতে, যুৱতীক দিন হাজিৰা কৰাইছে গ্ৰামোন্নয়নৰ দৰে বিয়াগোম বিভাগে। কলিয়াবৰ মহকুমাৰ পশ্চিম কলিয়াবৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত শালনা গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰীৰ শ্ল’গানৰ বিপৰীত এক ছবি ফুটি উঠিছে। স্থানীয় লোকৰ অভিযোগ অনুসৰি, অপ্ৰাপ্তবয়স্ক যুৱতীয়েই নহয় বৰঞ্চ একাংশ শিশুও নিয়োজিত হৈছে এই চৰকাৰী জব কাৰ্ডৰ কামত। পশ্চিম কলিয়াবৰ ব্লকৰ অন্তৰ্গত শালনা বাগিচা পঞ্চায়তৰ বিভিন্ন আঁচনিৰ কামত নিয়োজিত হৈছে শিশু। গাঁও পঞ্চায়তৰ বিভিন্ন আঁচনিৰ কামত একাংশ শিশু শ্ৰমিকক নিয়োগ কৰিছে পঞ্চায়তৰ বিষয়ববীয়াই। বেটী বচাও বেটী পঢ়াও, কিন্তু কলিয়াবৰত এখন বিপৰীত ছবিহে দেখিবলৈ পোৱা গৈছে। অঞ্চলটোৰ একাংশ শিশু শ্ৰমিক নিয়োজিত হৈছে গাঁও পঞ্চায়তৰ বিভিন্ন কামত। যি সময়ত শিশুক শিক্ষাদান দিব লাগে বুলি আইন পৰ্যন্ত প্ৰণয়ন হৈছে ঠিক তেনে সময়তে পঞ্চায়তৰ বিভিন্ন কামত নিয়োজিত এইসকল শিশুক লৈ সচেতন মহল চকু কপালত উঠিছে। ইফালে সকলো দেখি শুনিও চকু মুদা কুলিৰ ভাওত অৱতীৰ্ণ হৈছে পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰী।

# হৰিপুৰ সত্ৰত দামোদৰদেৱৰ তিৰোভাৱ তিথি পালন

**অগ্ৰদূত বাৰ্তা**

**দুনী, ২ মে’ ঃ** ‘দৰঙৰ ঐতিহ্যমণ্ডিত হৰিপুৰ সত্ৰক নৰূপত উদ্ভাসিত কৰিব পাৰিব লাগিব। তেনে কৰিব পাৰিলেহে দামোদৰদেৱৰ তিথি উদ্‌যাপনৰ সাৰ্থকতা থাকিব।’ এই মন্তব্য বিধায়ক ড° পৰমানন্দ ৰাজবংশীৰ। দিপীলা মৌজাৰ হৰিপুৰ সত্ৰত দিপীলা আঞ্চলিক কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰবক্তা, সাহিত্যসেৱী অখিল ৰঞ্জন ভট্টৰ সঞ্চালনাত আজি অনুষ্ঠিত দামোদৰদেৱৰ তিৰোভাৱ তিথিত ভাগ লৈ বিধায়কজনে সত্ৰখনৰ উন্নয়নত ৰাইজৰ সহযোগিতা কামনা কৰে। শিক্ষাসেৱী নাগেশ্বৰ বৰুৱাই উদ্বোধন কৰা সভাখনত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰি হৰিপুৰ সত্ৰৰ উন্নয়নৰ বাবে মূল্যৱান দিহা-পৰামৰ্শ আগবঢ়ায়। শিক্ষাসেৱী, সমাজকৰ্মী খিতেশ্বৰ কলিতা আৰু শিক্ষাসেৱী গোৱিন্দ দেৱাচাৰ্যই ভাষণ প্ৰদান কৰা সভাখনত সম্পাদকীয় ৰেঙণি পাঠ কৰে কমল গোস্বামীয়ে। সমাজসেৱী ধৰণীধৰ কলিতাই আঁত ধৰা সভাত অধ্যাপক ড° অমূল্য কলিতাই হৰিপুৰৰ চমু আভাস আৰু শলাগৰ শৰাই আগবঢ়ায়। সভাৰ আৰম্ভণিতে বেদ পাঠ কৰে অভিজিৎ শৰ্মাই।

# শ্ৰীশ্ৰীমাধৱদেৱৰ আবিৰ্ভাৱ মহোৎসৱৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২ মে’ ঃ** শ্ৰীমন্ত শংকৰদেৱে সংঘৰ নগাঁও জিলা শাখাৰ সৌজন্যত ৫৩৪ সংখ্যক শ্ৰীশ্ৰীমাধদেৱৰ আবিৰ্ভাৱ মহোৎসৱ শ্ৰীমন্ত শংকৰদেৱ আঞ্চলিক শাখাৰ আতিথ্য আৰু ব্যৱস্থাপনাত অহা ২২ মে’ত চকলাঘাটত অনুষ্ঠিত হ’ব বুলি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ সম্পাদকে সদৰী কৰিছে। পূব হাতীচোং ৰাস মন্দিৰ প্ৰাংগণত অনুষ্ঠিতব্য অনুষ্ঠানৰ বাবে দেৱ কুমাৰ বৰাক সভাপতি, উৎপল হাজৰিকাক সম্পাদকৰূপে লৈ এখন ৭১ জনীয়া আদৰণি সমিতি গঠন কৰা হৈছে। ইয়াৰ স’তে সংগতি ৰাখি ২৩ মে’ৰ নিশা পূব হাতীচোং ৰাস মন্দিৰৰ সৌজন্যত মঞ্চায়ন কৰা হ’ব নাট্যকাৰ, পৰিচালক গম্ভীৰ শইকীয়াৰ ৰচিত নাটক ‘মাধৱদেৱ’। কালি বিয়লি চকলাঘাট ৰাস মন্দিৰ প্ৰাংগণত আদৰণি সমিতিৰ বিষয়ববীয়াসকলৰ লগতে শিল্পী-কলা-কুশলীসকলৰ উপস্থিতিত নাটখনৰ আখৰা আৰম্ভ হয়।

# মাৰ্ঘেৰিটাত ডাম্পাৰ-বাছৰ সংঘৰ্ষত কেবাজনো আহত

**অগ্ৰদূত বাৰ্তা**

**মাৰ্ঘেৰিটা, ২ মে’ ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ সমীপৱৰ্তী বৰগোলাইত আজি যাত্ৰীবাহী বাছ আৰু ডাম্পাৰৰ মাজত হোৱা মুখামুখি সংঘৰ্ষৰ ফলত বাছত থকা কে’বাজনো যাত্ৰী আঘাতপ্ৰাপ্ত হয়। তিনিচুকীয়াৰ পৰা অৰুণাচল প্ৰদেশৰ নামপুঙলৈ যোৱা এ আৰ এ ০৪৮০ নম্বৰৰ যাত্ৰীবাহী বাছৰ স’তে এ এছ-২৩ চিচি- ২৫০০ নম্বৰৰ এখন ডাম্পাৰৰ মাজত মুখামুখি সংঘৰ্ষ হয়। ফলত এই সংঘৰ্ষত বাছখনৰ বহু যাত্ৰী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ততাতৈয়াকৈ আঘাতপ্ৰাপ্ত লোকসকলক স্থানীয় চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে যদিও বৰ্তমান সকলো সংকটমুক্ত পাছত মাৰ্ঘেৰিটা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। আনহাতে, স্থানীয় লোকে ডাম্পাৰ চালকজনে অত্যধিক মদ্যপান কৰি গাড়ী চলোৱাৰ বাবে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি অভিযোগ কৰে।

# আমগুৰি ৰংঘৰীয়া কেন্দ্ৰৰ মহাৰজত জয়ন্তী মহোৎসৱ

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২ মে’ ঃ** বিহপুৰীয়াৰ সমীপৰ আমগুৰিত ১৯৪৭ত প্ৰতিষ্ঠিত আমগুৰি ৰংঘৰীয়া কেন্দ্ৰৰ মহাৰজত জয়ন্তী মহোৎসৱ আৰু ৰঙালী বিহু সন্মিলনৰ উদ্বোধনী অনুষ্ঠান কালি দিনজোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। মহাৰজত জয়ন্তী উদ্‌যাপন সমিতি আৰু আমগুৰি ৰংঘৰীয়া কেন্দ্ৰৰ পৰিচালনা সমিতিৰ উদ্যোগত বৃহত্তৰ অঞ্চলবাসীৰ সহযোগত কালি ৰূপায়ণ হোৱা কাৰ্যসূচীমতে পুৱা ৭৫ গছি বন্তি প্ৰজ্বলনৰ আৰম্ভ কৰে ৰংঘৰীয়া কেন্দ্ৰৰ প্ৰাক্তন সম্পাদক গোলাপ চন্দ্ৰ বৰাই। মহাৰজত জয়ন্তীৰ সভাপতি বিপুল বৰা আৰু ৰংঘৰীয়া কেন্দ্ৰৰ সভাপতি মুনীন ভূঞাই সুকীয়া সুকীয়াকৈ পতাকা উত্তোলন কৰাৰ পাছতে কেন্দ্ৰৰ প্ৰাক্তন সভাপতি ললিত শইকীয়াই গছপুলি ৰোপণ কৰে। শিশুসকলৰ মাজত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ পাছতে ১১ বজাৰ পৰা উদ্বোধনী অনুষ্ঠানৰ মুকলি সভাখন আৰম্ভ হয়। কেন্দ্ৰৰ সম্পাদক বিপ্লৱ বৰাই আঁত ধৰা মুকলি সভাখন উদ্বোধন কৰে বিধায়ক দেৱানন্দ হাজৰিকাই। মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি বিপুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু প্ৰাক্তন শিক্ষামন্ত্ৰী প্ৰেমধৰ বৰাই মুখ্য অতিথি, লখিমপুৰ জিনিয়াছ একাডেমীৰ পৰিচালন সঞ্চালক ড° মুকুন্দ ৰাজবংশীয়ে নিৰ্দিষ্ট বক্তা, বিহপুৰীয়াৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞা, বিজেপিৰ লখিমপুৰ জিলা সভাপতি ফণীধৰ বৰুৱাই সন্মানীয় অতিথি, অৱসৰপ্ৰাপ্ত অধ্যক্ষ হৰেন্দ্ৰ নাথ দত্ত, বিহপুৰীয়া জিলা পৰিষদৰ সদস্য গিৰিমা দলে পেগুৱে বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰে। বিয়লি তিনি বজাত আমগুৰি গাঁৱৰ জ্যেষ্ঠ বিহুৱাসকলে মঞ্চ উদ্বোধন কৰে। আনহাতে, বিহুৰ বিভিন্ন প্ৰতিযোগিতা উদ্বোধন কৰে পূব ডিক্ৰুং মহাবিদ্যালয়ৰ বিষয় শিক্ষক জয়ন্ত বৰাই। নিৰোদ বৰা, ৰাজু বৰা, দীপজ্যোতি বৰাৰ নেতৃত্বত আৰু অনন্দ বৰাই আঁত ধৰা প্ৰতিযোগিতা সঞ্চালনা কৰে কেন্দ্ৰৰ প্ৰাক্তন সভাপতি ইন্দ্ৰেশ্বৰ বৰাই। কেন্দ্ৰৰ প্ৰাক্তন সভাপতি জগত শইকীয়াই সন্ধিয়া বন্তি প্ৰজ্বলন কৰে।








## ৪২ সংখ্যক ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত ৬১ টা পদক জয় কৰি অসম দলৰ গৌৰৱময় সফলতা

# ৮৫ উৰ্ধ্বৰ দৌৰত সোণ লাভ মোহিনী তালুকদাৰৰ

### এশ-দুশ মিটাৰত শ্ৰেষ্ঠ হৈ ভাৰতৰ দ্ৰুততম মহিলা হোৱাৰ সন্মান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২ মে' ঃ** ৰাষ্ট্ৰীয় এথলেটিকছ প্ৰতিযোগিতাত 100 মিটাৰ আৰু 200 মিটাৰ দৌৰত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে অসমৰ খেলুৱৈয়ে। কিন্তু গৌৰৱ লাভ কৰা খেলুৱৈ গৰাকী হিমা দাস বা অম্লান বৰগোঁহাই নহয়। বিপৰীতে 85 বছৰ উৰ্ধ্বৰ মোহিনী তালুকদাৰহে। উল্লেখ্য যে সদ্য সমাপ্ত 42 সংখ্যক ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত অংশ লৈ অসম মহিলা দলৰ জ্যেষ্ঠতম খেলুৱৈ 85 বছৰ উৰ্ধ্বৰ মোহিনী তালুকদাৰে 100 মিটাৰ আৰু 200 মিটাৰ দৌৰত সোণৰ পদক লাভ কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে গঢ়িছে নতুন ইতিহাসো। আইতা মোহিনী তালুকদাৰৰ এই সফলতা অসমৰ খেলুৱৈৰ বাবে প্ৰেৰণা তথা অসমবাসীৰ বাবে অনাবিল আনন্দৰ ক্ষণ। স্মৰ্তব্য যে সদ্য সমাপ্ত 42 সংখ্যক ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত অসমে বিশেষ সাফল্য অৰ্জন কৰিছে। যোৱা 27 এপ্ৰিলৰ পৰা পহিলা মে' লৈ চেন্নাইৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত অসমৰ পৰা 30 বছৰৰ পৰা 85 বছৰ উৰ্ধ্বলৈ পুৰুষ আৰু মহিলাৰ সৰ্বমুঠ 203 গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে ।ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনত অসমৰ দলটোৱে 16 টা সোণ, 23 টা ৰূপ আৰু 22 টা ব্ৰঞ্জৰ পদক সহ মুঠ 61 টা পদক লাভ কৰে । ইয়াৰে ভিতৰত মহিলা দলৰ 45 বছৰ উৰ্ধ্বৰ অনিমা সোণোৱাল আৰু 60 বছৰ উৰ্ধ্বৰ বিলাসী কুমচিঙে ব্যক্তিগত ভাবে তিনিটাকৈ সোণৰ পদক পায় । ইফালে, কণিষ্ঠতম খেলুৱৈ 30 বছৰ উৰ্ধ্বৰ মামটি বৰদলৈয়ে 400 মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰে।



## ভাৰতীয় সাঁতোৰ দলৰ প্ৰশিক্ষকৰূপে মনোনীত ৰাজীৱ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২ মে' ঃ** গুৱাহাটী আই আই টি ৰ সাঁতোৰ প্ৰশিক্ষক ৰাজীৱ দেক ভাৰতীয় সাঁতোৰ আৰু পেৰা সাঁতোৰ দলৰ প্ৰশিক্ষকৰূপে মনোনীত কৰা হৈছে । স্কুল গেমছ ফেডাৰেচন অৱ ইণ্ডিয়াই এক পত্ৰযোগে তেওঁক এই কথা জনায় । ভাৰতীয় দলটোৱে অহা 14-22 মে'ত ফ্ৰান্সৰ নাৰমণ্ডিত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় স্কুল স্প'ৰ্টছ ফেডাৰচনৰ আই এছ এফ বিশ্ব স্কুল জিমনাছিয়াড 20-22 ত অংশগ্ৰহণ কৰিব । ইফালে, পৰ্তুগালত অহা 12-18 জুনত হ'বলগীয়া ডব্লিউ পি এছ বিশ্ব চেম্পিয়নশ্বিপৰ বাবে ভাৰতীয় পেৰা চুইমিং দলৰ নিৰ্বাচক কমিটিৰ সদস্যৰূপে ৰাজীৱ দেক নিৰ্বাচিত কৰা হৈছে ।

### খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছত অসমৰ চাৰি মহিলাৰ পদক

## কাৰাটেত ইমনৰ ৰূপ, ব্ৰঞ্জ পালে জোনমনিয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২ মে' ঃ** বাংগালুৰুত চলি থকা খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছত আজি অসমে কাৰাটেত দুটা পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে অসমৰ ইমন গগৈয়ে ৰূপ লাভ কৰাৰ বিপৰীতে জোনমনি দাসে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হয়। মহিলাৰ 68 কিলোগ্ৰাম শাখাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰা যোৰহাটৰ ইমনে ফাইনেলত পাটলিপুত্ৰ বিশ্ববিদ্যালয়ৰ অনন্যা আনন্দৰ বিৰুদ্ধে 8-4 ৰ ব্যৱধানত পৰাস্ত হ'লেও অসমক তৃতীয়টো ৰূপৰ পদক দিবলৈ সক্ষম হয়। ইফালে এই শাখতে পদকৰ মেচত ৰাকঅভাৰ লাভ কৰি ব্ৰঞ্জ অৰ্জন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰা জোনমনিয়ে। এইটো হ'ল চলিত খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছত অসমৰ চতুৰ্থ পদক। উল্লেখ্য যে অসমৰ হৈ চাৰিওটা পদক লাভ কৰিছে ছোৱালীয়ে। ইয়াৰপূৰ্বে অসমৰ দুই মহিলা ভাৰোত্তোলকে চলিত খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছত দুটা ৰূপ লাভ কৰিছিল। অসমৰ দিম্পী দত্তই ভাৰোত্তোলনৰ মহিলাৰ 64 কিলোগ্ৰাম ওজন শাখাত দ্বিতীয় স্থান অধিকাৰ কৰি ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। শিৱসাগৰৰ কন্যা দিম্পীয়ে স্নেটছত 79 কিলোগ্ৰাম তথা ক্লিন এণ্ড জাৰ্কত 100 কিলোগ্ৰাম মুঠ 179 কিলোগ্ৰাম উত্তোলন কৰি ৰূপৰ পদক লাভ কৰে। অৱশ্যে অসমৰ দিম্পী দত্তই ৰাজ্যৰ বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰা নাছিল। বৰ্তমান ৰাষ্ট্ৰীয় শিবিৰত থকাৰ সূত্ৰে দিম্পী দত্তই চণ্ডীগড় বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰি বাংগালুৰুত চলি থকা খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছত অংশ লৈছে। ইফালে, দিম্পীৰ পূৰ্বে চলিত খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছত ৰূপৰ পদক অৰ্জন কৰিছিল অসমৰ দিতিমণি সোনোৱালে ।



ভাৰোত্তোলনতে দিতিমণিয়ে 64 কিলোগ্ৰাম ওজন শাখাত দ্বিতীয় স্থান অধিকাৰ কৰি ৰূপৰ পদক জয় কৰে। ধেমাজিৰ এই সুসন্তানগৰাকীয়ে স্নেটছত 81 কেজি তথা ক্লিন এণ্ড জাৰ্কত 98 কেজিৰে মুঠ 179 কিলোগ্ৰাম উত্তোলন কৰি ৰূপৰ পদক লাভ কৰে। সেয়া আছিল অসমৰ প্ৰথমটো পদক।

## গোৱালপাৰাত ল'ৰা-ছোৱালীৰ মাৰাথন দৌৰ

**অগ্ৰদূত বাৰ্তা, কৃষ্ণাই, ২ মে' ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ নিচেই কাষৰীয়া ঐতিহাসিক শ্ৰীশ্ৰীটুক্ৰেশ্বৰী দেৱালয়ৰ পৰা মৰনৈস্থিত সৈনিক স্কুললৈ আজি পুৱা আয়োজন কৰা হয় এক মাৰাথন দৌৰৰ । গোৱালপাৰাৰ পৰ্যটন ক্ষেত্ৰৰ প্ৰচাৰৰ লগতে নৱ প্ৰজন্মক শিক্ষা আৰু ক্ৰীড়া ক্ষেত্ৰ খনত আগবঢ়াই নিয়াৰ প্ৰয়াসেৰে গোৱালপাৰা জিলা প্ৰশাসনৰ সহযোগত সুৰজ ৰাভা আৰু কেইজনমান যুৱকৰ প্ৰচেষ্টাত আয়োজন কৰা হয় এই মাৰাথন । গোৱালপাৰাৰ ঐতিহাসিক শ্ৰীশ্ৰী টুক্ৰেশ্বৰী দেৱালয়ৰ পৰা আজি পুৱা ছয় বজাত মাৰাথন দৌৰৰ শুভাৰম্ভ কৰে গোৱালপাৰা জিলা আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডিয়ে । আনহাতে দুধনৈৰ পৰাও এই দৌৰত অংশগ্ৰহণ কৰে যুৱতীৰ দল এটাই । দুধনৈত যুৱতীৰ ৰেলীৰ শুভাৰম্ভ কৰে ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই । উল্লেখ্য যে এই মাৰাথন দৌৰৰ সামৰণি পৰে জিলাখনৰ মৰনৈস্থিত গোৱালপাৰা সৈনিক বিদ্যালয়ত।



## দ্বিতীয় গুৱাহাটী মুকলি টাইকোৱান-ড'ৰ সামৰণি

**গুৱাহাটী, ২ মে' ঃ** গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা দ্বিতীয় গুৱাহাটী অপেন টাইকোৱান-ড' চেম্পিয়নশ্বিপৰ সামৰণি পৰিছে। উল্লেখ্য যে যোৱা 30 এপ্ৰিল আৰু এক মে'ত অনুষ্ঠিত এই টাইকোৱান-ড' পুমছে প্ৰতিযোগিতাত গুৱাহাটী আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ মুঠ 26 টা টাইকোৱান-ড' ক্লাবে অংশগ্ৰহণ কৰিছিল। প্ৰতিযোগীৰ মুঠ সংখ্যা আছিল প্ৰায় 250 গৰাকী । যোগদানকাৰী ক্লাববোৰৰ ভিতৰত আছে নেহৰু ষ্টেডিয়ামৰ অসম টাইকোৱান-ড' একাডেমী, জালুকবাৰী টাইকোৱান-ড' একাডেমী, নুনমাটি টাইকোৱান-ড' একাডেমী, ৰেষ্ট গুৱাহাটী টাইকোৱান-ড' একাডেমী, বৰঝাৰ টাইকোৱান-ড' একাডেমী, বিষ্ণুজ্যোতি টাইকোৱান-ড' একাডেমী, দিছপুৰ টাইকোৱান-ড' একাডেমী , মডাৰ্ণ টাইকোৱান-ড' একাডেমী, জীৱনচা টাইকোৱান-ড' একাডেমী, ইলাইট, নৰ্থ গুৱাহাটী টাইকোৱান-ড' একাডেমী, স্বৰাৰিগ , দ্যা ৰেক্স , মডাৰ্ণ ইংলিছ স্কুল , স্প্ৰীংডেল স্কুল, দ্য ডক্সজাং, মণ্টেশ্বৰী টাইকোৱান-ড' একাডেমী, সিদ্ধাৰিকা টাইকোৱান-ড' একাডেমী , আজমিৰ, ৰাইজিং, মালিগাওঁ টাইকোৱান-ড' একাডেমী, ধাৰাপুৰ টাইকোৱান-ড' একাডেমী, ব্ৰহ্মপুত্ৰ ভেলি, লাচিত টাইকোৱান-ড' একাডেমী। প্ৰতিযোগিতাখনৰ সম্পৰ্কত কামৰূপ মেট্ৰ' জিলাৰ টাইকোৱান-ড' সন্থাৰ কোষাধ্যক্ষ তথা আন্তঃৰাষ্ট্ৰীয় বিচাৰক দীনেশ গুপ্তাই কয় যে ক'ভিড পৰিস্থিতিৰ বাবে বিগত দুবছৰ ধৰি আন খেলৰ লগতে বন্ধ হৈ আছিল টাইকোৱান-ড'ৰ সকলো প্ৰতিযোগিতা । সেয়ে কামৰূপ মেট্ৰ জিলাই ক্ৰমাগত দ্বিতীয়বাৰলৈ খেলুৱৈসকলৰ প্ৰতিভা বিকাশৰ বাবে এখন মঞ্চ প্ৰদান কৰিছে।



### ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীত বিশেষ শিবিৰ

## উত্তৰ-পূৰ্বৰ ক্ৰিকেটাৰৰ লগত প্ৰশিক্ষক দ্ৰাবিড়ৰ বাৰ্তালাপ

**বাংগালুৰু, ২ মে' ঃ** ভাৰতীয় ক্ৰিকেট দলৰ প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়ে সম্প্ৰতি বাংগালুৰুত চলি থকা উত্তৰ-পূৰ্বৰ ক্ৰিকেটাৰ বাবে বিশেষ প্ৰশিক্ষণ শিবিৰত অংশ লৈ যুৱ ক্ৰিকেটাৰৰ লগত বাৰ্তালাপ কৰিছে। উল্লেখ্য যে ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীত হোৱা এই শিবিৰত ভাৰতীয় ক্ৰিকেট দলৰ প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়ৰ লগতে উপস্থিত থাকে ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীৰ অধ্যক্ষ ভি ভি এছ লক্ষ্মনো। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে বাংগালুৰুত আৰম্ভ কৰিছে উত্তৰ-পূৰ্বৰ ক্ৰিকেটাৰ বাবে বিশেষ প্ৰশিক্ষণ শিবিৰ। যোৱা 18 এপ্ৰিলৰ পৰা আৰম্ভ হোৱা শিবিৰ সামৰণি পৰিব অহা 12 মে'ত। অসম-ত্ৰিপুৰাক বাদ দি ছখন নতুন ৰাজ্যৰ মুঠ 150 ক্ৰিকেটাৰে ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীত হোৱা এই শিবিৰত অংশ লৈছে। উল্লেখ্য যে উত্তৰ-পূৰ্বৰ মেঘালয়, ছিকিম, মনিপুৰ, নগালেণ্ড, অৰুনাচল আৰু মিজোৰামে এতিয়া ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ প্লেট গ্ৰুপৰ ৰঞ্জী ট্ৰফী খেলি আছে। এই ছখন ৰাজ্যত লোধা কমিটিৰ পৰামৰ্শৰ পাছত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ ফালৰ পৰা ক্ৰিকেট উত্তৰণৰ কাম কৰা হৈছে। ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীত হোৱা উত্তৰ-পূৰ্বৰ ক্ৰিকেটাৰ বাবে বিশেষ প্ৰশিক্ষণ শিবিৰ মুকলি কৰি ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ সম্পাদক জয় শ্বাহে আশাব্যক্ত কৰে যে টীম ইণ্ডিয়াৰ হৈ অনাগত সময়ত উত্তৰ-পূৰ্বৰ ক্ৰিকেটাৰেও খেলিব পাৰিব। 'উত্তৰ-পূৰ্বৰ পৰা নতুন ক্ৰিকেটাৰ উলিয়াই আনি ৰাষ্ট্ৰীয় স্তৰত তেওঁলোকৰ প্ৰতিভা বিকাশ কৰাটো ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ অন্যতম লক্ষ্য। সকলোৱে জানো উত্তৰ-পূৰ্বৰ ৰাজ্যত প্ৰতিভাৰ অভাৱ নাই। কেৱল আমি সুযোগ দিব লাগিব। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে এইদিশত এতিয়াৰে পৰা নতুন আঁচনিৰে কাম কৰিব।' জয় শ্বাহে ব্যক্ত কৰে।





কে কে আৰৰ বিৰুদ্ধে ৰিয়ান।

### প্ৰাইজমানি প্ৰিমিয়াৰ ক্ৰিকেট লীগ

## পুৰণিগুদাম ভাইপাৰ্ছ পলি টাইটানছৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা,**

**বেৰেজীয়া, ২ মে' ঃ** নগাঁও ক্ৰিকেটাৰ্ছ ক্লাবৰ উদ্যোগত নগাঁৱৰ নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা প্ৰথম অভিনৱ বৰা সোঁৱৰণী প্ৰিমিয়াৰ ক্ৰিকেট লীগৰ আজিৰ খেলত পুৰণিগুদাম ভাইপাৰছে বেংগলীপট্টি ৰাইডাৰ্ছক 75 ৰাণত আৰু পলি টাইটানছে খুটিকটীয়া ইয়ুথ চেলেঞ্জাৰ্ছক 27 ৰাণত পৰাজিত কৰে। প্ৰথমখন খেলখনত পুৰণিগুদাম ভাইপাৰছে পোণতে বেট ধৰি 15.1 অভাৰত সকলোকেইটা উইকেটৰ বিনিময়ত 95 ৰাণ সংগ্ৰহ কৰে। বলিঙত বেংগলীপট্টি ৰাইডাৰ্ছৰহৈ হুছেইন আনোৱাৰ আব্বাচে চাৰিটা, নাজিৰ হুছেইনে দুটা,অৰ্জুন দত্ত,সুশান্ত ভৰদ্বাজ আৰু কাজল দত্তই এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত বেংগলীপট্টি ৰাইডাৰ্ছে বেট ধৰি বিপক্ষৰ ভাস্কৰজ্যোতি কোঁৱৰ,সিদ্ধাৰ্থ বৰা,প্ৰিয়ম বৰা,দীনেশ কুমাৰ সাহানী আৰু জিণ্টু শইকীয়াৰ নিয়ন্ত্ৰিত বলিঙৰ প্ৰকোপত 9.5অভাৰত মাত্ৰ 20 ৰাণতে আটাইকেইটা উইকেট হেৰুৱাবলগীয়াত পৰে। খেলখনত পুৰণিগুদাম ভাইপাৰছৰ ভাস্কৰজ্যোতি কোঁৱৰক মেন অব দ্যা মেচৰূপে গোসাইগাঁৱৰ পাৰ্থপ্ৰতিম ভৰদ্বাজে আগবঢ়োৱা ভবেন চন্দ্ৰ গোস্বামী সোঁৱৰণী ট্ৰফী প্ৰদান কৰা হয়। আনহাতে,বিয়লিৰ খেলখনত পলি টাইটানছে পোণতে বেট ধৰি 18.3 অভাৰত সকলোকেইটা উইকেটৰ বিনিময়ত 81 ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত খুটিকটীয়া ইয়ুথ চেলেঞ্জাৰ্ছে 15.2 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ 54 ৰাণহে কৰিবলৈ সক্ষম হয়। এইখন খেলত পলি টাইটানছৰ নীলদীপ্ত কাশ্যপে মেন অব দ্যা মেচৰূপে দুলাল শৰ্মাই আগবঢ়োৱা বিনু শৰ্মা সোঁৱৰণী ট্ৰফী লাভ কৰে বুলি আয়োজক সমিতিৰ বিষয়ববীয়া অৰ্পণ দাস আৰু দেৱজ্যোতি গোস্বামীয়ে জনাইছে।

## ক্ৰীড়া বিভাগৰ যোগ মহোৎসৱ

**গুৱাহাটী, ২ মে' ঃ** ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত আজি যোগ মহোৎসৱৰ আয়োজন কৰা হয়। অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ সঞ্চালকালয়ৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানত তিনি শতাধিক যোগ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। স্বাস্থ্য বিভাগৰ প্ৰধান সচিব অবিনাশ যোশীয়ে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠান উদ্বোধন কৰি যোগৰ মহত্ব ব্যাখ্যা কৰে। কিশোৰ জয়ন্ত মাধৱ, চিকিৎসক মুকেশ আগৰৱালা, ৰিতুবৰণ শৰ্মা, ক্ৰীড়া সঞ্চালক নিবেদন দাস পাটোৱাৰী, কবিতা মজুমদাৰ, সমৰ ডেকা, মুস্তাকুদ্দিন আহমেদ আদিয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানটো পৰিচালনা কৰে পদ্মৰাগ গোস্বামীয়ে। অনুষ্ঠানত অসম অলিম্পিক সন্থাৰ অনুপ চৌধুৰী, বিষ্ণুৰাম নুনিছা, হীৰেন গগৈ, প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় সাতোঁৰবিদ এলভিছ আলী হাজৰিকা আদিয়ে অংশগ্ৰহণ কৰে।

### গোৱাত ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ হকী প্ৰতিযোগিতা

## অসমৰ পুৰুষ হকী দল ৰাওনা

**গুৱাহাটী, ২ মে' ঃ** গোৱাত অহা 4-15 মে'ত অনুষ্ঠিত হ'ব দ্বাদশ হকী ইণ্ডিয়া ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ পুৰুষৰ হকী প্ৰতিযোগিতা । ইয়াৰ বাবে অসম হকী সন্থাই ৰাজ্যিক দলটো ঘোষণা কৰিছে । উল্লেখ্য যে অসম দলটো বাছনি কৰিবলৈ গুৱাহাটীৰ ভেটাপাৰাত অৱস্থিত মৌলানা তৈয়বুল্লা হকী ষ্টেডিয়ামত যোৱা 25-29 এপ্ৰিলত এক প্ৰশিক্ষণ তথা বাছনি শিবিৰৰ আয়োজন কৰা হয় । এই শিবিৰলৈ ৰাজ্যৰ মুঠ 31 গৰাকী খেলুৱৈক আমন্ত্ৰণ কৰা হৈছিল । এই খেলুৱৈসকলৰ ভিতৰৰ পৰা মুঠ 18 গৰাকী খেলুৱৈক অসম দলৰ বাবে নিৰ্বাচন কৰা হয় । গোৱাৰ এই প্ৰতিযোগিতাখনত অসমে পুল 'এইছ'ত খেলিব । লীগ পৰ্যায়ত অসমে চণ্ডীগড় , মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশৰ বিৰুদ্ধে খেলিব। অহা পাঁচ মে'ৰ পুৱা ন বজাত অসমে মহাৰাষ্ট্ৰৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰাৰ পাছত অসমে সাত মে'ৰ দিনৰ 1.30 বজাত মধ্যপ্ৰদেশৰ বিৰুদ্ধে আৰু 10 মে'ৰ পুৱা ন বজাত চণ্ডীগড়ৰ বিৰুদ্ধে খেলিব। প্ৰতিযোগিতাত অংশ ল'বলগা অসম দলটো হ'লে ঃ মেহবুব আলি , ৰিংকু বৰ্মন , নিখিল চাওতাল, ঋত্বিক পাতিৰ , তন্ময় কলিতা, মুস্কিদুল ইছলাম , চাদিকুৰ আহমেদ , মানসৰিজ বড়ো , ইষ্টিয়াক ৰাজা , হেমন্ত বৰঠাকুৰ , ধনঞ্জয় মণ্ডল , জাহিৰ আলম , ৰাজীৱ দে , কঙ্কণজ্যোতি, কৌস্তৱ কাশ্যপ , আমানত আলি, তছৰীফ আহমেদ আৰু আৰিফুল ইছলাম। দলৰ প্ৰশিক্ষক সত্যজিৎ বৰুৱা আৰু মেনেজাৰ ক্ষীৰোদ বড়ো।



## ৰাষ্ট্ৰীয় ফিন ছুইমিঙত পদকজয়ী খেলুৱৈক সম্বৰ্ধনা

### অভিনেতা ৰবি শৰ্মাৰ অংশগ্ৰহণ

**গুৱাহাটী, ২ মে' ঃ** ৰাজস্থানৰ যোধপুৰত অনুষ্ঠিত পঞ্চম ৰাষ্ট্ৰীয় ফিন ছুইমিং চেম্পিয়নত অসমে লাভ কৰিছিল মুঠ 38 টা পদক । ইয়াৰে 12 টা সোণ, 15 টা ৰূপ আৰু 11 টা ব্ৰঞ্জৰ পদক । উল্লেখ্য যে প্ৰতিযোগিতাখনত অসমৰ ল'ৰা-ছোৱালীৰ 12 জনীয়া এটা দলে অংশগ্ৰহণ কৰিছিল। উক্ত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক জয়ী খেলুৱৈক উৎসাহ জনোৱাৰ বাবে অসম ফিন ছুইমিং সন্থাই গুৱাহাটীত আয়োজন কৰে এক সম্বৰ্ধনা অনুষ্ঠান । অনুষ্ঠানত এখনকৈ গামোচা, প্ৰমাণ পত্ৰৰে প্ৰতি গৰাকী পদকজয়ী খেলুৱৈক আদৰণি জনালে সন্থাই । এই সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথি ৰূপে উপস্থিত থাকে অসম চলচ্চিত্ৰ জগতৰ সুদৰ্শন অভিনেতা ৰবি শৰ্মা। উল্লেখ্য যে, ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদকজয়ী খেলুৱৈসকল হ'ল ঃ মীৰাজ হোছেইন, খ্যাতিমন্ত গগৈ, ইমন বৰদলৈ, অহিৰণ পল বুঢ়াগোঁহাই, সমীৰণ নাথ, সন্তোষ নাৰ্জাৰী, গৰীয়সী চুতীয়া, ডেইজী কলিতা, দৰ্শিতা চহৰীয়া, নৰেণ কাশ্যপ । সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে অসম ইণ্ডাষ্ট্ৰিয়েল ডেভলপমেন্ট কৰ্পৰেচনৰ প্ৰাক্তন উপাধ্যক্ষ জিতু তালুকদাৰ, সংস্কৃত মহাসভাৰ সভাপতি পবিত্ৰ কুমাৰ শৰ্মা, আৰ জে মন্দিৰা সিং, অসম ফিন ছুইমিং সন্থাৰ সভাপতি জগজিৎ সিনহা ,উপ সভাপতি চন্দন বৰুৱাৰ লগতে খেলুৱৈসকলৰ অভিভাৱকসকল । অসম পেৰালিম্পিক সন্থাৰ সম্পাদক ৰাজীৱ দেয়ে আঁত ধৰা অনুষ্ঠানটিত আমন্ত্ৰিত অতিথিসকলে খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপন কৰে। ৰাজ্যৰ খেলুৱৈসকলক লৈ আশাবাদী অসম ফিন ছুইমিং সন্থাৰ সম্পাদক খগেন কলিতা।



## বিল্যাসনন্দন চ’ৰা



# দিল্লীত মজলিছ বহিছে

**দেছৰ** কথা, পলিটিক্সৰ কথা সদায়নো আৰু কিমান পাতি থাকিব? দিল্লীৰ বাদশ্বাহ বিৰক্ত হৈ গৈছে। ৰাজচভালৈ আহি সিংহাসনত সিংহটোৰ দৰে বহি লৈয়ে বাদশ্বাহে সভাসদসকলক লক্ষ্য কৰি ক’লে— ‘আজি পলিটিক্স-ফলিটিক্স নহ’ব! দেছৰ চিন্তাও বাদ!’
ঃ কিয় জাহাপনা?
ঃ দেছ এনেকৈয়ে চলি থাকিব।
ঃ সেইটো হয়।
ঃ বহু ভাচন দিলো।
দেছবাচীয়ে মোৰ কথাবোৰ বুজি নাপায়।
ঃ নাপায় জাহাপনা।
ঃ কথাৰে ক’লে একদম বুজি নাপায়।
ঃ হয় জাহাপনা।
ঃ দেছবাচীক বুজাবলৈ নতুন তৰিকা ভাবিব লাগিব।
ঃ কিবা ভাবিছে নেকি জাহাপনা?
ঃ ভাবিছো।
ঃ কি ভাবিছে?
ঃ মই ঠিক কৰিছো...।
ঃ কি?
ঃ এইবাৰৰ পৰা দেছবাচীক কথাবোৰ মই কবিতাৰে বুজাম।
ঃ মানে শ্বায়েৰী গাই গাই?
ঃ ঠিক তেনেকুৱাই।

তাৰ পাছতে বাদশ্বাহে দুটামাহ কাহ মাৰি দাড়িকোছা মোহাৰি লৈ আৰম্ভ কৰিলে—

ঃ কিনো চিঞৰি থাকা
বাঢ়িছে দাম বাঢ়িছে দাম
নাই যদি বেলেগ কথা
মচমচাই চোবাই থাকা
বাদাম।

বাদশ্বাহৰ প্ৰথমটো শ্বায়েৰী শুনিয়ে সভাসদসকল উল্লাসত ফাটি পৰিল— ‘বাঃ বাঃ! ক্যা শ্বায়েৰী হে!’ দুগুণে উৎসাহিত হৈ বাদশ্বাহে পুনৰ আৰম্ভ কৰিবলৈ লওঁতে সভাসদসকলে চিঞৰিবলৈ ল’লেই— ‘বাহ্ বাহ্!’ বাদশ্বাহে খঙতে ধমক দিলে— ‘ৰ’বাহে! গাবলৈতো দিয়া!’

সভাসদসকলে মুখত আঙুলিটো ৰাখি বাদশ্বাহক আৰম্ভ কৰিবলৈ দিলে। এইবাৰ বাদশ্বাহে আৰম্ভ কৰিলে। এইবাৰ আকৌ গালে হিন্দীত—

‘যিচ দিন মে কুছ ভি নহী হে সচ্চে
মেৰে লিয়ে ৱহ দিন হী হে অচ্ছে!’

সভাসদসকল বাহ্ বাহ্ দি ৰক্ষা নাপালে।

যিটো দিনত একো সঁচা নাই, সেই দিনটোৱে অচ্ছে দিন। কিমান সুন্দৰকৈ বুজাই দিছে বাদশ্বাহে! ইয়াৰ পাছত আৰু অচ্ছে দিনক লৈ একো হৈ-হাল্লাই হ’ব নালাগে। সব খতম হৈ যাব লাগে।

উৎসাহৰ তুংগত থকা বাদশ্বাহে এইবাৰ পুনৰ আৰম্ভ কৰিলে—

‘যিচ দেছ মে গংগা বেহতী হে
উচকী নাম হে ইণ্ডিয়া
যিচ দেছ মে লোন লেকে ভাগ যাতে হে
ৱ হে মেক ইন ইণ্ডিয়া!’

সভাসদসকলে বাহ্ বাহ্ দি ৰক্ষা নাপালে।

বাদশ্বাহে পুনৰ গাবলৈ ল’লে—

‘বেচি বেচি দিলো সৱ চাফা কৰি এয়াই
আচল স্বচ্ছ ভাৰত, লাভ নাই ঝাড়ু মাৰি!’



‘বাহ্ বাহ্’ বুলি কৈ কৈ বাদশ্বাহক প্ৰশংসাৰে উপচাই দিলে সভাসদসকলে। বাদশ্বাহে পুনৰ গালে— ‘মন্দিৰ নে মছজিদ

এয়াই কথা আচল
দাম-ভোক-চাকৰি-বাকৰি
সৱ কথাই বিকল!’

সভাসদসকলে ক’ব নোৱাৰি নিজেই গাই দিলে—

‘মিছাৰ মাৰ্কেটিঙত আপুনি
যে তামাম ওস্তাদ
পদে পদে মাতিছে আপুনি
দেছবাচীৰ বৰবাদ!’

বাদশ্বাহে কেৰাহিকৈ চালে। সভাসদসকলে জিভাত কামুৰি সৈ কাঢ়িলে— ‘ছ’ৰী জাহাপনা! ছন্দ মিলাবলৈ গৈছে....!’

# কৃত্ৰিম ভৰিৰে একেৰাহে ১০২ দিন দৌৰি অভিলেখ যুৱতীৰ

## কৰ্কটকো অংগুষ্ঠ প্ৰদৰ্শন কৰি আৰম্ভ কৰিলে নতুন জীৱন

■ নিউজ ব্যুৰ’


**এৰিজ’না, ২ মে’ ঃ** দুৰাৰোগ্য কৰ্কট ৰোগে এখন ভৰি চিৰকাললৈ কাঢ়ি নিলেও তেওঁৰ অদম্য হেঁপাহক বান্ধি ৰাখিব নোৱাৰিলেই। জীৱনটোত নতুনকৈ গঢ়ি তোলাৰ প্ৰৱল ইচ্ছাৰেই শাৰীৰিক প্ৰতিবন্ধকতাকো নেওচি বিশ্ব অভিলেখ গঢ়িলে আমেৰিকাৰ এগৰাকী যুৱতীয়ে। কৃত্ৰিম ভৰিৰেই জেকী হান্ট-ব্ৰ’য়েৰ্স্মা নামৰ যুৱতীগৰাকীয়ে সৰ্বত্ৰে দৌৰি ফুৰিছে। আনকি সেই কৃত্ৰিম ভৰিৰেই অভিলেখ সৃষ্টিৰ বাবে একেৰাহে ১০২ দিনত ১০২খন মাৰাথন দৌৰত অংশ ল’লে জেকীয়ে। ইয়াৰ জৰিয়তেই তেওঁ বিশ্ব অভিলেখৰ বহীত নাম লিখাবলৈ সক্ষম হ’ল।

যুক্তৰাষ্ট্ৰৰ দক্ষিণ-পশ্চিমাঞ্চলৰ অংগৰাজ্য এৰিজ’নাৰ নিবাসী জেকীৰ বাবে যোৱা বৃহস্পতিবাৰটো আছিল এক বিশেষ দিন। সেইদিনাই তেওঁ ২৬.২ মাইল দৌৰিবলৈ সক্ষম হয়। ইয়াৰ জৰিয়তে যুৱতীগৰাকীয়ে একেৰাহে ১০২ দিন মাৰাথন দৌৰাৰ প্ৰত্যাহ্বানো সম্পন্ন কৰে। একেৰাহে ১০২টা দিনত ১০২খন মাৰাথনত দৌৰি জেকীয়ে আমেৰিকাৰে এলিছা ক্লাৰ্কৰ বিশ্ব অভিলেখ ভংগ কৰে। ২০২০ত এলিছাই একেৰাহে ৯৫খন মাৰাথনত দৌৰি বিশ্ব অভিলেখ গঢ়িছিল।

এলিছাৰ অভিলেখ ভংগ কৰাৰ বাবে অৱশ্যে জেকীৰ প্ৰত্যাহ্বান বৰ সহজ নাছিল। কিয়নো ২০০১ত কৰ্কটত ভুগি তেওঁ এখন ভৰি হেৰুৱাবলগীয়া হৈছিল। ইয়াৰ পাছতে তেওঁ এখন কৃত্ৰিম ভৰি লগাই লৈছিল। তাৰ পাছৰ পৰাই আৰম্ভ কৰে দৌৰৰ অনুশীলন।

এক সাক্ষাৎকাৰত জেকীয়ে কয়, ‘অসুস্থ হোৱাৰ পাছত মোক কোৱা হৈছিল যে মই আৰু কেতিয়াও দৌৰিব নোৱাৰিম। অথচ মই দৌৰ বন্ধ কৰিব বিচৰা নাছিলো। মই পুনৰ ট্ৰেকলৈ ঘূৰি আহিব বিচাৰিছিলো। বিশ্ব অভিলেখ গঢ়িব বিচাৰিছিলো। এই ইচ্ছা মোক নতুনকৈ বাচি থাকিবলৈ শিকাইছিল।’





# আঠ বছৰতে ৪৭টি সন্তানৰ পিতৃ হ’ল ৩০ বছৰীয়া যুৱক

■ নিউজ ব্যুৰ’

**নিউ য়ৰ্ক, ২ মে’ ঃ** মাত্ৰ ৩০ বছৰ বয়সতে ৪৭টি সন্তানৰ পিতৃ হ’ল আমেৰিকাৰ এজন যুৱক। প্ৰকৃততে মাত্ৰ আঠ বছৰৰ ব্যৱধানতে এই ৪৭টি সন্তানৰ পিতৃত্ব অৰ্জন কৰিলে কাইল নামৰ যুৱকজনে। অতি শীঘ্ৰেই তেওঁৰ সন্তানৰ সংখ্যাই শতক পাৰ কৰিব পাৰে। আগন্তুক কিছু মাহৰ পাছতে তেওঁৰ ঔৰসত আন ১০টি শিশুৱে পৃথিৱীৰ মুখ দেখা পাব। অৰ্থাৎ তেতিয়া কাইল হৈ পৰিব ৫৭টি সন্তানৰ পিতৃ।

অংকটো কঠিন হ’লেও অবাস্তৱ নহয়। কিয়নো ইয়াৰ বাবে কাইলে কোনো নাৰীৰ স’তে শাৰীৰিক সম্পৰ্কত মিলিত হ’ব নালাগে। তেওঁ আচলতে এজন স্বেচ্ছা বীৰ্যদাতা। অৱশ্যে তেওঁ কোনো স্পাৰ্ম বেংকৰ স’তেও যুক্ত নহয়। ব্যক্তিগতভাৱেই তেওঁ এই কাম কৰে। কাইলে তেওঁৰ প্ৰত্যেক সন্তানৰ মাতৃকেই চিনি পায়। আনকি বিশ্বৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা তেওঁৰ ৪৭টি পুত্ৰ-কন্যাকো চিনি পায়।

ইমানবোৰ সন্তানৰ পিতৃসুখ লাভ কৰিলেও অৱশ্যে ৩০ বছৰীয়া যুৱকজনক এটা দুখে সকলো সময়তে মনত আঘাত কৰে। কিয়নো তেওঁৰ জীৱনত এতিয়ালৈকে প্ৰেম অহা নাই। কোনো বিশেষ নাৰীৰ অপেক্ষাত থকা কাইলৰ মনত এটাই বেদনা যে কোনো যুৱতীয়েই তেওঁৰ প্ৰেমত নপৰে। অৱশ্যে যুৱতীসকল যে তেওঁৰ প্ৰতি আগ্ৰহী নহয়, সেয়াও নহয়। কাইলে জনাইছে যে বিগত কিছু বছৰত তেওঁৰ সম্পৰ্কে যুৱতীসকলৰ আগ্ৰহ বাঢ়িছে। নেট মাধ্যমৰ ব্যক্তিগত চাটত বহু যুৱতীয়েই তেওঁৰ স’তে কথা পাতিব খোজে। অথচ কোনেও তেওঁৰ প্ৰেমত পৰিব নোখোজে। ডেটিঙতো যাব নিবিচাৰে। এই যুৱতীসকলৰ স’তে কথা পাতি কাইলে বুজি পাইছে যে কেৱল সন্তানৰ আশাতহে সকলোৱে তেওঁক বিচাৰে। মাতৃত্ব অৰ্জনৰ প্ৰৱল হেঁপাহৰ বাবেই তেওঁলোকে কাইলৰ স’তে যোগাযোগ কৰে। কাইলে কয় যে তেওঁ নিজৰ বীৰ্য বিনামূল্যেই দান কৰে। অৱশ্যে যাক সঁচাকৈয়ে প্ৰয়োজন, তেনে নাৰীকহে দান কৰে। কাইলে এটা বিষয়ত আচৰিত হৈছে যে যি সকলে নেট মাধ্যমেৰে তেওঁৰ স’তে গোপনে যোগাযোগ কৰে, তেওঁলোক সকলোৱেই অৱস্থাপন্ন মহিলা। তেওঁলোকে ইচ্ছা কৰিলেই স্পাৰ্ম বেংকলৈ যাব পাৰে। অথচ তাকে নকৰি কাইলৰ স’তে যোগাযোগ কৰিছে। ইয়াৰ কাৰণ জানিব বিচৰাত সেই মহিলাসকলে জনাইছে যে তেওঁলোকে বিচাৰে, নিজৰ সন্তানে সিহঁতৰ প্ৰকৃত পিতৃ পৰিচয় জানক। যিটো স্পাৰ্ম বেংকত হ’লে সম্ভৱ নহয়। ইয়াৰ পৰা অৱশ্যে কাইলৰ বিশেষ একো পাবলগীয়া নাই। কিছুদিনৰ পূৰ্বেই তেওঁ দীঘলীয়া বিদেশ ভ্ৰমণ কৰিছিল। সেই ভ্ৰমণতে বিভিন্ন দেশত উপস্থিত হৈ যুৱকজনে নিজৰ সন্তানসকলকো সাক্ষাৎ কৰে। তথাপি ৪৭টি সন্তানৰ পিতৃয়ে জনাইছে যে তেওঁৰ অপ্ৰাপ্তি এতিয়াও আছে। ইনষ্টাগ্ৰামত সমগ্ৰ বিশ্বৰ মাতৃ হ’বলৈ বিচৰা মহিলাই তেওঁৰ স’তে যোগাযোগ কৰে। কমেও এহেজাৰ নাৰীয়ে তেওঁৰ পৰা বীৰ্য বিচাৰিছে, কিন্তু কোনেও তেওঁৰ মনটো বিচৰা নাই। এই বেদনাই খাই মাৰিছে যুৱকজনক।

## প্ৰেমৰ বাবে নহয়, মাতৃত্বৰ বাবেই গোপনে মাতে বহু যুৱতীয়ে

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

WELCOME



Sri Ram Nath Kovind
Hon’ble President of India

And

Prof. Jagadish Mukhi
Hon’ble Governor of Assam

Dr. Himanta Biswa Sarma
Chief Minister of Assam

Sri Prem Singh Tamang
Chief Minister of Sikkim

Sri Conrad Sangma
Chief Minister of Meghalaya





To
61st Annual Conference of
BODO SAHITYA SABHA

Venue – Gwjwn Fwthar, Kachubari, Tamulpur
Dist.- Tamulpur, BTR, Assam
Date – 4th May, 2022

IPR(BTC)-28/2022
I & PR, BTC

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com